অসমৰ চাহ্ মজদুৰ সমাজৰ সংস্কৃতি

(এটি সমীক্ষামূলক অধ্যয়ন)

ড° জ্যোৎস্না শৰ্মা বেজবৰুৱা

কেমব্রিজ ইণ্ডিয়া

এফ ৪৬ দক্ষিণাপণ

গৰিয়াহাট (দক্ষিণ), কলকাতা-৬৮

ASOMOR CHAH MAZDUR SAMAJAR SANSKRITI : A critical analysis of the Socio-Culture of the Chah Mazdur Society written by Dr Jyotsna Sharma Bezbaruah.
First Published : August, 2001 Price : Rupees Seventy only

প্ৰথম প্ৰকাশ : আগষ্ট, ২০০১

প্ৰকাশক :
কেমব্ৰিজ ইণ্ডিয়া
এফ ৪৬ দক্ষিণাপণ
গৰিয়াহাট (দক্ষিণ), কলকাতা-৭০০০৬৮
ফোন : ০৩৩-৪৭৩১২৪৬

শাখা কাৰ্যালয় :
চেংগেলৰ কমাৰ্চিয়েল
হেম বৰুৱা পথ
পাণবজাৰ, গুৱাহাটী-১
ফোন : ৫৪৭৩৯০

মূল্য : সত্তৰ টকা মাত্ৰ

মুদ্ৰক :
কেমব্ৰিজ লেজাৰ প্ৰিণ্ট
এফ ৫৫ দক্ষিণাপণ
কলকাতা -৭০০০৬৮
ফোন : ০৩৩-৪৭৩৩৩৭১

ড° সত্যেন্দ্ৰ নাৰায়ণ গোস্বামী
গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূতপূৰ্ব ৰবীন্দ্ৰনাথ ঠাকুৰ অধ্যাপক, বৰ্তমান উত্তৰ-পূব পাৰ্বত্য বিশ্ববিদ্যালয়ৰ অধ্যাপক

আগকথা

মানব সমাজৰ জীৱন-পদ্ধতিৰ সামগ্ৰিক ৰূপটোকে সংস্কৃতি বুলি কোৱা হয়। অৱশ্যে সেই মানব সমাজৰ বসবাস কোনো এটা ভৌগোলিক পৰিসীমাৰ ভিতৰতে সীমাবদ্ধ হৈ থাকে আৰু সেইখন সমাজৰ উৎকৰ্ষ সাধনৰ ৰূপটোকে তেওঁলোকৰ সংস্কৃতি আখ্যা দিয়া হয়। সাধাৰণভাৱে সেই সংস্কৃতি ইংৰাজীৰ 'কাল্‌চাৰ' শব্দৰ আয়ত্তাধীন। ভালদৰে চালি-জাৰি বিচাৰ কৰিলে সমাজ আৰু সংস্কৃতিৰ মাজত ওতপ্ৰোত সম্পৰ্ক দেখিবলৈ পোৱা যায়; এটা আনটোৰ পৰিপূৰক, ইটোক এৰি দিলে সিটো অস্তিত্বহীন হৈ পৰে। বহল সমাজত নানা জাতি, নানা ভাষা, নানা ধৰ্ম আনকি নানা ৰকমৰ জীৱনপদ্ধতি তথা সংস্কৃতিৰো সমাবেশ ঘটে। ভাৰত তেনে এখন দেশ; পাশ্চাত্যৰ বহুতেই ভাৰতক উপমহাদেশ বুলিহে কয়। কাৰণ ইয়াত বহু সংস্কৃতিৰ সমাবেশ ঘটিছে আৰু সিবোৰৰ নানাবিধ অৰিহণাৰ ফলত ভাৰত-সংস্কৃতি এক বৈচিত্ৰ্যময় ৰূপত মোহনীয় হৈ পৰিছে; বহুধাবিভক্ত হৈয়ো ই ঐক্যসূত্ৰত গ্ৰথিত। ভাৰত-সংস্কৃতিৰ Unity in diversity কথাটোৱে হ'ল সৰ্বোৎকৃষ্ট বৈশিষ্ট্য। আমাৰ এই অসম মুলুকৰ অৱস্থাও দৰাচলতে ভাৰতসদৃশ। ইয়াতো পৰ্বত-ভৈয়াম, আৰ্য-আৰ্যেতৰ তথা মংগোলয়দ-অষ্ট্ৰলয়দ-দ্ৰাবিড় আদি বিবিধ জাতি-গোষ্ঠীৰ ভিন্ন ৰুচি, ভিন্ন জীৱনপদ্ধতি, ভিন্ন মাত-কথাৰ মধুৰ সহ-অৱস্থানে এক কৌতূহলপূৰ্ণ পৰিবেশৰ সৃষ্টি কৰিছে। এইবোৰৰ মিলনৰ পৰিণতিয়ে হ'ল পূৰ্বাঞ্চলৰ অসম-সংস্কৃতি। ই মনোমোহা ৰূপত জিলিকি উঠাৰ মূলতে একাধিক সংস্কৃতিৰ স্বাভাৱিক গতিত গঢ় লোৱা মিশ্ৰিত ৰূপটো; এষাৰ কথাত কস্মোপলিটান চৰিত্ৰটো; এই সংস্কৃতি ভাৰত-সংস্কৃতিৰে এক ক্ষুদ্ৰ সংস্কৰণ। অসমত থকা আঠশৰো অধিকসংখ্যক 'চাহ-বাগিচাৰ চাহ-মজদুৰ' সকলৰ সমাজখন তথা সংস্কৃতিৰো ইয়াত ভালেখিনি অৱদান আছে।

চাহ-মজদুৰসকল বৰ্তমান অসমৰ স্থায়ী বাসিন্দা। অসমৰ জলবায়ু খাই ডাঙৰ-দীঘল হোৱা, অসমৰ লগতে ইহকাল-পৰকাল জড়িত ভাৰতীয় নাগৰিকৰূপে সুপ্ৰসিদ্ধ এই মজদুৰসকলৰ উপৰি পুৰুষসকল দৰাচলতে মধ্য-ভাৰত তথা মধ্যপ্ৰদেশ, অন্ধ্ৰ, তেলেংগানা, উৰিষ্যা, পশ্চিমবংগৰ মুৰ্চিদাবাদ, মেদিনীপুৰ অঞ্চল, বিহাৰ-ঝাৰখণ্ড আদিৰ পৰা 'গিৰমিটীয়া পদ্ধতি'ত অসমলৈ অনা লোক। পোনাই ক'বলৈ হ'লে তেওঁলোক আছিল বাগিচাবোৰলৈ কিনি অনা বনুৱা। সেইসকলৰ সতি-সন্ততি, নাতি-পুতি অসমতে ওপজা আৰু অসমেই তেওঁলোকৰ জন্মভূমি। বাগিচাৰ কামৰ পৰা অৱসৰ পোৱাৰ পিছত তেওঁলোকৰ ঘৰ বুলি কোৱাৰ আন ঠাই নাছিল; পূৰ্বৰ উপৰিপুৰুষৰ অঙহী-বঙহীসকলৰ লগত সকলো সম্পৰ্ক ছেদ কৰি আহিছিল বাবে পৰিস্থিতিয়েও তেওঁলোকক ইয়াতে নিগাজী হোৱাৰ সুবিধা দিছিল। এইদৰে তেওঁলোকৰ অসম যিদৰে স্বদেশত পৰিণত হ'ল সেই একেদৰে তেওঁলোক নিজেও বৃহৎ অসমীয়াৰে অন্তৰ্ভুক্ত জাতিত পৰিণত হৈ অসম-সংস্কৃতিৰ মাজত সোমাই পৰিল। চাহ-মজদুৰৰ জীৱন-পদ্ধতিয়ে অসমীয়া সংস্কৃতিৰ আজি এক অবিচ্ছেদ্য অংগৰ ৰূপ লৈছে। এওঁলোকৰ নিজস্ব সমাজৰ বৈশিষ্ট্য, ভাব-ভাষা তথা মাত-কথা, লোকাচাৰ, ধ্যান-ধাৰণা, উৎসৱ-পৰ্ব, নানা সামাজিক অনুষ্ঠান, খাদ্যাখাদ্য, সংস্কাৰ, গীত-পদ, নৃত্য-বাদ্যাদিৰ সমাবেশত অসমীয়া সংস্কৃতি সমৃদ্ধ হৈছে আৰু একে সময়তে প্ৰায় আঠ কুৰি বছৰো অধিক কাল অসমীয়া লোকৰ ভাব-ভাষা তথা মাত-কথা, ধৰ্ম-বিশ্বাস, লোকাচাৰ, উৎসৱ-অনুষ্ঠান আদিৰ মাজত থাকি এই চাহ-মজদুৰসকলেও বহুখিনি তেওঁলোকৰ নিজৰ সমাজখনত সুমুৱাই লৈছে। এই

দিয়া-নিয়া নীতিৰ স্বাভাৱিক প্ৰক্ৰিয়াৰ ফলতেই চাহ্-মজদুৰৰ সমাজ-সংস্কৃতিৰ অধ্যয়নৰ প্ৰয়োজন হৈ পৰিছে। কিয়নো অন্যথা বৃহৎ অসম তথা অসমীয়া সংস্কৃতিৰ প্ৰকৃত স্বৰূপটো হৃদয়ংগম কৰা সম্ভৱ নহয়, আধৰুৱা হোৱাৰহে সম্ভাৱনা। এই মূলুকৰ প্ৰতিটো জাতি-উপজাতি, সম্প্ৰদায়-গোষ্ঠীৰ সমাজ-সংস্কৃতিৰ অধ্যয়নৰ দ্বাৰাহে অসমীয়া সংস্কৃতিৰ তাৎপৰ্য উপলব্ধি সম্ভৱ। সেই বাস্তৱ প্ৰয়োজনীয়তাৰ কথালৈ সচেতন হৈয়ে সম্ভৱতঃ শ্ৰীমতী ড° জ্যোৎস্না শৰ্মা বেজবৰুৱাই চাহ্-মজদুৰ সমাজৰ সাংস্কৃতিক দিশৰ ওপৰত গৱেষণা কৰ্মত প্ৰবৃত্ত হৈছিল। তাতে তেওঁৰ শৈশৱ, কৈশোৰ আৰু যৌৱনকালৰো প্ৰাৰম্ভৰ কেইবাটাও বছৰ সেই বাগিচাৰ মাজতে উমলি-জামলি কটাই সেই মজদুৰ সমাজৰে অন্তৰ্ভুক্ত হৈ পৰিছিল। সেই হিচাপেই মজদুৰ সমাজখনৰ লগত গঢ় লৈ উঠা আত্মীয়তাৰ সুযোগত তেওঁ এই বিদ্যায়তনিক কৰ্মত প্ৰবৃত্ত হোৱাই নহয় তাত সফলতাও লাভ কৰিছে। সেই সফল কৰ্মৰ গঁহনা লৈয়ে তেওঁ এই পুথিখন প্ৰণয়ন কৰিবলৈ প্ৰয়াস পাইছে। গৱেষণা কৰ্মৰ সফলতাৰ পিছত আজিকালি বহুতকে হাত ধুই সেইপিনে পিঠি দিয়া দেখা যায়। লেখিকাক ইয়াৰ ব্যতিক্ৰম যেন লাগিছে।

এওঁৰ এই পুথিখনত মুঠতে আঠটা অধ্যায়ত বিষয়বোৰ যথাযথভাৱে সন্নিবিষ্ট কৰিবলৈ পৰিকল্পনা কৰিছে। প্ৰথমটো অধ্যায়ত অৱতাৰণাৰ সুযোগতে অসমৰ চাহ্-উদ্যোগৰ শুভাৰম্ভৰ লগত চাহ্-মজদুৰসকলৰ অসমলৈ কিদৰে আগমন হৈছিল তাৰ আভাস দিয়াৰ প্ৰচেষ্টা চকুত পৰে। দ্বিতীয়টো অধ্যায়ত সেই মজদুৰ সমাজখনৰ পৰিচয়ৰ লগত তেওঁলোকৰ সাংস্কৃতিক দিশৰ এটা পৰিচিতিও দাঙি ধৰাৰ প্ৰয়াস দেখা যায়। তৃতীয় অধ্যায়ত মজদুৰসকলৰ গীত-পদৰ আঁতিগুৰিৰ আলোচনা কৰোঁতে অসমীয়া গীত-মাতৰ লগত সম্পৰ্কৰ উমান পায়েই সম্ভৱতঃ পৰৱৰ্তী অধ্যায়ত এই দুয়োবিধ গীতৰ এটা তুলনামূলক আলোচনাৰ যত্ন কৰিছে। ইয়াৰ পিছত তিনিটা অধ্যায়ত মজদুৰসকলৰ গীতত ৰূপায়িত তেওঁলোকৰ সমাজৰ চিত্ৰ, গীতৰ ভাষাগত বৈশিষ্ট্য আৰু সেই গীতৰ সাহিত্যিক সৌন্দৰ্যৰ ওপৰত গভীৰ মনোনিবেশেৰে আলোকপাতৰ প্ৰচেষ্টা কৰিছে। শেষ অধ্যায়টো তেওঁৰ এই কৰ্মৰ এটা চমু উপ-সংহাৰ মাত্ৰ।

লেখিকা অসমীয়া সাহিত্য জগতত নৱাগতা। এই ক্ষুদ্ৰ পুথিখনৰ জৰিয়তে তেওঁ সাহিত্য জগতত প্ৰৱেশ কৰিছে। ব্যক্তিগত জীৱনত সৰু কালৰ পৰা কিছুকাল চাহ্-মজদুৰ সমাজৰ মাজত ঘনিষ্ঠভাৱে থাকি লাভ কৰা অভিজ্ঞতাকে এই গ্ৰন্থত সৰল দৃষ্টিভংগীৰে তুলি ধৰিবলৈ তেওঁ যত্ন কৰিছে। ভাব-ভাষা সৰল, প্ৰকাশভংগীতো কৃত্ৰিমতা কিম্বা পণ্ডিতালিৰ লেশমানো আঁচোৰ চকুত পৰা নাই। বাগিচাৰ জীৱন আৰু সমাজখনৰ প্ৰতি তেওঁৰ প্ৰাণৰ এটা বিশেষ মায়া আছে, সেই মায়াৰ টানতে তেওঁ এই পুথিখন লিখিবলৈ ওলোৱা কথা নিজেই মুকলিভাৱে কৈছে। কলেজত অধ্যাপনাৰ কামৰ উপৰি ঘৰ-সংসাৰৰ গৃহিণীৰ দায়িত্ব পালন কৰি তাৰ মাজতে এনে এটা সামাজিক প্ৰয়োজনীয় বিষয়ৰ ওপৰত এখনি পুথি ৰচনা কৰিবলৈ লোৱা বাবে ড° শৰ্মাবেজবৰুৱা যে অসমীয়া পাঠক-পাঠিকাৰ শলাগৰ পাত্ৰী হ'ব সেই কথা ধ্ৰুৱ। নতুন লেখিকা হিচাপে তেওঁৰ এই প্ৰচেষ্টাত সৰু-সুৰা কিবা ক্ৰটী থাকিলেও যিকোনো পঢুৱৈয়ে সহানুভূতিৰ দৃষ্টিৰে চাব বুলিহে মোৰ ধাৰণা। লেখিকাৰ ভৱিষ্যৎ সম্ভাৱনাপূৰ্ণ যেনেই লাগে।

সাধাৰণতে এনেকুৱা পুথি নতুন প্ৰকাশকে উলিয়াবলৈ কিছু সংকোচ বোধ কৰে। সেইটোৱো আন এটা মন কৰিবলগীয়া কথা। প্ৰকাশকো সেইফালৰ পৰা ধন্যবাদৰ যোগ্য।

এই পুথিখনে অসমৰ সংস্কৃতি বিশেষকৈ চাহ্-মজদুৰৰ জীৱনধাৰা আৰু গীত-পদৰ চিন্তা-চৰ্চা কৰা তথা অধ্যয়ন অভিলাষীসকলক ভালেখিনি তথ্যৰ যোগান ধৰিব বুলি অনুমান হয়। শ্ৰীমতী ড° শৰ্মাবেজবৰুৱাৰ সাহিত্যিক প্ৰচেষ্টাৰ সফলতা কামনা কৰিলোঁ।

১ আগষ্ট, ২০০১ **সত্যেন্দ্ৰ নাৰায়ণ গোস্বামী**

মোৰ কথা

অসমৰ সংস্কৃতিৰ পুংখানুপুংখ বিস্তৃত অধ্যয়নৰ ক্ষেত্ৰত চাহ-মজদুৰৰ সংস্কৃতি অধ্যয়ন কৰাটো অতি অপৰিহাৰ্য। কিয়নো চাহ-মজদুৰসকলো বৃহৎ অসমীয়াৰে এটা বিশেষ ঠাল। ডেৰশ বছৰ অসমৰ মাটিত বসবাস কৰি অসমৰ মাত-কথা, সংস্কৃতি সকলো আপোন কৰি লোৱা এই লোকসকলৰ সংস্কৃতি অধ্যয়ন কৰাটো প্ৰয়োজনীয় বুলি ভাবিয়ে এই অধ্যয়নৰ আঁচনি লোৱা হৈছে। এই অধ্যয়ন প্ৰায় সম্পূৰ্ণৰূপে ক্ষেত্ৰ অধ্যয়নৰ (field study) ওপৰতে নিৰ্ভৰশীল।

এই অধ্যয়নৰ মূল উদ্দেশ্যৰ আঁৰত মই সৰুৰে পৰা একেলগে ডাঙৰ-দীঘল হৈ বসবাস কৰি অহা চাহ-মজদুৰসকল। শৈশৱৰে পৰাই লগ পাই অহা এই লোকসকলৰ বাবে কিবা এটা কাম কৰাৰ হাবিয়াস বহুদিনৰে পৰা মনতে পুহি ৰাখিছিলো। যদি এই সামান্য পুথিখনৰ পৰা তেওঁলোকৰ অকণমান হ'লেও কিবা কামত আহে তেতিয়া মোৰ কষ্ট সাৰ্থক হ'ব।

এই প্ৰসংগতে মোৰ অধ্যয়নত বিশেষভাৱে উৎসাহিত কৰা একাধিক ব্যক্তিৰ নাম উল্লেখ নকৰিলে দোষে চুব। গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন ৰবীন্দ্ৰনাথ ঠাকুৰ অধ্যাপক ড° সত্যেন্দ্ৰ নাৰায়ণ গোস্বামীদেৱে মোৰ অধ্যয়নক পুথি আকাৰে প্ৰকাশ কৰিবলৈ তাগিদা নিদিয়া হ'লে আৰু লগতে আগভুৰি ধৰি নিদিয়া হ'লে এই পুথিৰ জন্মই নহ'লহেঁতেন। ড° গোস্বামী ছাৰে এই গ্ৰন্থখনিৰ এটি 'আগকথা' লিখিবলৈ সন্মতি জনোৱাটোৱো মোৰ সৌভাগ্য বুলিয়েই ভাবিছো। তেখেতৰ ওচৰত মই চিৰকৃতজ্ঞ। ক্ষেত্ৰ অধ্যয়নত নানা ঠাইৰ বহুজন ব্যক্তিয়ে মোক যথেষ্ট সহায় কৰিছিল। তেখেতসকলো মোৰ আন্তৰিক ধন্যবাদৰ পাত্ৰ। গুৱাহাটীৰ 'কেমব্ৰিজ ইণ্ডিয়া' প্ৰকাশনে মোৰ পুথিখন প্ৰকাশ কৰিবলৈ সন্মতি প্ৰদান কৰি মোক উৎসাহ দিয়া বাবে প্ৰকাশকলৈ মই কৃতজ্ঞতাৰ শৰাই আগবঢ়ালো। মোৰ স্বামী শ্ৰীৰাতুল শৰ্মাই বহু ব্যস্ততাৰ মাজতো ভালেখিনি সহায় কৰিছে। লগতে আমাৰ পুত্ৰ শ্ৰীমান অৰিন্দমে মোক ইটো-সিটো সুধি সকীয়াই আহিছে। এওঁলোক দুজনে ত্যাগ স্বীকাৰ নকৰা হ'লে মোৰ অধ্যয়ন ইমান কম সময়ৰ ভিতৰতে হৈ নুঠিলহেঁতেন। দুয়োৰে প্ৰতি কৃতজ্ঞতা প্ৰকাশৰ লগতে উত্তৰোত্তৰ উন্নতি কামনা কৰিলো। লগতে পাপু, বুলিলৈও মোৰ আন্তৰিক ধন্যবাদ জনালো।

সদৌ শেষত আৰু এষাৰ নক'লে মোৰ কথা অসম্পূৰ্ণ হৈ ৰ'ব। সীমিত অৰ্হতাৰে সম্পন্ন কৰা জীৱনৰ প্ৰথম প্ৰকাশিত গ্ৰন্থখনত মোৰ অজানিতে দোষ-ত্ৰুটী থাকি যোৱাটো স্বাভাৱিক। সহৃদয় পাঠক-পাঠিকাসকলে তাৰ বাবে মোক ক্ষমা কৰে যেন।

জ্যোৎস্না শৰ্মা বেজবৰুৱা

তেজপুৰ

সূচীপত্ৰ

সূচী	পৃষ্ঠা
প্ৰথম অধ্যায়	
অসমত চাহ শিল্পৰ আৰম্ভণি আৰু চাহ-মজদুৰৰ আগমন	০১
দ্বিতীয় অধ্যায়	
চাহ্-মজদুৰৰ সমাজ আৰু সংস্কৃতি	১৩
তৃতীয় অধ্যায়	
চাহ্-মজদুৰৰ গীত-পদৰ চমু ইতিবৃত্ত	৫৩
চতুৰ্থ অধ্যায়	
অসমীয়া গীতৰ লগত চাহ্-মজদুৰৰ গীতৰ তুলনামূলক আলোচনা	৯১
পঞ্চম অধ্যায়	
চাহ্-মজদুৰৰ গীতত সামাজিক চিত্ৰ	১০৭
ষষ্ঠ অধ্যায়	
চাহ্-মজদুৰৰ গীতৰ ভাষা	১৪৩
সপ্তম অধ্যায়	
চাহ্-মজদুৰৰ গীত-পদৰ সাহিত্যিক সৌন্দৰ্য	১৬১
অষ্টম অধ্যায়	
সামৰণি	১৭২

প্ৰথম অধ্যায়

অসমত চাহ্-শিল্পৰ আৰম্ভণি আৰু চাহ্-মজদুৰৰ আগমন

১.১ অসমত চাহ শিল্পৰ প্ৰথম আৱিষ্কৰ্তা লৈ মতানৈক্য আছে। চি এ ব্ৰুচৰ নিজৰ ভাষাত তেৱেঁই চাহৰ প্ৰথম আৱিষ্কাৰ কৰা প্ৰথম ইউৰোপীয়। আনফালেদি বুৰঞ্জীবিদ বেণুধৰ শৰ্মাৰ মতে অসমৰ অন্যতম ছহিদ মণিৰাম দেৱানহে অসমৰ সৰ্বপ্ৰথম চাহ আৱিষ্কৰ্তা।[1] এই সন্দৰ্ভত যদিও বিতৰ্কৰ অন্ত পৰা নাই, অসমত চাহ-শিল্পৰ আৰম্ভণিৰ কথাখিনি এই প্ৰসংগতে উল্লেখ কৰা দৰকাৰ। শাসকবেশী ইংৰাজ তথা ইষ্ট ইণ্ডিয়া কোম্পানীৰ বিষয়াসকলে অসমত চাহৰ সম্ভেদ পায়েই ইয়াৰ ব্যৱসায়ৰ প্ৰতি অধিক আগ্ৰহী হৈ পৰিল। ১৮১৯ চনত অসমৰ গৱৰ্ণৰ জেনেৰেলৰ এজেণ্ট মিঃ ডেভিদ স্কটে অসমত চাহ খেতিৰ সম্ভাৱনাৰ প্ৰতি লক্ষ্য ৰাখি "ইষ্ট ইণ্ডিয়া" কোম্পানীৰ বিখ্যাত উদ্ভিদবিদ ড° এন ৱালিছলৈ সবিশেষ বৰ্ণনা কৰি চিঠি লিখে। অসমৰ হাবিত চাহ থকাৰ কথা ১৮২৩ চনতে ৰবাৰ্ট ব্ৰুচে সম্ভেদ পায় আৰু লগে লগে তেওঁ এজন চিংফৌ মুৰব্বীৰ লগত চাহ যোগান ধৰা সম্পৰ্কে এখন চুক্তি কৰে।

১৮৩২ চনত কেপ্টেইন এফ জেনকিন্স চাহাব অসমৰ অৰ্থ সম্পৰ্কৰ সম্ভেদ লৈ বিতং টোকা যুগুত কৰিবলৈ নিযুক্ত হৈ আছে। তেৱোঁ অসমৰ চাহৰ কথা আৰু চাহখেতিৰ পৰা সম্ভাব্য অৰ্থলাভৰ কথা সবিশেষ লিখি চাহ সমিতিক জনাইছিল।

অসমত চাহ শিল্পৰ বিজ্ঞানসম্মতভাৱে অনুসন্ধান কৰিবলৈ চাহ সমিতিয়ে এক বিশেষ বিজ্ঞ দলক অসমলৈ পঠায়। এই দলত মিঃ ৱালিচ, মিঃ এম এলাগু আৰু মিঃ গ্ৰীফিট্‌ছ আছিল। এওঁলোক অসমলৈ আহিছিল। চি এ ব্ৰুচক লেফটেনেণ্ট চাৰ্লটনৰ তলত চাহ নাৰ্ছাৰী তদাৰক কৰিবলৈ পঠায়। এই দলটি ১৮৩৬ চনৰ জানুৱাৰী মাহত শদিয়া পায়গৈ। ১৮৩৬ চনৰ মে' মাহত চি. এ. ব্ৰুচক চাহ-বনাঞ্চলৰ অধীক্ষক হিচাপে নিযুক্তি দিয়ে। এই দলটিয়ে অসমৰ বিভিন্ন ঠাই ঘূৰি ফুৰি চাহখেতিৰ বাবে উপযুক্ত অঞ্চলবোৰ বিচাৰি ফুৰে। চি এ ব্ৰুচে ১৮৩৬ চনত শদিয়াৰ 'কুণ্ডিল মুখ'ত চিংফৌ মুৰব্বীৰ পৰা সঁচ আনি চাহখেতি আৰম্ভ কৰিবলৈ লয়, সেইবাবে তেওঁলোকে চাহখেতিৰ বাবে ঠাই সলাবলৈ বাধ্য হ'ল। ইয়াৰ পাছত ডিব্ৰুগড়ৰ পৰা ১৮ মাইল দূৰত ১৮৩৭ চনত চাবুৱাত চাহখেতি কৰিবলৈ লয়। এই

---

1. Special Reoprt on the working of Act I of 1882 in the province of Assam during the year 1886-89 : 1890, p.88

অঞ্চলটো চাহখেতিৰ বাবে অতি উপযুক্ত অঞ্চল বুলি প্ৰমাণিত হয়। ১৮৩৮ চনৰ ২৩ মাৰ্চ তাৰিখে অসমৰ পৰা ১২ বাকচ চাহপাত বিলাতলৈ পঠোৱা হয়। ১৮৩৯ চনৰ আগভাগত কলিকতাত 'বেংগল টি এছ'চিয়েচন' আৰু কেইসপ্তাহমানৰ পাছত 'আছাম কোম্পানী' লণ্ডনত গঠন কৰা হয়।[২] ইয়াৰ আগে আগে 'ইষ্ট ইণ্ডিয়া' কোম্পানীয়ে চীনা সঁচ ব্যবহাৰ কৰি জয়পুৰ, চোট-টিংৰাই আৰু শুকানপুখুৰীত চাহবাগিচা খোলে। ১৮৩৫ চনৰ পৰা ১৮৫২ চনলৈকে অসমত পৰীক্ষামূলকভাৱে কেইবাখনো চাহ-বাগিচা খোলা হৈছিল যদিও সাফল্যৰ ক্ষেত্ৰত বিশেষ একো লাভ কৰিব পৰা নাছিল। প্ৰকৃততে ১৮৫২ চনৰ পৰাহে অসমত চাহ শিল্পই ব্যৱসায়িকভাৱে সাফল্য লাভ কৰে।[৩] ১৮৫৯ খ্ৰীষ্টাব্দত অসমৰ চাহ বাগিচাৰ মাটিকালি ৪০০০ একৰ আৰু উৎপাদিত মুঠ চাহপাতৰ পৰিমাণ আছিল ৭০৬,০০০ পাউণ্ড। ১৮৫৫ চনত কাছাৰ জিলাত আৰু ১৮৫৬ চনত চিলেট জিলাত চাহগছৰ থলুৱা সঁচ আৱিষ্কাৰ হোৱাৰ লগে লগে এইবোৰ অঞ্চলতো চাহ বাগিচা খোলা হয়। ১৮৫৬ চনৰ পৰা ১৮৯২ চনৰ ভিতৰত অসমৰ প্ৰায়কেইখন জিলাতে চাহবাগিচা খোলা হয়। ব্ৰহ্মপুত্ৰ উপত্যকাৰ দৰং, শিৱসাগৰ, লক্ষীমপুৰ জিলা আৰু সুৰমা উপত্যকাৰ কাছাৰ আৰু চিলেট জিলাতেই আটাইতকৈ বেছি চাহ বাগিচা খোলা হয়। সেই সময়ত চৰকাৰী হিচাপমতে ব্ৰহ্মপুত্ৰ উপত্যকাত মুঠ ২৭,০০০ একৰ আৰু সুৰমা উপত্যকাত ২৪,০৭০ একৰ মাটিত চাহখেতি হৈছিল আৰু তাৰ পৰা চাহ উৎপাদন হৈছিল যথাক্ৰমে ৬ লাখ আৰু ৫ লাখ ২/৩ পাউণ্ড। ১৯২৩ চনত চাহখেতিৰ বাবে দুয়োখন উপত্যকাৰ ভিতৰত মুঠ ৪১২,০০০ একৰ মাটি ব্যৱহাৰ হৈছিল। অসমত সেই সময়ৰ পৰাই নানাভাৱে বিকাশ লাভ কৰি চাহশিল্পই দ্ৰুত প্ৰসাৰ লাভ কৰি আজিৰ এই নদন-বদন অৱস্থা পাইছেহি। আৰু তাৰ কাৰণে ২৩০,৩৬৩ হেক্টৰ মাটি ব্যৱহাৰ কৰা হৈছে।[৪] পৃথিৱীৰ ভিতৰত চাহশিল্পৰ বাবে ভাৰতৰ বিশেষ সুনাম আছে আৰু ভাৰতৰ চাহ উৎপাদনৰ শতকৰা ষাঠিভাগেই উৎপাদিত হয় অসমত। তদুপৰি বিশ্বৰ চাহ বজাৰত অসমৰ চাহৰ সৰ্বাধিক চাহিদা। সেই হিচাপে অসমৰ চাহশিল্প আজি পৃথিৱী বিখ্যাত।

১.২ অসমলৈ চাহ মজদুৰৰ আগমন ঃ গৰ্ডন চাহাব যেতিয়া চাহ কমিটীৰ সম্পাদক আছিল সেই সময়ত তেওঁ অসমৰ চাহ বাগিচাবোৰৰ বাবে চীনদেশৰ পৰা চাহ গছৰ সঁচ আনিছিল। তদুপৰি চাহ বাগিচাত কাম কৰিবলৈ চীন দেশৰ পৰা কিছু সুদক্ষ কৰ্মীও আনিছিল। চি এ ব্ৰুচেও পৰীক্ষামূলকভাৱে চাহ বাগিচাত কাম কৰিবলৈ চীনা শ্ৰমিক নিযুক্ত কৰিছিল। আছাম কোম্পানীয়েও চাহ বাগিচাৰ বাবে প্ৰথমছোৱাত চীন দেশৰ পৰাহে বনুৱা নিয়োগ কৰিছিল। মন কৰিবলগীয়া কথা যে চীনা বনুৱাসকল অসমলৈ অহাৰ পক্ষপাতী নাছিল। সেইবাবেই তেওঁলোক জল আৰু স্থল উভয়

2 Assam Govt Statistics :1991, p.80

পথেদি অসমলৈ আহোতে মাজপথত চীনা বনুৱাসকলে মাৰপিট কৰি কোম্পানীৰ বহুতো লোকচান কৰিছিল।[৫] ইয়াৰ উপৰি চীনা বনুৱাসকলক কোম্পানীয়ে বহু ধন দিবলগীয়া হৈছিল। সেইবাবেই ১৮৪৩ চনৰ পৰা কোম্পানীয়ে অসমলৈ চীনা বনুৱা অনাটো বাদ দিছিল; কিয়নো চীনাসকলক কামত মকৰল কৰিবলৈ গৈ কোম্পানীয়ে যথেষ্ট টকা ব্যয় কৰিবলগীয়া হৈছিল, দৰাচলতে সেয়া তেওঁলোকৰ লাভজনক ব্যৱস্থা নাছিল। তাৰ কিছু বছৰ পিছৰ পৰা অৰ্থাৎ ১৮৫৯ চনৰ পৰা থলুৱা বনুৱাৰ সহায়ত চাহখেতিৰ কাম চলোৱা হৈছিল। এই থলুৱা লোকৰ ভিতৰত ঘাইকৈ গাৰো, কাৰ্বি, লালুং, কুকী, বঙালী, খাছিয়া আৰু কছাৰী শ্ৰমিক আছিল। সৰহভাগেই কিন্তু কছাৰী লোকহে আছিল। কছাৰীসকল সুদক্ষ বনুৱা আছিল, তেওঁলোকৰ জংগী ঐক্যবদ্ধতাৰ পৰিচায়ক আখ্যা দিয়া হৈছিল। কছাৰীসকলৰ এই আচৰণগত বৈশিষ্ট্যৰ বাবে তেওঁলোকে প্ৰয়োজনীয় টকা সংগ্ৰহ কৰাৰ পাছত বহুতো কছাৰী বনুৱাই বাগিচাৰ কাম এৰি দিছিল।[৬] তদুপৰি নগা, চিংফৌ আৰু অন্যান্য অসমীয়া বনুৱাৰ দ্বাৰা চাহ-বাগিচাৰ কাম-কাজ চলাইছিল যদিও এওঁলোকে কিন্তু স্বাধীনভাৱে নিজাববীয়াকৈ কৃষি কৰ্ম কৰাৰহে অধিক পক্ষপাতী আছিল আৰু তেনে কামত গুৰুত্বও আৰোপ কৰিছিল। চাহ-বাগিচাৰ মালিকপক্ষ এই বনুৱাসকলৰ বাবে যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছিল।

১৮৫৮ চনলৈকে আঁতিগুৰি বিচাৰ কৰিলে অসমৰ ভিন ভিন জিলাৰ বাগিচাত কাম কৰা বনুৱা আছিল ভিন ভিন সম্প্ৰদায়ৰ লোক। সিবিলাকৰ ভিতৰত অসমীয়া, গাৰো, কাৰ্বি, লালুং আৰু কছাৰী শ্ৰমিক; শিৱসাগৰত অসমীয়া শ্ৰমিক, নগাঁৱত অসমীয়া, মিকিৰ আৰু কছাৰী শ্ৰমিক, দৰঙত কছাৰী শ্ৰমিক, কাছাৰত কুকী আৰু কছাৰী শ্ৰমিক। আচৰিত কথা যে চাহ বাগিচাৰ এই বনুৱাসকলে বাগিচাত স্থায়ীভাৱে কাম কৰাৰ ইচ্ছা সমূলি প্ৰকাশ কৰা নাছিল।[৭] থলুৱা উপযুক্ত শ্ৰমিকৰ অভাৱৰ প্ৰতি লক্ষ্য ৰাখিয়েই ১৮৩৯ চনতে ব্ৰুচ চাহাবে ভাৰতৰ অন্যান্য ঠাইৰ পৰা চাহ বাগিচাত কাম কৰিবলৈ শ্ৰমিক অনাৰ মত পোষণ কৰিছিল। কিয়নো ইতিমধ্যে অসমৰ চাহৰ চাহিদা বৃদ্ধি পাইছিল আৰু এই ব্যৱসায় লাভজনক হৈ পৰিছিল। সেয়ে ১৮৫৯ চনৰ পৰা অসমত চাহ বাগিচাৰ সংখ্যা বাঢ়ি আহিব ধৰিছিল। ইফালে চাহ বাগিচাৰ মালিকসকল উপযুক্ত শ্ৰমিকৰ অভাৱৰ সন্মুখীন হৈছিল। অসমৰ সেই সময়ৰ কমিছনাৰ জেনকিন্স চাহাবে বংগ চৰকাৰৰ সচিবৰ লগত এই বিষয়ে চিঠি-পত্ৰৰ দ্বাৰা যোগাযোগ স্থাপন কৰে। ১৮৩৭ চনতেই জেনকিন্স চাহাবে ভাৰতৰ অন্যান্য প্ৰদেশৰ ঘন বসতিপূৰ্ণ অঞ্চলৰ পৰা বাগিচাৰ উপযুক্ত বনুৱা আনিবলৈ পৰামৰ্শ দিছিল। এই পৰামৰ্শ অনুযায়ী চাহ কমিটীয়ে ভাৰতৰ দক্ষিণ-পশ্চিম অঞ্চলৰ পৰা বনুৱা আনিবলৈ চৰকাৰক আবেদন কৰে। কিন্তু নানা কাৰণত দক্ষিণ-পশ্চিম অঞ্চলৰ পৰা বনুৱা অনাৰ প্ৰচেষ্টা সফল

নহ'ল। আছাম কোম্পানীয়ে ১৮৪০ চনতেই হাজাৰীবাগৰ পৰা ৬৫২ জন বনুৱাক নানাভাৱে প্ৰলোভিত কৰি ফুচুলাই মেলি অসমলৈ আনিবলৈ চেষ্টা কৰিছিল। কিন্তু মাজ বাটতে কলেৰা ৰোগত আক্ৰান্ত হৈ এই বনুৱাসকলৰ প্ৰায় আধাসংখ্যক লোক মৃত্যুমুখত পৰে, মৃত্যুৰ হাত সাৰি থকা বনুৱাখিনিৰো প্ৰায়বোৰেই ভয়তে পলাই যায়। ইয়াৰ পিছত চাহ খেতিয়কসকলে ১৮৪১ চনৰ পৰা বিহাৰ আৰু ছোটনাগপুৰ অঞ্চলৰ পৰাহে চাহ বাগিচাৰ বনুৱা হিচাপে কিছু লোকক অসমলৈ আনিবলৈ ধৰে। বনুৱা আমদানি কৰা কামৰ সুপৰিচালনাৰ বাবে ১৮৫৯ চনত 'প্লেণ্টাৰ্ছ এছ'চিয়েচন' নামৰ এটা সংগঠনো গঠন কৰা হয়।[৮]

১৮৬৩ চনত কোম্পানীৰ চৰকাৰে এই সম্পৰ্কে এখন আইন কৰিলে আৰু তেতিয়াৰ পৰা অসমলৈ বাগিচাৰ বাবে শ্ৰমিক আমদানিৰ কাৰণে বাগিচাৰ মালিকসকলে অনুমতি লাভ কৰে। ১৮৬৩ চনৰ মে' মাহৰ পৰা হাজাৰীবাগ, বিহাৰ, উৰিষ্যা, ছোটনাগপুৰ, মাদ্ৰাজ আদি নানা ঠাইৰ পৰা অসমৰ চাহ বাগিচাত কাম কৰিবলৈ বনুৱা অনা হয়। চৰকাৰী হিচাপমতে ১৮৬৩ চনৰ পৰা ১৮৬৬ৰ ভিতৰত অসমলৈ ৮৪,৯১৫ জন বনুৱা অনা হয়। অসমৰ জলবায়ুত টিকিব নোৱাৰা বাবে সেই বনুৱাৰ প্ৰায় অধিকসংখ্যকৰ বেমাৰত মৃত্যু হয়। চৰকাৰী ৰিপ'ৰ্ট অনুযায়ী ১৮৬৭-৬৮ চনত ব্ৰহ্মপুত্ৰ উপত্যকাৰ বাগিচাত বনুৱাৰ সংখ্যা আছিল ৩৪,৪৩৩ জন। ইয়াৰে ২২,৮০০ জন বা দুই তৃতীয়াংশই অসমৰ বাহিৰৰ পৰা আমদানি কৰা বনুৱা।[৯] ১৮৮৪ চনত অসমত প্ৰাপ্তবয়স্ক চাহ-বনুৱাৰ সংখ্যা আছিল ১,৮০,৮৩১ জন। ইয়াৰে শতকৰা ৫.৫ ভাগহে মাত্ৰ থলুৱা লোক, বাকী আটাইখিনিয়েই আছিল ভাৰতৰ বিভিন্ন অঞ্চলৰ পৰা অনা বনুৱা।[১০]

১৮৮৮ চনৰ ভিতৰত অসমত এনেকৈ মুঠ ৪৬,২৯৩ জন শ্ৰমিক আমদানি হৈছিল। তাৰে অসম উপত্যকাৰ বাবে ৩০,৮৩৯ জন আৰু সুৰমা উপত্যকাৰ বাবে ১৫,৪৫৪ জন। ১৯১৫ চনত চাহ-বনুৱা হিচাপে অসমলৈ শ্ৰমিক অনা ঠিকাদাৰী প্ৰথা বন্ধ কৰি তাৰ পৰিবৰ্তে আৰকাঠিয়া বা গিৰমিটীয়া প্ৰথাৰ সূচনা কৰে। 'এগ্ৰিমেণ্ট' অৰ্থাৎ নিৰ্দিষ্ট সময় অনুসৰি বন্দৱস্ত কৰা বনুৱাসকলক এগ্ৰিমেণ্ট বা গিৰমিটীয়া প্ৰথাৰ বনুৱা আখ্যা দিয়া হৈছিল। আনহাতে চিৰজীৱনৰ বাবে বন্দৱস্ত কৰি অনা বনুৱাক 'আৰকঠিয়া' প্ৰথাৰ বনুৱা আখ্যা দিয়া হৈছিল।

১.২.১ বৰ্তমান অসমৰ চাহ-বাগিচাসমূহত ভাৰতৰ বিভিন্ন প্ৰান্তৰ বিশেষকৈ বিহাৰ, উৰিষ্যা, ছোটনাগপুৰ, তেলেংগানা তথা মাদ্ৰাজৰ পৰা সৰহসংখ্যক চাহ-শ্ৰমিকেই 'আৰকঠিয়া', 'গিৰমিটীয়া' এই দুই প্ৰথাৰে আহিছিল। চৰকাৰী হিচাপ অনুসৰি বাগিচাত বৰ্তমান কাম কৰা এই দুই শ্ৰেণীৰ মজদুৰৰ সংখ্যা ত্ৰিশ লাখ আৰু ইয়াৰে প্ৰাক্তন চাহ মজদুৰৰ সংখ্যা হ'ল পোন্ধৰ লাখ। মুঠতে অসমত বিভিন্ন প্ৰক্ৰিয়াৰে নানা ঠাইৰ

পৰা অহা চাহ মজদুৰৰ সংখ্যা বতমান প্ৰায় পঞ্চল্লিশ (৪৫) লাখ আছে। অৱশ্যে এই সকলোবিলাকেই আমদানি কৰি অনা মজদুৰ নহয়। বাগিচাত কাম কৰি তাৰ পৰা অৱসৰ লোৱাসকল বৰ্তমান প্ৰাক্তন মজদুৰৰূপে পৰিচিত। সেইসকলৰ উপৰি তেওঁলোকৰ বংশবৃদ্ধি হৈ অহা সতি-সন্ততি আদিৰ সংখ্যা যোগ কৰিহে উল্লিখিত জনসংখ্যা পোৱা গৈছে। উল্লেখযোগ্য যে ১৯৫৭ চনৰ পৰা অসমলৈ ভাৰতৰ অন্যান্য ঠাইৰ পৰা বনুৱা আমদানি প্ৰথা একেবাৰে বন্ধ কৰি দিয়া হয়।

১.২.২ অসমৰ চাহ বাগিচাত কাম কৰিবলৈ বংগদেশৰ মুৰ্চিদাবাদ, উৰিষ্যাৰ বহৰমপুৰ, বিলাসপুৰ, চৈবাচা, ডোমকা, সম্বলপুৰ, বিহাৰৰ ৰাঁচী, গোৰখপুৰ, উত্তৰ প্ৰদেশৰ ডেল্টনগঞ্জ, মধ্যপ্ৰদেশৰ ৰায়পুৰ, ৰামপুৰহাট, জব্বলপুৰ, মহাৰাষ্ট্ৰৰ নাচিক, মাদ্ৰাজৰ ডিভিগ্ৰাম আদি ঠাইৰ পৰা বাগিচাত কাম কৰিবলৈ আমদানি কৰা বনুৱাবিলাক ঘাইকৈ সমাজৰ উপেক্ষিত শ্ৰেণীৰ লোক আছিল, অৰ্থাৎ তেওঁলোক আছিল অনুন্নত সম্প্ৰদায়ৰ লোক। সকলো ক্ষেত্ৰতে অৱহেলিত আছিল বাবে তেওঁলোকে দেশ এৰি গুচি আহিবলৈ সংকোচ কৰা নাছিল। বাগিচাত কাম কৰা এই চাহ-মজদুৰসকলৰ জাতি-উপজাতি হিচাপ কৰিলে চাৰিকুৰিৰো অধিক পোৱা যায়। প্ৰাক্তন চাহ মজদুৰসহ বৰ্তমান চাহ মজদুৰৰ এই বৃহৎ জনগোষ্ঠীটোৰ জাতি-উপজাতিসমূহৰ তালিকা তলত দিয়া হ'ল—

(১) কয়া	(৪২) ধানোৱাৰ
(২) কৰুৱা	(৪৩) ধোবি
(৩) কন্ধ	(৪৪) পাতৰ
(৪) কমাৰ	(৪৫) পণিকা
(৫) কঁহাৰ	(৪৬) পৰ্জা
(৬) কালন্দী	(৪৭) বৰাইক
(৭) কিষাণ	(৪৮) বাউৰী
(৮) কুৰ্মী	(৪৯) বাগ্তি
(৯) কুম্হাৰ	(৫০) বাইগা
(১০) কেউট	(৫১) বনিয়া
(১১) কৈৰী	(৫২) বাঢ়ৈ
(১২) কোল	(৫৩) বাচফ'ৰ
(১৩) কটোৱাল	(৫৪) বোদিয়া
(১৪) খাড়িয়া	(৫৫) ভূমিজ
(১৫) খেৰুৱাৰ	(৫৬) ভূঞা
(১৬) খণ্ডাইত	(৫৭) ভুইমালী

(১৭) খদাল
(১৮) গড়
(১৯) গড়াইত
(২০) গঞ্জু
(২১) গদৰা
(২২) গোৱাল
(২৩) গাজলু
(২৪) ঘাটোৱাৰ
(২৫) ঘাঁছি
(২৬) চাওৰা
(২৭) চাওঁতাল
(২৮) চামাৰা
(২৯) চিক্ বৰাইক
(৩০) চুঁড়ী
(৩১) চবৰ
(৩২) জলহা
(৩৩) ডম
(৩৪) তাছা
(৩৫) তাঁতী
(৩৬) তেলী
(৩৭) তুৰী
(৩৮) তেলেংগা
(৩৯) তন্তুবাই
(৪০) নাপিত
(৪১) দুমাদ
(৫৮) ভক্তা
(৫৯) ভিল
(৬০) মান্কি
(৬১) মাহালি
(৬২) মাল্হাৰ
(৬৩) মাল
(৬৪) মালপাহাড়ীয়া
(৬৫) মুণ্ডা
(৬৬) মোদী
(৬৭) মিৰ্ধা
(৬৮) মালী
(৬৯) মালপাত্র
(৭০) মাহান্তী
(৭১) ৰজক
(৭২) ৰখিদাস
(৭৩) ৰাজোৱাৰ
(৭৪) ৰাজপুত
(৭৫) লোহাৰ
(৭৬) লোধী
(৭৭) হাড়ী
(৭৮) হিৰা
(৭৯) ওৰাং
(৮০) অহিৰ
(৮১) মুছী
(৮২) হলৱা

১.২.৩ ভাৰতৰ নানা ঠাইৰ পৰা অসমৰ চাহ বাগিচাত কাম কৰিবলৈ এই বিভিন্ন জাতি-উপজাতিৰ লোকসকলে অসমলৈ আহোতে ভালেমান অসুবিধাৰ সন্মুখীন হ'বলগা হৈছিল। প্ৰথম যেতিয়া কোম্পানীয়ে বনুৱা আমদানিৰ কাৰণে চাহ বাগিচাৰ মালিকসকলক অনুমতি দিয়ে তেতিয়া মালিকসকলে অসমৰ বাহিৰৰ পৰা চাহ শ্ৰমিক আনিবৰ কাৰণে ঠিকাদাৰ নিযুক্ত কৰিছিল। ১৮৬৩ চনৰ পিছত আৰকাঠিয়া, গিৰমিটীয়া এই দুই প্ৰথাৰ প্ৰবৰ্তন কৰি চাহ মজদুৰসকলক এগ্ৰিমেণ্ট কৰাই আমদানি কৰিবলৈ ধৰে। এই লোকসকলক আনিবৰ বাবে চাহ বাগিচাৰ মালিকসকলে নানান

কৌশল প্ৰয়োগ কৰিবলগীয়া হয়। সেই উদ্দেশেৰে কলিকতাত এটা মজদুৰ যোগান সংঘ স্থাপন কৰিছিল, এই সংঘই বেআইনীভাৱে শ্ৰমিক যোগানৰ কাৰণে ভাৰতৰ ছোটনাগপুৰ, মধ্যপ্ৰদেশ, মাদ্ৰাজ, বিহাৰ, উৰিষ্যা আদি নানা ঠাইত এজেণ্ট নিয়োগ কৰিছিল। এই এজেণ্টসকলক ৫ টকাকৈ কমিছন দিছিল আৰু সেই এজেণ্ট বনুৱাৰূপে আনিব খোজাসকলক নানা চাটুবাক্যৰে প্ৰলোভিত কৰিছিল। এই এজেণ্ট বা ঠিকাদাৰসকলৰ ভিতৰত মানৱতাবোধৰ অভাৱ আছিল। সুন্দৰ-সুখী জীৱনৰ আশা কৰি বনুৱা হিচাপে আহিব খোজা মানুহখিনিয়ে নানা ধৰণৰ কল্পনা কৰিছিল আৰু ভৱিষ্যতৰ ৰঙীণ জীৱনৰ সপোন ৰচি এজেণ্টৰ চুক্তিত সোমাই পৰিছিল। এইদৰে এজেণ্টসকলে বহুতৰে মন জয় কৰিবলৈ সক্ষম হৈছিল। কোনো কোনো সময়ত ঠাই বিশেষে এজেণ্টৰ প্ৰলোভনে কাম নিদিছিল আৰু তেতিয়াই স্থানীয় কিছু লোকৰ সহায়ত গাৰ বলেৰে ধৰি-বান্ধি বনুৱাসকলক অসমলৈ আনিছিল।

আদি অৱস্থাত অসমলৈ আহিবৰ কাৰণে যাতায়াতৰ কোনো ধৰণৰ সুব্যৱস্থা নাছিল। বংগদেশ, বিহাৰ, উৰিষ্যাৰ পৰা কলিকতালৈ ৰে'লত আনি তাৰ পৰা কেইবাদিনো ধৰি বাটকুৰি বাই আহিহে উজনি অসমৰ চাহ বাগিচাৰ ক্ষেত্ৰ পাইছিল। এইদৰে আহোতে বাটত পূৰ্বতে প্ৰতিষ্ঠিত কিছুমান ডিপোত জিৰণি লৈ আহিছিল। ডিপোবোৰৰ অৱস্থাও বৰ বেয়া আছিল। তাত বনুৱাসকলক গৰু-পশুৰ দৰে থাকিবলৈ বাধ্য কৰাইছিল। ফলত তেওঁলোক নানান বেমাৰ-আজাৰত পৰি বহুসংখ্যক মৃত্যুমুখত পৰিবলগীয়া হৈছিল। পৰৱৰ্তী কালত যাতায়াতৰ বাবে ৰে'ল আৰু জলপথ সুগম হৈ পৰিছিল, তেতিয়া ৰে'লেৰে আৰু জাহাজেৰে আমদানি কৰা চাহ শ্ৰমিকসকলক অসমলৈ আনিছিল। অৱশ্যে ৰে'ল ষ্টেচন, জাহাজঘাট আদি পোৱাৰ আগতেই বহু শ্ৰমিক মৃত্যুমুখত পৰাৰো উদাহৰণ আছে। জাহাজ বা ৰে'লৰ পৰা আনি তেওঁলোকক যিবোৰ 'ডিপো'ত ৰাখিছিল সেই ডিপোবোৰৰ অৱস্থাও আছিল অতি অস্বাস্থ্যকৰ। তাত মানুহ থকাৰ সুব্যৱস্থা নথকাৰ বাবে একেলগে বিভিন্ন ঠাইৰ মানুহে একেটা ঘৰতে থকা, খোৱা-বোৱা, শৌচ-প্ৰস্ৰাৱ কৰাৰ ফলত নানান বেমাৰে দেখা দিছিল, ফলত শ্ৰমিকসকলৰ বিনা চিকিৎসাত বহুতৰে মৃত্যু হৈছিল। ড° কেম্পবেলৰ মতে জাহাজত উঠাৰ বহু আগতেই এওঁলোকক কলেৰা বীজাণুৱে আক্ৰমণ কৰে। বহু সময়ত সেয়েহে হাড়-ছাল নোহোৱা তেনেই দুৰ্বল মানুহকো বাগিচাত কাম কৰিবলৈ অনা হৈছিল।

১.২.৪ অসমৰ চাহ বাগিচাত উপস্থিত হৈয়ো তেওঁলোকে অতি শোচনীয়ভাৱে জীৱন-যাপন কৰিব লগাত পৰিছিল। চাহ বাগিচাত তেওঁলোকক থাকিবলৈ যিবোৰ ঘৰ দিছিল সেইবোৰ নামতহে ঘৰ আছিল, বেছিভাগ ঠাইতে বাঁহৰ চালৰ ওপৰত নামমাত্ৰ খেৰ-জাবৰ দি ঘৰৰ আকৃতিৰ একোটা পঁজা সজা হৈছিল আৰু তাতেই চাহ

শ্ৰমিকসকলক থাকিবলৈ দিছিল। এই ঘৰবোৰ কোনোফালৰ পৰাই স্বাস্থ্যকৰ নাছিল। এই ঘৰৰ লাইনবোৰ আছিল নতুনকৈ পতা চাহ বাগিচাৰ নিচেই ওচৰতে থকা ডাঠ হাবি আৰু জলাশয় আদিৰ ওচৰত। তেওঁলোকৰ খোৱাপানীৰ ভাল ব্যৱস্থা নাছিল, জান-জুৰিৰ পানীৰ ওপৰতে তেওঁলোকে নিৰ্ভৰ কৰিবলগীয়া হৈছিল। মুঠতে তেওঁলোকে সকলো ফালৰ পৰা নানা আলৈ-আহুকালৰ মাজত দিন কটাবলগীয়া হৈছিল। তদুপৰি দেশলৈ উলটি যোৱাৰো কোনো পথ নাছিল। আনকি বহু সময়ত তেওঁলোকে শাৰীৰিকভাৱেও অত্যাচাৰৰ সন্মুখীন হৈছিল।

১.২.৫ এগ্ৰিমেণ্ট বা গিৰমিটৰ সময় শেষ হোৱা বনুৱাসকলক বাগিচাৰ মালিকসকলে দেশলৈ উভতি যাবলৈ নিদি তেওঁলোকক ছলে-বলে-কৌশলে বাগিচাৰ কামতেই অহৰহ আবদ্ধ কৰি ৰাখিবলৈ বিচাৰিছিল। চাহ বাগিচাৰ মালিকসকলে এই বনুৱাসকলক নিজৰ স্বাৰ্থতেই বাগিচাৰ আশে-পাশে বা বাগিচাৰ মাটিতে থকাৰ সুবিধা কৰি দিছিল। বাগিচাৰ দাঁতিকাষৰত বহু মাটি এনেয়ে পৰি থকাত এই চুক্তি মুক্ত বনুৱাসসকলক খাজনাৰ বিনিময়ত খেতি কৰিবলৈ দিছিল। ইয়াৰ পৰা মালিকসকল লাভৱান হৈছিল, কিয়নো চৰকাৰক দিবলগীয়া খাজনাৰ পৰিমাণ আছিল কম, আনহাতে এই প্ৰাক্তন চাহ-মজদুৰসকলে দিবলগীয়া খাজনাৰ পৰিমাণ কিছু বেছি, তাতে এনেয়ে ছন পৰি থকা হাবিময় ঠাইবোৰ পৰিষ্কাৰ হৈছিল। এইদৰে অসমলৈ অহা চাহ-মজদুৰসকলে অশেষ কষ্ট সহ্য কৰি বাগিচাৰ কাম কৰি বা নিজাববীয়াকৈ খেতি কৰি ইয়াতে চিৰদিনৰ বাবে বসবাস কৰিবলৈ ল'লে। এনেকৈয়ে অসমৰ চাহ বাগিচাক আশ্ৰয় কৰি এই চাহ মজদুৰসকল অসমৰ খিলঞ্জীয়া বাসিন্দা হৈ পৰিল।

১.৩ চাহ-মজদুৰৰ লোক-কৃষ্টিৰ স্বকীয়তা আৰু সংমিশ্ৰণৰ প্ৰক্ৰিয়া

অসমলৈ ভাৰতৰ নানা ঠাইৰ পৰা অহা বিভিন্ন জনগোষ্ঠীৰ লোকসকলে নিজস্ব সংস্কৃতি বহন কৰি আনিছিল। বিভিন্ন জনগোষ্ঠীৰ লোকসকলে যেতিয়া একেলগে একেখন বাগিচাত মিলিজুলি বাগিচাৰ বনুৱাৰূপে এটা সম্প্ৰদায় তথা একেটা শ্ৰেণীৰ লোকৰ দৰে একে ধৰণে থাকিবলগীয়া হ'ল তেতিয়া স্বাভাৱিকতে তেওঁলোকৰ জীৱনধাৰাৰ সকলো কথা যেনে– খাদ্যাদি, সাজ-পোছাক, মাত-কথা তথা ভাষা, উৎসৱ-অনুষ্ঠান আদি বিবিধ ৰীতি-নীতিৰ এটা সংমিশ্ৰণ ঘটিল। তদুপৰি বাগিচাবিলাক প্ৰতিষ্ঠিত হৈছিল অসমীয়া ভাষা-ভাষী গ্ৰাম্য অঞ্চলবোৰত, প্ৰতিখন বাগিচাৰে ভিন্নভাষী বনুৱাসকলে অসমীয়া ভাষীসকলৰ মাজত একো-একোটা দ্বীপৰ দৰে ঠন ধৰি উঠিছিল। সেই হিচাপেই তেওঁলোকৰ মাত-কথাতো অসমীয়া ভাষাই প্ৰভাৱ বিস্তাৰ কৰিবলৈ ধৰিলে। এইদৰে দৈনন্দিন জীৱনত তেওঁলোকৰ মাজত বিশেষকৈ সামাজিক ক্ষেত্ৰত যি ভাষাৰ প্ৰয়োগ ঘটিব ধৰিলে, সি এটা নতুন ৰূপ পৰিগ্ৰহ কৰিলে। সময়ৰ হাতবুলনিত এই ভাষাই 'বাগানীয়া ভাষা' নামেৰে পৰিচিত হৈ পৰিল। দৰাচলতে এই বাগানীয়া

কথিত ভাষাটো ভিন্নভাষী বনুৱাৰ মুখ বাগৰি ঠন ধৰি উঠা কথিত অসমীয়া ভাষাৰে এটি ৰূপ। এইদৰে বাগানীয়া ভাষাই সকলোৰে সাধাৰণ ভাষাৰূপে ব্যৱহাৰ হ'বলৈ ধৰে। তাৰ মাজতো কিন্তু ভালেমান জাতি-উপজাতিয়ে কম-বেছি পৰিমাণে স্বকীয় সংস্কৃতি বজাই ৰাখিছে। তেওঁলোকে তেওঁলোকৰ ধৰ্মীয় ৰীতি-নীতি, লোকবিশ্বাস, উৎসৱ-পৰ্ব, নৃত্য-গীত আদিত তেওঁলোকৰ স্বকীয়তা ৰক্ষা কৰি আহিছে। লগত লৈ অহা স্বকীয় সংস্কৃতিয়ে সহজে লগ এৰা নাছিল। এই চাহ-মজদুৰসকলৰ বেছিভাগ লোকেই হিন্দু ধৰ্মাৱলম্বী লোক। অৱশ্যে খ্ৰীষ্টান মিছনেৰীৰ প্ৰভাৱত পৰি কিছুসংখ্যক লোকে খ্ৰীষ্টান ধৰ্ম গ্ৰহণ কৰিছে। মুছলমান ধৰ্মৰ লোকো এওঁলোকৰ মাজত আছে। সময়ত হিন্দুধৰ্মৰ লোকসকলৰ মাজতো শাক্ত আৰু বৈষ্ণৱ ধৰ্মই ফাট মেলিছিল।

১.৩.১ তেওঁলোকৰ সংস্কৃতিৰ অন্তৰ্ভুক্ত অৰ্থাৎ স্বকীয় বৈশিষ্ট্যযুক্ত অনুষ্ঠানসমূহৰ ভিতৰত প্ৰধানকৈ কৰম পৰব, টুচু পৰব, সাঁহৰাই পৰব আদি উল্লেখযোগ্য। ইয়াৰ উপৰি শাক্ত ধৰ্মাৱলম্বীসকলৰ নানা পূজা-পাতাল যেনে— চুল্হা-ধুলা, সূৰ্যাহী পূজা, চাৰুল পূজা, জাদাৰ পূজা, বৰ পাহাড়ী পূজা, মনসা পূজা ইত্যাদি পূজাসমূহে তেওঁলোকৰ স্বকীয় বৈশিষ্ট্য ৰক্ষা কৰিছে। বিভিন্ন উৎসৱ-পৰ্বৰ লগত জড়িত ঝুমুৰ নৃত্য-গীত, টুসু নৃত্য-গীত, দম্কচ্ নৃত্য-গীত, কাঠীনাচ, মনসাগীত, সাদী-গীত, সাঁহৰাই গীত, নিচুকনি গীত আদিতো তেওঁলোকৰ নিজস্ব সংস্কৃতিৰ চাপ সুন্দৰভাৱে প্ৰৱৰ্তি আছে। বিভিন্ন লোকবিশ্বাস যেনে— ভূত-প্ৰেত, বুঢ়া ডাঙৰীয়া আদিত বিশ্বাস, বেজ-ওজাৰ মন্ত্ৰ-তন্ত্ৰ, জৰা-ফুকা আদিত বিশ্বাস থকাৰ লগতে বিভিন্ন ৰীতি-নীতি, কেঁচুৱাৰ জন্মত পালন কৰা, বিবাহত-পালন কৰা, মৃতকৰ সৎকাৰ আদিত পালনীয় নিয়ম, খদনা লোৱা আদি প্ৰথা আদিতো সুকীয়া বৈশিষ্ট্য ৰক্ষা হৈ আছে।

১.৩.২ চাহ-মজদুৰসকলৰ সংস্কৃতিৰ অন্তৰ্ভুক্ত গীত-মাতৰ লগত জড়িত বাদ্যযন্ত্ৰসমূহৰো সুকীয়া মৰ্যাদা আছে। মাদল, ধুমচা, চাহনাই, মদনভেড়ি, ঢোল, ঢাক আদি তেওঁলোকৰ উৎসৱ-পৰ্বত ব্যৱহাৰ কৰা নিজস্ব বাদ্য। সেইদৰে নৃত্য-কলাৰো সুকীয়া ৰীতি-নীতি আছে। ভাৰতৰ বিভিন্ন ঠাইৰ পৰা আহি এশ বছৰৰো অধিক কাল অসমৰ বাগিচাত থাকি অসমীয়াভাষী লোকৰ লগত বসবাস কৰি অনবৰতে স্থানীয় মাত-কথা আৰু সংস্কৃতিৰ লগত সনা-পিঠা সম্পৰ্ক গঢ়ি উঠিল। এইদৰে সকলো কথাৰে আদান-প্ৰদান ঘটি মাত-কথাৰ দৰে চাহ-মজদুৰ সংস্কৃতিয়েও এটা মিশ্ৰিত ৰূপ গ্ৰহণ কৰিবলৈ ধৰিলে। অসমীয়া সংস্কৃতিৰ অন্তৰ্ভুক্ত হৈ পৰাটো তেনেই স্বাভাৱিক। তেওঁলোকৰ সংস্কৃতিত আধুনিকতাৰ কিছু প্ৰভাৱ পৰাটোৱো লক্ষণীয়।

১.৩.৩ অসমীয়া সংস্কৃতিৰ অন্তৰ্গত 'বিহু' উৎসৱৰ লগত চাহ-মজদুৰসকলে আন্তৰিকভাৱে সহায়-সহযোগিতা কৰি অসমীয়া সংস্কৃতিক আপোন কৰি লৈছে।

অসমীয়া সাজ-পাৰ, অসমীয়া মাত-কথা, আচাৰ-ব্যৱহাৰ, খোৱা-বোৱা সকলো দিশতে কম-বেছি পৰিমাণে গ্ৰহণ কৰি মনে-প্ৰাণে অসমীয়া হ'বলৈ চাহ-মজদুৰৰ যি আগ্ৰহ সি সঁচাকৈয়ে অতি আদৰণীয়। অসমীয়া সংস্কৃতিৰ লগত চাহ মজদুৰৰ সংস্কৃতি দিনে দিনে একত্ৰিত হৈ অসমৰ সংস্কৃতিক সমৃদ্ধি প্ৰদান কৰাৰ লগতে তাক এটা বহল ৰূপত মোহনীয় কৰি তুলিছে।

১.৩.৪ চাহ-মজদুৰসকলৰ সংস্কৃতিৰ এক সুকীয়া বৈশিষ্ট্য আছে। সংস্কৃতি হ'ল থূল-মূলভাৱে এটা সম্প্ৰদায় বা জাতিৰ জীৱনধাৰাৰ সামগ্ৰিক ৰূপ, অৰ্থাৎ দৈনন্দিন জীৱনৰ চাল-চলন, আচাৰ-ব্যৱহাৰ, কৰ্ম-ব্যৱসায়, সাজ-পোছাক, শিল্পকলা, শিক্ষা-দীক্ষা, ৰীতি-নীতি, মাত-কথা, গীত-পদ, নৃত্য-বাদ্য, উৎসৱ-পৰ্ব, আৰ্ট-চৰ্চা-লব্ধ বিকাশ। বিদ্যা-বুদ্ধিৰ ক্ষেত্ৰত নিৰক্ষৰেই হওক বা সাক্ষৰেই হওক চাহ-মজদুৰসকলৰ অধিক অংশই কেৱল বাগিচাৰ কামত নিজৰ পাৰ্গতালি দেখুৱাবলৈ সুবিধা পায়। নিবনুবাসকলে গাঁৱে-ভূঞে মজুৰি কৰি নিজৰ বিদ্যা-বুদ্ধিৰ পৰিচয় দিয়ে। আজিকালি অৱশ্যে চাহ-মজদুৰৰ উঠি অহা ল'ৰা-ছোৱালী আধুনিক উচ্চ শিক্ষাৰে শিক্ষিত হৈ নানা দিশত যেনে– ৰাজনীতি, কাৰিকৰী বিদ্যা, চিকিৎসা বিদ্যা আদিত নিজস্ব বিদ্যা-বুদ্ধিৰ পৰিচয় দিছে। ইয়াৰ লগে লগে তেওঁলোকৰ জীৱন-নিৰ্বাহ পদ্ধতিতো আধুনিক নগৰীয়া সংস্কৃতিৰ বিস্তৰ প্ৰভাৱ পৰিছে। অৱশ্যে চাহ-বাগিচাৰ মজদুৰ সমাজক সেই প্ৰভাৱৰ দ্বাৰা প্ৰভাৱান্বিত কৰিব পৰা নাই।

১.৩.৫ শিল্পকলাৰ ক্ষেত্ৰত তেওঁলোকৰ পৈতৃক বৃত্তি যেনে– কমাৰ, কঁহাৰ, তাঁতী আদি বৃত্তিধাৰী শিল্পীসকলেও বংশগত বৃত্তিজনিত বিদ্যা বাদ দি অসমলৈ আহি অসমৰ চাহ-বাগিচাৰ কামত হাত দিছেহি। প্ৰাক্তন চাহ-মজদুৰসকলে অৱশ্যে আজিও নিজস্ব বৃত্তি অটুট ৰাখিবলৈ সক্ষম হৈছে।

শিক্ষাৰ ক্ষেত্ৰত অসমৰ চাহ-মজদুৰসকলৰ বেছিভাগেই পিচপৰা। কাৰণ এটা সময় আছিল যেতিয়া তেওঁলোকৰ পঢ়া-শুনা কৰাৰ কোনো সুবিধা নাছিল। স্বাধীনতাৰ কালত বাগিচাত প্ৰাইমাৰী স্কুল স্থাপন হোৱাৰ ফলত কিছুসংখ্যক ল'ৰা-ছোৱালীয়ে পঢ়া-শুনা কৰিবলৈ লৈছে। বৰ্তমান তেওঁলোকৰ অধিকাংশই শিক্ষা-দীক্ষাৰ ক্ষেত্ৰত পিছপৰি থাকিলেও কিছুসংখ্যকে উচ্চ শিক্ষা ল'বলৈ আগবাঢ়ি আহিছে। প্ৰায়খিনি চাহ-মজদুৰেই হিন্দু ধৰ্মাৱলম্বী যদিও বেপ্তিষ্ট মিছনেৰীৰ প্ৰভাৱত কিছুসংখ্যক খ্ৰীষ্টান ধৰ্মত দীক্ষিত হৈছে। ইয়াৰ উপৰি কিছু মুছলমান ধৰ্মতো দীক্ষিত হৈছে।

সামাজিক আচাৰ-ব্যৱহাৰ, ধৰ্মীয় ৰীতি-নীতি আদি পালনৰ ক্ষেত্ৰত চাহ-মজদুৰসকল বিশিষ মনকৰিবলগীয়া। প্ৰায় সমগ্ৰ ভাৰতবৰ্ষৰে ৰীতি-নীতিৰ সমন্বয় ঘটি বহু ৰূপত ৰূপায়িত হৈছে। জন্ম আৰু মৃত্যুৰ উপৰি জীৱনৰ অন্যান্য সকলো ক্ষেত্ৰতে তেওঁলোকৰ ৰীতি-নীতিৰ এক সুকীয়া বৈশিষ্ট্য আছে।

চাহ-মজদুৰসকলৰ সামাজিক জীৱনত গীত-পদৰ এখন সুকীয়া আসন আছে। বেছিভাগ গীতেই উৎসৱ-পৰ্বৰ লগত জড়িত, তেনে কোনো অনুষ্ঠানৰ সময়তহে গীত গোৱা হয়। প্ৰতিবিধ গীতৰ ভাবাৰ্থৰ সুকীয়া বৈশিষ্ট্য আছে। গীতৰ লগত সম্পৰ্ক থকা বাদ্যযন্ত্ৰৰো সুকীয়া বৈশিষ্ট্য আছে। তেওঁলোকৰ গীত পৰিবেশনত 'মাদল'ৰ এক বিশেষ ভূমিকা আছে। মজদুৰৰ মাদলৰ বৈশিষ্ট্য সৰ্বজনবিদিত।

১.৩.৬ ভাষাৰ ক্ষেত্ৰত দেখা যায় তেওঁলোক অসমলৈ আহি প্ৰথম অৱস্থাত যথেষ্ট বিপদৰ সন্মুখীন হৈছিল। কিয়নো ভাৰতৰ বিভিন্ন ঠাইৰ পৰা অহা লোকসকলৰ প্ৰায়বিলাকৰে ভাষাও আছিল পৃথক পৃথক। এই ভাষাৰ ভিন্নতাৰ বাবে তেওঁলোকৰ নিজৰ মাজতেই চলিবলৈ কিছু অসুবিধা হৈছিল। তাৰ মাজতে একেলগে একেখন বাগিচাত কাম-কাজ কৰিবলগা হোৱাত তেওঁলোকে প্ৰথমে অসুবিধাৰ সন্মুখীন হৈছিল। এইদৰে সময়ৰ সোঁতত তেওঁলোকে অতি ঘনিষ্ঠভাৱে সহাৱস্থান কৰাৰ ফলত সততে কথা-বতৰা পাতি ভাব বিনিময় কৰিবলৈ গৈ যিটো ভাষাৰ ব্যৱহাৰ কৰে তাত আচলতে হিন্দুস্তানী ভাষা, অসমীয়া ভাষা আৰু তেওঁলোকৰ নিজৰ ভাষাৰ শব্দাদি নানা উপাদানৰ সংমিশ্ৰণ ঘটে। এইদৰে তেওঁলোকৰ দৈনন্দিন জীৱনৰ ভাষাটোৱে এটা মিশ্ৰিত ভাষাৰূপে ঠন ধৰি উঠিছে। সেই ভাষাটোকে তেওঁলোকে 'বাগানীয়া ভাষা' আখ্যা দিয়ে। এই বাগানীয়া আচলতে কথিত অসমীয়াৰে এক ৰূপান্তৰ; এইটো ভাষাত দৰাচলতে কথিত অসমীয়াত তেওঁলোকৰ নিজৰ ভাষাৰ উপাদানেৰে ভাৰাক্ৰান্ত হৈ পৰা দেখা যায়। এইদৰে তেওঁলোকে বাগানীয়াৰ মাধ্যমেৰে অসমীয়া ভাষা আয়ত্ত কৰি অসমীয়া ভাষাতো কথা-বতৰা পাতি মনৰ সকলো ভাব বিনিময় কৰিব পৰা হৈছে। তথাপি এই চাহ-মজদুৰসকলৰ ভাষা কি বুলি সুধিলে তেওঁলোকে 'বাগানীয়া' বুলিহে কয়। এই বাগানীয়াৰ প্ৰয়োগ তেওঁলোকৰ মাত-কথাৰ উপৰি লোক-সাহিত্যৰ মাজত প্ৰৱৰ্তি আছে।

১.৩.৭ অসমৰ চাহ বাগিচাত কাম কৰিবলৈ অহা এই চাহ-মজদুৰসকলৰ জীৱন নিৰ্বাহৰ সকলো কথালৈ লক্ষ্য কৰি বৰ্তমান অসমীয়া জাতিৰ একপ্ৰকাৰ অবিচ্ছেদ্য অংগৰূপে অভিহিত কৰা হয়। সেই সূত্ৰেই তেওঁলোকৰ সাংস্কৃতিক সম্পদসমূহেও অসমৰ সংস্কৃতি চহকী কৰি তুলিছে বুলি ধৰা হয়। অসমৰ সংস্কৃতিৰ এক ব্যাপক অংশ আজি চাহ-মজদুৰ সংস্কৃতিয়ে অধিকাৰ কৰি আছে। তেওঁলোকৰ বাবে অসমৰ বাহিৰে দ্বিতীয় এখন স্থায়ী বাসস্থান নাই; তেওঁলোকৰ মানত অসমেই জন্মভূমি, অসম মৰিলে তেওঁলোকো মৰিব আৰু অসম তৰিলে তেওঁলোকো তৰিব এয়ে তেওঁলোকৰ দৰ্শন। কিয়নো চাহ-মজদুৰসকল অসমৰ মাটিত প্ৰায় ডেৰশ বছৰৰো অধিক কাল স্থায়ীভাৱে বসবাস কৰি ইয়াৰ একপ্ৰকাৰ খিলঞ্জীয়া বাসিন্দাত পৰিণত হৈছে। এইদৰে তেওঁলোকৰ পূৰ্বৰ সংস্কৃতিৰ ৰূপটো অসমৰ পটভূমিত সানমিহলি

ঘটি এটা নতুন ৰূপ লৈছে। তেওঁলোকৰ নিজস্ব সাংস্কৃতিক উপাদানৰো বহুখিনি সাল-সলনি ঘটিছে। অসমৰ সংস্কৃতি, সামাজিক দিশৰ লগতে অৰ্থনীতিৰ ক্ষেত্ৰতো তেওঁলোকৰ অৱদান যথেষ্ট। বৃহৎ অসমীয়া-সংস্কৃতিৰ এক ব্যাপক অংশ আজি এইদৰে চাহ-মজদুৰৰ সমাজ-সংস্কৃতিয়ে অধিকাৰ কৰি আছে।

সময়ৰ সোঁতত আজি এইসকল অসমৰ বিবিধ জনগোষ্ঠীৰেই এক বিখ্যাত জনগোষ্ঠীত পৰিণত হৈছে আৰু অসমৰ সংস্কৃতিৰ ভঁৰাল চহকী কৰি তুলিছে। কিন্তু অতি আচৰিত কথা, চাহ-মজদুৰসকল অসমৰ সমূহ জনসাধাৰণৰ বুকুত এইদৰে লীন যোৱা সত্বেও আজিলৈকে চাহ-মজদুৰৰ সাংস্কৃতিক দিশৰ ওপৰত আশানুৰূপ অধ্যয়নৰ অভাৱ পৰিলক্ষিত হৈছে, কিছু কিছু অধ্যয়ন হৈছে। এই অধ্যয়নৰ যোগেদি চাহ জনগোষ্ঠীসকল অচিৰে অসমৰ থলুৱা বাসিন্দাৰূপে পৰিগণিত হোৱাৰ পথ সুচল হ'ব বুলি ক'ব পাৰি।

দ্বিতীয় অধ্যায়

২.০০ চাহ-মজদুৰৰ সমাজ আৰু সংস্কৃতি

২.১ ব্যক্তিৰ দ্বাৰা গঠিত পৰিয়াল-পৰিজনৰ সমষ্টিৰে সুফল মানৱ সমাজ। উমৈহতীয়া নিয়ম-শৃংখলা মানি জন্ম-মৃত্যুৰে অনুশাসিত হৈ যুগে যুগে চলি আহিছে মানৱ সমাজ।

সংস্কৃতি হৈছে মানৱ জীৱনৰ পদ্ধতি। সামাজিক প্ৰাণী হিচাপে মানৱে শৈশৱৰ পৰা বৃদ্ধ কাললৈকে সচেতন বা অৱচেতনভাৱে সামাজিক আচৰণৰাশি শিকে আৰু প্ৰকাশ কৰে অৰ্থাৎ সংস্কৃতি আহৰণ কৰে। সংস্কৃতিৰ স্থিতি সমাজ।

অসমৰ চাহ শিল্পক কেন্দ্ৰ কৰিয়েই চাহ-মজদুৰসকলৰ সমাজ আৰু সংস্কৃতি গঢ় লৈ উঠিছে। ১৮৩৭ চনত পৰীক্ষামূলকভাৱে তেতিয়াৰ লক্ষীমপুৰ জিলাৰ চাবুৱাত পোনপ্ৰথমবাৰৰ কাৰণে চাহখেতি আৰম্ভ হয়। এই চাহ বাগিচাত কাম কৰিবলৈ সেই সময়ত বনুৱাৰ অভাৱ হৈছিল। অসমীয়া মানুহে চাহ বাগিচাত হাড়ভগা পৰিশ্ৰম কৰিবলৈ টান পাইছিল। বিভিন্ন এলেকাৰ শ্ৰমিকসকলৰ ভিতৰত কামৰূপ জিলাত ভৈয়ামৰ অসমীয়া, পাহাৰীয়া অঞ্চলৰ গাৰো, কাৰ্বি, লালুং সম্প্ৰদায়ৰ লোক, দৰং জিলাত কছাৰী সম্প্ৰদায়ৰ লোক, কাছাৰ জিলাত কুকী আৰু কছাৰী সম্প্ৰদায়ৰ লোক, চিলেট জিলাত বঙালী, ত্ৰিপুৰী আৰু খাচিয়া লোক, শিৱসাগৰ জিলাত ভৈয়ামৰ বিবিধ সম্প্ৰদায়ৰ অসমীয়া লোক, নগাঁও জিলাত ভৈয়ামৰ অসমীয়া, পাহাৰীয়া কাৰ্বি আৰু কছাৰী সম্প্ৰদায়ৰ লোক আছিল বাগিচাৰ প্ৰধান শ্ৰমিক। এই লোকসকলে বাগিচাৰ বিবিধ কামত থলুৱা মজদুৰ হিচাপে কাম কৰিছিল যদিও প্ৰায়ভাগেই স্থায়ীভাৱে কাম কৰাৰ ইচ্ছা প্ৰকাশ কৰা নাছিল।[১]

২.১.১ ১৮৫২ চনৰ পৰাহে দৰাচলতে অসমত চাহ শিল্পই ব্যৱসায়িকভাৱে গা কৰি উঠে। জেন্‌কিন্স চাহাবে অসমত চাহ বাগিচাৰ শ্ৰমিকৰ অভাৱ অনুভৱ কৰি পোনপ্ৰথমে ছোটনাগপুৰৰ পৰা অসমৰ চাহ বাগিচাত কাম কৰিবলৈ মজদুৰ আমদানি কৰে। আৰকাঠিয়া বা গিৰমিটীয়া পদ্ধতিৰে নানা ছল-চাতুৰী, কৌশল আৰু প্ৰলোভন দেখুৱাই বিহাৰ, উৰিষ্যা, বংগ, মধ্য প্ৰদেশ, অন্ধ্ৰ প্ৰদেশ আদিৰ পৰা অসমলৈ চাহ মজদুৰ আমদানি কৰা হয়। এওঁলোক চিৰদিনৰ কাৰণে অসমলৈ অহা নাছিল যদিও চৰকাৰে প্ৰৱৰ্তন কৰা একাধিক আইনৰ কবলত পৰি বৰ বিপদত পৰিছিল। কিয়নো চাহাবৰ বিনা অনুমতিত তেওঁলোকে সেই আইনৰ বাবেই বাগিচা এৰি যাব নোৱাৰি

ইয়াতে স্থায়ীভাৱে থাকিবলৈ বাধ্য হৈছিল। এওঁলোক অসমলৈ আহোতে যদিও নিজ নিজ অঞ্চল বা ভাষা-ভাষী গোট হিচাপে দলবদ্ধ হৈ আহিছিল, অসমলৈ অহাৰ পাছত চতুৰ চাহাবে বাগিচাৰ পৰিচালনাৰ সুবিধাৰ বাবে তেওঁলোকক একেলগে থাকিবলৈ নিদিছিল। বিভিন্ন ঠাইৰ পৰা অহা ভিন ভিন ভাষা-সংস্কৃতিৰ এই শ্ৰমিকসকলক সান-মিহলিকৈ থাকিবলৈ বাধ্য কৰাইছিল, যাতে তেওঁলোকে কোনেও কাৰো কথা বুজি নাপায় আৰু একগোট হৈ বাগিচাৰ মালিকৰ বিপক্ষে প্ৰতিবাদ আদি কৰিবলৈ থিয় দিব নোৱাৰে। ভাৰতৰ বিভিন্ন ঠাইৰ পৰা অহা এই অপৰিচিত মানুহবিলাকৰ মুখৰ মাত-কথা, আচাৰ-ব্যৱহাৰ, নীতি-নিয়ম আদি সকলো ক্ষেত্ৰতে আছিল ভিন্নতা। গতিকে প্ৰথমছোৱাত অচিনাকি মানুহৰ দৰে সহাৱস্থান কৰি কিছুদিন যোৱাৰ পিছত লাহে লাহে তেওঁলোকৰ মাজত বন্ধুত্ব তথা ভাতৃত্বৰ ভাব গঢ়ি উঠিছিল। তেওঁলোকৰ জাতি, ধৰ্ম, ভাষা আদি নিমিলিলেও পূজা-পাৰ্বণ, অনুষ্ঠান আদিত চুবুৰীয়া হিচাপে ইঘৰে সিঘৰক নিমন্ত্ৰণ কৰিবলৈ লয়। এইদৰে নানা সম্প্ৰদায়ৰ চাহ-মজদুৰসকলৰ ভাষা, ধৰ্ম, সংস্কৃতিত ভিন্নতা থকা সত্বেও একেলগে থকাৰ ফলতে এখন নতুন সমাজৰ সৃষ্টি হয় লগতে তেওঁলোকৰ নিজ নিজ পৰিয়ালৰ মাজত ঘৰুৱা পৰিবেশত নিজৰ ভাষাৰ অস্তিত্ব থাকিলেও সততে সংস্পৰ্শলৈ অহা অসমীয়া থলুৱা ভাষাৰ আলমত বাগিচাৰ সেই মজদুৰসকলৰ মাজত যোগসূত্ৰৰ ভাষাই এটা নতুন ৰূপ ল'লে। বিহাৰৰ শ্ৰমিকসকলৰ ভাষা "সাদানি" ভাষীৰ সংখ্যা অৱশ্যে একেবাৰে কম নাছিল যদিও সেই সাদানিয়ে সকলোকে সামৰি ল'ব নোৱাৰিলে। গতিকে তেওঁলোকৰ কথিত বিবিধ ভাষাৰ উপাদানেৰে স্থানীয় কথিত অসমীয়া ভাষাই তেওঁলোকৰ সকলো শ্ৰেণীৰ লোকৰ যোগাযোগৰ ভাষাত পৰিণত হ'ল। পৈতৃক ভূমিৰ পৰা লৈ অহা সংস্কৃতি ৰক্ষা কৰাৰ উপৰি তেওঁলোকৰ সংস্কৃতিয়েও এক নতুন ৰূপ লয়। এইদৰে চাহ বাগিচাৰ বিশেষ পটভূমিত এখন নতুন সমাজ, ভাষা আৰু সংস্কৃতিৰ সৃষ্টি হৈ অসমৰ সমাজ আৰু সংস্কৃতিত উল্লেখনীয় দিশৰ সূচনা কৰে।

২.১.২ চাহ বাগিচাৰ মালিকে সকলোবোৰ বাগিচাৰ চাহ-মজদুৰৰ বছৰৰ সকলো সময়তে কাম কৰিব পৰাকৈ নিগাজীকৈ বসবাস কৰাৰ বাবে সৰু সৰু জুপুৰী ঘৰ সাজি দিয়ে। চাহ বাগিচাত কাম কৰিবলৈ অহা মজদুৰসকলে প্ৰথমতে নানান সমস্যাৰ সন্মুখীন হৈছিল। বহুতৰে বেমাৰ-আজাৰ হৈ ভালদৰে খাবলৈ নাপাই মৃত্যু হৈছিল। যিবোৰ থাকিল সেইবোৰৰো মতা-তিৰোতা, ল'ৰা-ছোৱালী সকলোকে বাগিচাৰ মালিকে নানা ৰকমৰ কামত লগাই দিয়ে। ১৯৯১ চনৰ চৰকাৰী পৰিসংখ্যামতে বৰ্তমান অসমত ৮৪৫ খন চাহ বাগিচা আছে আৰু ৫০০০,০০০তকৈও অধিক স্থায়ী শ্ৰমিকে বাগিচাত কাম কৰি আছে। গাঁও আৰু বস্তি অঞ্চলত পোন্ধৰ লাখ চাহ-মজদুৰ

আছে।[২] এই চাহ-মজদুৰৰ বৃহৎ জনগোষ্ঠীটোৰ মাজত বহুতো জাতি-উপজাতি সানমিহলি হৈ আছে। চৰকাৰী হিচাপমতে মুণ্ডা, কোল, ওৰাং, তাঁতী, চাওতাল, খেড়িয়া, গড়, গোৱাল, পাইক আদি প্ৰায় ১০১টা জাতি-উপজাতিৰ লোকৰ দ্বাৰা এওঁলোকৰ সমাজ সমৃদ্ধ। আচৰিত কথা একাধিক ভাষাৰ কৃষ্টি আৰু সংস্কৃতিৰ বৈচিত্ৰ্যৰ সমন্বয়ৰ দ্বাৰা সমৃদ্ধ সমাজখনেই হ'ল অসমৰ চাহ-মজদুৰ সমাজ। সমগ্ৰ ভাৰততে এনে এখন বৃহৎ সমাজৰ দ্বিতীয় এটা দৃষ্টান্ত নাই। অসমৰ চাহ-মজদুৰসকলৰ মাজত নানাধৰণৰ বৈচিত্ৰ্যপূৰ্ণ লোকাচাৰ, ৰীতি-নীতি, সাংস্কৃতিক পৰম্পৰা আৰু ধ্যান-ধাৰণা বিৰাজমান আৰু একে পৰিবেশত একেখন সমাজত সনা-পোটকা হৈ একেলগে থকা কাৰণে এই মজদুৰসকলৰ মাজত পাৰস্পৰিকভাৱে বিবিধ আদান-প্ৰদান ঘটিছে। তদুপৰি থলুৱা অসমীয়া সমাজখনৰ প্ৰভাৱত মজদুৰসকলৰ সমাজত গঢ় লৈ উঠিল এটি নতুন জীৱন-পদ্ধতি আৰু অভিনৱ সংস্কৃতি।

২.১.৩ অসমৰ চাহ-উদ্যোগ মূলতঃ কৃষিভিত্তিক। চাহ-মজদুৰসকলো এই কৃষিৰ লগতে জড়িত লোক। বৰ্তমান অসমৰ চাহ-মজদুৰসকলৰ মাজত দুটা শ্ৰেণী দেখিবলৈ পোৱা যায়। বাগিচাৰ কামৰ পৰা অবসৰ লৈ বাগিচাৰ আশে-পাশে বাগিচাৰ অনাৱশ্যক মাটিতে খেতি-বাতি কৰি বাস কৰা মজদুৰবোৰ প্ৰাক্তন চাহ-মজদুৰ আৰু বাগিচাৰ স্বীকৃতিপ্ৰাপ্ত তথা নথিভুক্ত মজদুৰৰূপে বাগিচাৰ কাৰ্যত ব্যস্ত হৈ থকা মজদুৰবোৰ চাহ বাগিচাৰ মজদুৰ।

এই চাহ-মজদুৰসকলৰ সমাজ গঠন আৰু বিকাশত জলবায়ুকে ধৰি ভৌগোলিক পৰিবেশৰ প্ৰভাৱ বিশেষ মন কৰিবলগীয়া। অসমৰ পৰিবেশত তেওঁলোকে জীৱিকা আৰু জীবন-ধাৰণৰ নিৰাপত্তা লাভ কৰি নিজকে থলুৱা পৰিবেশৰ লগত খাপ খুৱাই লৈছে। চাহ-বাগিচাত বীজ ৰোপণৰ পৰা আৰম্ভ কৰি চাহপাত উৎপাদন কৰি পেকিং কৰালৈকে সকলো কাম ৰাতিপুৱাৰ পৰাই ঘড়ীৰ কাঁটাৰ দৰে আগবাঢ়ে। ৰাতিপুৱা কলঘৰৰ চাইৰেণ (সংকেত ধ্বনি) বজাৰ লগে লগে নাৰী-পুৰুষ, ল'ৰা-ছোৱালী সকলোৱে ফিকা চাহ আৰু মুড়ি খাই দিনটোৰ কাৰণে নিজ নিজ কামৰ বাবে বাগিচালৈ ওলাই আহে। ঘৰত কম বয়সৰ সৰু ল'ৰা-ছোৱালীক এৰি থৈ আহে, সিহঁতক চাবলৈ মাকহঁতৰ আজৰি নাই, এৰি আহিব নোৱাৰিলে আকৌ পিঠিত বান্ধি বহুতে নিজৰ লগত লৈ চাহগছৰ কাষে কাষে ক'ৰবাত কাপোৰৰ অস্থায়ী ঝুলনাৰ ব্যৱস্থা কৰিও থয়। চাহ বাগিচাৰ ধৰাবন্ধা জীৱনযাত্ৰাত পাৰিবাৰিক জীৱনৰ কাম-কাজত কিছু ওলট-পালট ঘটে।

২.১.৪ অসমলৈ অহা চাহ-মজদুৰসকল প্ৰথমে স্কুলীয়া শিক্ষা-দীক্ষাৰ প্ৰতি আওকণীয়া আছিল। মানুহখিনি অশিক্ষিত হোৱাৰ কাৰণে সামাজিক পৰিবেশ একেবাৰে অনুন্নত আছিল। খোৱা-বোৱা, পিন্ধা-উৰা সকলোতে পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ অভাৱ

আছিল। শৈক্ষিক অনগ্ৰসৰতা, অত্যধিক মদপান আৰু হীনমন্যতাৰ হেঁচাত এওঁলোক বাগিচাৰ আনবোৰৰ পৰা আঁতৰি থাকে অৰ্থাৎ কিছু আছুতীয়াকৈ বাস কৰিবলৈ বাধ্য হৈ পৰে। টকা-পইচাৰ সৎ ব্যৱহাৰ কৰিবলৈ নজনাৰ কাৰণেও প্ৰয়োজন মতে উপাৰ্জন কৰি খাবলৈ নাটে। স্বাধীনোত্তৰ কালছোৱাত অৱশ্যে ইয়াৰ পৰিবৰ্তন ঘটিছে। কিছুসংখ্যক শিক্ষাৰ প্ৰতি আগ্ৰহী হৈ পৰিছে আৰু সেইসূত্ৰেই পূৰ্বৰ জীৱনধাৰাৰ সলনি সুস্থ জীৱনযাপন কৰিবলৈ সক্ষম হৈছে।

২.১.৫ এই চাহ-মজদুৰসকলৰ মাজত নানা ৰকমৰ সামাজিক ৰীতি-নীতি আছে। তেওঁলোকৰ মাজত নানা ধ্যান-ধাৰণা তথা বিশ্বাস তাহানিৰে পৰা চলি আহিছে। সামাজিক ৰীতি-নীতিবোৰ মূলতঃ জন্ম, মৃত্যু আৰু বিবাহৰ লগত জড়িত। ইয়াৰ উপৰি অন্যান্য কিছুমান বিশেষ বিশেষ অনুষ্ঠানৰ লগত জড়িত সামাজিক নীতি-নিয়মো আছে। কিন্তু উল্লেখযোগ্য যে সৰহভাগেই জন্ম, মৃত্যু, বিবাহৰ লগত সম্পৰ্কযুক্ত। সেইবাবে এইবোৰক জন্ম, মৃত্যু, বিবাহ জীৱনৰ এই তিনিটা প্ৰধান ঘটনা অনুসৰি ভাগ কৰিব পাৰি।

২.২ জন্ম

২.২.১ নৱজাতকৰ বিধি পালন

চাহ-মজদুৰসকলে বিভিন্ন ধৰ্ম আচৰণ কৰে। অৱশ্যে তেওঁলোকৰ কাৰ্যত হিন্দু ধৰ্মৰ প্ৰাধান্য সৰ্বাধিক। মজদুৰৰ ঘৰত ল'ৰা-ছোৱালী উপজিলে কিছু বিশেষ নিয়ম-নীতি পালন কৰা হয়। যেনে— নৱজাতকৰ বিধি পালনৰ বেলিকা হিন্দু ধৰ্মৰ আচৰণসমূহেই তেওঁলোকে সামূহিকভাৱে পালন কৰে।

সন্তান ওপজাৰ পাছত পোৱতী অৰ্থাৎ সন্তান জন্মদাত্ৰীক চুৱা জ্ঞান কৰি তেওঁক আছুতীয়াভাৱে কোঠাৰ ভিতৰতে থাকিবলৈ দিয়া হয়, ১০ দিনলৈকে তেওঁক এনেদৰে ৰখাৰ উপৰি আন কাকো তেওঁক চুবলৈ নিদিয়ে। এইটো এটা ডাঙৰ চুৱা। এই চুৱা গুচাবলৈ তেওঁলোকে ছয় দিনৰ দিনা প্ৰসূতিগৃহত বোলে শিলক আলম কৰি সন্তানৰ অধিষ্ঠাত্ৰীৰ উদ্দেশ্যে কেঁচুৱাৰ মংগল কৰি পূজা কৰে। তেওঁলোকৰ বিশ্বাস এই দিনাই শিশুৰ নাভি সৰে আৰু সেয়ে কোনো কোনো সম্প্ৰদায়ে সেই বিশেষ দিনটোত আনুষ্ঠানিকভাৱে 'অশৌচীয়া সবাহ' পালন কৰি অশৌচমুক্ত হয়।

২.২.২ কেঁচুৱা ওপজাৰ ন-দিনৰ দিনাখন (কোনো কোনো সম্প্ৰদায়ে আকৌ সাত দিনৰ দিনাখন) নাপিত এজন মাতি আনি নৱজাতকৰ চুলি খুৰোৱাৰ লগতে একে সমাজভুক্ত পুৰুষসকলৰ ডাড়ি খুৰায়, চুলিও কাটে। সেইদৰে প্ৰসূতিৰ লগতে ঘৰৰ অন্যান্য মাইকী মানুহৰ হাত-ভৰিৰ নখ কাটে। এইদৰে সকলোৱে যথাসম্ভৱ ক্ষৌৰকৰ্ম সমাপন কৰে। এটা কাঁহৰ বাটিত মিঠাতেল, হালধি আৰু অলপ খুচুৰা পইচা আগবঢ়াই নাপিতজনক সম্মান জনায়। নাপিতজনে নৱজাতকৰ চুলি এটা বিশেষ নিয়মেৰে

খুৱায়। নাপিতে এখন আগলি কলপাতত নৱজাতকৰ চুলি খুৱাই থৈ যায়। সেই চুলিখিনি কলপাতখনেৰে সৈতে নি পুতি থয়। এই অনুষ্ঠানকে 'নপ্তা অনুষ্ঠান' (নাপিতৰ অনুষ্ঠান) বোলে।

২.২.৩ কেঁচুৱা ওপজাৰ অশৌচ পালনৰ নিয়ম মন কৰিবলগীয়া। প্ৰায়বিলাক সম্প্ৰদায়ৰ চাহ-মজদুৰেই বাৰদিন এই অশৌচ পালন কৰে। প্ৰসূতিযে গা-পা ধুই উঠি নিমন্ত্ৰিত সকলো বয়োজ্যেষ্ঠ লোকক শ্ৰদ্ধা-ভক্তিসহকাৰে সেৱা-সৎকাৰ কৰিহে খোৱা-বোৱা কৰে। অৱশ্যে একৈশ দিনলৈকে প্ৰসূতিৰ ৰান্ধনি ঘৰত প্ৰৱেশ নিষেধ। অশৌচৰ পৰা শুদ্ধ হ'বৰ বাবে সিদিনাখন ওচৰ-চুবুৰীয়াসকলক নিমন্ত্ৰণ কৰি বিবিধ খাদ্য-দ্ৰব্যৰে আপ্যায়ন কৰি উঠিহে গৃহস্থৰ লোকে খোৱা-বোৱা কৰে। তদুপৰি ঘৰলৈ বামুণ আনি অশৌচ গুচায়।

২.২.৪ চাহ-মজদুৰসকলে কেঁচুৱা ওপজাৰ ন বা বাৰ দিনৰ দিনাখন অশৌচৰ সকলো শুদ্ধি হয় বুলি ধৰে যদিও আচলতে একৈশ দিনৰ দিনাখনহে সকলোকে ভোজ-ভাত খুৱাই 'একৈশা' পালন কৰিলেহে গৃহস্থৰ চুৱা গুচে। 'একৈশা'ৰ বিনা আয়োজনে সেইখন ঘৰত আন কোনো পূজা-পাতল পাতিব নোৱাৰে। সেই একৈশাৰ দিনা বামুণক নিমন্ত্ৰণ কৰি আনি সকলো নীতি-নিয়মেৰে সন্তানৰ নামকৰণ কৰে। তদুপৰি নৱজাতকৰ ওপৰত যাতে কোনো ভূত-পিশাচৰ চকু নপৰে তাৰ বাবে আইতাক বা পেহীয়েক আদিয়ে গছৰ পাতত জুহালৰ চৌকাৰ মাটি, নিমখ, শুকান জলকীয়া, হালধি আদি একেলগে মিহলাই লৈ মন্ত্ৰ মাতি কেঁচুৱাটোৰ মূৰৰ ওপৰেদি তিনিবাৰ ঘূৰায় আৰু তাৰ পিছত জ্বলি থকা জুইকুৰাত সেই সকলোখিনি পুৰিবলৈ পেলাই দিয়ে। তদুপৰি বেজৰ পৰা জৰাই অনা ডোল কেঁচুৱাৰ ডিঙিত আৰি দিয়ে।

২.২.৫ প্ৰসৱৰ পাছত প্ৰসূতিয়ে সেই কেঁচুৱাটি লৈ বাহিৰলৈ ওলালে হাতত এডাল বেতৰ লাঠি লৈ ওলাই অহাৰ নিয়ম। সেই কেঁচুৱাটিৰ কঁকালত আকৌ অকণ অকণ কাপোৰৰ টোপোলাত সৰিয়হ, হালধি আৰু চাউল ভৰাই এডাল ক'লা সূতাৰে বান্ধি দিয়ে। চাহ-মজদুৰসকলে ইয়াকে কাৰধানী বোলে।

২.২.৬ কেঁচুৱাটি যদি ছোৱালী হয় তেতিয়া হ'লে এবছৰৰ বয়সত কাণ বিন্ধায় আৰু সাত বছৰ বয়সত নাক বিন্ধায়। কোনো কোনো সম্প্ৰদায়ৰ মাজত অৱশ্যে ল'ৰা সন্তানৰো এবছৰতেই কাণ বিন্ধোৱা নিয়ম চলি আহিছে।

২.২.৭ সন্তানে গোটা বস্তু চোবাই খাব পৰা হোৱাৰ লগে লগে সামৰ্থ্য অনুসৰি দুই-চাৰিয়ে বয়সস্থ লোকক নিমন্ত্ৰণ কৰি এটি অনুষ্ঠানৰ আয়োজন কৰে। ইয়াকে 'মুখ জুঠা' অনুষ্ঠান বোলে। ল'ৰা বা ছোৱালীৰ মুখত মোমায়েক বা তেনে সম্বন্ধীয় লোকে প্ৰথমে ভাত দিয়ে। সেইদিনাই সন্তানৰ মংগলৰ কাৰণে ঘৰৰ থানত মুৰ্গী বলি দিয়ে।

২.৩ বৈবাহিক ৰীতি-নীতি

চাহ-মজদুৰসকল বহু জাতি-উপজাতিৰে গঠিত। সম্প্ৰদায়ভেদে বেলেগ বেলেগ সামাজিক নীতি-নিয়মেৰে বিবাহ কাৰ্য সম্পন্ন হ'লেও সামাজিক ৰীতিমতে প্ৰথমে ল'ৰাৰ অভিভাৱকসকলে ছোৱালীৰ ঘৰলৈ গৈ বিয়া পতা সম্পৰ্কে খা-খবৰ কৰে। এইক্ষেত্ৰত ঘটক (আগুৱা)ৰ ভূমিকা উল্লেখনীয়। চাহ মজদুৰসকলৰ বিবাহত নাপিত আৰু বামুণ দুয়োজনৰে প্ৰয়োজন হয়। হিন্দু ধৰ্মৰ প্ৰায়খিনি জাতিয়ে হোম-যজ্ঞ কৰিয়েই কাৰ্য সম্পাদন কৰে। অৱশ্যে বিয়াৰ মাংগলিক কাৰ্যত বৈদিক মন্ত্ৰৰ সলনি নিজৰ ভাষাতেই মন্ত্ৰ আদি পাঠ কৰে।

২.৩.১ বিয়াৰ দিন-বাৰ ঠিক হোৱাৰ পাছত দৰা-কইনা উভয় ঘৰতে জ্ঞাতি-কুটুম সকলোকে নিমন্ত্ৰণ কৰে। তাৰ পিছত দৰা পক্ষই তিনি, পাঁচ বা সাত বা ততোধিক বিযুৰীয়া সংখ্যক লোকে কন্যাৰ ঘৰলৈ গৈ কন্যাক বস্ত্ৰ পৰিধান কৰাব লাগে। তেওঁলোকৰ সমাজত ই কাপোৰ পিন্ধোৱা প্ৰথাৰূপে জনাজাত। কাপোৰ পিন্ধাবলৈ যাওঁতে-'দৈ ভাৰ' (দধিভাৰ) লগত লৈ যায়। এই ভাৰখনত কন্যাৰ কাৰণে শাৰী, ব্লাউজ, তেল, ফণি, আৰ্চী, খাৰু, আঙুঠি আদিৰ লগতে পিঠা-পনা, দৈ গাখীৰ, কল আদি নিয়ে। এয়া উজনি অসমৰ জোৰোণ বা নামনিৰ 'তেলৰ ভাৰ'ৰ তুল্য। ভাৰ লৈ যোৱা মানুহখিনিযে ভাৰখন নি কন্যাঘৰৰ চোতালত সজাই থোৱা বেদীৰ কাষত থয় আৰু তাত তেওঁলোকক বহিবলৈ দিয়ে। কন্যাই ভিতৰৰ পৰা সাজি-কাচি বাহিৰলৈ আহি সেই বেদীটোৰ চাৰিওফালে তিনিবাৰ প্ৰদক্ষিণ কৰে। সেই বেদীটোত চাউলৰ গুড়িৰে বৰ্গক্ষেত্ৰৰ দৰে একোটা নক্সা আঁকে আৰু সেন্দূৰৰ ফোট দিয়ে। বেদীৰ ওপৰত এখন পীৰা পাৰি থয়। পীৰাখনতো আলপনা অঁকা থাকে। কন্যাই বেদীটো প্ৰদক্ষিণ কৰি পীৰাখনত বহে। তেতিয়া আয়তীসকলে উৰুলি আদি মাংগলিক ধ্বনি দিয়ে। তাৰ পিছত থাল এখনত চাউল, দুবৰি বন, তুলসী, ঘিউ বা তেলৰ চাকি এগছ, তামোল-পাণ আদি লৈ দৰাৰ দেউতাক বা মাক নাইবা বয়োজ্যেষ্ঠজনে 'কাপোৰ পিন্ধোৱা' কাৰ্য আৰম্ভ কৰে। এই পৰ্ব শেষ হ'লে দৰাঘৰৰ মানুহে খোৱা-বোৱা কৰি যায়গৈ। এনে নিয়মেৰেই অন্য এদিন কন্যাঘৰৰ মানুহে দৰাক কাপোৰ পিন্ধায়।

২.৩.২ বিয়াৰ বন্দৱস্ত হোৱাৰ উপৰি একে সময়তে কোনো কোনো সম্প্ৰদায়ৰ লোকে আকৌ কন্যাৰ গা-ধন নিৰ্ধাৰণ কৰে। দৰাপক্ষই কন্যাৰ আ-অলংকাৰ লগতে কইনাৰ মাক-দেউতাক, ককাক-আইতাকৰ কাৰণেও কাপোৰ দিব লাগে। কইনাঘৰৰ পৰাও পণ অনুসৰি অন্যান্য বয়-বস্তু দিয়ে। বিয়াৰ ঠিক আগে আগে দৰাপক্ষই কইনাৰ ঘৰলৈ গৈ 'লগন' অনা নিয়ম। দুইঘৰৰ মুৰব্বী একগোট হৈ এখিলা আমপাতত হালধিৰ টুকুৰা, ৰং কৰা চাউল, বেলপাত, দুবৰি টোপোলা বান্ধি তিনি বা পাঁচবাৰ

সলনা-সলনি কৰি এটা পক্ষই ইটো পক্ষক দিব লাগে। এই টোপোলাত বিয়ালৈ যিমান দিন বাকী থাকে সিমান সংখ্যক গাঁঠি দিব লগে। এই লগন হৈ যোৱাৰ পাছত দৰা আৰু কইনাক নিজ নিজ ঘৰত সাতঘৰৰ পৰা সাত জোলোকা পানী আনি শুদ্ধ কৰি নিচেই পুৱাতে দুই বা ততোধিক আলিৰ সংগমস্থলত গা ধুৱায়। ই তেওঁলোকৰ সমাজত 'কুমাৰী পানী'ৰূপে প্ৰচলিত। 'লগন' অনুষ্ঠানৰ দিনাৰ পৰাই দৰা-কইনাক তেল-হালধি ঘঁহাই গা ধুওৱা নিয়ম। টোপোলাৰ শেষৰ গাঁঠিটো খোলাৰ দিনাই বিবাহকাৰ্য সম্পাদনৰ দিন। সেইদিনাই নদীৰ পৰা শুদ্ধ কৰি অনা পানীৰে গা ধুৱায়। নাপিতে দৰাৰ ক্ষৌৰকৰ্ম কৰি পৰিষ্কাৰ কৰে। এই ক্ষৌৰ কৰ্ম কৰা কাৰ্যক তেওঁলোকে 'চিনাই ফেৰা' বোলে। এই কাৰ্য শেষ হোৱাৰ পাছত নদীৰ পৰা অনা পানী দৰাৰ ভিনিহিয়েকে কটাৰীৰে কাটি দৰাক গা ধুবলৈ দিয়ে। তাৰ পিছত দৰাই হালধি ৰঙেৰে বোলোৱা ধুতী আৰু বগা চোলা পিন্ধি মূৰত এটা মুকুট পিন্ধে। এই মুকুটক তেওঁলোকে 'মৌড়' বোলে। তদুপৰি ডিঙিত অন্যান্য অলংকাৰ পিন্ধি ঢাক-ঢোল, মাদল আদি বাদ্যৰ এটি উদুলি-মুদুলি আয়োজনসহ জ্ঞাতি-কুটুমৰ সৈতে কন্যাঘৰলৈ যাত্ৰা কৰে।

২.৩.৩ দৰা গৈ কইনা ঘৰৰ পদূলিমুখত ৰওঁতে খুলশালি বা সেই স্থানীয় কোনোৱে দৰাৰ ভৰি ধুৱায় আৰু শাহুৱেক সমন্বিতে বয়োজ্যেষ্ঠসকলে আদৰ-সাদৰ কৰি সম্বৰ্ধনা জনাই দৰাক ভিতৰলৈ নিয়ে। দৰা গৈ পোৱা সময়তে দৰাই লগত লৈ যোৱা পানীৰ লগত কইনাঘৰে তোলা পানী মিহলাই লৈ কইনাক গা ধুৱাই দিয়ে। এই অনুষ্ঠানকে তেওঁলোকে 'জল চাহা' অনুষ্ঠান বোলে। কইনাক ঘৰৰ কোনোবা এটা চুকত লুকুৱাই এটা পাঁচিত শিল দি বহুৱাই ৰখাৰ নিয়ম। দৰাপক্ষৰ মানুহে ভিতৰলৈ গৈ কইনাক বিবাহ বাহৰলৈ নিমন্ত্ৰণ কৰিব লাগে। তাৰ পিছতহে কইনাক উলিয়াই আনি বেদীৰ আগত বহুৱায়। ৰভাৰ তলত দৰা-কইনাক একেলগে বহুৱাই হোমপোৱা কাৰ্য সমাপন কৰে আৰু তাৰ পাছত দৰা-কইনা উভয়ৰে গাত এখন চাদৰ দিয়ে। সেই চাদৰৰ তলতে দৰাই কইনাক সেন্দুৰ দিব লাগে। ইয়াকে 'সিন্দৰা দান' বুলি কয়। ইয়াৰ পিছত দৰা-কইনাই বিবাহ মণ্ডপ বা বেদী পাঁচ বা সাতবাৰ প্ৰদক্ষিণ কৰি তামোল-পাণ গচকিব লাগে। ইয়াৰ পিছতহে দৰা-কইনাক কইনাইঁতৰ ঘৰৰ ভিতৰলৈ নিয়ে। দৰা-কইনাক ভিতৰত বহুৱাবলৈ য'ত পীৰা পৰা থাকে তাত নানা তৰহৰ আল্পনা আঁকি থয়। এই পীৰাত বহি দৰা-কইনাই ছুৰী-কটাৰী সলোৱাৰ খেল খেলে। তাৰ পিছত কইনাঘৰৰ মিঠাই আদি সুস্বাদু বিবিধ বস্তু দৰাক খাবলৈ দিয়ে। লগতে দৰাক যথাসম্ভৱ মাননিও দিব লাগে। সেই মাননি গ্ৰহণৰ পিছতহে দৰাই কইনাঘৰত আহাৰ খোৱা নিয়ম।

বিয়াৰ বৈদিক কাৰ্যৰ সামৰণিৰ পাছতহে আলহী-অতিথিক খুওৱা-ধুওৱা কৰা

হয়। তাৰ আগলৈকে কাকো একো খাবলৈ নিদিয়ে। এইটো এওঁলোকৰ সমাজৰ এটা বিশেষ মন কৰিবলগীয়া কথা।

২.৩.৪ দৰা ঘৰলৈ প্ৰথম কইনাক আনোতে পদুলিমুখৰে পৰা আদৰি নিয়া হয় আৰু ইয়াতে কইনাৰ হাতত লোহাৰ খাৰু পিন্ধোৱা নিয়ম। দৰা-কইনা দৰাৰ ঘৰলৈ বুলি অহাৰ আগমুহূৰ্তত কইনাঘৰৰ বিয়াৰ বেদী ভাঙি আহিব লাগে আৰু দৰাঘৰ আহি পালে পদুলিমুখৰ পৰা আদৰি নিয়াৰ পাছত দৰাৰ ঘৰৰ বেদী দুয়ো ভাঙি পেলোৱাৰ নিয়ম।

২.৩.৪.১ সম্প্ৰদায়ভেদে বিবাহৰ আচাৰ-অনুষ্ঠানৰ কিছু সুকীয়া সুকীয়া নিয়ম আছে। চাওতালসকলৰ বিবাহত দৰা-কইনাক কোনো এজনৰ অথবা ধৰাধৰিকৈ মূৰত তুলি আঁৰ কাপোৰ তৰি দি সাতখিলা শালগছৰ পাত একগোট কৰি কইনাক সেন্দূৰ দিয়ে। কইনায়ো দৰাৰ কপালত সেন্দূৰৰ ফোট দিয়াৰ অন্তত বিবাহ কাৰ্য সমাধা হয়।

২.৩.৪.২ সেইদৰে আকৌ পৰ্জা সম্প্ৰদায়ত প্ৰচলিত দস্তুৰমতে দৰা-কইনাক একেলগে বহুৱাই দুয়োৰে ভৰিত চাউল ছটিয়াই দিয়ে। সেই চাউলখিনি কুকুৰাক খাবলৈ দিয়ে আৰু লগে লগে দৰা-কইনাৰ গাত পৰাকৈ কুকুৰাজনীক ঢকা মাৰি কেইটামান পাখি উঘালি আনি দুয়োৰে মূৰত গুজি দিয়ে। ইয়াৰ পিছতেই দৰা-কইনাৰ দুটা আঙুলি একেলগে জুটি দিয়াৰ পিছত বিবাহকাৰ্য সমাধা হয়।

২.৩.৪.৩ গণ্ড সম্প্ৰদায়ৰ নিয়ম আৰু অলপ সুকীয়া। দৰাই কইনা ঘৰত প্ৰৱেশ কৰিয়েই এখন বিচনী দলিয়াই দিয়ে। ইয়াৰ পিছত দৰা-কইনাক নাঙল আৰু মৈৰ ওপৰত থিয় কৰাই গা ধুৱাই দিয়ে আৰু গাত সেন্দূৰ ঘঁহি বিয়াৰ কাৰ্য সমাপ্ত কৰে।

২.৩.৪.৪ মুণ্ডা সম্প্ৰদায়ৰ আকৌ কইনাহে দৰাৰ ঘৰলৈ গৈ বিবাহ বেদীত বহিব লাগে। দৰাৰ ঘৰলৈ যাওঁতে কইনা আৰু লগত যোৱা লোকসকলে নাচি নাচি যাব লাগে। দৰা আৰু লগৰীয়াসকলে তেওঁলোকক আদৰি আনি বহুৱাব লাগে। কইনাৰ গা-ধন আৰু যৌতুকখিনি কইনাঘৰৰ কিছুসংখ্যক মানুহে হাতপাতি লৈ উভতি যায়। তাত ৰৈ যোৱা মানুহখিনিয়ে লগত গৈ দৰাঘৰৰ বিবাহৰ ৰভাৰ তলত বেদীৰ সন্মুখত বহে আৰু যথাবিহিত নিয়মেৰে সেন্দূৰ দিয়া কাৰ্যৰ লগতে বিয়াৰ অন্যান্য কাৰ্য সম্পাদন কৰে। সেই সময়তে তেওঁলোকে খোৱা-বোৱা কৰে। সেই ভোজনৰ সময়ত তেওঁলোকক ঘৰত প্ৰস্তুত কৰা লাওপানীও খুওৱা হয়।

২.৩.৪.৫ ভিন ভিন সম্প্ৰদায়ৰ বিবাহ কাৰ্যৰ আচাৰ-নীতি আদি প্ৰথাবোৰ আদিতে বেলেগ বেলেগ আছিল যদিও সম্প্ৰতি প্ৰায়বোৰৰে বিবাহৰ কাজ-কামৰ নিয়ম-নীতিবোৰ এটা সাধাৰণ প্ৰথাত পৰিণত হ'ব ধৰিছে। এইটোহে এটা বিশেষ মন কৰিবলগীয়া কথা। একেলগে অতি ঘনিষ্ঠভাৱে বসবাস কৰি এটা উমৈহতীয়া সংস্কৃতি গঢ় লৈ উঠা বাবেই এনে হৈছে।

২.৩.৪.৬ খ্ৰীষ্টিয়ানসকলে গীৰ্জালৈ গৈ সেই ধৰ্মৰ বিধি অনুসৰি পাদ্ৰীৰ প্ৰাৰ্থনাৰ দ্বাৰা বিবাহ কাৰ্য সম্পন্ন কৰে। মুছলমানসকলেও মৌলবীৰ নিৰ্দেশক্ৰমে যথাবিধি মতে বিবাহ কাৰ্য সম্পাদন কৰে। তেওঁলোকৰ সেন্দুৰ দিয়াৰ কোনো নিয়ম নাই।

২.৩.৪.৭ চাহ-মজদুৰসকলৰ মাজত সাধাৰণতে এনেধৰণে বিবাহ কাৰ্য সম্পাদন হয় যদিও আন কিছু প্ৰচলিত পদ্ধতিৰেও তেওঁলোকৰ মাজত বিবাহ সম্পন্ন হোৱা দেখা যায়। উল্লিখিত পদ্ধতিবোৰ সচৰাচৰ অভিভাৱকৰ দ্বাৰা এটা সমিলমিলৰ ভাবেৰে মিলিজুলি ল'ৰা-ছোৱালীৰ মাজত পতা বিয়াৰ প্ৰথাহে। ইয়াৰ ব্যতিক্ৰমো আছে। সেইবোৰ তলত উল্লেখ কৰা হ'ল—

(ক) অপহৰণ বিবাহ : সাধাৰণতে আজিকালি চাহ-মজদুৰসকলৰ সকলো জাতিৰ মাজতে এনে ধৰণৰ বিবাহ হ'ব লাগিছে। অৱশ্যে ইয়াৰ মাত্ৰাধিক্য ঘটা নাই। দৰাই নিজে পছন্দ কৰা কইনাজনীক মনে মনে সময়-সুবিধা অনুযায়ী কোনেও নজনাকৈ পলুৱাই আনে আৰু কইনাৰ ঘৰৰ মানুহৰ অজ্ঞাতে লুকুৱাই বিয়াৰ কাম সমাধা কৰে। অৱশ্যে এনেকুৱা বিয়াত ছোৱালীৰ যে একেবাৰে মন নাথাকে তেনেও নহয়। ছোৱালীৰ মনৰ বতৰা লৈহে দৰাই এনে দুঃসাহসিক কাম কৰিবলৈ উদ্যত হয়। অপহৰণঘটিত বাবেই এই নিয়মৰ নামকৰণো তেনেই।

(খ) ক্ৰয় বিবাহ : দৰা বা কইনাৰ কোনো এঘৰৰ ঘৰুৱা আৰ্থিক অৱস্থা সচ্ছল আৰু আনঘৰৰ আৰ্থিক অৱস্থা কিছু বেয়া হ'লে ভাল অৱস্থাৰ তথা আঢ্যৱন্ত ঘৰে আন ঘৰৰ দৰা বা কইনাক অৰ্থৰ দ্বাৰা কিনি লয়, অৰ্থাৎ নিজৰফালৰ পৰা বিয়াৰ খৰচ-পাতি দি বিয়া পাতি লয়। দৰা নাইবা কইনা যিকোনো ঘৰে আন ঘৰক এইদৰে টকা-পইচা দি বিয়া পাতিব পাৰে; অৱশ্যে এই ধৰণৰ বিয়া তেনেই কম। এনে বিয়াকে ক্ৰয় বিবাহ বোলে।

(গ) পৰীক্ষা বিবাহ : দৰা-কইনা উভয়কে বিয়াৰ আগতে নানাভাৱে পৰীক্ষা-নিৰীক্ষা কৰি লয়। যদিহে তেওঁলোক উত্তীৰ্ণ হয় তেতিয়াহে বিবাহ সম্পন্ন হয়।

(ঘ) সহ-পলায়ন বিবাহ : ল'ৰা-ছোৱালী দুয়ো প্ৰণয়াসক্ত হৈ বিয়া পাতিবলৈ ইচ্ছা প্ৰকাশ কৰি ঘৰ কিবা সমাজৰ পৰা বাধা পালে সুযোগ-সুবিধা বুজি আগধৰি দুয়োজনে আলোচনা কৰি ঘৰৰ পৰা পলাই গৈ অন্য ক'ৰবাত বিবাহপাশত আবদ্ধ হয়। এনেধৰণৰ বিবাহকে সহ-পলায়ন বিবাহ বোলে। আজিকালি এইবিধ বিয়া চাহ-মজদুৰসকলৰ মাজত অধিক জনপ্ৰিয় হৈ পৰিছে।

(ঙ) ঘৰ সোমোৱা বিবাহ : প্ৰতিটো চাহ-মজদুৰ সম্প্ৰদায়ৰ মাজত ঘৰ-জোঁৱাই (ঘৰ জামাই) ৰখা এটা চিৰাচৰিত প্ৰথা। সচ্ছল পৰিয়ালৰ লোকে দুখীয়া ঘৰৰ যুৱকক নিজৰ ছোৱালীক বিয়া দিবলৈ বুলি দৰা হিচাপে আনি সেই কইনাৰ ঘৰত ৰাখে। এইক্ষেত্ৰত সেই ঘৰ চাপি অহা ল'ৰাই ভাবী শহুৰৰ ঘৰত কাম-বন কৰি

তেওঁলোকৰ ছোৱালীৰ বিয়াৰ পণৰ পৰা ৰেহাই পায়। বিয়াৰ পিছত ল'ৰাই শহুৰৰ ঘৰ এৰি যাব নোৱাৰে। বিয়া পতাৰ পাছত শহুৰেকৰ সা-সম্পত্তি ভোগ কৰি ঘৰ-জোঁৱাইৰূপে জীৱন নিৰ্বাহ কৰে। অসমীয়া সমাজৰ চপনীয়াৰ লগত ইয়াৰ অকণমান সাদৃশ্য আছে। এই প্ৰথা আজিকালি লোপ পাইছে বুলিব পাৰি।

(চ) বিধৱা বিবাহ ঃ চাহ-মজদুৰ সমাজৰ বিধৱা নাৰীয়ে আকৌ বিয়াত সোমাবলৈ ইচ্ছা প্ৰকাশ কৰিলে নিজে পছন্দ কৰা তথা অভিভাৱকে পছন্দ কৰা পুৰুষৰ লগত বিয়া পাতি দিয়াৰ নিয়মো আছে। সাধাৰণতে বিধৱা নাৰী আৰু স্ত্ৰীহীনা পুৰুষৰ ক্ষেত্ৰত এনে বিয়া বেছি হয়। বিধৱা নাৰীগৰাকীৰ পুত্ৰ সন্তান থাকিলে সেই সন্তানৰো দায়িত্ব নতুন স্বামীয়েই ল'ব লাগে। এনে ধৰণৰ বিয়াত কিছু বাধাও আছে। কিয়নো বিধৱাই বিয়াৰ মন কৰিলে দেওৰেক অৰ্থাৎ প্ৰথম স্বামীৰ ভায়েকক পুনৰ বিয়া কৰাব পাৰে। কিন্তু স্বামীৰ ককায়েকক বিধৱাই বিয়া কৰাব নোৱাৰে।

(ছ) পাৰম্পৰিক সন্মতিসূচক বিবাহ ঃ ল'ৰা-ছোৱালী দুয়োধৰৰ সন্মতি সাপেক্ষে চিৰাচৰিত সামাজিক প্ৰথাৰে যি বিবাহ কাৰ্য সম্পাদিত হয় তাকে পাৰম্পৰিক সন্মতিসূচক বিবাহ বোলে। ই আচলতে এটা সাধাৰণ প্ৰথা আৰু বহুলভাৱে প্ৰৱৰ্তিত নিয়ম।

২.৪ মৃতকৰ লগত জড়িত নীতি-নিয়ম ঃ চাহ-মজদুৰসকলৰ কোনো লোকৰ মৃত্যু হ'লে মৃতকৰ শৱ দাহন কৰে। অৱশ্যে দাহন নকৰি মাটিত পুতি থোৱা নিয়মো আছে। বিভিন্ন ঠাইৰ পৰা অহা এই মজদুৰসকলৰ নিয়মবোৰো নানা প্ৰকাৰৰ। মূলতঃ তেওঁলোকে একেধৰণৰ নিয়মকে পালন কৰে। সৰ্বাধিকসংখ্যক লোকে মৃতকৰ শৱ দাহন কৰে, কিন্তু কোনো কোনো ক্ষেত্ৰত শৱ দাহন নকৰে। যেনে— সাপে খুঁটি মাৰিলে, নাবালক আৰু গৰ্ভৱতী তিৰোতাৰ মৃত্যু হ'লে দাহন নকৰি পুতিহে থয়।

কোনো লোকৰ মৃত্যু হ'লে সেই বংশৰ সকলো লোকে পটাত পিহি লোৱা তিল, হালধি, তেল আদি সৰ্বশৰীৰত সানি শৱটো ভালদৰে ধুই লৈ বগা নতুন কাপোৰেৰে ঢাকি দিয়ে। বাঁহৰ চাঙী কৰি মৃতকৰ বংশৰ লোকে হৰিধ্বনি দি শ্মশান অভিমুখে যাত্ৰা কৰি বাটত তিনি ঠাইত তিনিবাৰ শৱটো মাটিত ৰখাৰ পাছতহে শ্মশান পায়গৈ। প্ৰথমতে শ্মশানত গৈ চন্দ্ৰ-সূৰ্যক সাক্ষী কৰি কেইটামান খুচুৰা পইচা দি মাটি কিনি লয়। ল'ৰা সন্তানে সাধাৰণতে মৃতকৰ মুখাগ্নি কৰে। অৱশ্যে অভাৱত বংশৰ অন্য পুৰুষেও মুখাগ্নি কৰিব পাৰে।

শৱদাহন কাৰ্যৰ অন্তত নদী বা পুখুৰীলৈ কাঁইটীয়া গছৰ ঠাল এটাৰ ওপৰেৰে সকলোৱে শাৰীপাতি খোজ কাঢ়ি গৈ গা-পা ধুই তুলসীৰ পানী গাত ছটিয়াই ঘৰলৈ গুচি আহে। চাহ-মজদুৰৰে কোনো সম্প্ৰদায় তথা জাতৰ বহুতে সেইদিনাখনেই ক্ষৌৰকৰ্ম কৰি তেওঁলোকৰ নিজৰ ঘৰৰ থানত 'মদ উচৰ্গা' কৰে।

মৰাৰ দিন ধৰি দহা-কাজ নোহোৱালৈকে কোনেও তেল, মছলা, হালধি, মাছ-মাংস নাখায়। সেই কালছোৱাত তেওঁলোকে নিজকে চুৱা বুলি কয় অৰ্থাৎ অপবিত্ৰ বুলি ভাবে। সেইকেইদিন তেওঁলোকে নিৰামিষ আহাৰ খায়।

তিনিদিনৰ দিনা 'তেলখেৰ' (খাৰ দিয়া তেল), 'তিতা ভাত' খোৱা নিয়ম। ভাতৰ লগত মহানিমৰ পাত দি গোটেই বংশৰ লোকে খায়। এই দিনাৰ পৰা শ্মশানলৈ যোৱাৰ বাটত তিনিআলি এটাত মৃতকৰ উদ্দেশে সন্ধিয়া হৈ যোৱাৰ পিছত মৃতকৰ আত্মাৰ কাৰণে খাবলৈ বুলি কিবাকিবি বস্তু তাত থৈ আহে। মৃতকে শ্মশানৰ পৰা ঘৰলৈ আহিব নোৱাৰি বাটতে যেন আহাৰ খাই উভতি যায় তাৰ উদ্দেশে এনে কৰে। দহদিনলৈকে তেওঁলোকে নিয়ম-নীতি পালন কৰে।

মৃতকৰ দহদিনৰ দিনা পতা অনুষ্ঠানকে 'দহা' বা 'ঘাট' বোলে। অৱশ্যে কোনো কোনো লোকে এমাহৰ মূৰতহে এই অনুষ্ঠান পাতে। দহাৰ দিনা পুৰুষৰ চুলি আৰু মহিলাৰ নখ নাপিতৰ হতুৱাই কটাৰ নিয়ম। স্বামীৰ মৃত্যুত পত্নীয়ে সেইদিনাই হাতৰ খাৰু নদীত বিসৰ্জন দিব লাগে আৰু ৰংচঙীয়া কাপোৰ, সেন্দূৰ আদি বাদ দি বগা বস্ত্ৰহে পৰিধান কৰাৰ নিয়ম।

২.৪.১ ওৰাং সম্প্ৰদায়ৰ লোকসকলে দহাৰ দিনা মূৰৰ চুলি খুৰাই মৃতকক খৰি দিয়া ঠাইলৈ গৈ গা-পা ধুই পৰিষ্কাৰ হয় আৰু তাৰ পিছত ওজা বা বামুণৰ হতুৱাই কিছু কাম কৰে। বামুণজনে প্ৰথমে যি অনুষ্ঠানৰ আয়োজন কৰে সেয়া হ'ল সমাধিস্থলীত একুৰা জুই ধৰি তাত আখৈ ভাজে, ৰুটী আৰু পিঠা তৈয়াৰ কৰে। তাৰ পিছত এটা মাটিৰ ঘটৰ গাত সেই পিঠাৰ মালা গাঁঠি আৰি দিয়ে। সেই ঘটটোৰ ভিতৰত মাটিমাহৰ দাইল, ভাত আদি ভৰাই দিয়ে। তাৰ পিছত এটা কুকুৰাৰ ঠোঁট, নখ আৰু জিভা মিলাই খিচিৰি ৰান্ধে। সেই খিচিৰিকে মৃতকৰ পৰিয়ালবৰ্গই অলপ অলপকৈ মৃতকৰ উদ্দেশে সেই ঘটত দিয়ে। কিছুমানে খুচুৰা পইচাও সেই ঘটত দিয়ে। তাৰ পিছত ওজাই তৈয়াৰ কৰা ৰুটী কলহটোৰ মুখখনত দি বন্ধ কৰি মৃতকৰ চিতাৰ ঠাইত থৈ যায়হি। মৃতকৰ উদ্দেশে কৰা এই অনুষ্ঠানকে 'ভাণ্ডা কটা' অনুষ্ঠান বোলে। সেইদিনা সন্ধিয়া ওচৰ-চুবুৰীয়াক মাতি ভোজভাত খুৱায়। অন্য কুলৰ লোকে তাত খোৱা-বোৱা নকৰে বাবে তেওঁলোকক গাইপতি একোটাকৈ সিধা দিয়াৰ নিয়ম। যিকেইজন লোকে শৱটো কঢ়িয়াই লৈ যায় তেওঁলোকক যাতে ভৱিষ্যতে ডাকিনী-যোগিনী বা 'ভূত-প্ৰেতে' কোনো আমনি নকৰে তাৰ বাবে এজনী মাইকী কুকুৰা প্ৰত্যেকৰে কান্ধৰ পৰা ভৰিলৈকে চোঁচোৰাই আনি 'কান্ধ কাঠি নামিল নে নাই' বুলি তিনিবাৰকৈ কয় আৰু তেওঁলোকেও 'নামিল' বুলি ক'লে কুকুৰাজনী একে থেকেচাত মাৰি লগে লগে ৰান্ধি তেওঁলোকক মদৰ লগত খাবলৈ দিয়ে। এইটোও এটা বিশেষ মন কৰিবলগীয়া কথা।

২.৪.২ মৃতকৰ মৃত্যুৰ পিছদিনাখনৰ পৰাই প্ৰতিদিনাই ভাত-পানী আদি বিবিধ খাদ্য-দ্ৰব্য তৈয়াৰ কৰি আদবাটত থৈ আহে। সেই ঠাইত কোনো কোনোৱে খেৰী ঘৰৰ জঁকা এটা সাজে। দহাৰ দিনা সেই ঘৰটো জ্বলাই দিয়াৰ নিয়ম। তদুপৰি 'তোৰ ঘৰ পুৰিলে' বুলি তেওঁলোকে মৃতকৰ উদ্দেশে চিঞৰি কয়। দলবান্ধি এই কাৰ্য সমাধা কৰি কাঁহী-বাটি বজাই কোলাহল কৰি উভতি আহে। মৃতকৰ ঘৰৰ সকলো মানুহে চাকি-বন্তি নুমুৱাই দুৱাৰ মাৰি সোমাই থাকে। সেই দলটো আহি গৃহস্থৰ ঘৰত 'ঘৰত কোন আছে জাগল নে শুতল' এইদৰে তিনিবাৰ সোধা নিয়ম। তাৰ উত্তৰত ভিতৰৰ পৰা 'ভীম জাগল, অৰ্জুন শুতল' বুলি কোৱা শুনিলে বাহিৰৰ পৰা মৃতকৰ নাম কৈ তেওঁৰ মৃত্যুৰ দিনটোৰ কথা কয়। তেতিয়া মৃতকে পথ ভুল কৰি ঘূৰি ফুৰোতে তেওঁলোকে লগত লৈ অহা বুলিও কয়। তেতিয়া ঘৰৰ দুৱাৰ-খিৰিকী আদি খুলি দি ভিতৰখন পোহৰ কৰা হয়। তেওঁলোকৰ বিশ্বাস মতে এই নিয়ম পালন কৰিলে মৃতকৰ আত্মা ঘৰৰ পৰা কেনিও ওলাই নাযায়, ভিতৰতে থাকি ঘৰখনৰ সকলোকে ভালে-কুশলে ৰাখে। এই প্ৰথাকে 'ছাহিৰ অনা' বুলি কয়। বহুতে আকৌ পিতৃ-মাতৃৰ মৃত্যু হ'লে এটা নতুন কলহত শ্মশানৰ ছাই ভৰাই থৈ দহাৰ দিনা নৈত উটুৱাই দিয়ে। এওঁলোকে গৰু দান দিয়ে আৰু বছৰি শ্ৰাদ্ধও কৰে।

২.৪.৩ মুণ্ডা, খ্ৰীষ্টিয়ান, মুছলমান আদি সম্প্ৰদায়ৰ চাহ-মজদুৰসকলে মৃত্যুৰ পাছত মৃতকক তলে-ওপৰে চাং বান্ধি, মাজত বিছনাৰে সৈতে মাটিত পুতি পেলায়। এওঁলোকে দহা কাৰ্যৰ দিন ধাৰ্য কৰি এখন নতুন কাপোৰ ফালি-ছিৰি ফটাকানি যেন কৰি সজাই লৈ তাত কেইটামান গাঁঠি মাৰে আৰু মৃতকলৈ বুলি দুপৰীয়াৰ আহাৰ দিওঁতে প্ৰতিদিনে গাঁঠি খুলি গৈ শেষ গাঁঠি খোলাৰ দিনাই সকলো কাজ-কৰ্ম কৰে। এওঁলোকৰ বিশ্বাস যে যদিহে মৃতকক মাটিত পোতোতে মাটিৰ ভেটিটো ওখ নহয় তেতিয়া সেই মানুহজনৰ আয়ুস নাছিল বুলি কোৱা হয়।

২.৪.৪ খ্ৰীষ্টিয়ানসকলে তেওঁলোকৰ ধৰ্মীয় নিয়মেৰে শৱ সংকাৰ কৰে। এটা কফিন তৈয়াৰ কৰি তাত শৱটো ভৰাই তাৰ ওপৰত ৰঙা কাপোৰেৰে যীচুৰ এটা ক্ৰুছ তৈয়াৰ কৰে। মৃতদেহ ঘৰৰ বাহিৰলৈ অনাৰ পাছত পাদ্ৰীয়ে প্ৰাৰ্থনা সভাৰ আয়োজন কৰি প্ৰাৰ্থনা গাই কফিনৰ ভিতৰত ভৰাই কবৰস্থানলৈ লৈ যায়। পাদ্ৰীয়ে বাইবেলৰ কিছু অংশ পাঠ কৰে। কফিনটো কবৰত যথাৰীতিৰে স্থাপন কৰি মাটি দিয়া হয়। কবৰ সদায় পূবা-পশ্চিমাকৈ খনা নিয়ম। কবৰৰ ওপৰত এটি ক্ৰুছচিন দিয়াৰ নিয়ম।

২.৪.৫ মুছলমান সম্প্ৰদায়ৰ চাহ-মজদুৰসকলেও মৃতকক ধৰ্মৰ নিয়ম অনুসৰি কবৰ দিয়ে। তদুপৰি মৃতকৰ কাম-কাজ মৌলবীয়ে আহি ধৰ্মীয় নিয়মেৰে সমাধা কৰে। তেওঁলোকেও কফিন ব্যৱহাৰ কৰে। মৃতলোকক ঘৰৰ বাহিৰলৈ উলিয়াই আনি মৌলবীয়ে কোৰাণৰ অধ্যায় পঢ়ি কবৰস্থানলৈ লৈ যায়।

২.৬ অন্যান্য ৰীতি-নীতি, প্ৰথা আৰু সংস্কাৰ

ভালেমান উচ্চবংশীয় অসমীয়া লোকৰ গুপ্তনাম আৰু ভালনাম ৰখাৰ দৰে চাহ-মজদুৰসকলেও ভাল নাম আৰু ঘৰত মতা নাম বুলি বস্তুতৰে দুটাকৈ নাম ৰখা প্ৰথাৰ প্ৰচলন আছে। এওঁলোকে অৱশ্যে লিখিবলৈ সাধু সমাজত প্ৰচলন কৰিবলৈ এটা ভাল নাম ৰাখে আৰু এটা যিকোনো শব্দৰে নাম ৰাখে। ভাল নামটো পূৰ্বপুৰুষৰ নামৰ অনুকৰণত ৰাখে। আজিকালি অৱশ্যে হিন্দু দেৱ-দেৱী আদিৰ সুন্দৰ সুন্দৰ নাম, খ্ৰীষ্টিয়ানসকলৰ দৰে সুন্দৰ ইংৰাজী নাম, বিশেষকৈ অসমীয়াভাষী লোকৰ অনুকৰণত নাম ৰখাৰ ক্ষেত্ৰত বৈচিত্ৰ্য লক্ষ্য কৰা যায়। এওঁলোকে সাধাৰণতে ঘৰত মতা নামটো জন্মবাৰ অনুযায়ী ৰাখে। যেনে— সোম্ৰা, মংৰা, সোম্ৰী, বুধৰী ইত্যাদি।

২.৬.১ চাহ-মজদুৰসকলৰ লোক-বিশ্বাসত উত্থাপন কৰা বিষয়বোৰ গৌণ, কিন্তু প্ৰকাশভংগীৰ পদ্ধতিখিনি অতি গুৰুত্বপূৰ্ণ। এওঁলোকৰ সমাজত হালধি, গৰু গাখীৰ আৰু গোবৰ অতি পবিত্ৰ বস্তুৰূপে পৰিচিত দ্ৰব্য। কোনো কোনো সম্প্ৰদায়ৰ লোকে সন্তান জন্মৰ পিছৰ তিনিদিন প্ৰসূতিক কেৱল কলাই দাইল আৰু সিজোৱা চাউলৰ ভাতত কেঁচা হালধিৰ ৰস অথবা শুকান হালধিৰ গুড়ি খাবলৈ দিয়ে। তেওঁলোকৰ বিশ্বাস কলাই মাহে শৰীৰ শীতল কৰে আৰু হালধিয়ে বীজাণু নাশ কৰে। এওঁলোকৰ নিয়ম মতে যাত্ৰাৰ পথত তুলসী গছ দেখাটো মংগলজনক আৰু নাপিত, ব্ৰাহ্মণ আৰু কায়স্থ লোক দেখাটো অশুভ ফলৰ ইংগিত বুলি বিবেচনা কৰে। ঠিক সেইদৰে ঘৰৰ কোনো খুঁটাত বা গছত গৰুৱে নেজ মেৰিয়ালে গৃহস্থৰ অমংগল হয় বুলি বিশ্বাস কৰে।

২.৬.২ অসমৰ চাহ-মজদুৰসকলৰ হিন্দু ধৰ্মাৱলম্বী লোকসকলে সূৰ্য উদয় হোৱাৰ লগে লগেই শুই উঠি নীতি-নিয়মৰ পাতনি মেলে। শুই উঠি মুখ ধুই চোতালকে আদিকৰি ঘৰৰ চাৰিওফালে গোবৰ-পানী ছটিয়ায়। তাৰ পিছত ঘৰ-দুৱাৰ, গোহালিৰ আগ, তুলসীৰ তল, চৌকা আদি গোবৰ-পানীৰে মচি-কাচি নিকা কৰে। ৰাতি ভাত ৰন্ধা বাচনত অলপ ভাত ৰখা নিয়ম, নহ'লে হেনো এওঁলোকৰ ধাৰণামতে ঘৰখনত লক্ষ্মীদেৱীৰ কোপদৃষ্টি পৰে।

ঘৰসৰা ঝাৰুটো থিয় কৰিহে থোৱা নিয়ম। মছলা বটা শিলটো একতীয়াকৈ নথ'লেও ঘৰত অপায়-অমংগল হয় বুলি কয়। পুৱা গা-পা ধুই জৰীগছৰ থান, বেলগছৰ থান, চোতালৰ আগৰ তুলসীতল আদিত পানী এঘটি ঢালি পুণ্য কৰে। বহুতে সূৰ্যক প্ৰণাম কৰে। ভাত-পানী খাওঁতে ইষ্টদেৱতাৰ উদ্দেশে খোৱাৰ আগতে কিছু ভাত উচৰ্গা কৰে। স্ত্ৰীয়ে কেতিয়াও স্বামীয়ে খোৱাৰ আগতে খোৱা-বোৱা কৰাটো নিষেধ।

শোৱাৰ ক্ষেত্ৰতো ঘাইকৈ পূব আৰু দক্ষিণ দিশৰ ফালে মূৰ দি শুব লাগে।

নহ'লে হেনো যমৰজাক প্ৰশ্ৰয় দিয়া হয় বুলি এওঁলোকে ভাবে। সন্ধ্যা তুলসীৰ তলত ঘৰৰ গোসাইথানত চাকি-ধূপ-ধূনা দিয়াটো নিয়ম।

২.৬.৩ চাহ-মজদুৰসকলে 'সাপ'ৰ ক্ষেত্ৰত, গছ কটাৰ ক্ষেত্ৰত বহুতো সংস্কাৰ মানি চলে। তেওঁলোকৰ বিশ্বাসমতে শুই থকা মানুহক সাপে ফণা মেলি সূৰ্যৰ তাপৰ পৰা ৰক্ষা কৰিলে সেই মানুহজন ভৱিষ্যতে ৰজা বা অতি আঢ্যৱন্ত হয়। বহুতেই সাপক দেৱতা ৰূপত পূজা কৰে। মাইকী মানুহে সাপ মাৰিব নাপায়। মানুহৰ মৃত্যুৰ পাছত সাপে আত্মা ধৰি ৰাখে বুলি বিশ্বাস কৰে, মাটিত পুতি ৰখা টকা-পইচা সাপে ৰক্ষা কৰে বুলিও ভাবে। তেওঁলোকৰ বিশ্বাসমতে গৰ্ভৱতী তিৰোতাই হঠাৎ সাপ দেখিলে প্ৰসৱৰ সময়ত অৰ্থাৎ সন্তান জন্মৰ বেলিকা বৰ কষ্ট পায়।

২.৬.৪ গছ কটা বিষয়তো যথেষ্ট সংস্কাৰ আছে। 'কৰম গছ' তেওঁলোকে কেতিয়াও নাকাটে। শালগছ আৰু কৰম গছত দেৱতা থাকে বুলি বিশ্বাস কৰে। আপোন মানুহৰ কিবা বেয়া ঘটনা আদি সপোনত দেখিলে পিছদিনা চাউলৰ গুড়িৰে পিঠা পুৰি শালগছ আৰু কৰম গছৰ পাতত খালে দোষ খণ্ডন হয় বুলি তেওঁলোকৰ ধাৰণা।

২.৬.৫ খোৱা-বোৱাৰ ক্ষেত্ৰতো তেওঁলোকৰ মাজত নানা ৰকমৰ বাধা-নিষেধ আছে। কিছুমান বস্তু বিশেষ মাহত নাখায়। মাঘ মাহৰ ভীম একাদশীৰ পিছদিনা দুপৰীয়া ভাত খাওঁতে 'বেথাশাক'ৰ তৰকাৰী খোৱাৰ নিয়ম। কাতি মাহত 'ওল' আৰু মাঘ মাহত 'মূলা' খোৱা নিষেধ। শ্ৰীপঞ্চমীৰ দিনা 'নাৰিকল' খোৱা বাৰণ আৰু পিছদিনা গোটা পিঠা খোৱা নিষেধ। খাবলৈ বহি যদি হাঁহে, ভাত যদি লাৰুকৈ খায় তেন্তে অমংগল হয় বুলি বিশ্বাস। সূৰ্য আৰু চন্দ্ৰ গ্ৰহণৰ সময়ত আগতে ৰান্ধি থোৱা ভাত-আঞ্জা অশুচি হয় বুলি বিশ্বাস, অৱশ্যে তাত তুলসী পাত দি থ'লে অশুচি নহয় বুলি ভাবে।

২.৬.৫ ভাই-বোৱাৰী বা পুতেক-বোৱাৰী থকা কোঠাত শহুৰেক কেতিয়াও সোমাব নাপায়, সামাজিক প্ৰথামতেই সেয়া নিষেধ কৰ্ম। আকৌ সেইসকল লোকক হাতে হাতে বস্তু দিয়াও নিষেধ। তিৰোতা মানুহে মূৰেদি মেখেলা পিন্ধা, ছট্ ছট্‌কৈ খোজকঢ়া, চুলি মেলি খোজকঢ়া কুলক্ষণৰ চিন বুলি বিবেচনা কৰে। শাৰীৰ আঁচলৰ বতাহ শিশুৰ গাত লাগিলে অমংগল হয় বুলি ভাবে। কোলাৰ শিশুৰ ভৰি যদি বৈ থকা শিশুৰ গাত লাগে তেন্তে কোলাৰ সন্তানটিক কিছু সময়ৰ বাবে মাটিত নমাই থব লাগে। অন্তঃসত্ত্বা নাৰীৰ বিছনাৰ পিছফালে ৰছী টানি বান্ধিলে কন্যা সন্তান জন্ম হয় বুলি তেওঁলোকৰ এটা সবল বিশ্বাস আছে। স্বামী-স্ত্ৰীয়ে পৰস্পৰক নাম ধৰি-মাতিলে সন্তান ক'লা হয়, স্ত্ৰীৰ ডাঙৰ বায়েকক নাম ধৰি মাতিলে মৰিবৰ সময়ত পোৰোতে অধিক সময় লাগে আদি জনবিশ্বাস আছে।

মজদুৰসকলৰ সমাজত শাও-শপনিয়েও যাদুৰ দৰে কাম কৰে বুলি বিশ্বাস কৰে।

আলহীয়ে বাহী চোতাল গচকিলে গৃহস্থৰ ঘৰত শাও পৰে। ভিক্ষাৰী, গুৰু আৰু ৰাইজৰ শাও বৰ ডাঙৰ অভিশাপ বুলি গণ্য কৰে। সেয়ে 'টুচু পৰব' আৰু 'ফাগুৱা পৰব'ত ৰাইজক চিৰা-পিঠা আৰু ধনেৰে মান ধৰি আশীৰ্বাদ লয়।

২.৬.৬ চাওতাল সম্প্ৰদায়ৰ চাহ-মজদুৰসকল 'ডানকো' বা 'ডাইনী'ৰ প্ৰতি যথেষ্ট ভীতিগ্ৰস্ত হৈ থাকে। এই ডাইনীৰ কোপদৃষ্টিৰ পৰা ৰক্ষা পাবলৈ মুৰ্গী-খিচিৰি আদি উচৰ্গা কৰি থানত পূজা কৰাৰ উপৰি সেই বস্তুবোৰ সকলোৱে খায়। ডাইনীৰ প্ৰতিষেধক 'ওজা' আৰু 'জান'। 'ওজা'ৰ কাম ছটা। খৰি চোৱা, চাল চলোৱা, দেৱতা খোৱা, দেৱতা জোকোৱা আৰু ঔষধ দিয়া আদি। মন্ত্ৰপূত গছৰ ডাল পুতি কোনোৱে কাৰোবাৰ শৰীৰত বিষ বেমাৰ জাপি দিলে ওজাই সেই প্ৰকৃতি চিনাক্ত কৰি প্ৰতিষেধক ঔষধ দিয়ে। সেই ওজাই ভাল কৰিব নোৱাৰিলে তাতোকৈ ডাঙৰ ওজা 'জান'ৰ ওচৰলৈ নিয়ে। জানেও যদি ভাল কৰিব নোৱাৰে তেতিয়া ডাইনীয়ে পোৱা সেইজনী ৰোগীক গাঁৱৰ পৰা খেদি পঠায়। এইবিলাক চাহ-মজদুৰ সমাজৰ অন্ধবিশ্বাসৰ কেতবোৰ দৃষ্টান্ত।

বৰ্তমান এইবিলাক সংস্কাৰৰ ভালেখিনি পৰিবৰ্তন ঘটিছে। আজিকালি 'ওজা' বা 'জান'ৰ গুৰুত্ব নাই। তাৰ ঠাই অধিকাৰ কৰিছে ডাক্তৰ-কবিৰাজে।

অসমৰ চাহ-মজদুৰসকল অতিথিপৰায়ণ। অতিথিক দেৱতাসদৃশ জ্ঞান কৰে। অতিথি শুশ্ৰূষাত সন্তুষ্ট নহ'লে ঘৰখনৰে অমংগল হয় বুলি তেওঁলোকৰ বিশ্বাস।

২.৬.৭ চাহ-মজদুৰসকলে সাধাৰণতে গাখীৰ মিহলি নকৰাকৈ অৰ্থাৎ ফিকা চাহ খায়, চাউল ভজা আৰু এসাঁজ ভাতহে খোৱা দেখা যায়। ইয়াৰ মূল কাৰণ অনুন্নত আৰ্থিক অৱস্থা। লাওপানী বা হাড়িয়া এওঁলোকৰ ল'ৰা-ছোৱালী, বুঢ়া-বুঢ়ী সকলোৰে প্ৰিয় পানীয়। সাধাৰণতে ছুটীৰ দিন বুলি 'ৰবিবাৰ' দিনটোত এওঁলোকে পানীয় আদি সেৱন কৰি স্ফূৰ্তি কৰে। বাগানত প্ৰতিসপ্তাহে এখন বজাৰ বহে। তেওঁলোকৰ মাজত বেতনৰ পইচা পোৱাৰ দিনাখন লাওপানী খোৱাৰ উৎসাহ বাঢ়ে।

অৱশ্যে বৰ্তমান অসমৰ চাহ বাগিচাসমূহত স্কুল আদি প্ৰতিষ্ঠা হৈছে। শিক্ষা-দীক্ষাৰ পোহৰ পৰিছে যদিও মজদুৰৰ ল'ৰা-ছোৱালীয়ে বিশেষ পৰিবৰ্তন আনিব পৰা নাই। অৱশ্যে সমাজত কিছু কিছু পৰিবৰ্তনৰ সূচনা হোৱা দেখা যায়।

২.৭ সংস্কৃতি : পূজা-পৰব আৰু নৃত্যানুষ্ঠান

অৰ্থনীতিয়ে অসমৰ চাহ-মজদুৰসকলৰ সাংস্কৃতিক জীৱন নিয়ন্ত্ৰণ কৰিছে। অৰ্থনৈতিক সংকটে তেওঁলোকৰ সাংস্কৃতিক জীৱন জুৰুলা কৰিছে। বিভিন্ন ঠাইৰ পৰা বিভিন্ন সংস্কৃতি বহন কৰি আহি অসমৰ চাহ বাগিচাত একেলগে বসবাস কৰি স্থানীয় সংস্কৃতিৰ মূল সুঁতিটোৰ লগত মিলি যাবলৈ ধৰিছে। অসমলৈ অহা চাহ-মজদুৰসকল বিভিন্ন ধৰ্মাৱলম্বী লোক। সৰহসংখ্যকেই হিন্দুধৰ্মী যদিও খ্ৰীষ্টিয়ান,

মুছলমান ধৰ্মৰো লোক আছে। আজিকালি হিন্দুধৰ্মী লোকৰো সনাতন ধৰ্ম, বৈষ্ণৱ ধৰ্ম আদি নানা বিভাগ দেখা যায়।

অসমৰ চাহ-মজদুৰসকলৰ সংস্কৃতি ঘাইকৈ ধৰ্মৰ লগত জড়িত। তদুপৰি ই ঘাইকৈ লোকবিশ্বাস, জীৱ-জন্তু সম্বন্ধীয়, বিভিন্ন পূজা-পাৰ্বণ, নানা তৰহৰ লোক-উৎসৱ, লোকগীত-নৃত্যৰ ওপৰত প্ৰতিষ্ঠিত। এই সংস্কৃতিত আৰ্য আৰু অনাৰ্য সংস্কৃতিৰ সংমিশ্ৰণ ঘটিছে। এইখন সমাজত প্ৰচলিত নিয়ম, কৃষিকৰ্ম কৰি জীয়াই থকা লোকৰ কৃষিভিত্তিক উৎসৱ-পৰ্ব, জীৱন-যৌৱনৰ প্ৰকাশে বিভিন্ন সময়ত বিভিন্ন ৰূপ লৈছে। এওঁলোকে অসমলৈ আহি চাহ বাগিচাৰ মাজত চাহখেতিৰ লগত জড়িত হৈ অসমৰ বৃহৎ সমাজৰ এটি অংগৰূপে জীৱন নিৰ্বাহ কৰিছে। সেই হিচাপে নিজৰ বিবিধ লোক-উৎসৱ, লোকগীত, লোকাচাৰ আদি জীয়াই ৰখাৰ উপৰি অসমৰ মূল সংস্কৃতিৰ লগত মিলি যাবলৈও চেষ্টা কৰিছে। অসমৰ চাহ-মজদুৰসকলে উৎসৱ-পৰ্ব আৰু পূজা-পাতলৰ ভিতৰত কৰম পূজা, চড়ক পূজা, কালী পূজা, টুচু পূজা, মনসা পূজা, গ্ৰাম দেৱতাৰ পূজা, ধৰ্ম ঠাকুৰৰ পূজা, দুৰ্গা পূজা, বীৰ পূজা, ফুষুপনীমাৰ পূজা, চাৰুল পূজা, কুড়াল বাগডেই পূজা, সূৰ্যাহী পূজা, ক্ষেত্ৰ পূজা, মংলা পূজা, অন্যান্য সৰু-সুৰা পূজাও কৰে। উৎসৱ-পৰ্বৰ ভিতৰত সাঁহৰাই পৰব, ডাণ্ডাকটা অনুষ্ঠান, মাঘী যাত্ৰা, বাহা-পৰব, বৰদিনৰ উৎসৱ, কুকুৰা যুঁজ, ফাগুৱা পৰব, জাথেল উৎসৱ, ইৰতি অনুষ্ঠান, ভানসিং পৰব, মাঘ-সিম, সৰজম বাহা, ভেঁজা বিধা, সিম উৎসৱ, ৰটাউলি উৎসৱ, অম্বুবাচী আৰু বিপত্তি তাৰিণী ব্ৰত, ঈদ আৰু চাকলতোৰেৰ ছাতা পৰব, ভাদু উৎসৱ আদি।

এই পূজা-পৰববোৰে অসমৰ চাহ-মজদুৰৰ সংস্কৃতি চহকী কৰি ৰাখিছে। পূজা-পৰবৰ লগত জড়িত নৃত্য-গীত, বাদ্যযন্ত্ৰ আদিও বিভিন্ন। অসমৰ চাহ-মজদুৰ সংস্কৃতিৰ অন্তৰ্ভুক্ত পূজা-পৰব আৰু নৃত্যানুষ্ঠানৰ আলোচনা তলত দাঙি ধৰা হ'ল। চাহ-মজদুৰসকলৰ উৎসৱ-পৰ্বসমূহক সাধাৰণতে তিনিটা ভাগত ভাগ কৰিব পাৰি। (১) ধৰ্মীয়, (২) ধৰ্ম নিৰপেক্ষ, আৰু (৩) অন্যান্য। ধৰ্মপ্ৰধান উৎসৱ-পৰ্বসমূহক আকৌ দুটা ভাগত ভাগ কৰিব পাৰি (ক) মুখ্য আৰু (খ) গৌণ।

২.৭.১ ধৰ্মপ্ৰধান

(ক) মুখ্য : অসমৰ চাহ-মজদুৰসকলৰ পূজা-পৰবৰ ভিতৰত ধৰ্মই মুখ্য স্থান অধিকাৰ কৰা পূজা-পৰবসমূহৰ ভিতৰত কৰম পূজা, চড়ক পূজা, সাঁহৰাই পৰব, টুচু পূজা, ধৰ্ম-ঠাকুৰৰ পূজা, ফুচুপনীমাৰ পূজা, শীতলা পূজা, যোগিনী পূজা, চণ্ডী পূজাই প্ৰধান।

২.৭.১.১ কৰমপূজা বা কৰম পৰব

অসমৰ চাহ-মজদুৰৰ বিভিন্ন কলা-কৃষ্টিৰ ভিতৰত কৰম পূজাৰ বৈশিষ্ট্য অতি

তাৎপৰ্যপূৰ্ণ। কৰমপূজা হ'ল কৃষিভিত্তিক পূজা। কৃষিক কেন্দ্ৰ কৰি এই পৰব বা পূজা পালন কৰা হয়। কৰম পূজাক জাতীয় উৎসৱ হিচাপে পালন কৰে। সাধাৰণতে ভাদমাহৰ পাৰ্শ্ব একাদশী তিথিত এই পূজা কৰা হয়। ইয়াৰ উপৰি আহিন বা কাতি মাহৰ কৃষ্ণা অষ্টমীৰ দিনাও এই উৎসৱ পালন কৰে। ভাদ মাহত অনুষ্ঠিত কৰম পূজাক 'ৰাজী-কৰম' বা 'ৰাজা কৰম' আৰু আহিন-কাতি মাহত অনুষ্ঠিত কৰম পূজাক 'বুঢ়ী কৰম' বা 'জীতিয়া কৰম' বোলে। দুয়োবিধ কৰম পূজাৰ ব্ৰতৰ উদ্দেশ্য হৈছে উৰ্বৰতা, প্ৰজনন আৰু কৃষিৰ সমৃদ্ধি কামনা। ৰাজী কৰমত কুমাৰী ছোৱালী বা বুঢ়ী মাইকী মানুহে উপবাস কৰি ব্ৰতপালন কৰে। এই কৰম পূজা তিনিদিন বা পাঁচদিনত সম্পন্ন হয়। জাৱা জগোৱাটো কৰম পূজাৰ আটাইতকৈ দৰকাৰী আৰু শ্ৰেষ্ঠ অংশ বুলি ধৰা হয়। নিৰ্দিষ্ট পূজাৰ তিনি বা পাঁচদিন আগতে যিসকল কুমাৰী বা বুঢ়ী মানুহে অৰ্থাৎ কৰমতীসকলে নদীৰ ঘাটলৈ ঢোল-মাদলসহ গৈ তাত গা-পা ধুই আৰতি কৰি লগত নিয়া নতুন পাঁচি এটাত সকলোৱে একো আঁজলিকৈ বালি ভৰাই, সেই বালিতেই তেওঁলোকে লগত নিয়া মাটিমাহ, বুটমাহ, মগুমাহ, ধান, বজৰা, সৰিয়হ আদি ব্যক্তিগত চিন ৰাখি সিঁচি দিয়ে। নিৰ্দিষ্ট পূজাৰ দিনাখন সেইবোৰৰ গজালি ওলায়। সেই গজালি মেলাকে 'জাৱা' বোলে আৰু এই কৰ্মটোক 'জাৱা জগোৱা' বোলে। যাৱতীয় নীতি-নিযমেৰে জাৱা জগাবলৈ কামখিনি কৰাৰ পাচত নৈ-ঘাটৰ পৰা জাৱা ধৰা পাঁচিটো আৰু পানী এঘটি লৈ কৰমতীসকলে ঘৰলৈ আনে। ইয়াকে 'বাৰিআনা' বোলে। পাঁচিটো আনি গোবৰ-মাটিৰে মচি পৰিষ্কাৰ কৰি ৰখা ঠাইত থৈ গীত গায়। জাৱা উঠোৱা দিনাৰ পৰা মূল পূজাৰ দিনলৈকে কৰমতীসকলে প্ৰতিদিনে সন্ধিয়া গীত গাই গাই জাৱা জাগৰণ কৰে। জাৱা উঠোৱা দিনাৰ পৰা পূজা শেষ নোহোৱালৈকে কৰমতীসকল ব্ৰতত থাকে। জাৱা যদি মৰহি যায় তেওঁলোকৰ বিশ্বাস কৰমতীসকলৰ মনৰ বাঞ্ছা পূৰণ নহয়। নিগনি, পঁইতাচোৰা আদিয়ে জাৱা যাতে অনিষ্ট কৰিব নোৱাৰে তাৰ কাৰণে কলপাতত ভাত দি ঘৰৰ চালত গণেশ দেৱতালৈ বুলি আগ কৰে।

কৰম পূজাৰ দিনটোক 'চঞ্চত জাগা' বোলে। পূজাৰ আগদিনা সন্ধিয়া কৰমতীসকলে পূজাৰ উদ্দেশে আনিব লগা (চিকা মৰলীয়া) কৰম গছ এজোপাৰ ওচৰলৈ গৈ মাটিৰ চাকি জ্বলাই এঁৰা সূতাৰে এটা ডাল বান্ধি থৈ আহে। পূজাৰ দিনা আবেলি কৰমতীসকলে ডেকা ল'ৰা দুজনমান লৈ কৰম ডালটো ঢোল-ডগৰ লৈ নাম গাই গাই কাটি লৈ আনে। সেই ডালটো লৈ আনি পূজাৰ কাৰণে প্ৰস্তুত কৰা বেদীৰ গাঁতটোত তামোল-পাণ, পাঁচটা সিকি, সেন্দূৰ আৰু তিল দি তাতে ডালটো পোতে। গাঁতটোত ডালটো পোতাৰ আগতে কাটি আনি ঘৰৰ চালত থয়। পোতা ডালটোৰ চাৰিওফালে কৰমতীসকলে গুলী সূতাৰে পাঁচ বা সাত পাক মেৰিয়াই

বান্ধে আৰু তাৰ কাষত জাৱাৰ পাঁচিকেইটাত পূজাৰ নৈবেদ্য সম্ভাৰ আদি থয়। কৰম গছৰ ডালটো ফুল, ৰং-বিৰঙৰ কাগজেৰে সুন্দৰকৈ সজায় আৰু কৰমতীসকলে প্ৰত্যেকেই এটুকুৰাকৈ নতুন কাপোৰ পিন্ধায়। এইদৰে পূজাৰ সকলো যোগাৰ হোৱাৰ পিছত মুখিয়াল ব্যক্তি এজনে অৰ্থাৎ পূজাৰীজনে কৰম পূজাৰ আখ্যান ব্যাখ্যা কৰে। কৰমতীসকলেও সেই ব্যাখ্যা মন দি শুনি থাকে। আখ্যান বা কাহিনী কোৱা শেষ হোৱাৰ পাছত কৰমতীসকলে এখন থালত ঘিউ চাকি, ধূপ-দীপ আদি লৈ কৰম দেৱতাক সাতবাৰ প্ৰদক্ষিণ কৰে। তাৰ পিছত পূজাৰীয়ে কৰমতীসকলক এই বুলি সোধা নিয়ম– 'কাৰ কৰম'? তেওঁলোকে এইবুলি উত্তৰ দিয়ে– 'আপোন কৰমে ভায়েক ধৰমক পালে'। কৰম কৰি কি পালে এইদৰে নানা প্ৰশ্নৰ কটাকটি কৰি পূজাৰ কাম সমাপ্ত কৰে। কৰমতীসকলৰ লগতে অন্যান্য ব্যক্তিসকলেও ভক্তিৰে কৰম দেৱতাক সেৱা কৰি পূজাৰীক বিদায় দিয়ে। তাৰ পিছত কৰমতীসকলে নিজ নিজ ঘৰলৈ গৈ খোৱা-বোৱা কৰি ঝুমুৰৰ আখৰা লৈ আহে। পূজাৰ দিনা তেওঁলোকৰ প্ৰধান খাদ্য হ'ল মাহ, পিঠা, তিঁয়হ আদি। অন্ন মুখত নিদিয়ে। গোটেই ৰাতিটো ডেকা-গাভৰু, বুঢ়া-বুঢ়ী সকলোৱে মাদল বজাই নৃত্য-গীত পৰিবেশন কৰি পাৰ কৰি দিয়ে।

পুৱাৰ লগে লগে কৰমতীসকলৰ লগতে ডেকা-বুঢ়া সকলোৱে কৰম দেৱতাক সেৱা কৰি কৰম ডালটো বেদীৰ পৰা তুলি আনে। কৰমতীসকলে জিকা গছৰ পাতত বাহীভাত লৈ কৰম ডালটোত বান্ধি আটাইকেইজনীয়ে ডালটো ধৰি ওচৰ-চুবুৰীয়াৰ ঘৰে ঘৰে ফুৰাই শেষত নদীৰ ঘাটলৈ নি নানা গীত-বাদ্যৰে পানীৰ মাজত বিসৰ্জন দিয়ে। নদীৰ ঘাটৰ পৰা আহি কৰমতীসকলে কৰম-ডাল পোতা গাঁতটো যথানিয়মে চাকি জ্বলাই প্ৰত্যেকেই এমুঠিকৈ মাটি দি পুতি পেলায়। ইয়াক 'গাড়া ভোটা' বোলে। ইয়াতে কৰম পূজাৰ সকলো কৰ্ম সমাপ্তি ঘটে।

২.৭.১.২ চড়ক পূজা ঃ চ'ত সংক্ৰান্তিৰ দিনা এই পূজা কৰা হয়। সংক্ৰান্তিৰ ন-দহ দিন আগৰ পৰা তেওঁলোকে গাঁৱে গাঁৱে 'গাজনৰ দল' গঠন কৰে। প্ৰতিটো দলৰ একোজনকৈ দলপতি থাকে, তেওঁক 'মুখ্য সন্ন্যাসী' বোলে। গাজন দলত পাঁচ, সাত, ন, এঘাৰ এনেকৈ বিযুৰীয়া সংখ্যাৰ লোক থাকে। এওঁলোককো সন্ন্যাসী বোলে। মূল সন্ন্যাসীজনে এওঁলোকক পৰিচালিত কৰে। তেওঁ পূজাৰ ন-দহ দিন আগৰ পৰা নিয়মিতৰূপে শিৱ পূজা কৰে আৰু পূজাৰ দিনা শিৱৰ সিংহাসন বহন কৰে।

পূজাৰ ন-দহ দিন আগতে প্ৰতিখন গাঁৱৰ সন্ন্যাসীৰ দলসমূহ ঘৰ-বাৰী এৰি জনশূন্য ঠাইৰ কোনোবা গছৰ তলত বা হাবিৰ মাজত থাকিবলৈ লয়। সেই ঠাইখিনিক 'গাজনতলা' বোলে। প্ৰত্যেকখন গাঁৱৰ গাজনতলা বেলেগ বেলেগ হয়। মুখ্য সন্ন্যাসীজনে নিজৰ নিজৰ গাজনতলাত তেওঁৰ শিষ্য সন্ন্যাসীবিলাকক লৈ কাঠৰ

সিংহাসনত শিৱলিংগ স্থাপন কৰি দৈনিক পূজা, আচাৰ-নীতি অনুশীলন কৰে। মুখ্য সন্ন্যাসীজন আহি গাজনতলাত ক্ষৌৰকৰ্ম কৰি ডিঙিত লগুণ পিন্ধি হাতত বেতৰ একোডাল এচাৰি লয়। ইয়াৰ পাছত মূল সন্ন্যাসীজনৰ লগতে আনবিলাকেও ঘৰলৈ নোযোৱাকৈ তাতে থকাটো নিয়ম। এই লগুণ সাধাৰণ সূতাৰে তৈয়াৰ কৰি তাত কেঁচা হালধি সানি আঙুঠি এটা বান্ধি ডিঙিত মালাৰ দৰে ওলোমাই লয়। তাৰ পিছত শিষ্যবিলাকৰ লগত ধৰ্ম সম্বন্ধীয় আলাপ-আলোচনা কৰি দিনত ভিক্ষা খুজিবলৈ ওলাই যায়। ভিক্ষা কৰি পোৱা বস্তু সন্ধ্যাৰ আগে আগে ৰান্ধি খোৱা নিয়ম। সন্ধ্যা হৈ অহাৰ লগে লগে প্ৰতিখন গাজনতলাত ঢাকৰ ছেও বাজি উঠে। ঢাকৰ ছেৱে ছেৱে সন্ন্যাসীসকলৰ নৃত্য-গীত আৰম্ভ হয়। নাচি নাচি কেতিয়াবা সন্ন্যাসীসকল অচেতন হৈ মাটিৰ ওপৰত উবুৰি হৈ পৰি যায়।

সংক্ৰান্তিৰ আগদিনা পুৱা গাঁৱৰ সকলোবোৰ সন্ন্যাসী সমবেত হৈ দল বান্ধি নদীৰ পাৰলৈ আহে। তাৰ পিছত বেতৰ দণ্ড হাতত লৈ পানীত নামি চড়ক গছৰ অনুসন্ধান কৰে। চড়ক গছ নদীৰ পানীৰ তলৰ পৰা বিচাৰি আনি নদীৰ পাৰত পূজা-পাতল কৰি পুনৰ পানীলৈ ঠেলি দিয়ে। তেওঁলোকে এই চড়ক গছক অতি জাগ্ৰত দেৱতা বুলি মানে আৰু চড়ক দেৱতা গোটেই বছৰটো পানীৰ তলতে থাকি পূজাৰ সময়ত পূজা খোৱাৰ আশাৰে পীঠস্থানত উপস্থিত হয় বুলিও তেওঁলোকে বিশ্বাস কৰে। চড়ক গছৰ পূজা শেষ কৰি সন্ন্যাসীসকলে ঢাকৰ শব্দত নাচি নাচি নিজৰ নিজৰ গাজনতলালৈ যায়। সেইদিনা তেওঁলোকে অন্ন অৰ্থাৎ ভাত নাখায়। ৰাতিহে কেৱল ফল-মূল খায়। গোটেই ৰাতি এটা কুণ্ডত অগ্নি জ্বলাই সন্ন্যাসীসকলে তাৰ ওপৰেদি জঁপিয়াই নাচি নাচি যাত্ৰা (অভিনয়) কৰে লগতে কাঁইটীয়া গছৰ ডাল পুতি তাৰ ওপৰেৰে অহা-যোৱা কৰি যাত্ৰা কৰে। ৰাতিৰ শেষত 'কাক বলি' দিয়া হয়। ভূতৰ উদ্দেশে নদীৰ পানীত নামি এবুকু পানীত সোমাই শেষৰাতি শ'ল মাছৰ তৰকাৰীৰ সৈতে ভাত ৰান্ধি মলা এটাত দি মলাটো পানীত উটুৱাই দি ভূত-দেৱতাক গ্ৰহণ কৰিবলৈ কাকুতি কৰে। তেওঁলোকৰ বিশ্বাসমতে এইদৰে ভূতক পূজা নকৰিলে ভূতে আহি সমাজৰ যথেষ্ট ক্ষয়-ক্ষতি কৰে।

ৰাতিপুৱাৰ লগে লগে সন্ন্যাসীসকলে 'ধূপবান' খেলিবৰ কাৰণে গাঁৱে গাঁৱে গৈ তিৰোতাবোৰৰ পৰা ভাল ভাল কাপোৰ, অলংকাৰ আদি আনি সাজ-সজ্জা কৰে। সুসজ্জিত হৈ ধূনামলাত ধূনাদানী আদি জ্বলাই লগতে তৈলসিক্ত কাপোৰ এখন লৈ আবেলি পৰত নদীৰ পাৰলৈ যায়। মূল সন্ন্যাসীজনে শিৱৰ সিংহাসন ভাৰ বৈ আনি নদীৰ পাৰত আলফুলকৈ নমাই শিৱ পূজা কৰে। সন্ন্যাসীসকলৰ চকু পাণৰ পাতেৰে ঢাকি সোণ-ৰূপেৰে নিৰ্মিত জোঙাল বাণৰ জোঙা ভাগেৰে কাণৰ মাংস বিন্ধাই দিয়ে। তাৰ পিছত কাণৰ ফুটাত জিঞ্জিৰি ওলোমাই দি সন্ন্যাসীসকলে নানান ভংগীত

নাচিব ধৰে; কিছুমানে বানৰ আগভাগেৰে সন্ন্যাসীসকলৰ জিভাৰ আগভাগত সুমুৱাই দিয়ে। শৰীৰৰ এনে অত্যাচাৰতো তেওঁলোকে কোনো কেৰেপ নকৰি তৈলসিক্ত কাপোৰখনত জুই লগাই তাত ধূনা দি নাচি-বাগি ক'ব নোৱৰা হৈ থাকে। তাৰ পিছত নদীৰ পাৰৰ পৰা নাচি নাচি গাঁৱলৈ আহি ঘূৰি ফুৰি দোভাগ ৰাতি আহি গাজনতলাসমূহত একগোট হৈ ঢাক বাদন আৰু নৃত্যৰ সামৰণি মাৰে। সকলো সন্ন্যাসী একেলগে সেই ৰাতি গাজনতলাত ভাত-পানী খোৱা-বোৱা কৰিহে পিছদিনা পুৱা ঘৰাঘৰি যায়।

২.৭.১.৩ গৰয়া পূজা বা সাঁহৰাই পৰব

ধৰ্মপ্ৰধান উৎসৱ-পৰ্বৰ ভিতৰত গৰয়া পূজা বা সাঁহৰাই পৰব আন এটি বিশেষ উল্লেখযোগ্য উৎসৱ। কাতি মাহৰ অমাৱস্যাৰ পিছত ন-জোন ওলোৱাৰ দিনা এই পূজা অনুষ্ঠিত হয়। এই পূজাৰ উদ্দেশ্য গৰু-ম'হৰ প্ৰতিপালন আৰু শ্ৰীবৃদ্ধি কামনা। পূজাৰ দিনা গৰুবোৰক গা-পা ধুৱাই তেল-হালধি সানি, ৰুটী-পিঠা খুওৱা হয়। গোহালিত মহাদেৱ, বাঘ, ধৰম দেৱতা, গ্ৰামদেৱতা আৰু বনদেৱতা এই পঞ্চ দেৱতাৰ নামত থাপনা পাতি মুৰ্গী আদি বলি-বিধানৰ ব্যৱস্থাৰ দ্বাৰা পূজা কৰা হয়। এই পূজাৰ মূল কামনা হ'ল গো-জাতিৰ উন্নতি। পূজা কৰা শেষ হ'লে গৰুবোৰক নতুন পঘাৰে বান্ধি কটা ঘাঁহ খুৱায়। পূজাৰ দিনা গৃহস্থয়ো নতুন কাপোৰ পিন্ধাৰ উপৰি ওৰেটো দিন উপবাসে কটায়। পূজাৰ তিনি-চাৰিদিন আগৰ পৰা পূজাৰ আয়োজকসকলে নিজৰ গোহালিৰ উপৰি ওচৰ-চুবুৰীয়াৰ গোহালিত ঢোল-মাদল লৈ গো-জাগৰণৰ জাহলী গীত গাই ফুৰে। পূজাৰ দিনাখন গো-পূজাৰ লগতে নাঙল, মৈ আদি কৃষিৰ সঁজুলিসমূহো পৰিষ্কাৰ কৰি তেল-সেন্দূৰ আদিৰে ফোঁট দি আৰতি কৰে।

পূজাৰ দিনা পিঠাগুড়ি, পুৰৈশাক একেলগ কৰি পানীৰ লগত গুলি চোতালৰ পৰা গোহালিলৈকে বিশেষ ধৰণৰ ৰেখা-পথ অংকন কৰে। সেইদিনা গৰুবোৰক সেইটো পথেৰে আহ-যাহ কৰোৱায়। গৰুবিলাকক সন্ধ্যা গোহালিত নতুন পঘাৰে বান্ধি নতুন ঠোক ওলোৱা ধানৰ মুঠিৰে কপালী বনাই শিঙত বান্ধি দিয়ে আৰু মাটিৰ মলাত জুইৰ অঙঠা লৈ ধূনা-সৰিয়হ আদি দি ম'হ-দাহৰ পৰা ৰক্ষা কৰিবলৈ মিনতি কৰে। কিছুমানে এই কাৰ্যৰ বাবে গোহালিৰ সলনি দুই বা ততোধিক আলিৰ সংগমস্থল বাছি লয়। ইয়াকে তেওঁলোকে 'নিংচাই' বোলে।

২.৭.১.৪ কালীপূজা আৰু দেৱালী উৎসৱ

অসমৰ চাহ-মজদুৰসকলৰ মাজত কালীপূজা ব্যক্তিগত আৰু ৰাজহুৱা দুয়োধৰণে উদ্‌যাপিত হয়। সাধাৰণতে কাতি মাহৰ অমাৱস্যা তিথিত এই পূজা পতা হয়। অৱশ্যে ব্যক্তিগত তথা পৰিয়ালভিত্তিত আয়োজিত এই পূজা যিকোনো মাহৰ অমাৱস্যা

তিথিত পাতিব পাৰে। আৰু তেনে পূজাও ঘট স্থাপন কৰি মতা হাঁহ নাইবা ক'লা পঠা বলি দিয়া হয়। পূজাৰ ভাল-বেয়া নিৰ্ণয় কৰা এই পদ্ধতি আছে। কোনো বিশেষ ব্যক্তিৰ পূজাৰ আৰতিৰ লগে লগে গাত গোসানী লম্ভে বুলি তেওঁলোকে বিশ্বাস কৰে। পূজাৰ আৰতি কৰোতে মাদল বজোৱা হয়। মাদলৰ ছেৱে ছেৱে সেই ব্যক্তিজনে মূৰ জোকাৰি জোকাৰি নাচিবলৈ ধৰে আৰু যেতিয়াই মাদলৰ ছেও বন্ধ হয় মানুহজন ঘপকৈ মাটিত পৰি যায়। সেই সময়ত সেই ব্যক্তিজনক পূজাৰ ভাল-বেয়া সুধিলে তেওঁ উত্তৰ দি কয়। এই নিয়মক তেওঁলোকে 'ঝুপা' বোলে।

ৰাজহুৱা পূজাত সাধাৰণতে মূৰ্তি স্থাপন কৰি পূজা কৰা হয়। কাতি মাহৰ অমাৱস্যাৰ দিনা সন্ধ্যা সময়ত কালী গোসানীৰ মূৰ্তি আনি নিশা পূজামণ্ডপত সেই মূৰ্তি প্ৰতিষ্ঠা কৰি শাস্ত্ৰীয় নিয়ম অনুসৰি পূজা কৰে। গাঁৱৰ মুখিয়াল ব্যক্তিজনে পূজা আৰম্ভ কৰে আৰু আনবিলাকে ভক্তিভাবেৰে তাত সমবেত হৈ থাকে। তেওঁলোকৰ সামাজিক বিধি অনুসৰি এই পূজাত মাইকী মানুহ উপস্থিত থাকিলে চুলি মেলিহে থকা নিয়ম। হাঁহ, কুকুৰা, পঠা বলি দিব পাৰে। এই পূজাত পূজাৰ শুভাশুভ নিৰ্ণয় কৰিবলৈ ৰাজহুৱাভাৱে স্বীকৃত এজন 'পাণ্ডাই' দেওধনি উঠি বতৰা দিয়ে। বলিৰ সময়ত সকলো লোকে ঢাক-ঢোল বজাই জয়ধনি দিয়ে। পূজা শেষ হোৱাৰ পাছত ৰাতিৰ তৃতীয় প্ৰহৰতেই দেৱীৰ মূৰ্তি নদী বা বিলত বিসৰ্জন দিয়া নিয়ম। নাবালক ল'ৰা-ছোৱালী, মাইকী মানুহক এই বিদায় যাত্ৰাত ভাগ ল'বলৈ নিদিয়ে। কাৰণ তেতিয়া হ'লে দেৱীৰ বিদায় পৰত শান্তি ভংগ হোৱাৰ ভয় থাকে। শান্তি ভংগ হ'লে দেৱী ৰুষ্ট হোৱাৰ ভয়, তেতিয়া সমাজৰ অমংগল হয় বুলিও তেওঁলোকৰ বিশ্বাস। দেৱালী কালীপূজাৰ লগত সম্পৰ্ক থকা উৎসৱ। কালীপূজাৰ পিছদিনাখন এই উৎসৱ চাহ-মজদুৰসকলে পালন কৰে। এই উৎসৱ পালন কৰিলে ভূত-প্ৰেত-ডাইনী আদিয়ে ঘৰত প্ৰৱেশ কৰি কাৰো একো অনিষ্ট সাধন কৰিব নোৱাৰে বুলি তেওঁলোকৰ বিশ্বাস। সেই কাৰণেই উৎসৱৰ দিনা জ্বলোৱা প্ৰথম চাকিটো কেঁচা মাটি অথবা কেঁচা অমিতাৰ খোল চাকি ৰূপে ব্যৱহাৰ কৰি জ্বলাই ঘৰৰ ভিতৰত ৰখাৰ নিয়ম। তাৰ পিছতে আনবোৰ চাকি জ্বলাই ঘৰৰ বাহিৰত, বাৰী, ভঁৰাল, চোতাল, আলি আদি নানা ঠাইত ৰখা হয়। প্ৰথম চাকিটো বাহিৰত দিলে ডাইনীৰ হাতত পৰে বুলি ভয় কৰে, কিয়নো তেতিয়া গৃহস্থৰ সৰ্বনাশৰ সূচনা হয় বুলি তেওঁলোকৰ বিশ্বাস। ডাইনীহঁতে অঘটন নঘটাবৰ কাৰণে প্ৰতিজন গৃহস্থই তেওঁলোকৰ সতি-সন্ততিক প্ৰথম চাকিটোৰ তেলেৰে গোটেই গা মালিচ কৰি দিয়ে। তেওঁলোকৰ বিশ্বাস আছে ডাইনীয়ে বোলে মানুহৰ কলিজাটো খাবলৈহে বিচাৰে। গতিকে কলিজাটো ৰক্ষা কৰিবলৈ তেল মালিচ কৰে। এই তেল মালিচ কৰিলে বোলে ডাইনীয়ে কলিজাটো দেখা নাপায়। এই ভূত-প্ৰেত, ডাইনী আদিৰ পৰা ৰক্ষা পাবলৈকে

চাহ-মজদুৰসকলে কালীপূজা আৰু দেৱালী উৎসৱ পালন কৰে।

২.৭.১.৫ দুৰ্গা পূজা ঃ অসমৰ চাহ-মজদুৰসকলে দুৰ্গা দেৱীক শক্তিৰ প্ৰতীক বুলি কল্পনা কৰি ৰাজহুৱাভাৱে পূজা কৰে। কিছুমানে পৰিয়ালৰ ভিতৰতে নিয়মিত ৰূপত ব্যক্তিগতভাৱেও এই পূজা কৰে। ব্যক্তিগত পূজাৰ বৈশিষ্ট্যৰ ভিতৰত পূজাক গৃহস্থসকলে নিজ নিজ ঘৰুৱা থানত বেলবৰণৰ দিনাৰ পৰাই 'ঘট' স্থাপন কৰি নৱমী পৰ্যন্ত অনিৰ্বাণ ৰূপত চাকি-বন্তি জ্বলাই ৰাখে। বৰ বলিৰ দিনা অৰ্থাৎ নৱমীৰ দিনা পূজকসকল উপবাসে থাকে আৰু বগা পঠা বলি দিয়ে। পূজাত দেওধনিৰ দ্বাৰা শুভাশুভ নিৰ্ণয় কৰে। ৰাজহুৱাভাৱে কৰা পূজাত মূৰ্তি অনাৰ নিয়ম। বেলবৰণৰ দিনা আবেলি মূৰ্তি আনি বেদীত প্ৰতিষ্ঠা কৰে। গাঁৱৰ মুখিয়াল ব্যক্তিজনে পূজা কৰে। অৱশ্যে বেছিভাগ চাহ বাগিচাত মজদুৰসকলে বাগিচাৰ মালিকে পতা পূজাৰ স্থানতে পূজা কৰে। এই পূজাত আজিকালি এজন অসমীয়া মানুহক পূজাৰী হিচাপে লয়। পূজাৰ থলীত সকলো লোকৰ সমাগম হয়। বেলবৰণৰ দিনা সাধাৰণতে চাহ-মজদুৰসকলে চাবোন আদি ব্যৱহাৰ কৰি গা-পা নোধোৱে। চাবোনেৰে গা ধুলে চাবোনৰ ফেন দেৱীৰ মুখত পৰে বুলি তেওঁলোকৰ মাজত জনবিশ্বাস আছে। বেলবৰণৰ দিনা এওঁলোকে ঘৰ-দুৱাৰ মচি চাফ-চিকুণকৈ ৰাখে। ঘৰ মচিবলৈ মাটি খান্দি অনা গাঁতটো সেইদিনা পৰিষ্কাৰ কৰি ধূপ-ধূনা জ্বলাই ৰাখে। ই 'কুমাৰ গাড়া'ৰূপে জনাজাত। দেৱী আহি সেই 'কুমাৰ গাড়া'তে প্ৰথমে জিৰণি লয় বুলি প্ৰবাদ আছে। পিছদিনা সকলোৱে দুৱাৰমুখৰ বেৰ বা খুঁটাত আমপাত আৰি দিয়াৰ লগতে তেল-সেন্দুৰ আৰু চাউলৰ গুড়িৰে বগা ফোট দি দেৱীৰ শুভাগমন কৰে। দেৱী দৰ্শন কৰিবলৈ যাওঁতে সকলোৱে নতুন বস্ত্ৰ পৰিধান কৰে আৰু বলি দিয়া ছাগলী বা কুকুৰা-হাঁহৰ মাংসৰে ভাত খায়। নৱমীৰ দিনাও দেৱীৰ আগত হাঁহ-কুকুৰা আদি বলি দিয়া হয়। বলি কাটোতে ঢাক-ঢোল, চাংগু, মাদল, ধুমচা আদি বাদ্যসমূহ বজাই থাকে আৰু তিৰোতা মানুহে উৰুলিৰে ঝংকাৰিত কৰে। বলি কটাৰ পাছত সকলোৱে তেজৰ ফোঁট লয়। বহুতে দেৱীলৈ আগবঢ়োৱা হাঁহ-কুকুৰা, পঠা বলি নিদি কোনোবা থানত এৰি দিয়ে। ইয়াকে তেওঁলোকে 'পাঠা ছড়ন' বোলে।

গোসানী বিসৰ্জনৰ দিনা অৰ্থাৎ দশমী পূজাৰ দিনা আলিবাটত গোসানী ফুৰাওঁতে বহুতে অৰ্থাৎ যিসকল নানা ৰোগত ৰোগাক্ৰান্ত তেওঁলোকে আলিবাটৰ ওপৰত উবুৰি খাই পৰি থাকে, তেওঁলোকক যাতে দেৱীৰ মূৰ্তি কঢ়িয়াই নিয়া লোকসকলে ডেই যাব পাৰে। এনে কৰিলে বেমাৰ-আজাৰ ভাল হয় বুলি তেওঁলোকৰ বিশ্বাস। গাড়ী আদিৰে গোসানী কঢ়িয়াই নিলে ৰাস্তাৰ ওপৰতে সেৱা কৰি দেৱীৰ উদ্দেশে ফুল-ফল, মিঠাই আদি ছটিয়ায়। পূজাৰ কেইদিন সন্ধিয়া পূজা মণ্ডপত তেওঁলোকে নানান বাদ্য বজাই গীত-পদ গায়। আজিকালি অৱশ্যে বাগিচাত পূজাৰ সময়ত

চিনেমা দেখুওৱা হয়। সেই কাৰণে দেৱী বিসৰ্জনৰ এই আনন্দ-স্ফূৰ্তি আগৰ তুলনাত বহু মোলান পৰিছে। সেই বুলি দেৱী পূজাৰ আড়ম্বৰ হ্রাস পোৱা নাই।

২.৭.১.৬ মনসা পূজা ঃ অসমৰ চাহ-মজদুৰসকলৰ মাজত মনসা পূজাৰ এটি বিশেষ প্ৰভাৱ আছে। হিন্দু ধৰ্মাৱলম্বী চাহ-মজদুৰসকলে ভাদ মাহৰ শেষৰ দিনা অতি উলহ-মালহেৰে এই পূজা পাতে। তেনেই কমসংখ্যক লোকেহে শাওণ মাহৰ পঞ্চমী তিথিত এই পূজা পাতে। এই পূজাত কোনো ব্ৰাহ্মণ পূজাৰীৰ প্ৰয়োজন নাই। ৰাজহুৱাভাৱে কৰা পূজাত বেদী স্থাপন কৰি বেদীত মনসা দেৱীৰ মূৰ্তি স্থাপন কৰে আৰু ঘৰুৱাকৈ অৰ্থাৎ পৰিয়ালত পতা পূজাত 'ঘট' স্থাপন কৰিহে এই পূজা কৰে। বাদ্য-সংগীতৰ লগে লগে মনসা-মংগল, পদ্ম-পুৰাণ আদিৰ দৰে পুথিসমূহ পূজা কৰোতেই পাঠ কৰি ফুল, চাকি দি পূজাৰ কাম সমাধা কৰে। এই পূজাতো 'ঝুপা' নমাই অৰ্থাৎ দেওধনিৰ দ্বাৰা পূজাৰ সময় আৰু শুভাশুভ নিৰ্ণয় কৰে। মনসা পূজাৰ বাবে প্ৰয়োজনীয় মূল বস্তু হ'ল— পদুম ফুল। গোটেই ৰাতি পূজা কৰি পিছদিনা পুৱা পঁইতা ভাত আৰু জিকাৰে ৰন্ধা মাগুৰ মাছৰ আঞ্জা দেৱীলৈ বুলি উচৰ্গা কৰে। তেওঁলোকৰ বিশ্বাস যে মনসা দেৱীয়ে পৃথিৱী অৰ্থাৎ মাকৰ ঘৰলৈ বছৰত এবাৰ ৰাতি ভাল বস্তু খাবলৈ পালে পিছৰ বছৰলৈ নাহিব বুলি পঁইতা ভাত খুৱায়। মনসা পূজা কৰা লোকসকলে সেয়েহে পূজা নপতালৈকে জিকা আৰু পঁইতা ভাত নাখায়; সেই পূজা হৈ যোৱাৰ পাছতহে জিকা বা পঁইতা ভাত খায়।

চাহ বাগিচাৰ মজদুৰ পুৰুষবিলাকে এই পূজা উপলক্ষে 'কড়ৰা' নামৰ বিশেষ এটা খেল খেলে। মৰাপাট নাইবা কঁহুৱা বনেৰে তিনি-চাৰি হাতমান দীঘলকৈ বেণীৰ দৰে গাঁঠি লোৱা 'কড়ৰা'ৰে এজনৰ হাতত আন এজনে দূৰৰ পৰা আহি কোবায়। মনসা পূজাৰ দিনাখনৰ পৰা আঠদিনৰ দিনাখন আয়োজন কৰে এই অনুষ্ঠান। সেয়ে আঠ-মংগলা অনুষ্ঠানৰূপে জনাজাত।

২.৭.১.৭ টুচু পূজা বা পুহ-পৰব ঃ অসমৰ চাহ-মজদুৰ সম্প্ৰদায়ৰ গোষ্ঠী অনুযায়ী পুহ-মাঘৰ দোমাহীত পালন কৰা উৎসৱ 'মকৰ সংক্ৰান্তি' বা 'পিঠা-পৰব' টুচু পৰবৰূপে জনাজাত। মূলতঃ একে সময়তে পতা উৎসৱ, কেৱল সম্প্ৰদায় ভেদে ইয়াৰ সুকীয়া নাম। পুহ-মাঘৰ সংক্ৰান্তিৰ দিনা এই পৰব অনুষ্ঠিত হয় যদিও আচলতে পুহ মাহৰ প্ৰথমৰ পৰাই ৰাতি ৰাতি দেৱীক অৰ্চনা কৰি আখৰা কৰে। এই পৰব উপলক্ষে নতুন কাপোৰ কিনা, নতুন ধানৰ চাউলৰ গুড়িৰে পিঠা-পনা তৈয়াৰ কৰি খোৱা হয়।

বহু যুগৰে পৰা এই টুচু পূজা তেওঁলোকৰ মাজত প্ৰচলিত হৈ আহিছে। টুচু দেৱীক নানা ৰূপত কল্পনা কৰি পূজা কৰা হয়। যেনে— শিৱৰ জীয়েক, মনসাৰ ভনীয়েক, কালী, দুৰ্গা, সীতা-সাবিত্ৰী আদি ৰূপত কল্পনা কৰে। মাঘবিহুৰ উৰুকাৰ ৰাতিৰ পৰাই এই পূজা আৰম্ভ হয়। টুচুৰ প্ৰতিমা যিঘৰ লোকৰ ঘৰত নিৰ্মাণ কৰা

হয় সেই ঘৰৰ গৰাকিনীকে টুচু দেৱীৰ মাক বুলি অভিহিত কৰা হয়। টুচুৰ প্ৰতিমা হৈছে বাঁহ আৰু ৰঙা-নীলা কাগজেৰে মন্দিৰৰ দৰে খলপা-খলপাকৈ নিৰ্মাণ কৰা একোটা ঘৰ। তাৰ ভিতৰতে টুচু থাকে বুলি বিশ্বাস। পূজাৰ আগমুহূৰ্তলৈকে এই মন্দিৰৰ চাৰিওফাল কাগজেৰে বন্ধ কৰি ৰাখে। পূজাৰ সময়ত সন্মুখভাগ কাটি খুলি দিয়ে। কল্পনাৰ দেৱী তাৰ মাজতে থাকে বুলিও তেওঁলোকৰ বিশ্বাস। এমাহ ধৰি টুচুমতীসকলে টুচুদেৱীক উদ্দেশি সেই মানুহঘৰত নিৰ্দিষ্ট এটুকুৰা ঠাইত চাকি, ধূপ-ধূনা আদি জ্বলাই বন্দনা কৰে। এই জা-যোগাৰ সকলো টুচুৰ মাকে কৰে। পূজাৰ দিনা ৰাতি টুচুদেৱীক ঢাক-ঢোল বজাই গীত গাই গাই পূজাৰ বেদীলৈ আদৰি আনে। সাধাৰণতে এই পূজা মুকলি ঠাইত পাতে। পূজাৰস্থলীৰ ওপৰ আৰু চাৰিওফাল কলপাতেৰে ঢাকি দিয়ে। বেদীটোত ওখকৈ ভেটি সাজি তাত হালধি আৰু ফাকুৰে নানা ফুল আঁকি ওপৰত ৰঙীণ কাগজেৰে সজায়। পূজাৰ বেদীত টুচুক প্ৰতিষ্ঠা কৰি বন্দনা গীত আৰম্ভ কৰে। টুচু পূজাৰ নিৰ্দিষ্ট এজন পূজাৰী নাথাকে। সাধাৰণতে মহিলাসকলেহে এই পূজা কৰে। নৈবেদ্য হিচাপে পিঠা, আখৈ, বুট, কল আদি আগবঢ়ায়। টুচুমতীসকলে নিজে নিজে আহি দেৱীক পূজা কৰি ফুল ছটিয়ায় আৰু বেদীত পানী ঢালে। পূজাৰ বেদীৰ পৰা কিছুদূৰত একুৰা জুই ধৰে। জুইৰ ওচৰত ডেকা-গাভৰু, বুঢ়া-বুঢ়ী সকলোৱে ঝুমুৰ নাচি নাচি টুচু গীত গাই গোটেই ৰাতিটো কটাই দিয়ে। সেইদিনাই ভালেমান ডেকা-গাভৰুৱে আপোন ইচ্ছাৰে বিবাহপাশত আবদ্ধ হয়, বহুতৰ বন্ধুত্ব স্থাপন হয়। পিছদিনা পুৱা টুচুদেৱীক এগৰাকীয়ে মূৰত তুলি লয় আৰু বাকী সকলোৱে পিছে পিছে গীত-বাদ্যৰে নাচি নাচি মানুহৰ ঘৰে ঘৰে দেৱীক কঢ়িয়াই ফুৰাই লৈ সন্ধ্যাৰ আগে আগে কোনো নদী বা বিলত দেৱী বিসৰ্জন দি আহে। এই পূজা সুকলমে হৈ গ'লে ৰাইজৰ কাৰো ক'তো খৰ-খহু আদি বেমাৰ নহয় বুলি এওঁলোকে বিশ্বাস কৰে।

২.৭.১.৮ **ধৰ্ম ঠাকুৰৰ পূজা ঃ** অসমৰ চাহ-মজদুৰসকলে জাতি-বৰ্ণ নিৰ্বিশেষে ধৰ্ম-ঠাকুৰৰ পূজা কৰে। বিভিন্ন আকৃতিৰ এটা বা তিনিটা শিলক ধৰ্ম দেৱতাৰ ৰূপ দি চ'ত-ব'হাগ আৰু আহাৰৰ পূৰ্ণিমাৰ দিনা সাধাৰণতে এই পূজা পালন কৰে। এক-গৃহ-দেৱতা হিচাপে গাঁৱত তিনি বছৰীয়া পূজা হিচাপে গাঁওবাসীয়ে এই পূজা কৰে।

এই পূজাৰ পুৰোহিতজন সাধাৰণতে নিম্ন জাতৰ লোক। এওঁলোকৰ উপাধি পণ্ডিত। অৱশ্যে হাড়ি, বাগ্‌দি, কেওট জাতিৰ লোকো পুৰোহিত হ'ব পাৰে। গৃহ-দেৱতা হিচাপে পূজা কৰাৰ বাহিৰে বাকী দুবিধ পূজাত বলি দিয়াৰ নিয়ম আছে। মূল পূজাৰ বাৰদিনৰ আগতে যিসকলে পূজা কৰে তেওঁলোকে পুৰোহিতৰ ওচৰত দীক্ষা ল'ব লাগে আৰু সেই বাৰদিন ফল-মূল আৰু গাখীৰ খাই থাকিব লাগে।

মূল পূজাৰ তিনি-চাৰিদিন আগতে শিলৰ বিগ্ৰহ বাহিৰলৈ আনি প্ৰতি সন্ধ্যা ধুম-

ধামেৰে বাজনা বজাই আকৌ আগৰ ঠাইত থয়। এই অনুষ্ঠানৰ নাম 'বৰম' বুলি কয়। মূল পূজাৰ আগদিনা 'কণ্টিকা' গছৰ ডাল লৈ ভক্তসকলে যুদ্ধৰ অভিনয় কৰে। এই দিনাই সন্ধ্যা সময়ত বিগ্ৰহক বেতৰ টুকুৰিত শুকান গছৰ ছালৰ ভিতৰত লৈ গোটেই গাঁৱত শোভাযাত্ৰা কৰি কঢ়িয়াই লৈ ফুৰায়। এই পূজাৰ নৈবেদ্য হ'ল কৰাই ভজা। পিছদিনাখন পূৰৈশাক, কচু, বেঙেনা ভজা কৰাইৰ লগত খোৱা নিয়ম। ঠাইভেদে এই ধৰ্ম-ঠাকুৰ দেৱতা ভিন ভিন নামেৰে প্ৰসিদ্ধ। যেনে-- বাকুৰা ৰায়, জঞ্জালি, ক্ষুদিৰায়, কালুৰায়, দলুৰায়, যাত্ৰাসিদ্ধি ইত্যাদি।

২.৭.১.৯ **ফুছপুনী মাৰ পূজা ঃ** চাহ-মজদুৰ সমাজে মহ, দাহ আদিৰ অত্যাচাৰৰ পৰা ৰক্ষা পাবলৈ এই পোক-পৰুৱাবোৰৰ অধিষ্ঠাত্ৰী দেৱী 'ফুছপুনী' মাৰ নামত পূজা কৰে।

সাধাৰণতে পুহ মাহ বা আঘোণ মাহৰ সংক্ৰান্তিৰ আগদিনা বিশেষকৈ ওড়িছী হৰিজনীয়াসকলে এই পূজা কৰে। এই পূজাৰ কাৰণে ঘৰৰ এটা চুকত পূজাৰ বেদী সাজি তাত পিঠাগুড়িৰে ৰুটীৰ নিচিনা তেলত ভজা পিঠা, পায়স আদিৰ প্ৰসাদ যথানিয়মে সজাই দিয়ে। তদুপৰি তাত চাকি-ধূপ দি গৃহস্থ-গৃহস্থনীয়ে গোটেই দিনটো উপবাসে থাকি সন্ধিয়াৰ আগে আগে পূজাৰ কাম সমাধা কৰে। এই পূজা উপলক্ষে ওচৰ-চুবুৰীয়া লোকক নিমন্ত্ৰণ কৰি পূজাৰ শেষত সকলোকে সেই প্ৰসাদ বিলাই দিয়ে। অৱশ্যে চেমনীয়া, বুঢ়াসকললৈ বুলি আধা ভাগ কেৰাহিত তেল-সেন্দূৰৰ ফোঁট দি তাত কিছু তুঁহগুড়ি আৰু অঙঠা ভৰাই চোতাললৈ উলিয়াই দিয়ে। এই কেৰাহিটোক 'ভুৰচী' বোলে। গৃহস্থনীয়ে এনে সময়তে ঘৰৰ চুকে-কোণে থকা মকৰাজাল সাৰি আনি ভুৰচীত জাপি দিয়ে। তেতিয়া তাত থকা লোকসকলে এইবুলি সোধাৰ নিয়ম-- 'আমি এই ভুৰচী লৈ কি কৰিম?' গৃহস্থই হাতযোৰ কৰি এইবুলি কয়-- 'ফুছপুনী মাইক বিদায় জনাই আহিব লাগে।' পুনৰ অন্য লোকসকলে সোধে এইবুলি-- 'কি বুলি বিদায় দিম, নে কিবা হৰিবোল দিম?' গৃহস্থই তেতিয়া গীত এটা গাই বুজাই দিয়ে। সেই গীতটো সমবেত লোকসকলে গাই গাই 'ভুৰচী' লৈ গাঁওখন ঘূৰি তিনিআলিৰ সংগমস্থলত সেই ভুৰচীটো নমাই ওচৰত থকা নদী, বিল বা পুখুৰীত বিসৰ্জন দিয়ে।

'ভুৰচী' লৈ গাঁৱত ঘূৰোতে প্ৰতিঘৰ মানুহৰ পদূলিত অলপ সময়ৰ বাবে ৰয়, সেই ঘৰৰ গৃহস্থনীয়েও নিজৰ ঘৰৰ মকৰাজাল সাৰি আনি তাত দিয়ে লগতে পিঠা-পনা, টকা আদিও আগবঢ়ায়। ভুৰচী লৈ যোৱা লোকসকলেও গৃহস্থৰ চোতালত লাঠি, টাঙোন আদিৰে কোবাই কোবাই মহ-দাঁহবোৰক 'পূজা খাই তহঁত ভাল ভাল জাতৰ মানুহ বাস কৰা গাঁওবোৰলৈ যা' বুলি সুৰ লগাই গায়। 'ভুৰচী' বিসৰ্জন দি অহাৰ পিছত ভুৰচী ফুৰাওঁতে গোটখোৱা পিঠা-পনা সকলোৱে মিলি-জুলি ভাগ-

বতৰা কৰি খোৱা নিয়ম। সংগ্ৰহ হোৱা সমস্ত ধন ৰাজহুৱা কামত লগাবলৈ বুলি জমা ৰাখি সিদিনালৈ পূজাৰ সমাপন ঘটায়।

২.৭.১.১০ **শীতলা পূজা ঃ** বছৰত তিনিবাৰ শনি, মঙলবাৰে এই পূজা উদ্‌যাপিত কৰে। সাধাৰণতে চ'ত সংক্ৰান্তি, মকৰ সংক্ৰান্তি আৰু ব'হাগ মাহত এই পূজাৰ বাৰ মিলিলে পূজা সফল হয় বুলি চাহ-মজদুৰসকলৰ বিশ্বাস। গাঁৱৰ কোনো বৃদ্ধলোকে পূজাৰ স্থান গোবৰ-মাটি দি লিপি পৰিষ্কাৰ কৰি তাত পিঠাগুড়ি, সেন্দূৰ আৰু ফাকুগুড়িৰে আল্পনাৰ ব্যৱস্থা কৰে। বাঁহৰ খুঁটিৰ ওপৰত শালপাত দি চাল এখন তৈয়াৰ কৰি আল্পনা অঁকা ভেটিত এটা কলহ বা ঘট থয়। দুপৰীয়া বাৰ বজাৰ সময়ত পুৰোহিতে গা-পা ধুই নতুন কাপোৰ পিন্ধি আহি কলহ বা ঘটটো লৈ লগত অন্যান্য লোকৰ সৈতে বাদ্য বজাই বজাই ওচৰৰ কোনো পুখুৰী বা কুঁৱাৰ পানী আনে। ঘটত পানী আনি বেদীত শালগছৰ পাতত সেই ঘট স্থাপন কৰে। পিছত সেন্দূৰৰ ফোঁট দি এটা ডাব নাৰিকল ঘটৰ মুখত দিয়ে। কলহ বা ঘটটোৰ ডিঙিত দূৰ্বাৰ এডাল মালা পিন্ধাই দিয়ে। কলপাতৰ আগলি পাতত ৰ'দত শুকুৱা ধান, মিঠাই আদি দেৱীৰ উদ্দেশে দি পুৰোহিত পূজাত বহে। আবেলি সময়ত হোম দিয়ে। সন্ধ্যাৰ আগে আগে পূজা শেষ হোৱাৰ পিছত সকলোৱে সেই পূজাৰ প্ৰসাদ গ্ৰহণ কৰে। সন্ধ্যা সকলো লোক মিলি নাচ-গান কৰি বিবিধ বাদ্যাদি বজাই বজাই দেৱীৰূপে কল্পনা কৰা সেই ঘটটো পুৰোহিতে লৈ গৈ নদীত বা পুখুৰীত বিসৰ্জন দিয়ে। এইদৰে পূজাৰ কাম সমাধা হয়।

২.৭.১.১১ **যোগিনী পূজা ঃ** অসমৰ চাহ-মজদুৰসকলৰ মাজত এই পূজাৰ প্ৰচলন আছে। ডাকিনী-যোগিনীয়ে যাতে সমাজৰ কাৰো একো অনিষ্ট নকৰে সেই কামনাৰে এই পূজাৰ আয়োজন কৰা হয়।

এই পূজা গাঁৱৰ পৰা কিছু আঁতৰত অৱস্থিত মূল আলিবাটৰ কাষত আয়োজন কৰা হয়। সাময়িকভাৱে মাটিৰে এটা বেদী তৈয়াৰ কৰি গোবৰ-পানীৰে মচি পবিত্ৰ কৰি নৈবেদ্য আদি দি এটা ক'লা ৰঙৰ কুকুৰা বলি দিয়ে। পূজাৰ পাছত নৈবেদ্য, কুকুৰা আদি তাতে পেলাই থৈ ঘট বিসৰ্জন দি পূজা সমাপ্ত কৰে।

২.৭.১.১২ **চণ্ডী পূজা ঃ** অসমৰ চাহ-মজদুৰৰ কোনো কোনো সম্প্ৰদায়ৰ লোকে বনদেৱীৰ উদ্দেশে এই পূজা কৰে। এই পূজা ডাঙৰ গছৰ তলত সকলোৱে মিলি কৰে। এই পূজাত বলিৰ ব্যৱস্থা নাই। ৰঙা ফুল, কল, বুট, ধূপ-ধুনা আদি গছৰ তলত ঠাইখিনি মচি আগলি কলপাতত থয়। এই পূজাত কোনো কোনোৱে ঘট স্থাপন কৰে, কোনো কোনোৱে নকৰে। জাতি-বৰ্ণ নিৰ্বিশেষে এই পূজা পাতে। পূজাৰ প্ৰসাদ কোনেও গ্ৰহণ নকৰি গছৰ তলত থৈ আহে। ঘটটো পূজাৰীজনে নি পানীত উটুৱাই দি পূজা সমাপ্ত কৰে।

২.৭.১.১২ (খ) গৌণ ঃ ধৰ্মপ্ৰধান অথচ ধৰ্মৰ প্ৰভাৱ গৌণভাৱে থকা এনে পূজা-পৰবসমূহৰ ভিতৰত বীৰ পূজা, কুড়াল বাগদেই পূজা, মংলাপূজা, গ্ৰাম পূজা, সূৰ্যাহী পূজা উল্লেখযোগ্য।

২.৭.১.১৩ বীৰ পূজা ঃ অসমৰ চাহ-মজদুৰসকলে সাত বীৰৰ এটি তাৎপৰ্যপূৰ্ণ পূজা কৰে। সেই সাতজন হৈছে— পৱনবীৰ, তুলসীবীৰ, দুলালবীৰ, হনুমানবীৰ, বালকবীৰ, দধিবীৰ আৰু ডাকবীৰ। এই বীৰকেইজনক সকলো মজদুৰে তেওঁলোকৰ উপৰিপুৰুষ বুলি বিশ্বাস কৰে। তেওঁলোকে উপৰিপুৰুষৰ স্মৃতি আৰু সৎকৰ্মসমূহ ৰোমন্থন কৰিবলৈকে এই পূজাৰ ব্যৱস্থা কৰি দেৱতা হিচাপে পূজা কৰে। বীৰ পূজা কৰা থানখনক 'মাড়াই' বুলি কোৱা হয়। এই মাড়াইতে সাতজন দেৱতাৰ কাৰণে সাতভাগ পূজা কৰা হয়। এই পূজাত কালী গোসাঁনীৰ বাবে এটা ক'লা পঠা, দুৰ্গাদেৱীৰ বাবে এটা বগা পঠা বলি দিয়া হয়। চাউলৰ গুড়ি বা চেনি, ঘিঁউ, গাখীৰ, লং-দালচেনি আদিৰে তৈয়াৰ কৰা পাঁচপোৱা মিঠাই, গ্ৰামদেৱতাৰ কাৰণে ৰঙা কাপোৰ, ৰঙা কুকুৰা আৰু ঠাকুৰৰ পূজাৰ কাৰণে মাটি ৰঙৰ হাঁহ বলি দিয়ে। সদাশিৱৰ নামত এযোৰ বগা পাৰ উৰাই দিয়ে। এঁৱা গাখীৰ 'দধিবীৰ'ৰ গাত ঢালে। ঘৰৰ ইষ্ট দেৱতাৰ নামত মাছ আৰু পাণৰ বিৰি উচৰ্গা কৰে। বীৰ-দেৱতাসকলৰ নামত এটা সৰু আৰু এটা ডাঙৰ গাহৰি উচৰ্গা কৰে।

মাড়াই থানত সাতবীৰক স্থিৰ কৰিবলৈ তিনিডাল দাণ্ডা বা বাঁহৰ আগ পুতি তাত প্ৰত্যেকতে বেলেগ বেলেগ ৰঙৰ কাপোৰ তিনিখন বান্ধে। এডালত ৰঙা কাপোৰ, এডালত বগা কাপোৰ আৰু এডালত ক'লা কাপোৰ বাঁহডালৰ আগত লগাই পোতে। প্ৰতিভাগ পূজাৰ বাবে দেওধনি উঠোৱা হয়। দেওধনি উঠাৰ সময়ত পূজা কৰা লোকসকলৰ পত্নীসকলে বাঁহ বা ঝাগুাৰ তলত মিঠাই আৰু মদ লৈ বৈ থাকে। দেওধনি উঠিলেই পূজাৰীজনে বাঁহৰ জোঙা শূল এডাল লৈ ডাঙৰ গাহৰিটোৰ কলিজা ফুটি যোৱাকৈ খোঁচ মাৰে আৰু সৰু গাহৰিটো ওপৰলৈ উঠাই মাটিত থেকেচকৈ পেলাই দি মাৰে। এনে কাৰ্য কৰাৰ লগতে গাহৰি দুটাক প্ৰতিভাগ পূজাৰ ভোগ খুৱাই লয়।

এই পূজাৰ পূজাৰীজন সেইদিনা গা-পা ধুই বগা বস্ত্ৰ পৰিধান কৰি উপবাসে থাকিব লাগে। পূজাৰীয়ে পূজা কৰাৰ লগে লগে পূজা কৰা লোকসকলে মাদলৰ ছেৱে ছেৱে স্তুতি গীত গাবলৈ ধৰে। পূজাৰীজনে নিৰ্দিষ্ট পীৰাখনত বহিলে দেৱতা লম্ভিছে বুলি বিশ্বাস কৰে। সেই পীৰাখনক তেওঁলোকে 'গজাল পীৰা' বোলে। চাতিয়া বা ঝুপা বা দেওধনি উঠাৰ সময়ত পূজাৰীজনে ঝাণ্ডাৰ বাঁহত তলৰ পৰা ওপৰলৈ বগুৱা বাই উঠা-নমা কৰি মিঠাই ভক্ষণ কৰে। দেওধনি উঠাৰ সময়ত পূজাৰীজনে সেই ব্যক্তিজনক 'কোন দেৱতাই লম্ভিছে' সেই বুলি প্ৰশ্ন কৰে। সাতজন দেৱতাৰ পূজাত সাতবাৰ দেওধনি উঠে। এই পূজা দিনদুপৰতে শেষ হয় আৰু

সন্ধিয়া সেই থানত চাকি জ্বলায়। সন্ধিয়া সময়ত এটা পখৰা কুকুৰা বলি দি 'থান পূজা' কৰি খিচিৰি ৰান্ধি সকলোৱে খায়। পূজাৰ আয়োজন কৰোতাবোৰে এই পূজা উপলক্ষে সাতখন গাঁৱৰ লোকক নিমন্ত্ৰণ জনায়।

২.৭.১.১৪ **কুড়াল বাগদেই পূজা** ঃ অসমৰ চাহ-মজদুৰসকলৰ নিম্ন হিন্দুসকলে তেওঁলোকৰ আপদ-বিপদ, বেমাৰ-আজাৰ আদিৰ পৰা ৰক্ষা পাবলৈ 'কুড়াল বাগদেই' পূজাৰ আয়োজন কৰে।

এই পূজা সাধাৰণতে ফাগুন মাহত নৈ বা বিলৰ পাৰৰ মুকলি ঠাইত কৰা হয়। একে বংশৰ সাতঘৰ গৃহস্থ মিলি চাউল-সিধা লৈ লগতে এটা ক'লা ৰঙৰ পঠা ছাগলী বলি দি এই পূজা পাতে। পূজা সমাপ্ত হোৱাৰ পাছত সেই ঠাইতে ভাত ৰান্ধি সকলোৱে খায়। এই পূজাত তিৰোতা মানুহৰ স্থান নাই। দেওধনি বা ঝুপাৰ সহায়ত এই পূজাতো শুভাশুভ নিৰ্ণয় কৰা হয়।

এই পূজাৰ স্থানত ৰন্ধা ভাত, মাংসৰ আঞ্জা বেছি হ'লেও ঘৰলৈ অনাৰ নিয়ম নাই। নদীত উটুৱাই দিয়ে, নহ'লে গাঁত খান্দি পুতি থৈ আহে। যদিহে কোনোবা লোক সেই সময়ত সেইফালে যায় তেওঁলোকক কুকুৰক মতাৰ দৰে 'ইৰ ৰিয়া আহ্ আহ্' বুলি কৈ মাতি খাবলৈ দিয়ে। এনেদৰে মাতিলেও পূজাৰ নিয়মৰ কাৰণে অনিচ্ছা প্ৰকাশ নকৰি ভক্তিভাৱেহে ভোজন কৰে। এই পূজা দিনৰ আগভাগতে সমাপ্ত কৰে। পূজা কৰা লোকসকল সেইদিনা ৰাতি উজাগৰে থাকে। তেওঁলোকৰ বিশ্বাস সেইদিনা ৰাতি দেৱীয়ে সন্তুষ্ট হৈ চৰাই-চিৰিকটিৰ মাতেৰে আশীৰ্বাদ দিয়েহি।

২.৭.১.১৫ **মংলা পূজা** ঃ অসমৰ চাহ-মজদুৰসকলৰ মাজত হাড়ী, ঘাঁচি আদি কেতবোৰ সম্প্ৰদায়ৰ মাজত মংলা পূজাৰ প্ৰচলন আছে। এই পূজা চ'ত মাহৰ পূৰ্ণিমাৰ আগৰ মঙলবাৰে কৰে। এই পূজাক বহুতে 'মংগলচণ্ডী'ৰ পূজা বুলিও কয় আৰু কিছুলোকে 'চৈত পূজা' বুলিও কয়।

নানান বেমাৰ-আজাৰ, অপায়-অমংগলৰ পৰা ৰক্ষা পোৱাৰ উদ্দেশে একে বংশৰ বা একে গোষ্ঠীৰ লোক লগ হৈ এই মংলা পূজা কৰে। পূজাত বেদী সাজি তাৰ ওপৰত নৈ বা কুঁৱাৰ পৰা নীতি-নিয়মেৰে তুলি অনা পানীৰ ঘট স্থাপন কৰে। ঘটটোৰ ওপৰত কলডিলৰ মাজত থকা ফুল পাঁচটা পাঁচডাল খৰিকাৰে সী লৈ গুজি দিয়ে। প্ৰসাদ হিচাপে পায়স, আখৈ আৰু গুড়েৰে তৈয়াৰ কৰা লাডু, আকৌ পিঠাগুড়ি, গুড় আৰু পানীৰে তৈয়াৰ কৰা লাডু দিয়ে। ইয়াৰ উপৰি মদো পূজালৈ বুলি আগবঢ়ায়। একৈশটা বেলপাত আৰু শালগছৰ পাতত একৈশজন দেৱতালৈ পূজাৰ ভোগ আগবঢ়ায়। বাদ্যৰ ছেৱে ছেৱে পূজাৰীজনে পূজাৰ আঁত ধৰে। দেওধনিৰ দ্বাৰা পূজাৰ শুভাশুভ নিৰ্ণয় কৰে। এই পূজা আঠদিন ধৰি চলে। শেষৰ দিনা আঠমংলা পূজা পাতি পূজাৰ সামৰণি মাৰে।

২.৭.১.১৬ গ্রাম পূজা : অসমৰ চাহ-মজদুৰসকলৰ মাজত গ্রাম পূজাৰ প্রচলন আছে। এই পূজাৰ নির্দিষ্ট দিন নাই। সুবিধা অনুযায়ী তেওঁলোকে পূজাৰ আয়োজন কৰে। তেওঁলোকে বাস কৰা গাঁওখন অপায়-অমংগল, অপদেৱতা আদিৰ পৰা যাতে ৰক্ষা পৰে এই কামনাৰে গাঁৱৰ সকলোবোৰ দেৱতাৰ উদ্দেশে পূজা কৰে। এই পূজা বছৰৰ বিভিন্ন সময়ত কৰিব পাৰে যদিও আহাৰ তথা আষাঢ় মাহতহে সাধাৰণতে এই পূজা পতা হয়। সেই কাৰণে বহুতে এই পূজাক 'আষাঢ়ীয়া' পূজা বুলিও কয়। মজদুৰসকলৰ মুখত 'গ্রাম' শব্দটো 'গৰম'ৰূপে উচ্চাৰিত হয়। সেই কাৰণেই এই পূজাক গ্রীষ্ম বা গৰম পূজাও বোলে।

এই পূজা পাতিবলৈ চাহ বাগিচা বা বস্তি অঞ্চলত একোখন দেওথান বা দেওঘৰ থাকে। এই থানতে সমাজৰ সকলো শ্রেণীৰ মানুহে একেলগে পূজা পাতে। এই পূজাত কোনো পূজাৰীৰ প্রয়োজন নহয়। সমাজৰ বয়োজ্যেষ্ঠ ব্যক্তিজনক পূজাৰী হিচাপে লয় আৰু তেওঁ সেই পূজা উপলক্ষে ব্রতত থাকি পূজাৰ কাম কৰে। এই পূজাত মাহ-প্রসাদ, হাঁহ-পাৰ, ছাগলী-গাহৰি, কুকুৰা আদি আগবঢ়ায়। দেৱতাৰ নামত থানত 'ঝাণ্ডা' পোতে।

পূজাৰ দিনা পুৱা পূজাৰীজনক নতুন কাপোৰ পিন্ধাই ঢাক-ঢোল বজাই দেওথানলৈ আদৰি অনা হয়। থানলৈ আনি পূজাৰ উপাচাৰসমূহ থান-থিত লগাই বেদীৰ ওচৰত জপ কৰে। এই সময়ত বিভিন্ন বাদ্য বজাই থাকে। যেতিয়ালৈকে পূজাৰীজনৰ 'ঝুপা' বা দেওধ্বনি নুঠে, তেতিয়ালৈকে সকলোৱে বাদ্য বজাই থাকে। এই সময়ত পূজাৰীজনে পূজাৰ নীতি-নিয়ম, নানান সমস্যাৰ বিষয়ে বিৱৰি কয় আৰু তেতিয়াই পূজাৰ সমাপ্তি ঘটে। পূজাৰীজনক সহায় কৰিবলৈ দুজন পালী থাকে। তেওঁলোকেও নতুন কাপোৰ পিন্ধিহে থানলৈ আহিব পাৰে। পূজা শেষ হোৱাৰ পাছত পূজাৰীজনে গাঁওখনৰ চাৰিওফাল ৰঙা কাপোৰ বন্ধা বাঁহৰ ঝাণ্ডাৰে পুতি বান্ধি পেলায়। একেবাৰে শেষৰ ঝাণ্ডাডাল পোতাৰ সময়ত সেই ঠাইত হাঁহ-কুকুৰা বলি দিয়ে। কিছুমানে তাত এটা 'কণী' পোতে। বলি দিয়া কুকুৰা আদি সেই ঠাইতে ৰান্ধি সকলোৱে মিলি খায়। এইদৰে গাঁওখন বান্ধি থলে গাঁৱত ভূত-প্রেত আদি প্রৱেশ কৰি গাঁওবাসীৰ একো অনিষ্ট কৰিব নোৱাৰে বুলি তেওঁলোকে বিশ্বাস কৰে। এইদৰে এই পূজাৰ সমাপ্তি ঘটে।

২.৭.১.১৭ সূর্যাহী পূজা : অসমত বসবাস কৰা এক শ্রেণী হিন্দু চাহ-মজদুৰে এই পূজা ঘৰুৱা হিচাপে পালন কৰে। বাৰ বা পাঁচ বছৰৰ মূৰত গ্রীষ্মকালত অর্থাৎ ব'হাগ, জেঠ মাহত এই পূজা কৰে। এই পূজাৰ আন এটা নাম হৈছে 'উষা' পূজা। সূর্য দেৱতাক সন্তুষ্ট কৰিবলৈ এই পূজা কৰা হয়। সূর্য উদয় হোৱাৰ আগতেই গৃহস্থ-গৃহস্থনীয়ে পূজাৰ সকলো আয়োজন কৰি ব্রতত থাকি পূজাৰী আনি পূজা পাতে।

পুৱা ঘৰৰ বাহিৰৰ চোতালত নতুবা হাবিৰ মাজত এই পূজা কৰে। পূজাৰ অন্যান্য উপকৰণৰ লগতে কুকুৰা বলি দিয়ে। বলি দিয়া কুকুৰা তাতে ৰান্ধি-বাঢ়ি খাব লাগে। সেই পূজাৰ কোনো বস্তু ঘৰৰ ভিতৰ নুসুমুৱায়। মূল পূজা সূৰ্য উদয়ৰ আগতে শেষ কৰে যদিও কিছুমানে গোটেই দিনটো ধৰি আনন্দ কৰি থাকে। এই পূজা কৰা লোকসকলে পূজা নপতালৈকে ধানত কাচি নলগায়। এই পূজাতো 'দেওধনি'ৰ দ্বাৰা শুভাশুভ নিৰ্ণয় কৰে।

২.৮ ধৰ্ম নিৰপেক্ষ

ধৰ্ম নিৰপেক্ষ উৎসৱ-পৰ্বসমূহৰ ভিতৰত ফাগুৱা পৰব, জাথেল উৎসৱ আৰু ইৰ্‌ডি, এখ্যান যাত্ৰা বা ভানসিং পৰব, মাঘসিম, গৰজম বাহা, ভেজাবিধা আৰু মুৰ্গীৰ লড়াই, বাটাউলি উৎসৱ, সাওতালী সিম উৎসৱ, সৰ পূজা আদি অসমৰ চাহ-মজদুৰসকলে পালন কৰা দেখা যায়।

২.৮.১ ফাগুৱা পৰব ঃ ফাগুন মাহৰ পূৰ্ণিমা তিথিত অনুষ্ঠিত হোৱা অসমৰ দৌল উৎসৱ অসমৰ চাহ-মজদুৰসকলে ফাগুৱা পৰব বা হোলিকা উৎসৱ বুলি কয়। এইদিনাই ৰাতি 'হোলিকা দাহ' নামৰ এটি অনুষ্ঠান পালন কৰে।

'হোলিকা দাহ' অনুষ্ঠানেই ফাগুৱা পৰবৰ মূল বস্তু। পূৰ্ণিমাৰ দিনা কোনো কোনোৱে তাৰ আগদিনা সন্ধ্যা সময়ত মুখিয়াল ব্যক্তি এজনে গাঁৱৰ ডেকা ল'ৰাবিলাকক মাতি আনি এডোখৰ নিৰিবিলি ঠাইত সমবেত হয়। সেই ঠাইত ডেকা ল'ৰাবিলাকে পূৰণ চিনৰ দৰে প্ৰায় আধাফুট দ আৰু কিছু দীঘল গাঁত এটা খান্দি তাত এটা সৰু শিমলু পুলি পুতি দিয়ে। পুলিটোৰ তলত এটা তামৰ পইচা আৰু এটা কণী পুতি দিয়ে। শিমলুজোপাৰ ডাল-পাতত পিঠা-পনা আৰি দিয়ে। এই সময়ত ঢোল আৰু মাদলৰ ছেও বাজি থাকে। ৰাতি বেছি হোৱাৰ লগে লগে তাৰে ডেকা ল'ৰা কিছুমানে 'হোলিকা দাহ' কৰিবলৈ কাঠ-বাঁহ আদি চুৰ কৰি আনি শিমলু পোতা গাঁতত মেজি সাজে। ৰাতিপুৱাৰ আগে আগে নৈবেদ্য, ধূপ-দীপ আদি আগবঢ়াই বাদ্যৰ তালে তালে মুখিয়াল ব্যক্তিজনে তিনি, পাঁচ বা সাতবাৰ সেই গাঁতটো প্ৰদক্ষিণ কৰি মেজিত জুই লগাই দিয়ে আৰু উপস্থিত লোকসকলে সমস্বৰে হৰিধ্বনি দি উঠে-- 'হৰি হৰি হৰি—হৰিৰ মাকে চুলাই ভৰি' — এইবুলি।

মেজিত জুই জ্বলি উঠাৰ লগে লগে উপস্থিত লোকসকলে শিমলু গছত আৰি দিয়া পিঠা-পনাবোৰ আঁজুৰি আনি ভক্ষণ কৰে। মুখিয়াল ব্যক্তিজনে শিমলুজোপা দাৰে ঘপিয়াই দুছেও কৰি দিয়ে। ইয়াৰ পিছত সকলোৱে ঘৰলৈ গৈ গা-পা ধুই নিজৰ ঘৰত থকা ভগৱানৰ থানত চাকি-বন্তি জ্বলাই ৰং-গুড়ি আগবঢ়ায়। তাৰ পিছদিনা আগবেলা ফাকু গুড়িৰ পৰিবৰ্তে বোকা খেলে আৰু পিছবেলা ফাকু বা ৰং-গুড়ি ইজনে সিজনক সানি আনন্দ কৰে। সেইদিনা তেওঁলোকে পৰম্পৰা অনুসৰি

বিভিন্ন ভেশ ধাৰণ কৰি ভিক্ষা খুজিবলৈ যায়। কিছুমানে একোটা দল গঠন কৰি শ্ৰীকৃষ্ণৰ বৃন্দাবন লীলা, নৌকা বিলাস, মান-ভঞ্জন, প্ৰহ্লাদ চৰিত্ৰ, ব্ৰহ্মা, শিৱ আদি দেৱতাৰ ওপৰত ৰচা নৃত্য-নাটিকা পৰিবেশন কৰি ফাগুৱা পৰব উদ্‌যাপন কৰে।

কাঠীনৃত্য ফাগুৱা পৰবৰ এটি অপৰিহাৰ্য অংগ। নৃত্য-গীতত অংশগ্ৰহণ কৰা প্ৰতিজন ব্যক্তিয়ে হাতত দুফুটমান দীঘল এডাল লাঠি লৈ ঢোল-মাদলৰ ছেৱে ছেৱে বৃত্তাকাৰে ঘূৰি ঘূৰি অগা-পিছা কৰি কাঠীয়ে কাঠীয়ে কোবায়। ইয়াৰ লগে লগে গীত চলি থাকে। চাওতালীসকলে এই পৰব উপলক্ষে যি নাচৰ আয়োজন কৰে তাক তেওঁলোকে 'বাহা নাচ' বা 'দেৱী নাচ' বোলে।

২.৮.২ **জাথেল উৎসৱ আৰু ইৰ্‌তি ঃ** এই উৎসৱ সাধাৰণতে চাওতালী সম্প্ৰদায়ৰ লোকে উদ্‌যাপন কৰে। এই উৎসৱ উপলক্ষে তেওঁলোকে এটা ভেড়া ছাগলী কিনি আনে। আজিকালি ভেড়াৰ সলনি আন ছাগলীও লয়। এই ছাগলীটোক 'জানথাৰ' বুলি কয়। এই উৎসৱত কেৱল পুৰুষসকলেহে ভাগ লয়। সেই ছাগলীটো নায়কজনে বলি দিয়ে আৰু সেই মাংসৰ লগত খিচিৰি ৰান্ধি পুৰুষসকলে খায়।

ইৰ্‌তি বা ইতু উৎসৱ কাতি মাহৰ সংক্ৰান্তিত অনুষ্ঠিত হয়। ঘৰৰ বোৱাৰীসকলে ব্ৰত পালন কৰাৰ নিয়ম। মাটিৰ মলা এটাত ইতু দেৱতাক প্ৰতিষ্ঠা কৰে। 'ইতু' মাটিৰে সাজে। তাত নানান ফুল-পাত দি সজায়। ঘৰৰ বোৱাৰীবিলাকে দিনটো উপবাসে থাকি সন্ধ্যা এই পূজা কৰে। পিছদিনা মলাটোৰ সৈতে 'ইতু'ক নৈ বা বিলৰ পানীত উটুৱাই দিয়ে।

২.৮.৩ **এখ্যান যাত্ৰা বা ভানসিং পৰব বা ইংখুৰ পূজা ঃ** মকৰ সংক্ৰান্তি বা মাঘৰ দোমাহিৰ পৰা এই পৰব আৰম্ভ হৈ গোটেই মাঘ মাহটো চলে। মাঘ মাহৰ এটাও দিন লোকচান নকৰাকৈ প্ৰত্যেক গাঁৱে গাঁৱে, বাগিচাই বাগিচাই এই পৰব পালন কৰে। মাঘ মাহৰ প্ৰথম দিনটোৰ পৰা কৃষি বছৰ আৰম্ভ হয় বুলি তেওঁলোকে 'এখ্যান যাত্ৰা' নামৰ এই পৰব পালন কৰে। সেইদিনা পুৱাৰ ভাগত ৰুটি, পিঠা আদি ভাজি ঘৰুৱা থানত পূজা-পাতল কৰি নাঙল-যুৱলি, মৈ-টকা আদি খেতি-বাতিৰ বাবে প্ৰয়োজনীয় যাৱতীয় সঁজুলিবোৰৰ প্ৰতিটো অংশত গৃহস্থই পিঠাগুড়ি পনীয়া কৰি লোৱা তেল-সেন্দূৰ আদিৰে তিনিডালকৈ ৰেখা অংকন কৰে। এই কাৰ্য সম্পন্ন কৰি মূল গৃহস্থসকলে পথাৰলৈ গৈ কেইপাকমান হাল বাই আগন্তুক বছৰৰ কাৰণে কৃষিকৰ্মৰ শুভাৰম্ভ কৰে। যিসকল ব্যক্তিৰ খেতিৰ মাটি নাই তেওঁলোকে ঘৰৰ বাৰীত কোৰেৰে দুই-তিনি কোৰ মাৰি গতানুগতিকভাৱে পূজাৰ নিয়ম পালন কৰে। হাল-কোৰ বাই অহাৰ লগে লগে গৃহস্থনীসকলে তেওঁলোকৰ ভৰি ধুৱাই জা-জলপান আদি খাবলৈ দিয়ে। ৰাতিটো লাওপানী খাই আনন্দ কৰে।

'এখ্যান যাত্ৰা' উপলক্ষে ডেকা ল'ৰাবোৰে নানা ধৰণৰ স্ফূৰ্তি কৰে। তাৰ ভিতৰত

চিকাৰলৈ যোৱা, মুৰ্গী লড়াই, কুস্তি খেলা আদি প্ৰধান।

'ভানসিং পৰব' বা 'ইংখুৰ পূজা'ও ইয়াৰে অংগস্বৰূপ এটা উৎসৱ। বাগিচা অঞ্চলত সামূহিকভাৱে গৰু চৰোৱা 'বাগাল' বা গৰখীয়াবিলাকে গৰুসমূহৰ যাতে বছৰটোলৈ বসন্ত, চবকা আদি বেমাৰ নহয় তাৰ কাৰণে পূজা কৰে। এই পূজাৰ কাৰণে গৰখীয়াবিলাকে গিৰিহঁতৰ পৰা দুই-চাৰি টকাকৈ চান্দা উঠায়। এই পূজা গৰখীয়াবিলাকে গোহালিত পাতে। কোনো কোনোৱে এই পূজা কাতি মাহত পালন কৰা 'গৰয়া' পূজাৰ লগতো পাতে। পূজাৰ শেষত গৰুবোৰক একগোট কৰি পূজা কৰা ঠাইখিনি গচকায় আৰু পূজাৰ প্ৰসাদ গৰুবোৰৰ গালৈ ছটিয়ায়। গৰু ৰখীয়াসকলক গিৰিহঁতে নতুন কাপোৰ আৰু টকা-পইচা দি আনন্দত ৰাখে।

২.৮.৪ **মাঘী যাত্ৰা বা মাগে পৰব ঃ** চাহ-মজদুৰসকলৰ মাজৰ 'সাউৰি', মুণ্ডা সম্প্ৰদায়ৰ লোকসকলে এই 'মাঘ সিম' উৎসৱ মাঘ মাহৰ যিকোনো এটা দিনত পালন কৰা উৎসৱ। এই উৎসৱৰ মূল উদ্দেশ্য হৈছে ধৰিত্ৰীক কৃতজ্ঞতা জনোৱাৰ লগতে সমূহ ৰাইজ একত্ৰিত হৈ আনন্দ কৰা। প্ৰতিঘৰ গৃহস্থৰ পৰা চাউল আৰু পইচা তুলি 'মদ' নিজে তৈয়াৰ কৰে। গাঁৱৰ মুখিয়াল লোক এজনে গা-পা ধুই উৎসৱৰ দিনা এটা বা বহুত কুকুৰা আনি সিহঁতক পূজা কৰি বলি দিয়ে। সেই কুকুৰা মুখিয়ালজনে ৰন্ধা-বঢ়া কৰি সকলোৱে মিলি 'মদ' বা 'লাওপানী'ৰ লগত খাই ৰাতিটো নাচ-গান কৰি স্ফূৰ্তিৰ মাজেৰে অতিবাহিত কৰে।

২.৮.৫ **সৰজম বাহা ঃ** সাধাৰণতে চাওতাল, মুণ্ডা সম্প্ৰদায়ৰ লোকসকলে এই উৎসৱ পালন কৰে। তেওঁলোকে এই উৎসৱক 'সৰজম বাহা', 'বাহা পৰব', বসন্ত উৎসৱ বুলি কয়। শালগছৰ ফুল, পলাশৰ ফুল ফুলাৰ বতৰত অৰ্থাৎ ফাগুন মাহৰ পূৰ্ণিমাৰ পিছৰ পৰাই এই পূজাৰ প্ৰস্তুতি চলায়।

পূজা কৰিবলগীয়া ঠাইখিনি গাঁৱৰ ল'ৰাবিলাকে গোবৰেৰে মচি পৰিষ্কাৰ কৰে। সন্ধিয়া নায়কৰ ঘৰত সকলো একগোট হৈ পূজা কৰা ঠাইলৈ গৈ আনুষ্ঠানিক কৰ্ম কৰি গীত গোৱা আৰম্ভ কৰে। গোটেই ৰাতি ঢোল-মাদলৰ লগে লগে নৃত্য-গীত চলি থাকে। ৰাতিপুৱাৰ লগে লগে এই উৎসৱৰ সামৰণি পৰে।

২.৮.৬ **ভেজা বিধা আৰু মুৰ্গীৰ লড়াই ঃ** অতীতত ডাঙৰ ডাঙৰ উৎসৱৰ লগত এই 'ভেজা বিধা' উৎসৱ জড়িত আছিল। 'ভেজা বিধা'ৰ অৰ্থ হৈছে কোনো নিৰ্দিষ্ট ঠাইত বিন্ধা কৰা। বৰ্তমান পৃথকভাৱে এই উৎসৱ পালন কৰে। বৰ্তমান মাঘ মাহৰ প্ৰথমদিনা এই উৎসৱ উদ্‌যাপন কৰে।

এই উৎসৱৰ মূল বস্তু হৈছে পুৰুষসকলৰ মাজত ধনুৰ তীৰ চলোৱা প্ৰতিযোগিতা। সকলো সম্প্ৰদায়ৰ লোকে এই প্ৰতিযোগিতাত যোগ দিব পাৰে। এই প্ৰতিযোগিতাৰ কাৰণে তীৰ চলোৱা ঠাইৰ পৰা নিৰ্দিষ্ট দূৰত এখন 'ভেজা' অৰ্থাৎ এখন টিন নতুবা

কোনো জীৱ-জন্তু থৈ দিয়ে। যিজন ব্যক্তিয়ে সেই টিনখনৰ বা জীৱ-জন্তুৰ নিৰ্দিষ্ট কৰা ঠাইত তীৰ চলাই বিন্ধিব পাৰে, তেওঁকে বিজয়ী বুলি ঘোষণা কৰে। তেওঁক তীৰ চলোৱা ঠাইৰ পৰা ভেজা বা টিনখন থকা ঠাইলৈকে কান্ধত উঠাই নিয়া হয়। উপহাৰ হিচাপে নতুন কাপোৰ আৰু একলহ 'লাওপানী' দিয়ে। কুকুৰা যুঁজ বা মুৰ্গী লড়াই সাধাৰণতে আহিন মাহৰ পৰা ফাগুন মাহলৈকে কৰা হয়। এই কুকুৰা যুঁজ অন্য উৎসৱৰ লগত জড়িত যদিও বাগিচাৰ সাপ্তাহিক বজাৰৰ দিনাও পতা দেখা যায়। কুকুৰা যুঁজত অংশগ্ৰহণ কৰা কুকুৰা দুটাৰ বাওঁ ঠেঙত 'কাঁইট' বান্ধি দিয়া হয়। যুঁজত অৱতীৰ্ণ হোৱা কুকুৰাৰ হানি-বিঘিনি নঘটাবলৈ মজদুৰসকলে নিজাববীয়াকৈ ঘৰৰ থানত দেৱতাৰ উদ্দেশে তামোল এটা আৰু পাণ তিনিখিলা বা পাঁচখিলাৰ সৈতে খুচুৰা চাৰি অনা বা আঠ অনা পইচাৰ 'টোপোলা' বান্ধে।

এই কুকুৰা যুঁজ সাধাৰণতে পুৱাবেলা এখন নিৰ্দিষ্ট ঠাইত ৰাজহুৱাভাৱে অনুষ্ঠিত হয়। এই ঠাইখিনিক 'আখড়া' বোলে। যুঁজৰ আগতেই হৰা-জিতা লৈ টকা-পইচাৰ বাজি ধৰা দেখা যায়। যিটো কুকুৰা যুঁজত হাৰে বা পলাই যায় তাৰ মালিকজনক পৰাজিত বুলি গণ্য কৰা হয় আৰু পৰাজয় হোৱা কুকুৰাটো জয়ী হোৱা কুকুৰাৰ মালিকে লাভ কৰে।

২.৮.৫ বাটাউলি উৎসৱ আৰু চাওতালী সিম উৎসৱ ঃ অতীতৰ সংস্কৃতি ৰক্ষা কৰি অসমৰ চাহ-মজদুৰসকলেও শস্যৰ বীজ ৰোপণৰ উদ্দেশে জেঠ আৰু আষাঢ় বা আহাৰ মাহত ঘৰে ঘৰে কুকুৰা বলি দি কৃষি পূজা বা উৎসৱ পালন কৰে। এই পূজা বা উৎসৱক বৰ্ষা উৎসৱ বুলিও কয়। এই উৎসৱত কুকুৰাৰ বাওঁ ঠেংখন কাটি গোবৰৰ মাজত পুতি থয়। তেওঁলোকৰ বিশ্বাসমতে এনে কৰিলে শস্যৰ থোক সোনকালে মেলে।

অসমত বসবাস কৰা চাওতালী লোকসকলে 'সিম' নামৰ একপ্ৰকাৰ উৎসৱ পালন কৰে। এই উৎসৱক সেয়েহে 'সাওতালী সিম' উৎসৱ বোলে। এই উৎসৱো জেঠ-আহাৰ মাহত বীজ ৰোপণ আৰু শস্য অধিক পোৱাৰ কামনাৰে কৰা হয়। এই পূজাত প্ৰত্যেক পৰিয়ালৰ পৰা বলিৰ কাৰণে একোটাকৈ কুকুৰা আগবঢ়ায়। এই পূজা ৰাজহুৱাভাৱে কৰা হয়। পূজাৰ কাৰণে পূজাৰী আৰু মূৰ্তিৰ প্ৰয়োজন নাই। সেই কুকুৰা পূজা পতা ঠাইতে বলি দি তাতে ৰান্ধি সকলোৱে আনন্দ-স্ফূৰ্তি কৰি খায়।

২.৮.৬ সৰপূজা বা সৰ উৎসৱ ঃ এই উৎসৱো কৃষি উৎসৱ। প্ৰত্যেক গৃহস্থই ধান কটাৰ শেষৰ দিনা পকা ধানৰ এগোছা ধান কাটি আনে। গোবৰেৰে মচি থোৱা পৰিষ্কাৰ ভঁৰালৰ ওচৰত মাটিত গৰুৰ, কৃষিৰ সা-সঁজুলিৰ আল্পনা আঁকে। সেই আল্পনা অঁকা ঠাইত আনি গৃহস্থজনে ধানথোক থয়হি। ছোৱালী-বোৱাৰীবোৰে উৰুলি

দি শিয়ালৰ মাত শুনিবলৈ বাট চাই থাকে। যেতিয়া শিয়ালৰ মাত শুনে তেতিয়াহে সকলো লোকে ঘৰৰ ভিতৰলৈ গৈ খোৱা-বোৱা কৰে। শিয়ালৰ মাত যিফালৰ পৰা আহে সেইফালেই বৰষুণ দিয়ে বুলি তেওঁলোকে বিশ্বাস কৰে। সেইদিনা ৰাতি গৃহস্থসকলে ভাত নাখায়, তাৰ সলনি ফল-মূল, ৰুটি আদি খায়।

২.৯ (গ) অন্যান্য উৎসৱ-পৰ্ব ঃ ধৰ্মপ্ৰধান আৰু ধৰ্মনিৰপেক্ষ পূজা-পৰ্বসমূহৰ উপৰি আৰু কিছুমান উৎসৱ-পৰ্ব আছে যিবোৰ অন্যান্য শ্ৰেণীত ধৰা হৈছে। এইসমূহ হৈছে বড়-পাহাৰী পূজা, চাৰুল পূজা, ক্ষেত পূজা, চুলহা-ধুলা পূজা; ডেহৰা পূজা, সত্যনাৰায়ণ ব্ৰত, ত্ৰিনাথ মেলা, লক্ষ্মীপূজা, তুলসী পূজা, গণেশ পূজা, জন্মাষ্টমী, শিৱৰাত্ৰি, খ্ৰীষ্টিয়ানৰ উৎসৱ, মুছলমানৰ উৎসৱ ইত্যাদি। এই পূজা-পৰ্বসমূহ অসমত বসবাস কৰা সকলো চাহ-মজদুৰে পালন নকৰে। জাতিভেদে, ধৰ্মভেদে এই উৎসৱসমূহ পালন কৰে। সেয়েহে এই উৎসৱ-পৰ্বসমূহ ধৰ্মপ্ৰধান হ'লেও অন্যান্য শ্ৰেণীত ধৰা হৈছে। অসমত বৰ্তমান বসবাস কৰা চাহ-মজদুৰ সকলৰ বেছিভাগেই হিন্দু ধৰ্মাবলম্বী লোক হ'লেও খ্ৰীষ্টিয়ান, মুছলিম লোকো আছে। সাধাৰণভাৱে এই লোকসকলে দুই-চাৰিটা উৎসৱ পালন কৰে যদিও সুকীয়াভাৱে পালন কৰা উৎসৱো আছে।

২.৯.১ বড় পাহাৰী পূজা ঃ এই পূজা সাধাৰণতে তিনি বছৰৰ মূৰত মাঘ-ফাগুন মাহত পাতে। অসমলৈ অহা চাহ-মজদুৰসকলে ইয়ালৈ অহাৰ আগতে হাবিয়ে-জংঘলে খেতি-বাতি কৰি তাৰ উপাৰ্জনৰ দ্বাৰা পেট প্ৰৱৰ্তাইছিল। সেয়েহে এওঁলোকে অসমতো আহি গছ-গছনি, পাহাৰ আদিৰ অতীতৰ নিয়ম ৰক্ষা কৰিয়েই পূজা-পাতল কৰিছেহি। আজিকালি অৱশ্যে এই পূজাও কমি আহিছে।

বড় পাহাৰী পূজা পুৰুষপ্ৰধান। এই পূজালৈ জাতি-অজাতি সকলোকে নিমন্ত্ৰণ কৰিব পাৰে। এই পূজাৰ কাৰণে পাহাৰৰ ওখ ঠাই প্ৰশস্ত যদিও অসমৰ বাগিচা অঞ্চলৰ সকলোতে এনে সুবিধা নথকাৰ কাৰণে হাবি-জংঘলে আৱৰি থকা কোনো ওখ ঠাই বা উঁই-হাফলু আদিতো পূজা পাতে। পূজাৰ বাবে কল, বুটমাহ, নাৰিকল, গুড়, গাখীৰ, ধূপ-ধুনা, ফুল আদি নতুন পাঁচি এটাত ভৰাই পূজাৰ স্থলীলৈ নিয়া হয়। পূজাৰীৰ দ্বাৰা এই পূজা কৰা হয়। পূজাৰীজনে গা-পা ধুই নতুন কাপোৰ পিন্ধি পূজাৰ স্থলীলৈ গৈ বেদী স্থাপন কৰি তাত ঘট স্থাপন কৰি পূজাৰ সামগ্ৰীসমূহ সজাই লয়। এই পূজা তিনিভাগে কৰে। এভাগ বাঘ, এভাগ ধৰম দেৱতা আৰু এভাগ মহাদেৱৰ নামত কৰে। ইয়াৰ পাছত একৰঙৰ পাঠী ছাগলী এজনী বলি দি মূৰটো পূজাৰ বেদীত দি গাৰ অংশ হাবিৰে ঢাকি লুকুৱাই থৈ উপস্থিত ৰাইজক উদ্দেশ্য কৰি কয় যে পাহাৰ দেৱতা পূজাত সন্তুষ্ট হৈ তেওঁলোকৰ কাৰণে চিকাৰ মাৰি এৰি থৈ গৈছে। যি খাব পাৰে তাৰে শুভফল হয়। এই কথা শুনাৰ পাছত সকলোৱে

চিকাৰ বিচাৰিবলৈ লাগি যায়। এসময়ত চিকাৰ পালো পালো বুলি ছাগলীজনীৰ গাৰ অংশ উলিয়াই আনে আৰু তাতে ৰান্ধি-বাঢ়ি সকলোৱে খায়। পূজাৰীজনে মূৰটো বেলেগে ৰান্ধি খায়। এই পূজা দুপৰীয়া ভাগতে সমাপ্ত হয়।

২.৯.২ **চাৰুল পূজা ঃ** বসন্ত কাল অহাৰ লগে লগে চাহ-মজদুৰসকলে প্ৰকৃতি বন্দনাৰ উদ্দেশে এই চাৰুল পূজা বা পৰব পালন কৰে। এই পৰব চ'ত মাহৰ পঞ্চমী, সপ্তমী নতুবা নৱমী তিথিত পালন কৰা দেখা যায়। এই পৰব দুদিন ধৰি পালন কৰা হয়। প্ৰথমদিনা নখোৱা উৎসৱ আৰু দ্বিতীয়দিনা ফুল পূজা। প্ৰথমদিনা নতুনকৈ গছত লগা আম-কঁঠাল, নানান শাক-পাচলি, মাছ আদিৰ নবিধ তৰকাৰী তথা ব্যঞ্জন ৰান্ধি ন-খোৱা উৎসৱ পালন কৰে। দ্বিতীয়দিনা অৰ্থাৎ 'ফুলপূজা'ৰ দিনা প্ৰতিঘৰ মানুহে ৰাতিপুৱা সোনকালে উঠি গা-পা ধুই ব্যক্তিগতভাৱে প্ৰতিটো ঘৰ আৰু কোঠা চাফ-চিকুণ কৰি বিভিন্ন ফুলেৰে সজাই তোলে। এই পৰ্ব শেষ হোৱাৰ পাছত সকলোৱে জা-জলপান খাই গীত-মাত গাই আনন্দ কৰে।

মুণ্ডা, খাড়িয়া আদি জাতিৰ লোকে এই উৎসৱক 'বেওচাৱলী' উৎসৱ বুলি কয়। এওঁলোকে জেঠ-আহাৰ মাহত অৰ্থাৎ 'সোণাৰু ফুল' ফুলাৰ বতৰত এই উৎসৱ পালন কৰে।

কয়া, প্ৰজা, বৰাইক, চাওৰা, ভূমিজ আদি জাতিৰ লোকে নতুন আম ওলোৱাৰ সময়ত 'আম-খোৱা' উৎসৱ পালন কৰিছিল। 'চোতাল' বা ঘৰুৱা পূজাৰ স্থানত নবিধ ফল পূজাৰ বেদীত আগ কৰে। তাৰ ভিতৰত আম প্ৰধান। সেই হিচাপেই আমৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰে আৰু এইবোৰ উচৰ্গা কৰাৰ পিছতহে তেওঁলোকে আম খাবলৈ লয়। এই অনুষ্ঠানৰ আগতে আম খোৱা নিষেধ। তেওঁলোকৰ মাজত প্ৰচলিত এইটো এটা মন কৰিবলগীয়া প্ৰথা। এই পূজাৰ লগত বিভিন্ন গীতৰ প্ৰচলন আছে।

২.৯.৩ **ক্ষেত পূজা ঃ** পৰম্পৰাগতভাৱে অসমৰ চাহ-মজদুৰৰ কিছুমান জনগোষ্ঠীয়ে ধানখেতি চপাবৰ সময়ত খেতিপথাৰ তথা খেতি-বাতিৰ প্ৰধান দেৱতা 'ক্ষেত' দেৱতাক সন্তুষ্ট কৰিবলৈ এই পূজা পাতে। পূজাৰ সকলো বস্তু গোটাই লৈ কুল প্ৰথা অনুসৰি হাঁহ-কুকুৰা, গাহৰি আদি নি পথাৰত বলি কাটে আৰু তাত মদ বা হাৰিয়া ঢালি পূজা সম্পন্ন কৰে। পূজাৰ শেষত এই ঠাইতে খিচিৰি ৰান্ধি অলপ দেৱতাৰ উদ্দেশে আগ কৰি বাকীখিনি সকলোৱে খাই পেলায়। অতিৰিক্ত বস্তু ঘৰলৈ অনাৰ নিয়ম নাই।

পূজা শেষ নোহোৱা পৰ্যন্ত ধানগছত কাঁচি নলগায়। যাৰ খেতিপথাৰ নাই তেওঁলোকে এই পূজা নকৰে। এই পূজাত বাদ্য বজোৱা আৰু দেওধনি উঠাৰ নিয়ম নাই।

পথাৰত ধানখেতিৰ প্ৰথম গোছ পোতাৰ দিনাও এওঁলোকে ভক্তিসহকাৰে তামোল-পাণ আদি আগবঢ়ায়, সেই একেদৰে প্ৰথম ধানৰ আগ আনিবৰ দিনাও চাকি জ্বলাই 'চুমান' কৰা দেখা যায়। চুমান অৰ্থাৎ লক্ষ্মী পূজা। প্ৰথম ধানৰ আগ কাটিবৰ দিনা পথাৰত চাকি জ্বলাই ক্ষেত্ৰদেৱতাৰ উদ্দেশে কৰা পূজাকে 'চুমান' বুলি কয়। ধান দাই শেষ হোৱাৰ পাছত কেইজোপামান ধান শিপাৰে সৈতে উভালি আনি ভঁৰালত থবৰ দিনাও ক্ষেত্ৰ দেৱতাৰ উদ্দেশে চাকি জ্বলাই পূজা কৰে।

তেওঁলোকৰ সমাজত ন-খোৱা উৎসৱৰো প্ৰচলন আছে। ঘৰুৱাভাৱে নতুবা ৰাজহুৱাভাৱে এনে ভোজন পৰ্বৰ আয়োজন কৰি 'বিভিন্ন দেৱতালৈ'ও ৰন্ধন বস্তুসমূহ আগবঢ়ায়। বহুতে এই নখোৱা উৎসৱত কেৱল মাত্ৰ চিৰা-জলপান খোৱাৰহে ব্যৱস্থা কৰে।

২.৯.৪ **চুল্হা-ধূলা পূজা :** নিম্ন বৰ্ণৰ লোকসকলে বিশেষকৈ 'কন্ধেৰ' জাতিৰ লোকে বছৰটোৰ কাৰণে চৌকা বা 'চুলহা ধূলা' পূজা কৰে। সাধাৰণতে মাঘৰ এক তাৰিখে নতুবা ফাগুনত এই পূজা কৰে। পূজা উপলক্ষে গৃহস্থ-গৃহস্থনী দুয়ো ব্ৰতত থাকি ঘৰ-দুৱাৰ, চৌকা সকলো মচি-কাচি পৰিষ্কাৰ কৰি তিনি পুৰুষৰে বান্ধ খাই থকা চৌকাত দেৱতাৰ নামত গাখীৰ ঢালে। তাৰ পিছত চৌকাৰ ওচৰত তেল-সেন্দুৰেৰে আল্পনা আঁকে আৰু তাতে এটা কুকুৰা বলি দি তাৰ মূৰটো চৌকাত পুতি থয়। তাৰ পিছত দিনৰ ভাগত চৌকা জ্বলাই কোনো এটা মাটিৰ পাত্ৰত পায়স ৰান্ধে। সেই পায়স চৌকাৰ নামত উচৰ্গা কৰি উঠিহে সকলোৱে খায়।

২.৯.৫ **ডেৰহী পূজা :** মাঘ মাহৰ এক তাৰিখে মজদুৰসকলৰ ভিতৰৰে কেৱল কেওট জাতিৰ লোকসকলে এই পূজা কৰে। পূজাৰ দিনা এই জাতিৰ লোকসকলে নিজৰ নিজৰ ঘৰৰ মূল দুৱাৰখনৰ মুখত কুকুৰা এটা বলি দি এই পূজা সম্পন্ন কৰে। ঘৰুৱাভাৱে এই পূজা পাতি জাতি-অজাতি সকলোকে নিমন্ত্ৰণ কৰি কুকুৰাৰ মাংস ৰান্ধি খিচিৰিৰ লগত খাবলৈ দিয়ে।

২.৯.৬ **সত্যনাৰায়ণ ব্ৰত :** এই ব্ৰত বা পূজা বৰ্ণহিন্দু বুলি পৰিচয় দিয়া লোকসকলে পালন কৰে। একাদশী বা পূৰ্ণিমা তিথিত যিকোনো মাহত বামুণ আনি এই পূজা পাতে। কল, বুট, নাৰিকল, পঞ্চামৃত, পাঁচটা মেৱা, বাতাচা এই পূজাৰ উপকৰণ। বলি-বিধানৰ ব্যৱস্থা নাই।

বামুণজনে পূজাৰ উদ্দেশে ব্ৰত কৰাসকলক দৰিদ্ৰ বামুণ আৰু কাঠকটীয়া আদিয়ে কিদৰে সত্যনাৰায়ণ ব্ৰত কৰি ঐশ্বৰ্য-বিভূতিৰ গৰাকী হৈছিল তাৰ বিৱৰণ শুনায়। পূজাৰ আৰতিৰ শেষত উপস্থিত লোকসকলক ৰঙা সূতাৰ 'ৰাখী' বান্ধে।

২.৯.৭ **ত্ৰিনাথ মেলা :** মজদুৰসকলৰ কেৱল উড়িয়া গোষ্ঠীৰ লোকসকলে এই ত্ৰিনাথ মেলাৰ আয়োজন কৰে। তেওঁলোকৰ পুথিত থকা 'ত্ৰিমূৰ্তিৰ' উপদেশ মতে

তিনি পইচা খৰচ কৰি ত্ৰিনাথ মেলাৰ আয়োজন কৰিছিল। এই কথা ব্ৰতত থকা লোকসকলক পঢ়িব জনা বয়সস্থ লোক এজনে পঢ়ি শুনায়। পুৰোহিতৰ প্ৰয়োজন নাই। পূজাৰ প্ৰসাদ হিচাপে কল-মাহ আদিৰ উপৰি আখৈ, পকামিঠৈ, ভাং, লাওপানী আৰু তিনিটা ভাঙৰ চিলিম দিয়া হয়।

২.৯.৮ **লক্ষ্মীপূজা ঃ** আহিন বা কাতি মাহৰ লক্ষ্মী পূৰ্ণিমাৰ দিনা উচ্চ সম্প্ৰদায়ৰ হিন্দু মজদুৰসকলে ঘৰৰ মাজমজিয়াত বা ভঁৰালৰ মূৰত দেৱীৰ থাপনা পাতি বামুণৰ দ্বাৰা বা জনা-বুজা লোকৰ দ্বাৰা এই পূজা কৰে। এই পূজা স্ত্ৰীপ্ৰধান। সেইদিনা তেওঁলোকে ভজা-পোৰা কাম নকৰে, ৰাতি পাতল আহাৰ খায়। সন্ধিয়া সময়ত এই পূজা পাতে।

২.৯.৯ **তুলসী পূজা ঃ** কাতি মাহৰ সংক্ৰান্তিত এই পূজা কৰা হয়। কিছু কিছু জাতিৰ মাজতহে এই পূজাৰ নিয়ম আছে। ঘৰৰ চোতালত এটা মাটিৰে ভেটি সাজি তাত তুলসী পুলি এটা পুতি তাৰ আগত বুট, কল আদি প্ৰসাদ আগ কৰে। তাৰ পিছত ঘৰৰ গৃহস্থনীগৰাকীয়ে নতুবা পঢ়িব জনা অন্য কোনো মাইকী মানুহে 'তুলসী চৰিত্ৰ' পুথি পঢ়ে। তুলসী পূজা কৰাগৰাকীয়ে নিতৌ গা-পা ধুই তুলসীৰ গছত পানী ঢালে।

২.৯.১০ **গণেশ পূজা ঃ** গাঁৱত বা ঘৰত বেমাৰ-আজাৰ, হাতীৰ উপদ্ৰৱ, নিগনিৰ উৎপাত হ'লে নিৰাময়ৰ কাৰণে গণেশ দেৱতাৰ উদ্দেশে কোনো এটা দেওবাৰ বাছি লৈ পূজা কৰে। এই পূজা বামুণৰ দ্বাৰাও কোনো কোনোৱে পাতে। এই পূজাত গীতৰ প্ৰচলন আছে।

২.৯.১১ **জন্মাষ্টমী পূজা ঃ** ভাদ মাহত শ্ৰীকৃষ্ণৰ জন্মোৎসৱ তিথিত বাগিচা অঞ্চলৰ বহু ঠাইত সামূহিকভাৱে 'গৌড় দেশী কীৰ্তন', 'উড়িছী কীৰ্তন' আৰু নাচ-গানৰ জৰিয়তে 'শ্ৰীকৃষ্ণ লীলা'ৰ আয়োজন কৰে। বহুতো পৰিয়ালে ঘৰুৱাভাৱে নাম-কীৰ্তন কৰিবলৈ ওচৰ-চুবুৰীয়াক নিমন্ত্ৰণ কৰে।

২.৯.১২ **শিৱৰাত্ৰি ঃ** ফাগুন মাহত 'শিৱৰাত্ৰি' উপলক্ষে বেলগছ থকা ঠাইত মজদুৰ সমাজে বেলৰ তলতে শিৱৰ নাম-কীৰ্তন কৰে আৰু পূজা অৰ্চনা কৰে। ফল-মূলৰ প্ৰসাদৰ উপৰি ভাং আৰু ভাঙৰ লাডু প্ৰসাদ হিচাপে গণ্য কৰে।

উপৰোক্ত পূজাসমূহ বৰ্ণহিন্দুসকলে পালন কৰে। অসমত থাকি অসমৰ লোকসকলৰ প্ৰভাৱত পূজাৰ কিছু সলনি হৈ পৰিছে। বাগিচাৰ সকলো মজদুৰে এই সকলো প্ৰকাৰৰ পূজা-পাতল কৰিবলৈ সময় নাপায়। সেয়েহে বেছিভাগ প্ৰাক্তন মজদুৰৰ মাজতহে বৰ্তমান এই পূজা-পৰ্বসমূহ পালন কৰা দেখা যায়। তদুপৰি তেওঁলোকে সৰু সৰু বহু পূজা-পৰৱ এতিয়া পালন কৰিবলৈ এৰিছে। তেনে অতি কম সংখ্যক পূজাহে তেওঁলোকে পালন কৰে।

২.৯.১৩ অসমত বসবাস কৰা খ্ৰীষ্টিয়ান চাহ-মজদুৰৰ উৎসৱ : অসমত বসবাস কৰা চাহ-মজদুৰসকলৰ মাজত খ্ৰীষ্টিয়ান ধৰ্মৰ লোকো যথেষ্ট আছে। তেওঁলোকে অতীতৰ ধৰ্মৰ প্ৰভাৱ নথকা কিছু উৎসৱ সাধাৰণভাৱে পালন কৰিলেও সুকীয়া ধৰ্মীয় উৎসৱসমূহো যথাবিহিতভাৱে পালন কৰে। খ্ৰীষ্টিয়ান ধৰ্মাৱলম্বী চাহ-মজদুৰসকলে সুকীয়াভাৱে পালন কৰা উৎসৱসমূহ হ'ল— বৰদিন বা খ্ৰীষ্টমাছ ডে, ইংৰাজী নৱবৰ্ষ, মহাযাত্ৰা বা যীচুৰ জেৰুজালেম যাত্ৰা, গুডফ্ৰাইডে উৎসৱ, ইষ্টাৰডে বা যীচুৰ পুনৰুত্থান উৎসৱ, যীচুৰ স্বৰ্গাৰোহণ বা এছাচিনেচন ডে ইত্যাদি।

২.৯.১৪ বৰদিন উৎসৱ : এই উৎসৱ তেওঁলোকৰ প্ৰধান উৎসৱ। ২৫ ডিচেম্বৰ তাৰিখটো যীচুখ্ৰীষ্টৰ জন্মদিন হিচাপে পালন কৰা হয়। এই উৎসৱৰ আয়োজন দুমাহৰ আগৰ পৰা আৰম্ভ হয়। ধনী-দুখীয়া সকলোৱে ঘৰ-দুৱাৰ পৰিষ্কাৰ কৰি তোলে আৰু নতুন কাপোৰ পিন্ধে।

২৪ ডিচেম্বৰৰ পৰাই বৰদিনৰ উৎসৱ আৰম্ভ হয়। ২৪ ডিচেম্বৰৰ দিনা সন্ধ্যা প্ৰতি ঘৰে ঘৰে মমবাতি জ্বলোৱা হয় আৰু ঘৰ-দুৱাৰ সজোৱা হয়। ২৫ ডিচেম্বৰৰ দিনা পুৱাৰ পৰাই উৎসৱমুখৰ পৰিবেশৰ সৃষ্টি হয়। সকলো লোক নিচেই পুৱাতে গীৰ্জাৰ প্ৰাংগণত সমবেত হয় আৰু গীৰ্জাৰ ঘণ্টা বজোৱা হয়। নতুন কাপোৰ পিন্ধি সকলো গীৰ্জাত প্ৰৱেশ কৰি দিনৰ দহ বা বাৰ বজালৈকে সমবেতভাৱে প্ৰাৰ্থনা কৰে।

পাদ্ৰীসকলে 'লুক'এ লিখা সমাচাৰৰ দ্বিতীয় অধ্যায়ৰ একৰ পৰা বিশ পৰ্যন্ত পদ শ্ৰোতাসকলৰ কাৰণে পাঠ কৰে। তাৰ পিছত সকলো মিলি গান গায়। শেষত ভক্তসকলে গীৰ্জাৰ প্ৰণামী দি ঘৰলৈ উভতে। তাৰ পিছত এসপ্তাহ ধৰি নাচ-গান আৰু ভোজন পৰ্ব চলে।

২.৯.১৫ নৱবৰ্ষৰ উৎসৱ : বৰদিনৰ উৎসৱ শেষ হওঁ-নৌহওঁতেই নৱবৰ্ষৰ উৎসৱ আৰম্ভ হয়। অসমৰ খ্ৰীষ্টিয়ান চাহ-মজদুৰসকলে এই উৎসৱ বাগিচাৰ গীৰ্জাত পালন কৰে। শেষ হৈ যোৱা বছৰটোৰ দুখ-কষ্ট সকলো পাহৰি নতুন বছৰটোৱে যাতে সকলোলৈকে আনন্দ-শান্তি কঢ়িয়াই আনে তাৰ কাৰণে যীচুৰ ওচৰত প্ৰাৰ্থনা কৰে। একত্ৰিশ ডিচেম্বৰৰ ৰাতি বাৰ বজা পৰ্যন্ত গীৰ্জা ঘৰত সকলো গোটখাই প্ৰাৰ্থনা কৰে আৰু বাৰ বজাৰ পিছত ঘৰাঘৰি গৈ খোৱা-বোৱা কৰি গান-বাজনা বজাই স্ফূৰ্তি কৰে।

২.৯.১৬ যীচুৰ মহাযাত্ৰা বা জেৰুজালেমলৈ শেষ গমন : এই উৎসৱ খ্ৰীষ্টিয়ান মজদুৰসকলে 'গুড ফ্ৰাইডে'ৰ আগৰ দেওবাৰে পালন কৰে। যীচুখ্ৰীষ্টই মৃত্যুৰ আগতে শেষবাৰৰ কাৰণে জেৰুজালেমলৈ যোৱালৈকে এই উৎসৱ পালন কৰে। এই উৎসৱৰ দিনা সকলোৱে হাতত খেজুৰ গছৰ ডাল লৈ গীৰ্জাত উপস্থিত হয় আৰু গীতৰ লগে লগে তিনি-চাৰিবাৰমান নাচি নাচি ঘূৰি গীৰ্জা প্ৰদক্ষিণ কৰে। তেওঁলোকৰ বিশ্বাস যে

যীছুৱে জেৰুজালেমৰ প্ৰৱেশপথত বহুতো অভিনন্দন পাইছিল আৰু খেজুৰৰ পাতেৰে তেওঁক সকলোৱে বিচি দিছিল।

২.৯.১৭ কুশাৰোহণ বা গুড ফ্ৰাইডে উৎসৱ ঃ এই উৎসৱ বিষাদৰ উৎসব, শোকৰ অভিজ্ঞান। এপ্ৰিল মাহৰ কোনো এক শুকুৰবাৰে এই শোক দিৱস পালন কৰে। ৰাতি পুৱা আঠটা মানত সকলো গীৰ্জাত সমবেত হয। মানুহৰ মৃত্যু আৰু অধঃপতনৰ পৰা ৰক্ষা কৰিবৰ কাৰণে যীছু সেইদিনা কুশাৰোপিত হৈছিল বুলি বিশ্বাস কৰিযেই তেওঁৰ দুখত এটা দিন শোকৰ দিন হিচাপে পালন কৰে। এইদিনা তেওঁলোকে মাছ-মাংস নাখায়।

২.৯.১৮ ইষ্টাৰ ডে বা যীছুৰ পুনৰুত্থান দিৱস ঃ গুড ফ্ৰাইডেৰ পাছৰ দেওবাৰটোক 'ইষ্টাৰ ডে' বোলে। খ্ৰীষ্টধৰ্মীসকলৰ বিশ্বাস যে যীছুক কবৰত দিযাৰ তিনি দিনৰ পিছত তেও কবৰৰ পৰা উঠিছিল। সেই কাৰণেই 'ইষ্টাৰ ডে' তেওঁলোকৰ আনন্দৰ দিন। এইদিনা পুৱা প্ৰায় চাৰে তিনিটাৰ সময়ত তেওঁলোকে পূৰ্বনিৰ্ধাৰিত কোনো ঠাইত লগ হৈ দলবদ্ধভাৱে নাচ-গান কৰি কৰি কবৰৰ স্থানলৈ গৈ প্ৰাৰ্থনা কৰে।

ইযাৰ পিছত গোটেই দিনটো নৃত্য-গীত কৰি আনন্দৰে খোৱা-বোৱা কৰে। পুনৰ আবেলি চাৰে তিনি বজাত গীৰ্জাত সকলোৱে গোট খাই উপাসনা কৰে। এই উৎসৱত মাছ-মাংস আদিৰ উপৰি পিঠা-পনা খোৱাৰ নিয়ম।

২.৯.১৯ যীছুৰ স্বৰ্গাৰোহণ বা এছাচিনেচন ডে ঃ চাহ-বাগিচাত খ্ৰীষ্টিয়ান মজদুৰসকলে প্ৰাৰ্থনাৰ দ্বাৰাই এই দিনটো পালন কৰে। এই উৎসবৰ কোনো দিন-ক্ষণ নাই।

'গুড ফ্ৰাইডে'ৰ আগৰ বৃহস্পতিবাৰটোৰ ৰাতিটোক 'লাষ্ট ছাপাৰ' বুলি কয়। তেওঁলোকৰ বিশ্বাস যে মৃত্যুৰ আগদিনা ৰাতি যীছুখ্ৰীষ্টই শিষ্যসকলৰ লগত শেষ ভোজন কৰি মূল্যৱান বহু উপদেশ দিছিল। তাকে সুঁৱৰি তেওঁলোকৰ বয়সস্থ স্ত্ৰী-পুৰুষসকলে এই ৰাতি গীৰ্জাত সমবেত হৈ সেই দিনটো 'লাষ্ট ছাপাৰ'ৰ স্মৃতিত ভোজসভা পাতে।

২.৯.২০ অসমৰ মুছলমান চাহ-মজদুৰসকলৰ উৎসৱ-পৰ্ব ঃ অসমৰ চাহ-বাগিচাত হিন্দু-খ্ৰীষ্টিয়ান ধৰ্মৰ লোক থকাৰ লগতে ইছলাম ধৰ্মৰ মজদুৰেও বসবাস কৰে। তেওঁলোকে তেওঁলোকৰ ধৰ্ম অনুসৰি উৎসৱ-পৰ্বসমূহ পালন কৰে। তাৰ ভিতৰত উল্লেখযোগ্য— ৰমজান, মহৰম, ঈদ পৰব, কোৰবানি, বকৰী ঈদ।

'ৰমজান' উৎসৱ ৰমজান মাহত পালন কৰে। এই উৎসৱ উপলক্ষে এমাহ ধৰি 'ৰোজা' বা ব্ৰত পালন কৰে। এমাহৰ মূৰত এই ৰোজা ভংগ কৰি মছজিদলৈ গৈ আল্লা বা ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনায়। তাৰ পৰা ঘৰলৈ আহি আনন্দ-স্ফূৰ্তি কৰি নানাবিধ পিঠা-পনা, মাছ-মাংসৰে আহাৰ খায়।

মহৰম উৎসৱত এওঁলোকে খোৱা-বোৱাৰ ওপৰত গুৰুত্ব নিদি আনন্দহে কৰে। সকলো মিলি লাঠি-জোং লৈ কাজিয়া কৰাৰ খেল খেলে। চাহ-মজদুৰৰ এইটো প্ৰিয় উৎসৱ। বাকী ঈদ পৰব, কোৰবানি, বকৰী ঈদ আদি উৎসৱত আনন্দ-স্ফূৰ্তি কৰি পাৰ কৰে। এদিনীয়া এই উৎসৱত তেওঁলোকে মিতিৰ-কুটুম মাতি আনন্দেৰে পাৰ কৰে।

মুছলমানধৰ্মী মজদুৰসকলৰ ধৰ্মীয় উৎসৱসমূহ বাদ দি হিন্দুসকলৰ বিবিধ উৎসৱত সহযোগ কৰে। অসমৰ চাহ-মজদুৰসকলৰ সংস্কৃতিৰ অন্তৰ্গত উৎসৱ-পৰ্বসমূহৰ লগত বিভিন্ন গীত-বাদ্য, নৃত্যৰ প্ৰচলন আছে।

২.১০ নৃত্য আৰু বাদ্য ঃ

অসমৰ চাহ-মজদুৰসকলৰ প্ৰায়ভাগ উৎসৱৰ লগত জড়িত নৃত্য হৈছে ঝুমুৰ নৃত্য। এই নৃত্য তেওঁলোকৰ প্ৰধান নৃত্য। কৰম পৰব, টুচু পৰব আদি প্ৰধান প্ৰধান পৰবসমূহুত এই নৃত্য পৰিবেশিত হয়। তদুপৰি ফাগুন মাহত পালন কৰা ফাগুন পৰব উপলক্ষে 'কাঠী নৃত্য' পৰিবেশন কৰে। মুছলমানধৰ্মী লোকসকলে মহৰম উপলক্ষে এই কাঠী নাচৰ সমসাময়িক নৃত্য পৰিবেশন কৰে। সেইদৰে গ্ৰামপূজা, কালীপূজা, মনসা পূজা আদি উৎসৱত এজন ব্যক্তিয়ে একপ্ৰকাৰ নৃত্য প্ৰদৰ্শন কৰে। সেইজনৰ এই নৃত্য পৰিবেশনত ব্যস্ত কৰি তোলে। এই নৃত্যক 'জাগুৱা' নৃত্য বা দেওধনি নৃত্য নামেৰে জনা যায়।

অসমৰ চাহ-মজদুৰসকলৰ প্ৰধান বাদ্যসমূহ হৈছে— মাদল, মৃদংগ, ঢাকঢোল, ঢুলকী, খঞ্জৰী, ঢক্কা, ঝায়া, জয়ঢাক, সুৰু খুটিতাল, তাল ইত্যাদি। বৰ্তমান আধুনিক শিক্ষিত সমাজৰ সংস্পৰ্শত মজদুৰসকলৰ গীত-মাতত আধুনিক শব্দ সোমোৱাৰ দৰে নৃত্য-বাদ্যতো আধুনিকতাৰ সমাবেশ ঘটিছে।

তৃতীয় অধ্যায়

৩.০.০ চাহ-মজদুৰৰ গীত-পদৰ চমু ইতিবৃত্ত

৩.১ লোকগীত অনাখৰী লোকৰ মৌলিক সৃষ্টি। লোকগীতৰ উৎপত্তিৰ মূলতে মানুহৰ স্থানীয় সংস্কাৰ, বিশ্বাস, সামাজিক ৰীতি-নীতি ইত্যাদি। লোকগীতে আঞ্চলিক বৈশিষ্ট্য বহন কৰে।

অসমৰ চাহ বাগিচাত কাম কৰিবলৈ ভাৰতৰ বিভিন্ন ঠাইৰ পৰা অহা এই মজদুৰসকলৰ গীতসমূহ অধ্যয়ন কৰিবলৈ যাওঁতে দেখা যায় মূলতঃ এই গীতসমূহ কৃষিনিৰ্ভৰ। শ্ৰমজীৱী মানৱ গোষ্ঠীৰ আনন্দ-বিনোদনৰ গীত। চাহ বাগিচালৈ আহি এই লোকসকল আবাসস্থলীত থাকি বাগিচাৰ কাম কৰোতে পূৰ্বৰ খেতি, চিকাৰ কৰা আদি মুকলিমূৰীয়া জীৱনৰ ওৰ পৰিল। দলগতভাৱে কাম কৰি গধূলি দিনটোৰ ভাগৰ আঁতৰাবলৈ কৰা নৃত্য-গীত আদিত এই ঠাইৰ ভৌগোলিক প্ৰভাৱ পৰিলক্ষিত হয়।

বাগিচাৰ শিৰীষ গছৰ ছায়া, সেউজীয়া চাহ গছৰ কেঁচাপাতৰ কোমল গোন্ধ, মেচিনৰ শব্দ আদি মনৰ মাজত বাজি উঠাত গীততো এইবোৰ সোমাই পৰিছে। আনহাতে দুপৰীয়া ৰ'দত পিয়াহ আঁতৰাবলৈ এটোপা ফিকাচাহ, পিন্ধা কাপোৰ, বাগানৰ চাহাবকে ধৰি অন্যান্য কৰ্মচাৰীসকলৰ পৰা পোৱা গালি-শপনি আদিয়ে জীৱনৰ প্ৰতি আক্ৰোশ আৰু ঘৃণাৰ উদ্ৰেক কৰি মন আৰু প্ৰকৃতিৰ নতুন চিত্ৰৰূপ অংকন কৰিছে।

চাহ মজদুৰসকলৰ গীত-পদসমূহৰ বৈচিত্ৰ্য, বিস্তাৰ আৰু ভাবৰ গভীৰতা অপৰিসীম। বেছিভাগ গীতেই সমবেত বা সমষ্টি নৃত্যৰ সহযোগত পৰিবেশিত হয়। ডম্‌কচ্‌ গীত আদি দুই-এটা একক কণ্ঠত গোৱা হয় যদিও বেছিভাগ গীতেই সমবেত কণ্ঠত পৰিবেশিত হয়। মৌখিক সাহিত্য কাৰণেই অঞ্চলভেদে এই গীতবোৰৰ উচ্চাৰণৰ তাৰতম্য ঘটে। মজদুৰ সমাজৰ সকলোৱে শৈশৱৰ পৰাই বিভিন্ন পূজা-পাৰ্বণ আৰু উৎসৱ আদিত দলবদ্ধভাৱে নাচিবলৈ আৰু গাবলৈ শিকে। এই গীতসমূহ সম্প্ৰদায়ভেদে সুকীয়া সুকীয়া হ'লেও বৰ্তমান উমৈহতীয়া গীতত পৰিণত হৈছে। অসমৰ চাহ মজদুৰসকলৰ মাজত বৰ্তমান যিবোৰ গীত-মাত আছে তাত সকলো মিশ্ৰিত হৈছে। আধুনিকতাৰ প্ৰভাৱ পৰি হিন্দী বোলছবিৰ গীতৰ টুকুৰাও সোমাই পৰিছে।

চাহ-মজদুৰসকলৰ এই গীতসমূহ সাধাৰণতে ধৰ্মপ্ৰধান। অৱশ্যে ধৰ্মীয় প্ৰভাৱ নথকা সামাজিক আৰু আনুষ্ঠানিক গীতো আছে। এই গীত চাৰিভাগত বিভক্ত—

(ক) ধৰ্মমূলক গীত

(খ) অনুষ্ঠানমূলক গীত

(গ) সামাজিক গীত

(ঘ) অন্যান্য গীত

৩.২ **ধৰ্মমূলক গীত ঃ** অসমৰ চাহ-বাগিচাত কাম কৰা চাহ-মজদুৰসকল হিন্দু, মুছলমান আৰু খ্ৰীষ্টিয়ান ধৰ্মৰ লোক। ধৰ্মভেদে মজদুৰসকলে বিভিন্ন উৎসৱ পালন কৰে। কিছুমান পৰব আছে যিবোৰ ভিন্ন ধৰ্মাৱলম্বী লোকসকলে সমবেত হৈ উপভোগ কৰে। যেনে— কৰম পৰব। এই পৰব হিন্দু ধৰ্মৰ লোকসকলে পালন কৰিলেও অন্য ধৰ্মৰ লোকসকলেও এই পৰবৰ লগত জড়িত নৃত্য-গীতত সহযোগ কৰাৰ উপৰি উপভোগ কৰে।

হিন্দু ধৰ্মাৱলম্বী লোক অন্য ধৰ্মাবলম্বী লোকতকৈ অধিক। মুছলমান মজদুৰসকলে তেওঁলোকৰ উৎসৱত গীত গোৱাৰ উল্লেখ পোৱা নাই। খ্ৰীষ্টিয়ানসকলে তেওঁলোকৰ উৎসৱত ভিন্ন গীত গোৱা দেখা যায়। ধৰ্মীয় পূজা-পাৰ্বণ উপলক্ষে যিবোৰ গীতৰ প্ৰচলন আছে সেই গীতসমূহক এই শ্ৰেণীত অন্তৰ্ভুক্ত কৰা হৈছে। হিন্দুধৰ্মী অসমৰ এই চাহ-মজদুৰসকলে পালন কৰা বিভিন্ন উৎসৱ, গীত, নৃত্যৰ ভিন ভিন কাৰণত পৰিৱৰ্তন হ'লেও সেই নামকৰণেৰে আজিও চলি আহিছে।

ধৰ্মমূলক গীতসমূহৰ ভিতৰত ঝুমুৰ গীত (কৰম পৰবৰ লগত বিশেষভাৱে জড়িত), সাঁহৰাই গীত (কালীপূজাৰ লগত জড়িত), টুচু গীত (টুচু পূজাৰ লগত জড়িত), মনসা গীত (মনসা পূজাৰ লগত জড়িত), চড়ক পূজাৰ গীত, চাৰহুল উৎসৱৰ গীত। খ্ৰীষ্টিয়ানসকলৰ নৱবৰ্ষৰ গান, যীছুৰ মহাযাত্ৰাৰ গান ইত্যাদি।

৩.২.১ **ঝুমুৰ গীত ঃ** ঝুমুৰ নৃত্য-গীত অসমৰ চাহ-মজদুৰৰ সাংস্কৃতিক সমন্বয়ৰ প্ৰতীকস্বৰূপ। ঝুমুৰ গীত তেওঁলোকৰ শ্ৰমজীৱী জীৱনৰ স্বতঃস্ফূৰ্ত অভিব্যক্তি।

'ঝুমুৰ' শব্দৰ সংজ্ঞা বিভিন্নজনে বিভিন্ন ধৰণে দিয়ে। চাহ-মজদুৰসকলৰ মাজত মুখ বাগৰি অহা এটা সংজ্ঞা মতে 'ঝুম' শব্দৰ অৰ্থ হ'ল 'জুম পাতি' বা 'দল বান্ধি' থকা আৰু 'মইৰ' শব্দৰ অৰ্থ 'শাৰীপাতি ঘূৰি থকা'। 'ঝুমুৰ গীত' শব্দটোৰ অৰ্থ হ'ব এনেধৰণৰ— দলবান্ধি বা জুমপাতি শাৰীপাতি ঘূৰি ঘূৰি নচা গীত।

কৰম পৰব উপলক্ষে ঝুমুৰ নৃত্য-গীত পৰিবেশিত হয়। কৰম পৰব মূলতঃ কৃষি উৎসৱ। গতিকে কৃষিকৰ্মৰ সৈতে জড়িত শ্ৰমজীৱনৰ আশা-আকাংক্ষা, হৰ্ষ-বিষাদ, পোৱাৰ আনন্দ, নোপোৱাৰ বেদনা, হিয়াৰ গোপন তলিৰ পৰা ঝুমুৰ গীতৰ মাজেদি প্ৰকাশ পায়। অসমৰ সকলো গোষ্ঠীৰ চাহ-মজদুৰসকলে ঝুমুৰ গীত আৰু নৃত্য

পৰিবেশন কৰে। 'ঝুমুৰ গীত'ৰ প্ৰচলন ইমানেই বেছি যে চাহ্-মজদুৰৰ গীত বুলি ক'লে জনসাধাৰণে ঝুমুৰ গীতকে বুজে।

ঝুমুৰ গীতৰ কেইবাটাও প্ৰকাৰ আছে। সেই প্ৰকাৰ বা ভাগসমূহ এনেধৰণে কৰিব পাৰি।

(ক) বন্দনা
(খ) ডাঁড়শলীয়া
(গ) ঝিঙাফুলীয়া
(ঘ) খেম্‌টা বা ৰং
(ঙ) গ'লৱাৰী
(চ) ভিন্‌সৰিয়া।

অৱশ্যে উদীয়মান লেখক সুশীল কুৰ্মিয়ে এই গীতসমূহক তলত দিয়া ধৰণে ভাগ কৰিবলৈ যত্ন কৰিছে—

(ক) পাতাশালীয়া ঝুমুৰ
(খ) বৈঠকখানা ঝুমুৰ
(গ) গ'লৱাৰী ঝুমুৰ
(ঘ) খেম্‌তা
(ঙ) শৌৰগোজীয়া গড়ৰ ঝুমুৰ
(চ) ঠাট্ ঝুমুৰ
(ছ) চাওতাল ঝুমুৰ
(জ) উৰিয়া ঝুমুৰ।

৩.২.২ বন্দনা ঃ অসমৰ চাহ-মজদুৰসকল বিশেষকৈ হিন্দুধৰ্মী লোকসকলে কৰম পৰব উপলক্ষে ঝুমুৰ নৃত্য-গীত পৰিবেশন কৰোতে প্ৰথমতে বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতীৰ বন্দনা কৰি আখৰাৰ শুভাৰম্ভ কৰে। এই গীতৰ ছন্দত প্ৰচণ্ড উদ্দামতা, উল্লাস বা আক্ষেপৰ প্ৰকাশ নাথাকে। আৰাধ্য দেৱ-দেৱীৰ উদ্দেশে কৰা ভক্তিপূৰ্ণ নিবেদনহে থাকে। যেনে—

(ক) "আখৰা বন্দনা কৰি
সৰস্বতী মাগো বলি
আখৰা বন্দনা ব্ৰজগৰী মদন-ঝুমইৰ লাগল জড়ী"।।

(খ) "আইগ মা সৰস্বতী
কণ্ঠে দেগ' মা'ভৰ
তোমাৰ চৰণে আমৰা, খেলিব ঝুমুৰ"

সৰস্বতী দেৱীক বন্দনা কৰি ঝুমুৰ নৃত্য-গীতৰ আখৰা আৰম্ভ কৰিলেও এই শ্ৰেণীৰ গীতত ৰাম-সীতাৰ কাহিনী, কৃষ্ণৰ বৃন্দাবনৰ লীলা বিষয়ক গীত গায়। যেনে—

(ক) "ৰাজা জনকপুৰে দাৰুণ পুণ্য কৰে
যে ভাংগিতে পাৰে গণ্ডীবান
তাৰে দিব সীতা
জানকী দান।"

(খ) "হাতে হাতে ভিক্ষা দিতে

সীতাকে তুলিল ৰথে,
ৰথ চলিল শূন্যপথে
সীতা কান্দে ৰঘুনাথ বলে।।"

(গ) "নীল বানৰে পাষাণ চুৰে
লেখল ৰামেৰে নাম ৰে,
সেই পাষাণ বাৰীতে দিয়ে
ভিংগাইল সাগৰ ৰে।।"

ৰাধা-কৃষ্ণ বিষয়ক গীতৰ উদাহৰণ—

(ক) "আইল গোপীগণ
ধৰিব কেমন মন
ৰিদয় মাজে
বাজছে কাটেৰ বাঁশী
ৰাধে ৰাধে।।"

(খ) "চিটিটা দিয়ে দিব
বাঁশীটা নিয়ে নিব
বাচুৰকে খেদায়ে দিব বনে
একা কৃষ্ণ কি কৰিব বনে।।"

(গ) "শুনিয়া পঞ্চম নাদ বঢ়াইল মদন
শুনি কামে বিমোহিত ভৈল গোপীগণ
কৃষ্ণক দেখিতে উত্ৰাৱল হৈয়ো বৰ
ধ্বনি নিৰীক্ষণে সেৱে দিলেক লৱৰ।"

এই ধৰণৰ গীতৰ উপৰি বন্দনা গীতত কৰম দেৱতাৰ উদ্দেশে ৰচিত গীতসমূহো গোৱা হয়। কৰম পূজাৰ আৰম্ভণি, জাৱা জগোৱা গীত, গণেশ দেৱতাৰ প্ৰতি প্ৰাৰ্থনাসূচক গীত, চণ্ডুত জাগা গীত, ডাল কাটোতে গোৱা গীত, ফুল ছিঙোতে গোৱা গীত, ঘৰে ঘৰে কৰম দেৱতাক ফুৰাওঁতে গোৱা গীতসমূহো এই বন্দনা গীতৰে অন্তৰ্ভুক্ত, ইয়ো বন্দনাৰে এটা বিশেষ বিভাগ। বন্দনা গীতৰে আন এটা উপবিভাগৰূপে পৰিলক্ষিত কৰম পূজাৰ আৰম্ভণিত গোৱা গীত ঃ

"ইটি ইটি জায়া কিয়া কিয়া জাৱা,
জাৱা জাগল মা ধন বহুৰা।
সেহৰে ধন একপাতা ছয়ৰৈ,
ৰাঙা হৰিণ চৰি চৰি যায়ৰে।
ছাড় ছাড় গম, হামৰি বাটৰে,

বাট টেকিয়ে গম, কিয়া ফল পায়ৰে।
পাৱলাম ভাই ৰে কৰম গোসাইৰে,
মৰ ভায়া বাঢ়োক লাখ বৰিষৰে।"

বন্দনা গীতৰে উপ-বিভাগৰূপে পৰিগণিত জাৱা জগোৱা গীত ঃ

"ছটে মটে হামাৰ কুঠি
মাজে কাৰলি আখৰা
আজুৰে ধৰতী মাতা
জাৱা জাগৰা।"

বন্দনা গীতৰে উপ-বিভাগ গণেশ দেৱতাৰ বাহন নিগনিৰ প্ৰতি প্ৰাৰ্থনা জনাই গোৱা গীত ঃ

"জাৱা না কাটি হ' মু'চা
জাৱা না কাটি হ' ৰে,
গণেশ দেৱেৰ দায়ী মু'চা
কৰম ৰাজাৰ সেৱা।"

বন্দনা গীতৰে উপ-বিভাগ চঞ্জত জগোৱা গীত ঃ

'পৰি হ' গবৰল গৰাৰে আংগনামে
আইজ গ'ৰীৰ বিহা হয়ে যায়।"

বন্দনা গীতৰে উপ-বিভাগ কৰমৰ ডাল কাটোতে গোৱা গীত ঃ

"ডাল কাটে দে দাদা
ডাল কাটে দে
কৰম পাতা ভিজি পানী
আইল দে।"

বন্দনা গীতৰে উপ-বিভাগ ফুল ছিঙোতে গোৱা গীত ঃ

"মুগ, বুট ফুলি গেল
ফুল্লড়ী ল'ৰে
হামি শশুৰ যাইব গ'
কৰমেৰ সেৱা কি ধনী ধনী।"

বন্দনা গীতৰে উপ-বিভাগ কৰম দেৱতাক ফুৰাওঁতে গোৱা গীত ঃ

"আইজৰে কৰম ৰাজা
ঘৰে-দুৱাৰে
কাইল ৰে কৰম ৰাজা
কাঁশ নদীৰ তীৰে।"

৩.২.৩ **ডাঁড়শালীয়া গীত :** বন্দনা গীত শেষ হোৱাৰ পাছত ডাঁড়শালীয়া গীত পৰিবেশন কৰে। 'ডাঁড়শালীয়া' শব্দৰ অৰ্থ হৈছে 'ডাঁড়' মানে ধৰাধৰিকৈ, 'শালীয়া' মানে শাৰীপাতা অৰ্থাৎ ধৰাধৰিকৈ শাৰীপাতা। এই গীতৰ লয় বন্দনা গীততকৈ কিছু দ্ৰুত হয়। নাচনীসকলে এই গীত আৰম্ভ হ'লেই হাতত ধৰাধৰিকৈ এটা গাঁথনিত অৰ্ধ চক্ৰাকাৰে নৃত্য কৰে। এই গীতত নাচনী আৰু বাদ্য বজোৱাসকলৰ অংগ সঞ্চালনত চঞ্চলতা প্ৰকাশ পায়। কিন্তু সেই চঞ্চলতাত উল্লাসৰ তীব্ৰতা সমূলি নাথাকে। যেনে—

(ক) "বড়ি দুৰসে আৱলি
　　এক গীত গাৱলি
মৰগীত ঝুকি দিহা গ'
　　আগেকে নাচয়ো বড়ি ৰিঝ লগত গয়া।"

(খ) মনে উঠে মনস্তাপ দিব নেকি জলে ঝাপ,
ঝাপ দিলে ডুবিয়ে মৰিব, কেমন নদীয়া পাৰ হ'ব,
যে নদী পাৰ কৰে, তাকে দিব গলাৰ হাৰ,
আধা প্ৰাণ তাহাৰে সঁপিব, কেমন নদীয়া পাৰ হ'ব।

(গ) ভূষা কুটতে নৰ, কিশৰলয় হৰি হৰ
অন্তকালে পন্থ ভুলিগেল, কাহে বিবি নৰ জন্ম দিল,
মাই বাপ দূৰে গেল, দাসী প্যাৰী ভেল
অন্তকালে পন্থ ভুলিগেল, কাহে বিধি নৰ জন্ম দিল।

৩.২.৪ **ঝিঙাফুলীয়া গীত :** ভাদ মাহত ফুলা জিকাফুলক কেন্দ্ৰ কৰি কৰমতীসকলে যি গীত পৰিবেশন কৰে তাক ঝিঙাফুলীয়া ঝুমুৰ গীত বুলি কয়। এই গীতৰ লগত পৰিবেশন কৰা নৃত্যৰ ঠাঁচত যৌৱন আৰু আনন্দৰ পূৰ্ণ প্ৰকাশ ঘটাত এই নৃত্যৰ ছন্দ অতি খৰ হয়। এই জাতীয় গীতবোৰ চুটি চুটি। তদুপৰি এই গীতবোৰত যৌৱনৰ উতনুৱা মনৰ ছবি সঘনাই ৰূপায়িত হয়। সেইবুলি উৎকট যৌনগন্ধী ভংগিমা সেই নৃত্যত প্ৰকাশ নাপায়। কিয়নো এই বিষয়ত কিছু বাধা-নিষেধ আছে। যেনে—

(ক) ঝিংগা ফুলে ধৰল কলি সভিন কৰে ভালা ভালি,
হামৰ মনেকে আশা মনে ৰহি গেলি গো,
বড়িয়ে সময় বিতি গেলি।
যইসে ফুলা ফুটিল তাইসে ভ্ৰমৰ যাজুটল
ফুটিল মধুনা মিললি গো
বড়িয়ে সময় বেতি গেলি।

(খ) আমি সিকি এক আনা,

তুই টাকায় ষোল আনা,
মন বাঁক কেন ছাঁদ বদনিলো হে ধনি।

(গ) কাঁসি ফুল ফুটি গেল
আশা মৰ লাগি গেল
কবেৰে আৱত ভায়া মৰ সাজন।

৩.২.৫ **গ'লৱাৰী ঝুমুৰ গীত** ঃ দোভাগ ৰাতি গহীন পৰিবেশত হৃদয়ৰ নিভৃত কোণৰ বেদনা, হিয়াৰ আকুতি, আধ্যাত্মিক চিন্তা আৰু দাৰ্শনিক ভাবৰ সৈতে জড়িত ঝুমুৰ নৃত্য-গীতকে গ'লৱাৰী ঝুমুৰ বোলে। এই গীতবিলাক দীঘলীয়া সুৰেৰে কিছু লেহেমীয়াকৈ গোৱা দেখা যায়। সেই কাৰণে তালৰ গতি ধীৰ হয় আৰু ছন্দও ধীৰ হয়। এই শ্ৰেণী গীতৰ নৃত্যত নাচনীসকলৰ অংগ সঞ্চালনৰ লয়লাস মন কৰিবলগীয়া, তাত কিন্তু অসংযত ভাবাৱেগৰ অভিব্যক্তি দেখা নাযায়। যেনে—

(ক) মায়ে বাপ জনম দিল
নাবালকে বিবাহ দিল
শশুৰ ঘৰ খাটিতে নাপাৰি
ঘূৰিয়ে আসলি লহাড় খাড়ো।

(খ) হায়ৰে বিধি কি লিখিল
দুখ বিনে সুখ নাহি দিল
অন্তৰে ৰহিল শেল গাথা
যখন মনে পৰে তব কথা।

(গ) সব পিয়া ঘৰ, মৰ পিয়া মাটি তৰ,
হাইৰে দয়ামৰ, কন দষে পিয়া হ'লে পৰ,
কহতো বিনন্দীয়া, কেইসে ধৰব হিয়া
হাইৰে দয়ামৰ লেইয়ে চলো পিয়া জাঁহা মৰ।

৩.২.৬ **ভিনসৰিয়া ঝুমুৰ গীত** ঃ ৰাতিৰ শেষ প্ৰহৰত গোৱা ঝুমুৰ গীতেই হৈছে ভিন্‌সৰিয়া ঝুমুৰ গীত। 'ভিনসৰ'ৰ অৰ্থ হ'ল 'ৰাতিৰ শেষ প্ৰহৰ'। ওৰে নিশা এনেকুৱা নৃত্য-গীতত ব্যস্ত হৈ থাকি ঝমুৰ নৃত্য-গীতত ভাগ লোৱা লোকসকল অতি ক্লান্ত হৈ পৰে। শেষৰাতি সেই পৰিশ্ৰান্ত দেহাৰেই তেওঁলোকে এই নৃত্য-গীতত মত্ত হৈ পৰে। এই নৃত্য-গীত অতি মন্থৰ গতিত আৰম্ভ হয়, কিন্তু ক্ৰমশঃ সি দ্ৰুত লয়লাসৰ মাজেৰে খৰ হৈ পৰে। ভিন্‌সৰিয়া গীত আৰু নৃত্য উভয়ৰে এই দ্ৰুতগতি আচলতে আৰম্ভণিৰ পৰা ক্ৰমবৰ্ধমানভাৱে দ্ৰুতৰ পৰা দ্ৰুততৰ হোৱাটো এটা বিশেষ মন কৰিবলগীয়া কথা। যেনে—

(ক) "গগন উঠিল বেলা

কতনা কৰিব খেলাৰে
পাছ কদম ফেৰি
ডাল ধৰি হৰি বংশী বজায় বহু ছল কৰি।"

(খ) "গত নিশি কেথেছিলে, প্ৰভাতে শ্যাম দেখা দিলে
যাওহে বন্ধু যাওহে চলে কুঞ্জেৰ বাহিৰে,
প্ৰভাতে লাগৰ আসি, ৰাইৰ পাসেতে বসি
ক'ত কৰেন গো মিনতী।"

(গ) "তলেত তাৰ ডাল-পাত ওপৰে তাৰ ফুল,
সখি, মধ্যে ফুটে ফুল,
মূৰ্খে কি বুঝিবে পণ্ডিত হইল বাউল,
সখি, মধ্যে ফুটে ফুল,
আগে পড়ে ফল পিছে পড়ে ফুল,
সখি, মধ্যে ফুটে ফুল,
মূৰ্খে কি বুঝিবে পণ্ডিত হইল বাউল
সখি, মধ্যে ফুটে ফুল।

৩.২.৭ **খেমটা গীত ঃ** মূল ঝুমুৰ গীত অধিক দৃঢ় আৰু ৰসাল কৰি তুলিবলৈ বুলিয়ে নৃত্য-গীতৰ ৰহণ দুগুণে চৰাবলৈ ঝুমুৰ গীতৰ শেষত খেমটা সুৰৰ গীত গোৱাটো এটা প্ৰচলিত নিয়ম। এই খেমটা সুৰৰ ঝুমুৰ গীতবোৰ চুটি চুটি। ইয়াক দীঘলীয়া কৰিবৰ কাৰণে ত্ৰা-না-না আদিৰে বিস্তাৰ কৰা হয়। এই খেমটা সুৰৰ গীতবোৰৰ ভাষাত বাংলা প্ৰভাৱ লক্ষ্য কৰা যায়। মজদুৰসকলে পূৰ্বৰ বাংলা ভাষাৰ গীতেই সম্ভৱতঃ অসমৰ বাগিচাৰ পটভূমিত স্থানীয় ভাষাৰ ৰহণ সানি কিছু সলনি কৰি পেলাইছে। এয়া স্থানীয় থলুৱা প্ৰভাৱভিন্ন আন একো নহয়।

(ক) "আৰ আমি যাবনা যমুনাৰ জলকে গো
আৰ আমি যাব না,
পথে মাঠে কালা, কৰে বিষম জ্বালা
কলসীতে ঢেলা, ঢেলা মাৰেছে কালকে গো
আৰ আমি যাবনা, যমুনাৰ জলকে গো।"

(খ) "আষাঢ় শ্ৰাৱণ মাসে
বকলি পিয়াসে মৰে,
কনচিকা কুঁৱা কোড় দেল
মায়ী জাল ভেটনা ভেল।"

(গ) "বড় ঘৰেৰ বহু বেটী

বাবু তায়া লেলৌ লুটী,
উলটি পিন্ধিল লাল শাড়ী
দহৰি চঘল' ৰে'লগাড়ী।" ইত্যাদি

ইয়াৰ উপৰি আঞ্চলিক প্ৰভাৱ থকা ঝুমুৰ গীত যথেষ্ট দেখা যায়। তামাড় অঞ্চলৰ পৰা অসমৰ চাহ-মজদুৰসকলে পৰিবেশন কৰা ঝুমুৰ গীতক 'তামাড়িয়ী' ঝুমুৰ, নাগপুৰীয়া, ৰাঁচী, হাজাৰীবাগ আদি ঠাইৰ পৰা অহা লোকসকলৰ মাজত প্ৰচলিত ঝুমুৰ গীতক 'লহচবা ঝুমুৰ' বোলে।

অসমত বসবাস কৰা চাহ মজদুৰসকলৰ মাজত থকা বিভিন্ন জাতি যেনে— ওৰাং, মুণ্ডাৰী, খাড়িয়ী আদি লোকৰ ঝুমুৰ গীত, বা অন্যান্য গীতৰ সুৰ একেই ধৰণৰ। আনহাতে ভূমিজ কৰ্মকাৰ আৰু মালপাহাৰি লোকৰ গীতৰ সুৰ একে হয় যদিও আচলতে সেই গীতৰ ভাষা বেলেগ। যেনে—

"শংখ বাজে ঘণ্টা বাজে
বাজে কৰতাল
মধুৰ মৃদংগ বাজে শুনিতে ৰসাল দাদা
অ' দাদা সুখ নাহি আসিছ গ'
আৰ বাজে ধমসা বাজনা।

৩.২.৮ **সাঁহৰাই গীত** ঃ দুৰ্গা পূজাৰ পিছৰ অমাৱস্যা তিথিত অসমৰ চাহ-মজদুৰসকলে সাঁহৰাই বা গৰয়া পূজা বা গহাল পূজা বা বাঁদনা পৰব পালন কৰে। এই উৎসৱ বা পূজা উপলক্ষে কৰা বিভিন্ন নীতি-নিয়মৰ লগতে দলবান্ধি গীত গায়। এই গীতক সাঁহৰাই গীত বা জাহলী গীত বুলি কয়। তেওঁলোকে পালন কৰা এই পূজা মূলতঃ কৃষিভিত্তিক। গৰু, গৰখীয়া, গোহালিক পূজা কৰা হয় এই উৎসৱত। চাহ-মজদুৰসকলে পদূলিয়ে পদূলিয়ে বত্তি প্ৰজ্বলন কৰি দলবান্ধি ঘৰে ঘৰে এই গীত গাই ফুৰে। অসমীয়া সমাজত প্ৰচলিত হুঁচৰি গীতৰ সমজাতীয় গীত এইবোৰ। এই গীতবোৰত সাধাৰণতে গৰু, পথাৰ, খেতি, গৰখীয়া, হালোৱা, শ্ৰীকৃষ্ণৰ গৰু চৰোৱা, গৰখীয়া স্বৰূপে বাঁহী বজাই ফুৰা শ্ৰীকৃষ্ণৰ বিবিধ কাৰ্য-কলাপৰ বৰ্ণনা থকা দেখা যায়। এই গীতবোৰ সেয়েহে গৰখীয়া গীতৰূপেও পৰিচিত। কিছুমান গীত গো-দেৱীক উদ্দেশ্য কৰিও গোৱা দেখা যায়। এই গীতবোৰ পৰিবেশন কৰোতে সাধাৰণতে 'অহিৰে' শব্দটোৰে আৰম্ভ কৰে। যেনে—

(ক) (অহিৰে) প্ৰথমে বন্দনা কৰি গণেশ চৰণৰ বাবুহে
দ্বিতীয়তে লক্ষ্মী নাৰায়ণ,
তৃতীয়ে বন্দনা কৰি দুৰ্গাশলী পাণিহে
চতুৰ্থতে ব্ৰহ্মা হুতাশন।

অৰ্থাৎ, প্ৰথমতে গণেশৰ চৰণত বন্দনা কৰো, দ্বিতীয়তে লক্ষ্মীনাৰায়ণ, তৃতীয়তে বন্দনা কৰো দুৰ্গা শশীক আৰু চতুৰ্থতে ব্ৰহ্মা-হুতাশনক প্ৰণাম কৰো।

(খ) (অহিৰে) "শুন শুন ভাই কানুলক্ষ ধেনুহে
কোচৰে কৰি হৰণ,
খুজিয়া না পাইলাম একটিও গো ধনহে
ফিৰে আইলাম সে কাৰণ।"

(গ) (অহিৰে) "এতেকে ভাবিয়া কহে প্ৰভু নাৰায়ণ হে
ধৈৰ্যধৰ যত সখীগণ,
এখন আনিব ন লক্ষ ধেনুগণহে
কেনসবে চিন্তা অকাৰণ।"

কিছুমান সাঁহৰাই গীতত দেহতত্ত্ব সম্পৰ্কীয় কথাও অন্তৰ্নিহিত হৈ থাকে। 'জীৱন মানে কি, আত্মীয়-স্বজন, পুত্ৰ-পৰিবাৰ সকলো যে মিছা কেৱল দুদিনৰ লগৰীয়া, মায়ামোহত যে মানুহ আবদ্ধ আদি কথাৰ বৰ্ণনা দেখা যায়। যেনে–

"আঁঠু ভৰি কাদা প্ৰভু
ঠেওনা ভৰি পানী
তাহাইচৰ ৰাখল দাড়াই
পায়না ঘূৰাই যখন মাৰবে
তখন জীৱে না সহায়।

৩.২.৯ **টুচুগীত ঃ** পুহ মাহৰ সংক্ৰান্তিৰ দিনা অনুষ্ঠিত হোৱা টুচুপূজা উপলক্ষে অসমৰ চাহ-মজদুৰসকলে যিবোৰ গীত গায় সেই গীতসমূহক টুচুগীত বোলে। এই টুচুগীতত অসমীয়া বিহুগীতৰ দৰে প্ৰেমৰ বৰ্ণনা আছে লগতে ধৰ্মীয় আৰু সামাজিক ৰীতি-নীতিৰো উল্লেখ আছে। এই গীতসমূহ টুচুৰ থাপনা পতাৰ দিনাৰ পৰা সন্ধিয়া সময়ত পূজাৰ দিনালৈকে গোৱা হয়। এই গীতত উপমা-পটন্তৰৰ প্ৰয়োগত বৈচিত্ৰ্য চকুত পৰে।

টুচুগীত আৰম্ভ কৰোতে লগৰীয়াসকলৰ যিকোনো এগৰাকীয়ে গীতটো আৰম্ভ কৰি দিয়ে আৰু লগৰীয়াসকলে সুৰ ধৰি গাই যায়। যেনে–

(ক) "তেল দিলাম শলিতা দিলাম, স্বৰ্গে দিলাম বাতিগ'।
সকল দেৱী সইনঝা লেওমা, ঘৰেৰ কুলৱতী গ' "

(খ) 'টুচু মণিৰ কলে
হেলন দিয়ে জল খাব
আঁচল তলে
টুচু মণিৰ কলে।"

(গ) "ওদেৰ টুচু ফুলেভৰা
পূর্ণিমা চাঁদেৰ আহলা
ভ্ৰমণ কৰে ৰাখবে তৰা
মাই বাপেৰ কদম তলা।"

টুচু গীতৰ লহৰে লহৰে ডেকা-গাভৰুসকলে মনৰ গোপন তলিৰ বহুত কথাও ব্যক্ত কৰে। গোটেই ৰাতিটো এই গীত গাই নাচি নাচি পুৱা বেদীৰ সেই দেৱীক নদী, বিল, পুখুৰী আদিৰ পানীত বিসর্জন দি উভতি আহি পূজাৰ থলী পোৱাৰ পিছতহে গীতৰ সামৰণি মাৰে।

আন এটা অতি আশ্চর্যজনক কথা এই টুচুগীতৰ কাহিনীৰ বর্ণনা। তাত 'ৰামায়ণ'ৰ সৰস কাহিনীয়েও ঠাই পাইছে। ৰাৱণে সীতাক হৰণ কৰা, অশোক বনত সীতাৰ দুৰৱস্থাৰ কথাও টুচু গীতত ঠাই পাইছে। যেনে—

(ক) "অশোক বনে পাতেৰে ঘৰে
সীতাক ৰাম ৰাখেছে
যোগীৰ ভেশে ৰাৱণ আসে
সীতা হৰণ কৰেছে।"

(খ) "সীতা লেগল ভালই কৰলে
ৰাখবি ৰাৱণ যতনে,
দেখবৰে তৰ সনাৰ লংকা
দিবৰে দহন কৰে।"

টুচু গীতবোৰত চাহ-মজদুৰৰ জন-জীৱনৰ সুখ-দুখ, হাঁহি-কান্দোন তথা সমাজ জীৱনৰ ছবি সুন্দৰভাৱে প্ৰকাশ পাইছে।

টুচুগীতসমূহক বিষয়বস্তু আৰু বিবিধ অৱস্থাৰ ওপৰত ভিত্তি কৰি বিভিন্ন ধৰণেৰে ভাগ কৰা হয়। যেনে—

(ক) টুচু জাগৰণ গীত
(খ) আদৰণী গীত
(গ) বন্দনা গীত
(ঘ) টুচুৰ বৰ বিচৰা গীত
(ঙ) টুচুৰ ৰূপ-যৌৱন তথা গুণানুকীর্তনমূলক গীত
(চ) টুচুৰ বিবাহ গীত
(ছ) ফুলৰ মালাৰ বর্ণনা থকা গীত
(জ) যোৰা গীত
(ঝ) টুচু ফুৰোৱা গীত

(ঞ) টুচুৰ বিদায়ৰ গীত

টুচু জাগৰণ গীত ঃ এই শ্ৰেণীৰ গীতসমূহ প্ৰথম পুহৰ দিনাৰ পৰা প্ৰতিদিনে সন্ধিয়া গোৱা হয়। এই গীত গোৱা ৰীতি মাহটোৰ প্ৰথম দিনৰ পৰা শেষ দিনালৈ অৰ্থাৎ দোমাহীলৈকে চলি থাকে। এই গীতসমূহৰ দ্বাৰা টুচু দেৱীক জাগৃত কৰে। পুহৰ প্ৰথমদিনা কোনো এটি পৰিয়ালৰ ঘৰৰ এটি কোঠাত থাপনা পাতি তাত চাকি, ধূপ-ধূনা জ্বলাই টুচু দেৱীক প্ৰতিষ্ঠা কৰে। সেইদিনা সন্ধিয়াৰ পৰা টুচু দেৱীক জাগৃত কৰিবৰ কাৰণে চাহ-মজদুৰৰ ডেকা-গাভৰুসকলে গীত-নৃত্য আৰু বাদ্য বজায়। তাকেই তেওঁলোকে আখৰা বোলে। এই গীতসমূহত ভক্তিৰ ভাব ফুটি উঠে। যেনে–

(ক) "তেল দিলাম শলিতা দিলাম
স্বৰ্গে দিলাম বাতি গ'
সকল দেৱী সইন্‌ঝা লেওমা
ঘৰেৰ কুলৱতী গ'।"

(খ) "গাই আইল বাছুৰ আইল
আইলৰে ভগৱতী,
একে একে সইন্‌ঝা লেওমা
ঘৰেৰ কুলৱতী গ'।"

(গ) চান্দকে ঘেৰে তাৰা যেমন
আৰ যেৰে গোপীগণ
হামৰা সবাই ঘেৰে বসি
হবেক টুচুৰ জাগৰণ।" ইত্যাদি

আদৰণী গীত ঃ পুহ-মাঘৰ দোমাহীৰ দিনা অৰ্থাৎ টুচু পূজাৰ দিনা সন্ধিয়া টুচু দেৱীক থাপনা পতা ঘৰখনৰ পৰা সজাই-পৰাই পূজাৰ থলীলৈ লৈ আহে। এইদৰে টুচু দেৱীক লৈ আহোতে উলহ-মালহেৰে যিবোৰ গীত গায় সেই গীতবোৰকে আদৰণী গীত আখ্যা দিয়ে। যেনে–

(ক) "টুচুকে আনিতে যাব
চন্দন কাঠেৰ চৌড়লে,
যদি টুচু দয়া কৰে
ৰাখব সণাৰ মন্দিৰে।"

(খ) "বেলা উঠে কিনি কিনি তবু টুসু উঠেনা
উঠ টুসু চাওন কৰ আমায় জ্বালা দিওনা।"

(গ) "জলকে যাব জলকে যাব

জল ঘাটে শুধু খালি,
চল টুসু আমাদেৰ সাথে
ৰাখি আছিছে সোণাৰ থালি।"

বন্দনা গীত : টুচু দেৱীক বেদীত প্ৰতিষ্ঠা কৰি তিৰোতাসকলে বন্দনা গীত আৰম্ভ কৰে। যেনে—

ক) "জয় দিয়ে বন্দি ৰাংগা চৰণ দুখানি
এস শত দল বাসিনি।
জোড় কৰে বন্দি তোৰে জয় মা বীণাপাণি
জানিনা মা তোৰ মহিমা, বৰ্ণিতে অল্প জানি।"

(খ) "আমি পামৰ অজ্ঞানী নৰ, অজ্ঞানে জ্ঞান দায়িনী
দয়া কৰে দাও গো মোৰে, ৰাংগা চৰণ দুখানি।।
সৰস্বতী দাও সুমতি, ৰচিতে টুসুৰ গান খানি
দাও গো ভক্তি চিন্তা নমি মা বীণাপাণি।।

টুচুৰ বৰ বিচৰা গীত : বন্দনা গীতৰ পাছতে ল'ৰা-তিৰোতা সকলোৱে মিলি অন্যান্য গীত আৰম্ভ কৰে। টুচু দেৱীক তেওঁলোকে নিজৰ ছোৱালীৰ দৰে ভাবি বিয়া দিবৰ কাৰণে দৰা বিচাৰি হাবাথুৰি খাই যি এক অসহায় অৱস্থাৰ সন্মুখীন হয় সেই সমস্ত কথা গীতত ফুটি উঠিছে। এই গীতৰ মাজতে টুচুৰ বৰ বা দৰা বিচৰাৰ সম্ভেদ পোৱা যায়। যেনে—

(ক) "জলকে যাব জলকে যাব
জল ঘাটে শুধু বালি,
হামাদেৰ টুচুকে বিহা দিব
যাৰ ঘৰে সণাৰ থালি।"

(খ) "কুইল গাছে কুইলিনীৰ বাসা
ডালিম গাছে কেৰ্কেটা
হামাদেৰ টুচু ফান্দ আড়েছে
বাঝছে ৰাজাৰ বেটা।"

(গ) "শিবেৰ মাথাই শিৱ চণ্ডিবাণ
টুচুৰ মাথাই গণ্ডিবাণ,
সে গণ্ডিবাণ যে ভাঙিবে
অকে দিব টুচু দান।"

টুচুৰ ৰূপ-যৌৱন তথা গুণানুকীৰ্তন কৰা গীত : এইবিধ গীতত টুচু দেৱীৰ ৰূপ-যৌৱনৰ বৰ্ণনা আৰু লগতে অন্যান্য গুণৰ অধিকাৰী টুচু দেৱীৰ গুণানুকীৰ্তন কৰা

হয়। যেনে—

(ক) "হলুদ বনেৰ টুচু তুমি
হলুদ কেন মাখনা,
শাশুড়ী ননদেৰ ঘৰে হলুদ মাখা সাজেনা।"

(খ) "এক সহৰে দুই সহৰে তিন সহৰে লোক চলে,
আমাৰ টুচু অমনি চলে বিন বাতাসে গা দোলে।"

(গ) "হামাদেৰ টুচু কাপড় পৰে
যেমন খৈড়কাৰ কুচি গ'
মেলিলে স্বৰগে আসমান
গুচাইলে একমুঠি গ'।"

টুচুৰ বিবাহ গীত ঃ টুচু দেৱীৰ বিবাহক লৈ ৰচনা কৰা গীতসমূহক এই শ্ৰেণীত ঠাই দিব পাৰি। যেনে--

(ক) "কন্যাদান কৰতে কৰতে
চফে পড়ে লৰ,
আন বাবু লাল গামচা
পুছায় দিব লৰ।"

(খ) "আলু ৰুইলাম শাৰী শাৰী
কলা ৰুইলাম দুই বাড়ী
ভাল কৰে কাটবে কলা
টুচু যাব শশুৰ বাড়ী।"

(গ) "হামাদেৰ টুচু সিনান কৰে ধন ঘটে সৰু বালি,
হামাদেৰ টুচু বিহা হ'ব শহুৰ ঘৰে সোণাৰ মাৰি।"

ফুলৰ মালাৰ বৰ্ণনা থকা গীত ঃ কিছুমান গীতত ফুলৰ মালাৰ উল্লেখ আছে। সেই গীতসমূহ এই শ্ৰেণীৰ অন্তৰ্গত। যেনে--

(ক) "ফুল তুল ফুল তুল টুচু বাছি তুল ভাবৰি
সৰু সূতাই হাৰ গাঁথেছি লোকে বলে মাদলী।"

(খ) "টুচু টুচু বলি ওৰা
টুচু ঘৰে নাইস গ'
টুচুকে নিয়ে গেল
ফুলেৰ মালা দিয়ে গ'।"

(গ) "ৰাজবালা গাঁথয়ে মালা যতনে
পৰাব গলে

মন মোহন সখীৰে সখী তোমাৰে।"

যোৰা গীত ঃ টুচু পূজাৰ দিনা মাজৰাতি টুচু গীত গাই গাই নচা ডেকা-গাভৰুসকলৰ মাজত যোৰা নামৰ ৰগৰ উঠে। সাধাৰণতে ল'ৰাবোৰে ছোৱালীবোৰক জোকাই এই ধৰণৰ গীত গায়। ল'ৰাৰ সেই গীতত লাজত অস্থিৰ হৈ পৰা ছোৱালীহঁতৰ মাজৰে লাজ লাজকৈ দুই-এজনীয়ে দুই-এটা গীতৰ প্ৰত্যুত্তৰ দিয়ে। এই ধৰণৰ গীতসমূহত হাঁহিৰ খলকনি উঠে। এই গীতৰ উদাহৰণ--

(ক) "এল এল কাল ছাঁড়ি
তৰল' ঝাড়ী ৰূপ দেখি
তৰ ৰূপকে উঁইৰে খাবেক
জংগল ঝড়ে ঘুমাবি।"

(খ) "গান গাহা তৰ যেমন তেমন
ঢল বাজা তৰ সাজেনা
হামৰা যদি ঘূৰাই বলব
তদেৰ মোৰাদ ৰাখবনা।"

(গ) "গুৱা গুৱা গুৱা বলি
আৰ বলি গুৱা
ঐ ছড়াৰা গান নাই জানে
কৰে হুৱা হুৱা।"

টুচু ফুৰোৱা গীত ঃ পূজাৰ পিছদিনা ৰাতিপুৱা টুচু দেৱীক এজনে মূৰৰ ওপৰত উঠাই লৈ বাকীসকলে গীত গাই মানুহৰ ঘৰে ঘৰে ফুৰায়। তেতিয়া যিবোৰ গীত গোৱা হয় সেই গীতবোৰক টুচু ফুৰোৱা গীত বুলিব পাৰি। এই গীতসমূহত তেওঁলোকৰ সুখ-দুখ, অভাৱ-অভিযোগ, ঠাট্টা-বিদ্ৰূপ আদিৰ সুৰ শুনা যায়। যেনে--

(ক) "এগো এগো বড় বাবু
তোমাৰ বড় নাম শুনি
হামাদেৰ টুচু জলকে যাবে
ৰাস্তা বনাই দেও দেখি।"

(খ) "পহনা খাতে গেলি হামৰা
ঘুমাইছিলি বালিসে
আধা ৰাইতে ঘুম ভাঙেছে
খাই মাৰেছে উড়িসে।"

(গ) "কি বলবগো মসী পিসী
কি বলবগো দুখেৰ কথা,

কাঁচা বাঁশে ঘুণ লাগেছে
তেমনি হামাৰ দুখ দশা।" ইত্যাদি

বিদায় গীত ঃ এইদৰে টুচু দেৱীক ফুৰাই-মেলি নদীলৈকে গীত গাই গাই বিসৰ্জন দিবলৈ আনে। বিসৰ্জনৰ বেলিকা যিবোৰ গীত গায় সেইবিলাক গীত এই শ্ৰেণীৰ অন্তৰ্ভুক্ত। যেনে—

(ক) "হামাদেৰ ঘৰে টুচু আছে
তাই কৰে আনাগনা
আজকে টুচু চলে যাবেক
কৰিগ দুৱৰে মানা।"

(খ) "ওদেৰ ঘৰে নতুন টুচু
তাই কৰি আনা গনা
বিদায় বেলা যাচিছ হামি
চৰ বলে বেউ বলনা।"

(গ) "অতদিন থাকলে টুচু
'মা' বলে ডাকলে না
যাবাৰ বেলা ৰগৰ মাৰে
মাকে ছাড়ে যাবনা।" ইত্যাদি

৩.২.১০ মনসা গীত ঃ মনসা দেৱীৰ পূজা উপলক্ষে চাহ-মজদুৰসকলে গোৱা গীতবোৰকে মনসা গীত আখ্যা দিয়া হয়। এই গীতসমূহত মনসা দেৱীৰ বৃত্তান্তৰ উপৰি বেউলা-লক্ষীন্দাৰ তথা চান্দ সদাগৰৰ কাহিনীৰ কথাও বৰ্ণিত হয়। মনসা গীতসমূহত আত্মাভিমানী মনসা দেৱীৰ কোপাগ্নিত জ্বলি-পুৰি ভস্মীভূত হোৱা সতী বেউলা আৰু অভিমানী তথা প্ৰবল পৰাক্ৰমী চান্দ সদাগৰৰ হৃদয় বিদাৰক শোকৰ সুন্দৰ বৰ্ণনা পোৱা যায়। 'ধূয়া' শব্দৰে গীত আৰম্ভ কৰে। প্ৰথমতে গণেশ দেৱতাক বন্দনা কৰি গীত আৰম্ভ কৰে। এই গীতবোৰ পদ-ছন্দত ৰচিত। তদুপৰি প্ৰতিটো গীত চৈধ্যৰ পৰা যোল্ল শাৰীত সম্পূৰ্ণ। অৱশ্যে কোনো গীতৰে ধৰা-বন্ধা সুৰ বা ৰাগ নাই। প্ৰথম দুশাৰী ঘোষাৰ দৰে গায়। এই ঘোষাক তেওঁলোকে 'ধূয়া' বোলে। যেনে—

(ক) ধূয়া ঃ কৰ দয়া পদ ছায়া বিতৰই গণপতি
হৃদয় সৰজে উদি বিনাশ ভৱ দুৰ্গতি।

পদ

নমঃ মন নমঃ দেৱী গৌৰৰ নন্দন,
একদন্ত লম্বোদক মূষিক বাহন।

স্থূলাকাৰ শোভাকাৰ চতুর্ভুজ ধৰা,
অংগে শোভে ৰক্তাম্বৰ সর্ববিঘ্ন হৰা।
সৰাৎসাৰ পৰাৎপৰ পূর্ণ তেজোময়,
শংকৰী তনয় পিতা দেৱ মৃত্যুঞ্জয়।
সর্বদেৱ অগ্রে পূজ্য সর্বেৰ কাৰণ,
তুমিহ কৰহ দেৱ সৃষ্টিৰ পালন।
জল স্থল কানন পর্বত ৰবি শশী,
অনন্ত পাতাল সন্ধ্যা আৰ দিব্য নিশি।
সকলেৰ বিঘ্ন দেৱ কৰ বিনাশন,
ৰোগ-শোক পীড়া কৰ স্বগুণে হৰণ।।

(খ) ধুৱা ঃ মৰি কি আনন্দ চম্পক নগৰে ৰে।
নিল লখিন্দৰ জনম মনকা উদৰে ৰে।।

পদ

যবে সনকাৰ গর্ভে পাঁচ মাস হৈল,
চাদ সদাগৰ তবে বাণিজ্যে চলিল।
মনসাৰ সংগে কৰি বাদ বিসম্বাদ,
বাণিজ্যে যাইয়া তাৰ ঘটিল প্রমাদ।
সপ্ত তৰি ডুবে গেল সাগৰেৰ জলে,
হাহাকাৰ কৰি সাধু ভ্রময়ে ব্যাকুল।
গৃহতে সনকাৰ গর্ভ অৱস্থায়,
দিনে দিনে বাঢ়ে গর্ভ অতি শোভানয়।
সাত দিন বেনেনীৰ উচাটন মন,
কি হৈল বলিয়া সদা চিন্তায় মগন।
বৃদ্ধ কালে গর্ভ হৈল শীর্ণ হৈল কায়,
সততই মুখে জল শয়ন শয্যায়। ইত্যাদি

৩.২.১১ **চাৰুল পূজাৰ গীত ঃ** চাহ-মজদুৰসকলে চ'ত মাহৰ পঞ্চমী, সপ্তমী বা নৱমী তিথিত প্রকৃতিক বন্দনা কৰিবলৈ যি পূজা পাতে তাকেই তেওঁলোকে চাৰুল পূজা বোলে। এই পূজাৰ বিবিধ অনুষ্ঠানত গোৱা গীতবোৰেই চাৰুল পূজাৰ গীত ৰূপে জনাজাত।

ঘাইকৈ ব'হাগ মাহত ওৰাং জাতিৰ লোকসকলে এই পূজা পাতে। তেওঁলোকৰ মতে এই পূজাৰ গীতসমূহ আচলতে ভূমি বন্দনামূলক গীত। সামাজিক উৎসৱ হিচাপে পালন কৰা চাৰুল পূজাৰ থলীত গোট খোৱা সমজুৱাৰ ফালৰ পৰাহে এই গীত পৰিবেশন কৰা দেখা যায়।

এই গীতৰ লগত সংগত কৰা বাদ্যৰ ভিতৰত বিশেষ উল্লেখযোগ্য হ'ল কানাড়া, বেহালা, বাঁহী আৰু মাদল। এই পূজাৰ দিনা তেওঁলোকৰ প্ৰতিঘৰ মানুহে নিজ নিজ ঘৰ-দুৱাৰ, ন-সাজেৰে সজাই ফুলজালি আঁকি দেখনিয়াৰ কৰি তোলে। এইদৰে ফুল আঁকিবলৈ যিজন লোকক নিয়োজিত কৰে তেওঁ 'ফুলধৰিয়া' ৰূপে পৰিচিত। ফুলধৰিয়াক আদৰ-সাদৰকৈ সন্মান দেখুৱাই ভৰি ধুৱাই আদৰা হয়। বিশ্বাসমতে ভৰিত লাগি থকা পানী নুশুকোৱালৈকে সকলোৱে উলহ্-মালহেৰে চাৰুল গীত গাই গাই নৃত্য কৰে। যেনে--

(ক) পাহান ৰজা পূজা কৰে,
যোৰা ধুমচা বাজে,
ফুলধৰীয়া পূজা কৰে হ'
যোৰা নিপূৰা বাজে'
কটোৱাৰা ৰাজা 'পূজা কৰে হ'
যোৰা শংখ বাজে।

(খ) তিলাই পুঁপা নে ফিপেল
ভাগ জুগনী লেকৰ কিপেল,
বাৰা লগদি।

(গ) এদিকে উৰিষ্যা ৰাজ্য আৰু ওদিকে বিহাৰ
এদিকে আসাম আৰ ওদিকে বাংলা
আৰ আমাৰা প্ৰশিক্ষণ আৰু অজ্ঞানতাৰ
জন্যেই আমাৰা দেশ প্ৰলয়ে ডুবে গিয়েছে।

৩.২.১২ চড়ক পূজাৰ গীত ঃ অসমৰ চাহ বাগিচাৰ চাহ-মজদুৰসকলৰ মাজৰে বিশেষ কেইটামান সম্প্ৰদায়ৰ লোকে চড়ক পূজা বা গাজন উৎসৱ পালন কৰে। পূজা আয়োজনৰ উপযুক্ত দিন হ'ল চ'ত মাহৰ সংক্ৰান্তিৰ দিনটো। এই উৎসৱৰ আগদিনা নৃত্য-গীতৰ আখৰা আয়োজন কৰে। এই গীতসমূহক তেওঁলোকে ছোঁ গীতৰূপে অভিহিত কৰে। গীত গোৱাৰ লগে লগে নানা অংগী-ভংগী কৰি নৃত্য আৰম্ভ কৰে। সেই গীতবোৰৰ মাজেদি ৰাধা-কৃষ্ণৰ উপৰি সাধাৰণ পুৰুষ-তিৰোতাৰ মনৰ ভাল-মন্দ, হৰ্ষ-বিষাদ নানা ৰকমৰ ভাব ব্যক্ত কৰে। যেনে—

(ক) "যমুনাৰ ধাৰে ধাৰে
দুধিলতাৰ বন
যেমন ৰাধাৰ বাঁকা সিঁতা
তেমন শ্যামেৰ মন।"

(খ) "বাধেৰ আড়ায় বাইজল ৰাঁশি

শুনতে পায়েছি
আৰ বাঅজ না প্ৰেমৰ বাশি
শশুৰ ঘৰ যাছি।

(গ) মাথা বাধ্যে দে গ' মাসী
সিদুৰ পৰাই দে
শশুৰ ঘৰেৰ খাল ভৰাৰা
লেগতে আসেছে। ইত্যাদি

খ্ৰীষ্টান মজদুৰসকলে পালন কৰা বিভিন্ন ধৰ্মমূলক উৎসৱৰ ভিতৰত কেৱল নৱবৰ্ষ উৎসৱৰ দিনা আৰু যীছুৰ মহাযাত্ৰা উৎসৱৰ দিনাহে গীত গোৱা দেখা যায়। এয়া খ্ৰীষ্টধৰ্মৰ পোনপটীয়া প্ৰভাৱৰ ফল।

৩.২.১৩ **নৱবৰ্ষ উৎসৱৰ** গীত ঃ খ্ৰীষ্টান মজদুৰসকলে নৱবৰ্ষ উৎসৱ উপলক্ষে কোনো গীৰ্জাঘৰত গোট খায় আৰু আগন্তুক বছৰটোত যেন আপদ-বিপদ, অভাৱ-অনাটন, দুখ-কষ্ট আদি সকলো ৰকমৰ অপায়-অমংগল দেখা নিদিয়ে তাৰ কাৰণে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনায়। যীছুৰ ওচৰত তেওঁলোকে সকলো লোককে সুখ-শান্তি দিবলৈ সানুনয়ে মিনতি জনায়। ভগৱানৰ উদ্দেশে এই গীতবোৰ পৰিবেশন কৰে। যেনে--

(ক) নেম গোটা বছ্ৰ বাবা
দায়া কাতেম জাড়ি 'কেন্দা'
সাৰা বছ্ৰ তুমি আমৰাক আশীৰ্বাদ কৰেছ
আমাদেৰ দিয়ে ফসল।

(খ) "হে সৰ্বশক্তিমান ঈশ্বৰ।
আমৰাক আশীৰ্বাদ কৰ গ'
আমাৰদৰ আত্মাক
পবিত্ৰ কৰ গ'।"

(গ) "হে ঈশ্বৰ,
আমৰা জীৱন আলোকিত কৰ গ'
যীছু ফিৰে এলে গ'
স্বৰ্গে আমৰা পাবো
অনন্ত জীৱন।"

৩.২.১৪ **যীছুৰ মহাযাত্ৰাৰ গীত ঃ গুড ফ্ৰাইডে উৎসৱৰ পূৰ্বৰ দেওবাৰৰ দিনটোৱেই এই উৎসৱ পালনৰ দিন। তেওঁলোকৰ বিশ্বাসমতে যীছুখ্ৰীষ্ট জীৱন-নাটৰ অন্ত পৰাৰ আগে আগে হেনো এটা গাধৰ পিঠিত উঠি জেৰুজালেমত প্ৰৱেশ কৰিছিল। তেতিয়া**

জেৰুজালেম নিবাসী সকলোৱে মহাপুৰুষগৰাকীৰ যাত্ৰাপথত খেজুৰৰ পাত আৰু নিজৰ পৰিধেয় বস্ত্ৰ পাৰি দি ঈশ্বৰসদৃশ পুৰুষগৰাকীক 'হোশান্না', 'হোশান্না' ধ্বনি দি অভিবাদন জনাইছিল। সেই বিশ্বাসৰ পৰম্পৰা অনুসৰি আজিও এই দিনটোত তেওঁলোকে গীৰ্জাঘৰত সমবেত হৈ হাতে হাতে খেজুৰৰ ডাল-পাত লৈ গীত গায় আৰু শ্ৰদ্ধা-ভক্তি সহকাৰে নাচি নাচি তিনি-চাৰিবাৰ গীৰ্জা প্ৰদক্ষিণ কৰে। সেই গীতবোৰ এনেধৰণৰ—

(ক) "হোশান্না, হোশান্না
এলেন শান্তিৰাজ,
ধন্য তিনি, ধন্য পথ যীচুৰ জন্য
তিনি ৰাজ্য নেবেন আজ।"

(খ) "গাধাৰ আগে ও পিছে
শ্ৰীযীছুৰ সৈনিক যায়
নিজ বস্ত্ৰ পথে পাতিয়ে
খেজুৰ পাতা উড়ায় হোশান্না, হোশান্না।"

(গ) "জেৰুজালেম দিকে লায়
গাধাৰ পিঠি চড়ে কে
লোক কত আগে পিছে ধায়
কি বলে, পথিকে, কি বলে পথিকে
হোশান্না, হোশান্না।"

৩.৩.০ **অনুষ্ঠানমূলক গীত :** ধৰ্মীয় প্ৰভাৱশূন্য উৎসৱ-অনুষ্ঠান উপলক্ষে যিবোৰ গীত চাহ-মজদুৰসকলে পৰিবেশন কৰে সেই গীতসমূহক এই শ্ৰেণীৰ অন্তৰ্ভুক্ত কৰা হৈছে। সেই গীতসমূহ হৈছে— দম্‌কচ্‌ গীত, মূড়াগীত, কাঠীনাচৰ গীত, সাদী গীত ইত্যাদি।

৩.৩.১ **দম্‌কচ্‌ গীত :** চাহ-মজদুৰসকলৰ সুখ-দুখ, বিৰহ-বেদনা, শোক-তাপ, আশা-আকাংক্ষা, সফলতা-বিফলতা, দেহাৰে খাটি খোৱা জীৱনৰ কঠোৰ সংগ্ৰাম আদি বিষয়ৰ আধাৰত দম্‌কচ্‌ গীতসমূহ ৰচিত। এক কথাত ক'বলৈ হ'লে দম্‌কচ্‌ গীতসমূহ ঘাইকৈ দুখ-বিষাদৰ গীত। অনেক সময়ত প্ৰাচীন মহাকাব্যৰ পৌৰাণিক ঘটনা বা উল্লেখযোগ্য চৰিত্ৰ আদি এই গীতত ৰূপক ৰূপে স্থান পায়। কিন্তু আচলতে এই গীতবোৰৰ মূল হ'ল— মানৱ-হৃদয়ৰ কাতৰ প্ৰকাশ। এই গীতবিলাক আকাৰত সাধাৰণতে চুটি, কিন্তু গভীৰ ভাব-ব্যঞ্জনাৰে সমৃদ্ধ আৰু সেইপিনৰ পৰা গীতবোৰ অতি অনুপম। ৰূপক, উপমা, সংকেত, প্ৰতীক, চিত্ৰ, চিত্ৰকল্প, ভাবোচ্ছ্বাস আদিৰ স্বচ্ছন্দ ব্যৱহাৰৰ কাৰণে দম্‌কচ্‌ গীতসমূহ বাগিচাৰ পদভূমিত সৃষ্টি হোৱা যদিও

আমাৰ উৎকৃষ্ট সম্পদৰূপে গণ্য হৈছে।

অসমৰ চাহ-মজদুৰসকলৰ ওৰাং, মুণ্ডা আদি কেইটামান সম্প্ৰদায়ৰ মাজত এই গীতৰ প্ৰচলন আছে। সেইবুলি অন্য সম্প্ৰদায়ৰ লোকসকলে ইয়াৰ প্ৰতি অনাদৰ নেদেখুৱায়। বিয়াকে আদি কৰি আন ভালেমান অনুষ্ঠানত এই গীতবোৰ গাই গাই মজদুৰ ডেকা-গাভৰুৱে নৃত্য কৰে। বিয়াৰ বাবে ৰভা দিয়াৰ কেইদিনমান আগৰে পৰা তেওঁলোকৰ মাজত এই গীত গোৱাৰ পৰিবেশ সৃষ্টি হয়। ইয়াৰ পৰাই এইবিধ গীতৰ জনপ্ৰিয়তা অনুমান কৰিব পাৰি। এই গীত কিন্তু বিয়াগীত নহয়। ঝুমুৰ গীতৰ দৰে এই গীত গাওঁতে বাঁহী, মাদল আদিৰে নানাভাৱে বাজনা বজায় আৰু সেই গীতৰ লগত তাল মিলাই গাভৰুহঁতে হাতত ধৰাধৰিকৈ মাজে মাজে চেগ বুজি হালি-জালি সমবেতভাৱে নৃত্যও পৰিবেশন কৰে। এই গীতৰ সুৰ ঝুমুৰ গীতৰ সুৰতকৈ পৃথক। যেনে–

(ক) “এক জাগা জনম পালি
বাড়লি মনে তনে
জিতিয়া পতইয়া লেখে
ভেলি ছিতি ছান।”

(খ) “আয় গেলয়ঁ আন্ধি ধুকা
গিত গেলয়ঁ খেড় কুটা
জিতিয়া পতইয়া লেখে
ভেলি ছিতি ছান।”

(গ) “পাহাৰে পৰ্বতে ঘৰ
তাতে আছে কইনা বৰ,
টচকি টচকি গিৰে
কইনাৰ আখি লৰ।”

এই দম্‌কচ্ গীতসমূহ ব্যক্তিকেন্দ্ৰিক যদিও সাৰ্বজনীন। দম্‌কচ্ গীত দুখৰ গান সঁচা, কিন্তু সেই দুখৰ লগত জড়িত প্ৰেমানুৰাগ মন কৰিবলগীয়া, বহু সময়ত প্ৰেম-প্ৰীতি আৰু তাৰ ভিন্ ভিন্ ৰূপৰ প্ৰকাশ অতি অপূৰ্ব হৈ পৰাও দেখা যায়। যেনে-

যাই ক্ষণে দেখলো
শুখল নদীৰে
ফিৰে ক্ষণে হেৰি দেইয়া
দুদো নদী ভৰল।

অৰ্থাৎ যাবৰ সময়ত দেখিলো নদী শুকাই গৈছে, ঘূৰি আহি দেখিলো দুই কূল

উপচি পৰিছে। ইয়াৰ অন্তৰ্নিহিত অৰ্থ বেলেগ। যাবৰ বেলিকা কন্যাক দেখিছিলো নাবালিকা, কিন্তু এতিয়া আহি দেখিছো কন্যাৰ দেখোন যৌৱনমতীৰ ৰূপ উজ্জ্বল হৈ উঠিছে। কিছুমান গীতৰ ভাষা চৰ্যাপদ বা বৰাগী গীতৰ 'আধা পোহৰ আধা অন্ধকাৰ' ভাব প্ৰকাশক ভাষাৰ লগত মিলে। শব্দৰ ভিতৰুৱা সংকেতৰ তাৎপৰ্য ধৰিব নোৱাৰিলে গীতবোৰৰ গভীৰলৈ সোমাব নোৱাৰি।

৩.৩.২ মূড়া গীত : অসমত বসবাস কৰা চাহ-মজদুৰসকলৰ 'মুণ্ডা'সকলে ৰচনা কৰা গীতসমূহক 'মূড়া' গীত আখ্যা দিছে। এই গীতসমূহ সাধাৰণতে কৰম উৎসৱ আৰু ফাগুৱা পৰব উপলক্ষে গায়। এই গীতৰ লগত নৃত্যও পৰিবেশন কৰে। এই গীতৰ বিষয়বস্তু হৈছে হাবি-বননি, পাহাড় আৰু চাহ বাগিচাত কাম কৰা মজদুৰসকল। দুটা, তিনিটা বা চাৰিটা শাৰীত এই গীত সম্পূৰ্ণ হয়। মুণ্ডা ভাষা সাধাৰণ মজদুৰৰ ভাষাতকৈ কিছু বেলেগ। সেয়েহে গীতবোৰ সাধাৰণ মজদুৰৰ কাৰণে জটিল হৈ পৰে। এই গীতবোৰে দম্‌কচ্‌ গীতৰ দৰে দুটা অৰ্থ প্ৰকাশ নকৰি সদায়ে এটা অৰ্থহে প্ৰকাশ কৰে। যথেষ্ট সৰলভাৱে এই গীতসমূহ ৰচিত হৈছে। তাৰ মাজতো কিন্তু উপমা, ৰূপকৰ প্ৰয়োগ ঘটিছে। এই গীতৰ লগত বাদ্য হিচাপে ঢাক, ঢোল বজোৱা হয়। এই গীতৰ সুৰৰ কোনো বৈচিত্ৰ্য নাই, একেধৰণৰ। যেনে–

(ক) "হাটু ধৰি উঠলি বুকু আমাৰ
নাই যাব টসৰ বেপাৰ।"

(খ) "বাদল বাদল মেঘ ছিল
ঝিলিমিলি ৰোদ ছিল
শিশু বালকে শাকা পৰাইল
জুয়ান সময়ে দাগা দিল।"

(গ) "টুচু মুটু ডুংৰি তাহেই ফলে কুঁদৰি
দে না দাদা ঠেংগা কাটি
বহু যাবেক বাগালী।"

৩.৩.৩ কাঠী নাচৰ গীত : কাঠী নাচ এটা আকৰ্ষণীয় নৃত্যানুষ্ঠান। এই নৃত্য-গীত ফাগুৱা পৰবৰ এটা অবিচ্ছেদ্য অংগ। ফাগুৱাৰ পূৰ্ণিমাৰ দিনাখন চাহ-মজদুৰসকলে এই নৃত্য-গীত পৰিবেশন কৰে। এই গীতৰ মূল বিষয় হ'ল– ৰাধা-কৃষ্ণৰ লীলা। ইয়াৰ উপৰি শ্ৰীকৃষ্ণৰ বিভিন্ন লীলাৰ বৰ্ণনা ইয়াত পোৱা যায়। এই গীতবোৰক বহুতে প্ৰেমপ্ৰধান গীত বুলি ক'ব খোজে। গীতবোৰত যৌৱনৰ আৱেগ-বিহ্বলতা, জাগতিক প্ৰেম-প্ৰণয়ৰ ইংগিত মন কৰিবলগীয়া। বসন্ত কালত প্ৰাকৃতিক জগতৰ মন-প্ৰাণ উতলা পৰিবেশৰ মাজত চাহ-মজদুৰ, ডেকা-গাভৰুসকলে এই নৃত্য-গীত পৰিবেশন কৰি তেওঁলোকৰ মনৰ উদ্দাম বাসনা জাগ্ৰত কৰে। ফাগুনৰ এই উৎসৱৰ

নৃত্য-গীতৰ পয়োভৰে তেওঁলোকক কঠোৰ বাস্তৱতাৰ পৰা আঁতৰাই আনে।

কাঠী নৃত্য-গীতত অংশগ্ৰহণ কৰা ডেকা-গাভৰুসকলে দুয়োখন হাতত দুফুটমান দীঘল দুই বা চাৰিডাল কাঠী লৈ বৃত্তাকাৰে ঘূৰি ঘূৰি নাচে। সেই কাঠীৰে নানা ভংগিত শব্দ কৰিও নাচে আৰু লগে লগে গীত গায়। বৃত্তৰ মাজত মাদল লৈ প্ৰস্তুত থাকে বায়ন। সাধাৰণতে মাদলৰ লগত বাদ্যৰ ছেৱে ছেৱে ছোৱালীবোৰে নিজৰ ঠাই সলনি কৰি অন্যৰ কাঠীৰ লগত নিজৰ কাঠীৰে আঘাত কৰি বজায়। প্ৰতিজনী নাচনীয়ে সোঁফালৰ নাচনীৰ কাঠীতহে লগায়। কাঠী নবজোৱাকৈ মুখামুখি, কাষে কাষে আৰু পৰস্পৰৰ পিছফালে ঘূৰি নাচ পৰিবেশন কৰে আৰু তাৰ লগতে বিভিন্ন ধৰণৰ গীতো গায়। মাদল বজোৱাজনেহে কেৱল ঘূৰি ঘূৰি বৃত্তৰ ভিতৰত একে ঠাইতে মাদল বজায়। তেৰোঁ কিন্তু একে সময়তে বাজনাও বজায় আৰু গীতো গায়। নাকাৰা বা ধুমসাৰ বিশেষ বিশেষ সংকেতত গীত আৰু নৃত্যৰ পৰিবৰ্তন ঘটে।

কাঠী নৃত্যৰ গীতৰ কথাবোৰ স্পষ্ট নহয়। মাজে মাজে কিছু অস্পষ্ট। এই গীতৰ লয় দ্ৰুত, মধ্য আৰু ধীৰ। গীতৰ প্ৰতিটো স্তৱকেই এটা পৃথক খণ্ডচিত্ৰ বা কাহিনীৰ আভাস দিয়ে। সাধাৰণতে বিশ বা পঁচিশটা স্তৱক মিলি এটা গীত সম্পূৰ্ণ হয়। এটা এটা স্তৱকেই নাচৰ এটা এটা পৰ্বস্বৰূপ। গীতৰ বেছিভাগ স্তৱকেই শ্বাসাঘাত প্ৰধান। পঁচিশ পৰ্বৰ এই গানৰ বাজনা হিচাপে সাধাৰণতে মাদল আৰু নাকাৰা বা ধুমসাৰহে প্ৰচলন আছে।

অতীতত হয়তো বাগিচাত চাওতাল, মুণ্ডা আৰু ওৰাং সম্প্ৰদায়ৰ মজদুৰসকলে এই নৃত্য-গীতত অংশ লৈছিল। সাধাৰণতে এই নৃত্য-গীত কেৱল পুৰুষৰ মাজতহে প্ৰচলিত, কিন্তু বৰ্তমান নাৰীসকলেও ইয়াত অংশগ্ৰহণ কৰাটো মন কৰিবলগীয়া কথা। আগতে নাৰীৰ ওপৰত সম্ভৱতঃ কিছু নিষেধ আছিল আৰু সেই বাবেই পুৰুষেই তিৰোতাৰ সাজ-পোছাক যেনে— শাৰী পিন্ধি গোপীনীৰ বেশত নৃত্য-গীত পৰিবেশন কৰিছিল। আজিকালি এই নিষেধ নাইকিয়া হৈছে বাবেই বোধহয় নাৰীয়ে নিজেই গোপীৰ বেশত নৃত্যত যোগ দিয়ে।

এই গীতৰ মূল বিষয়বস্তু শ্ৰীকৃষ্ণ আৰু ৰাধাৰ লীলা। অৱশ্যে ৰাম-সীতাৰ উপাখ্যানো এই গীতত নানাভাৱে সোমাই পৰিছে। যেনে—

(ক) "অ' ৰে ৰাম যায় বনতে
সীতা যাইতে চাইৰে
অ' ৰে ৰাম
ৰামে বাৰণ কৰে যাইতে
অ'ৰে ৰাম যায় বনতে।"

(খ) "অ' ৰে কানু বাজাও বেনু

চল গো যাইবে
বেনু নাবাজাইলে ধনু যাইতে
নাহি চাইবে
অ'ৰে কানু।"

(গ) "অ' ভাই বেনুৰ সুৰে ধেনু সবে
গুৰি গুৰি যাইবে
ধৱলি শ্যামলী গাই হাম্বাৰৱে ডাকেৰে
অ'ৰে কানু।"

এই কাঠী নাচৰ গীতসমূহক বিষয়বস্তু আৰু পৰিবেশনৰ পিনৰ পৰা তলত দিয়া দৰে শ্ৰেণী বিভাগ কৰি বিশ্লেষণ কৰিব পাৰি।

(ক) দিক্ বন্ধন গীত
(খ) আখড়া বন্ধন গীত
(গ) গুৰু স্মৰণৰ গীত
(ঘ) পবিত্ৰ আম্ৰবৃক্ষ স্মৰণ গীত
(ঙ) সাধাৰণ গীত।

(ক) দিক্ বন্ধন গীত : "কাঠী নাচ" আৰম্ভ কৰা মুহূৰ্তত তেওঁলোকে পৰম্পৰাগত নিয়ম অনুসৰি চাৰি দিশ বান্ধি ল'ব লাগে। সেইমতে প্ৰথমে তেওঁলোকে গীত গাই গাই চাৰিওদিশ বান্ধি লয়। কিয়নো তেনেকৈ বান্ধি ল'লে সেই ঠাইত একো অপায়-অমংগল নঘটে। এই চাৰিদিশ বান্ধি লয় বাবে ই দিক্ বন্ধন গীত ৰূপে জনাজাত। যেনে—

"পূৰ্বে বাঁধলাম পশ্চিমে বাঁধলাম
বাঁধলাম চাৰিকোণ, হাৰে ভাই
বাঁধলাম চাৰি কোণ।
উত্তৰে বাঁধলাম আমি
দক্ষিণেও বাঁধলাম, হাৰে ভাই
বাঁধলাম চাৰি কোণ।
মাঠ বাঁধলাম, ডণহুনী বাঁধলাম
পাহাড় বাঁধলাম বাঘে।
মড়াৰ মাথায় বাস্তা বাঁধলাম দাগে।
হাৰে ভাই, মড়াৰ মাথা- হাড়া গোৰে
বাস্তা বাঁধলাম দাগে।"

(খ) আখড়া বন্ধন গীত : তেওঁলোকে নৃত্য-গীত পৰিবেশন কৰা নিৰ্ধাৰিত ঠাইক

আখড়া বুলি কয়। সেই ঠাইখিনিও তেওঁলোকে গোৱা গীতেৰে বান্ধি লয়, অৰ্থাৎ গীতৰ বৰ্ণনাতে সেই কথা বৰ্ণিত হৈছে। সেই ঠাইৰ চাৰিওদিশ বন্ধাৰ পিছত আখড়া বান্ধি লয়। এই আখড়া বন্ধা গীতকে আখড়া বন্দনা বোলা হৈছে। যেনে—

"ঘৰে ঘৰে ঘৰে যে স্মৰণ কৰি
আখড়াকে আসৰবন্দী একলা যোগীন
হাৰে ভাই ঘৰৰ মধ্যে আসৰবন্দী একলা যোগীন
পাহাড়-পৰ্বত স্মৰণ কৰি
এপাহাৰ সাদা পাহাড় বৰফ ঢাকা
লংকা থেকে লাফিয়ে আইল বীৰ হনুমান
এই পাহাড়ে কিসেৰ খোজে
কেউ কি জানে?
হাৰে ভাই বীৰ অনুমান
এই পাহাড়ে কিসেৰ খোজে
কেউ কি জানে?"

(গ) গুৰু স্মৰণৰ গীত : আখড়া বন্ধন কৰি তেওঁলোকে গুৰুক স্মৰণ কৰিও কেইটামান গীত গায়। সেইবোৰ গীত 'গুৰু স্মৰণৰ গীত'ৰূপে জনাজাত। যেনে—

(ক) "খুঁজতে খুঁজতে আমি এলাম
গুৰুৰ ঘৰ কোথায় খুজে নাহি পেলাম
পঞ্চজনৰ কাছে খুজে আমি এলাম
এবেতো গুৰুৰ ঘৰ আমি খুঁজে পেলাম।

(খ) ছোট ছোট আমৰ, বড় বড় পুকুৰ
হা ৰে ভাই, বড় বড় নাম যে তোমাৰ
খেল বি কঁদুৰি ঘৰে যাবি
মাতা-পিতাৰ হদিশ লবি। ইত্যাদি

(ঘ) পবিত্ৰ আম্ৰবৃক্ষ (আমগছ)ক স্মৰণ কৰি গোৱা গীত : গুৰুস্মৰণ গীত গোৱাৰ পিছত এই শ্ৰেণীৰ গীত গায় আৰু তাৰ পিছতহে সাধাৰণ গীত গাবলৈ আৰম্ভ কৰে। আমগছ চাহ-মজদুৰসকলৰ কাৰণে এবিধ অতি পবিত্ৰ গছ। পুৰণি কালত আমগছৰ তলতে তেওঁলোকে এই কাঠী নৃত্য-গীতৰ অনুষ্ঠানৰ আয়োজন কৰিছিল। সেইবাবেই তেওঁলোকে আমগছক স্মৰণ কৰি গীত গায়। যেনে—

"ঘন মুকুল এলো আমৰ গছে
স্মৰণ কৰি, বন্দি আমৰ ডাল

পাখি এলো আমৰ মুকুল খেতে
তাই পাতা হ'ল যে এই ফাঁদ
আমৰ ডাল গুণে গুণে ফাঁদটি পাতা হ'ল
তাই তেই না ধৰা পড়লো পাখি।"

ইয়াৰ পিছতহে তেওঁলোকে অন্যান্য গীত গাবলৈ আৰম্ভ কৰে। সেইবোৰ গীতৰ মূল বিষয়বস্তু আছিল ৰাধা-কৃষ্ণৰ বিবিধ লীলা-খেলা। ৰাম আৰু সীতাৰো লীলা, শ্ৰীকৃষ্ণৰ লীলা, জীৱনৰ নানা বিষয়ক লৈ গীত গোৱা হয়। অৱশ্যে একে সময়তে অন্যান্য গীতো গায়।

৩.৩.৪ সাদী গীত ঃ অসমত বসবাস কৰা চাহ-মজদুৰসকলৰ মাজত সমাজৰ অতি ডাঙৰ অনুষ্ঠান বিবাহৰ সময়তো নানা গীত গোৱাৰ নিয়ম আছে। তেওঁলোকে এই গীতক সাদী গীত বুলি কয়। ৰামায়ণ, মহাভাৰত, পুৰাণ আদিৰ কাহিনী লৈ বিশেষকৈ ৰাম আৰু সীতাক বিষয় হিচাপে লৈ বিয়াৰ বিভিন্ন লোকাচাৰ পৰ্বত দলবান্ধি মহিলাসকলে এই সাদী গীত গায়। ছোৱালী চোৱা, গাত হালধি সনা আদি বিবাহৰ প্ৰতিটো পৰ্বৰ পৃথক পৃথক গীত। মজদুৰসকলৰ মুছলমান-খ্ৰীষ্টান ধৰ্মৰ লোকসকলৰ মাজতো 'সাদী গীত'ৰ প্ৰচলন আছে।

মিলনক বাদ দি বিভিন্ন মানৱিক বিষয়বস্তু, জীৱন, জীৱিকা বা হাঁহি-ঠাট্টা বিষয়ক ভালেমান গান বিয়াত পৰিবেশন কৰে। বিয়ানাম বা সাদী গীতৰ ভাষা আৰু ভাব অনেক সময়ত চৰ্যাপদৰ দৰে সাংকেতিক। সাদী গীতত সংক্ষিপ্ত চিত্ৰ আৰু চিত্ৰকল্পৰ প্ৰয়োগ অতি সুস্পষ্ট। যেনে—

(ক) "তেল হলুদেৰ খালা খালা
তেল হলুদেৰ বালা গ'
বালাৰ গায়ে দিবৰে মাখায়
মাখাতে মাখাতে ঘামে সৰবৰ গো
বালাৰ গায়ে দিহৰে উলাই।"

(খ) "জল সহিতে গেলি ৰাধা জল নাহি মিলে
ৰাধা জল নাহি মিলে
এথা কেথো জল পাবি ৰে ৰাধা
নোই ভোগদৈ তীৰে
এই নদী জল পাবিৰে ৰে ৰাধা।"

(গ) "অনেক দূৰে বিহা দিলে মাগো
তোমাৰ সুখেৰ কথা দুখৰ কথা
জান্ বো কি কৰে মা গো।

জানবোগো জানব তুমি বাছা
সোণাৰ কাগজে ৰূপাৰ কলম দিয়ে লিখে
তোম কাছে পাঠাবো চিঠি।" ইত্যাদি

৩.৪ **সামাজিক শ্ৰেণীৰ গীত ঃ** সামাজিক নীতি-নিয়ম, আনন্দ-বিষাদৰ লগত জড়িত গীতসমূহক এই শ্ৰেণীত ধৰা হৈছে। যেনে— ঘেৰাগীত, কেঁচুৱা নিচুকোৱা গীত আৰু ওমলা গীত।

৩.৪.১ **ঘেৰা গীত ঃ** এই ঘেৰা গীতসমূহ সাধাৰণতে আধ্যাত্মিক শ্ৰেণীৰ লোকগীত। অসমৰ চাহ-মজদুৰসকলৰ বুঢ়া-বুঢ়ীসকলে এই ধৰণৰ গীত গায়। গীতবোৰৰ বিষয়বস্তু দুঃখজনক। অন্তৰৰ আশা-আকাংক্ষা, পোৱা-নোপোৱাৰ বেদনা, ঈশ্বৰৰ প্ৰতি থকা ভক্তি বা আধ্যাত্মিক তথ্যৰে পৰিপূৰ্ণ। ঘেৰা মানে আধ্যাত্মিক গীত আৰু এবিধ বাদ্য। অন্তৰৰ আশা-আকাংক্ষাবোৰ, পোৱা-নোপোৱাৰ বেদনাবোৰ, ঈশ্বৰৰ প্ৰতি থকা ভক্তিবোৰ নিগৰি নিগৰি ওলাই আহি ঘেৰাগীতৰ মাধ্যমেৰে প্ৰকাশ পায়। যেনে—

(ক) "চালাহি জনমভূমি যাই বাই ৰুকমনী
চালাহি জনমভূমি যাই বাই হ ৰাম
জনমভূমি বাগীয়া লাগাইবে পখৰী খানাইবে
চাৰ ধাৰী বাগিয়া লাগাইবে ৰুক্মণী।
আম্বা ফল খাইতৰে পখ্ৰেৰ পানী পিতই
যুগে যুগে নাম ৰাহি যাইতাই ৰুক্মণী
যুগে যুগে নাম ৰাহি যাইতাই।"

(খ) "কন পুৰী সে আৱত হে জী
কন পুৰী সে যায়ংগী
কিসকা হ্যায় তুম নাতি-পুতি
আৰু কিসকা হ্যায় তুম পুত্ৰ
অযথ পুৰুসে যায়সী
আৰ চান্দ সূৰজ কে নাতি-পুতি
দশৰথকে পুত্ৰ।"

(গ) "চ'ট মট ফুদাকিল ছাঁতি
মুঠিয়াকে দাইড় গ'
গালিয়ে গালিয়ে ফুদাঝি ছাঁতি
দাড়া মাচাকেলে গ'।
মায়া তৰ কুটনী চাউনী
বাপ তৰ হাৰ বৈয়া গ'

ভায়া তৰ ফুল বাইসকওব
কৈসে দিনবা জাইত ল।" ইত্যাদি

৩.৪.২ নিচুকনি গীত আৰু ওমলা গীত ঃ অসমৰ চাহ-মজদুৰ সমাজতো শৈশৱকালৰ বিভিন্ন চিত্ৰ, হঁহা-কন্দা, ঠেহ্ পতা, দুষ্টামি কৰা আদিৰ বৰ্ণনা আৰু কেঁচুৱা নিচুকোৱা গীতৰ প্ৰচলন আছে। পৰিৱেশ অনুযায়ী ঠাঁচ বেলেগ। কেঁচুৱাক কোলাত লৈ বা বিছনাত শুৱলৈ দি ওচৰতে মাক বা ধাইমাকসকলে বিভিন্ন ধৰণৰ গীত গায়। কেঁচুৱাক নিচুকাবৰ কাৰণে নানাৰকমৰ জীৱ-জন্তুৰ কথা, ভয়-শংকাৰ সৃষ্টি কৰা, কিম্ভূত কিমাকাৰ বস্তুৰ কথাৰ উপৰি নানা প্ৰলোভন দেখুৱাই মাছ ধৰা, আকাশৰ জোন-বেলি, তৰা আদিৰ কথা গীতত যথাযথ স্থান দি মনত লগাকৈ গীত গোৱা হয়। এই জাতীয় গীতে শিশুক আমোদ দিয়ে, ঔৎসুক্য বৃদ্ধি কৰে আৰু ন ন কথা শিকিবলৈও পায়। সেয়ে নিচুকনি গীতৰ ভূমিকা গুৰুত্বপূৰ্ণ। এই গীতবোৰ এনেধৰণৰ—

(ক) আইৰে বাঘিয়া শিয়াল
ঘৰ পিন্দায়ে থাক
বাবুৰ মায়ে জলকে গেলে
বাবুৰ কাণ কাট।

(খ) বান্দৰ ভায়া ডালে বসে
ছঁখুনখে আছে
বাঘা বাঘীন সতা-সতীন
কলাই বনে বাস
মুৰগী দেখে কৰ কৰাইল
হাঁস বুৰী হাঁস।

(গ) চান্দো মা মা চান্দো গ'
তাৰা কাঁহা গেল'
সূৰুয মামাৰ সাদী হয়ছে
তাৰা উঁহা গেল। ইত্যাদি

চাহ-মজদুৰ তিৰোতাই কেঁচুৱাক খোজ কাঢ়িবলৈ শিকাওঁতেও নিচুকনি গীত গায়। যেনে—

"তাই তাই মামা ঘৰ যায়
মামাৰ পিড়াই হাগি ৰাখে
মামী মাই খায়।" ইত্যাদি

৩.৪.৩ ওমলা গীত আৰু খেল ঃ চাহ-মজদুৰসকলৰ এটা পৰিয়ালৰ সকলো

লোকেই বাগিচাত কাম কৰিবলৈ ৰাতিপুৱাই ওলাই যায়। সৰু সৰু ল'ৰা-ছোৱালীক হয়তো মাকে বাগিচালৈ লৈ গৈ তাত থকা দুচলীয়া টিনৰ ঘৰটোৰ ভিতৰত খেলিবলৈ এৰি থৈ নিজে বাগিচাৰ কামত ব্যস্ত হৈ পৰে। কিছুমানে আকৌ নিজৰ ঘৰতে ওচৰ-চুবুৰীয়াৰ ল'ৰা-ছোৱালীৰ লগত খেলিবলৈ দি কাম কৰিবলৈ গুচি যায়। এই ল'ৰা-ছোৱালীবোৰে বিভিন্ন খেল খেলি আপোনমনেৰে সেই সময়ত খেলৰ লগত জড়িত কিছুমান গীত গায়। সেই গীতবোৰেই ওমলা গীতৰূপে বিবেচিত হয়। সেই জাতীয় গীত আকৌ কেইবা প্ৰকাৰৰ, অৰ্থাৎ খেলাভেদে গীতো সুকীয়া সুকীয়া।

মুৰ্গী আৰু চিলনী খেলৰ গীত ঃ চাহ-মজদুৰ ল'ৰা-ছোৱালীৰ সমূহীয়া খেলত এজনে চিলনী আৰু আন এজনে মুৰ্গী হৈ খেলা আৰম্ভ কৰে। মুৰ্গী হোৱাজনৰ পাছত বাকী ল'ৰা-ছোৱালীবোৰে এজনৰ পাছত আন এজনকৈ শাৰী পাতি কঁকালত ধৰে। মুৰ্গীক ধৰা ল'ৰা-ছোৱালীবোৰক (চেংনা) অৰ্থাৎ মুৰ্গী পোৱালি বোলে। চিলনী হোৱাজনে আকৌ সেই শাৰীপতা মুৰ্গীৰ জাকটোৰ মাজত পোৱালি বিচাৰে। এই মুৰ্গী [illegible] জাকটোৱে তেতিয়া সমস্বৰে এটা গীত গাই ঘূৰি ফুৰে। এই গীতটোক সেই খেলটোৰ এটা প্ৰশ্ন [illegible] স্বৰূপ [illegible] এনেধৰণৰ—

মা মিতা কি ধান খাইছ
ভুৰা ধান
পা খুড় খাইছে
খেদায় দে
মুই গা ধূতে যাছি— কৰ্ণাটো পুড়াই দিবি।
কৰ্ণীটো কি কৰলি
পুড়ে তাল ভুলাই গেলি
চিলনী চি হি হি.. ইত্যাদি।

ঢাৰিগুৰিয়া খেলৰ গীত ঃ এই খেলত শিশুবিলাকে ইজনে সিজনৰ হাতত ধৰাধৰিকৈ এখন ঢাৰিৰ দৰে দীঘল হৈ পৰে। শাৰীটোৰ আগফালে থকা প্ৰথমজনে প্ৰশ্ন সুধিবলৈ আৰম্ভ কৰে আৰু সেইদৰে ইজনৰ পিছত সিজনকৈ এটা এটাকৈ প্ৰশ্ন কৰি যায় আৰু আনবিলাকে সেই প্ৰশ্নৰ উত্তৰ দি যায়। হঠাতে কোনোবা এজনে ঢাক বুলি কৈ দিয়াৰ লগে লগে প্ৰথমজনে দ্বিতীয়জনৰ কাষলতিৰ তলেদি সৰকি পাৰ হৈ যায়। এইদৰে ক্ৰম অনুসৰি দ্বিতীয়জন তৃতীয়জনৰ কাষলতিৰ তলেদি সৰকি পাৰ হৈ যোৱাৰ পিছত প্ৰথম, দ্বিতীয় আৰু তৃতীয় তিনিওজন একেলগে চতুৰ্থজনৰ কাষলতিৰ তলেদি সৰকি যায়। শেষত ঢাৰি সামৰাৰ দৰে আটাইকেইটা শিশু এঠাইত গাতে গা লগাই বান্ধ খাই পৰে। এই পদ্ধতিটো মেলি দিয়া এখন ঢাৰি মেৰাই সামৰি থোৱা বাবে ঢাৰিৰ দৰে হয় বাবেই বোধহয় সিহঁতে এই খেলক ঢাৰিগুৰিয়া অৰ্থাৎ ঢাৰি

সামৰা খেল বোলে। এই খেলৰ লগে লগে গোৱা গীত এনেধৰণৰ–

"ছাগল বাগাল ছাগল কোথায়?
হাট্টু টুং গাই
খাই কি? লাতা পাতা।
মূতে কি? তেল চুতকা।
ঢাঁকে ন চাহনাই
ঢাঁকে। ঢাঁকে ঢাঁক ঢাঁক
ঢাৰিগুৰিয়া।"

আগুৰ খেলৰ গীত ঃ এই খেল খেলোতে শিশুবোৰে সোঁমাজত সিহঁতৰ লগৰে এজনক কেন্দ্ৰ কৰি লৈ আন শিশুবিলাকে হাতত ধৰাধৰিকৈ বৃত্তাকাৰে আগুৰি ধৰে আৰু মাজৰ শিশুটিক বাওঁপিনৰ পৰা আৱৰি বান্ধি ৰাখে। মাজত থকাজনে আগুৰি থকা সমনীয়াহঁতৰ হাতৰ বান্ধ খুলি বাহিৰলৈ ওলাই আহিব লাগে। সেইটোতে মাজৰ শিশুটিৰ কৃতিত্ব। এই খেলৰ কাম ইমানেই, অৱশ্যে আটায়ে খেলি থকা সময়ত গীত গায়। যেনে–

চায়েব দাদা
এত এত পানী
ঘৰ ঘৰানী
ঘৰ ঘৰানী পানী
(মাজৰজনে) এই দাং মাৰি।
(বাকীসকলে) লহা দাং মাৰি
এই খুঁটা মাৰি
আগুৰ খেল খেলি। ইত্যাদি

আটুল পাটুল খেলৰ গীত ঃ জোনাক ৰাতি চোতালত বহি মজদুৰসকলে দিনৰ ভাগৰ পলুৱাবলৈ বহি থকা সময়ত মজদুৰ শিশুহঁতেও নানাভাৱে ওমলি-জামলি থাকে। সেই সময়ত বিশেষভাবে খেলা এটা খেলৰ নামেই হ'ল আটুল পাটুল খেল। এই খেলত লগৰ এজন ৰান্ধনি হয় আৰু দলটোৰ আন বিলাকে সমুখলৈ দীঘলকৈ ভৰি দুখন মেলি বহি থাকে। ৰান্ধনিবেশী শিশুটোৱে মেলি থোৱা ভৰিবোৰৰ ওপৰেদি ইফালৰ পৰা সিফাললৈ হাত চোঁচোৰাই চোঁচোৰাই গীত গায়। সেই গীতৰ এটি কলি শেষ হ'লেই সিহঁতৰে এজনে "ভাত বহাইছো" বুলি নিজৰ ভৰি কোঁচাই আনি কাষৰ আনজনৰ ভৰিৰ ওপৰত তুলি দিয়ে। এইদৰে ভাত, দাইল আৰু আন কিবা এখন ভজা তৰকাৰী ৰন্ধাৰ কল্পনা শেষ হোৱাৰ লগে লগে গীতৰো অন্ত পৰে। শিশুৱে একেটা গীতকে

১. কাকৰ ঃ কাৰ

এইদৰে বাৰে বাৰে গাই গাই একেদৰে সেই খেল খেলে। যেনে—

আটুল পাটুল চিমলা চাটুল
চিমলা গেল হাট
দুন্দু বাৰে ঢাঁক বাজিল
দে পূৰ্ণিমা ভাত।

- - -

আটুল পাটুল চিমলা চাটুল
চিমলা গেল হাট
দুন্দু বাৰে ঢাঁক বাজিল
দে পূৰ্ণিমা দাইল।

- - -

আটুল পাটুল চিমলা চাটুল
চিমলা গেল হাট
দুন্দু বাৰে ঢাঁক বাজিল
দে পূৰ্ণিমা ভাজি।

লুক লুকনি খেলৰ গীত ঃ এই খেলত ল'ৰা-ছোৱালীয়ে এজনক মুখ্য কৰি লয আৰু সেইজনকে সিহঁতে 'বুডী' আখ্যা দিযে। সেই 'বুডী'জনৰ হাত আৰু হাতৰ আঙুলিত ধৰি লগৰ আনবোৰ ল'ৰা-ছোৱালীযে অগা-পিচাকৈ দোলন দি দি আটায়ে একেলগে সমস্বৰে এটি গীত গায়। যেনে—

ঝিম ঝিমাইল ঝিমাইল
বাপেৰ মায়েৰ খাইল
ছুট চায়েবৰ ছুট ঘোডা
বৰ চায়েবৰ বড় ঘোড়া
চাবুক মাৰে জড়া জড়া
দাদা গুৰং, আমাৰ খাৰী ক'টা একটা।

চ'ৰ খেলৰ গীত ঃ এই খেলত ল'ৰা-ছোৱালীবোৰে লগৰ ল'ৰা বা ছোৱালীক 'বুঢ়ী' আৰু 'খাড়ী'ৰূপে নিৰ্ধাৰিত কৰি লয় আৰু আন আটাইবোৰ নানা ঠাইত লুকাই থাকে, গছৰ ডালৰ আঁৰত, গছৰ ওপৰত। খাড়ীয়ে সম্ভাব্য সকলো ঠাইতে সিহঁতক বিচাৰি ফুৰে। লুকাই থকা ল'ৰা-ছোৱালীবোৰে খাড়ীৰ চকুত ধূলি দি 'বুঢ়ী'ক আহি চুব পাৰিলেই খাড়ী হাৰে। এই খেলত 'খাড়ী' হওঁতাজনক জোকাই বিভ্ৰান্ত কৰিবলৈ গীত গায়। যেনে—

দ্ৰষ্টব্য ঃ গ্ৰন্থৰ কৰম পূজাৰ বৰ্ণনাৰ ছেদ

"এ ডালেৰ বান্দৰ
উডালকে যায়
ডালে ডালেৰ বান্দৰ
টেঁচফুল খায়।"

দিংলা পাটুং খেলৰ গীত : এই খেলত কুকুৰা যুঁজৰ দৰে সকলো ল'ৰা-ছোৱালীয়ে এখন হাত কাষলতিত সুমুৱাই লৈ এখন ভৰি দাঙি জঁপিয়াই থাকিব লাগে। সেইদৰে জঁপিয়াই থাকোতেই সিহঁতে গীতৰ জৰিয়তে প্ৰশ্ন কৰি যায় আৰু সেই একে অৱস্থাতেই লগৰ কোনোবাই উত্তৰো দি যায়। এই খেলৰ আন কোনো নিয়ম নাই। এই খেলক দিংলা পাটুং খেল বোলে আৰু ইয়াৰ লগত জড়িত গীতৰো একে নাম। যেনে—

এত্না ডংগৰ ডিংলা গাছটি
পাটুং পাটুং কৰে
শিলগুটি ন শিল পহা?
কি পাতে খায়।
কোন পাতে কাটা লাগে ন নাই?
নাই লাগে
উঠলে খাবি ন বসলে
বসলে। ইত্যাদি

গুটি চোৰ খেলৰ গীত : এই খেলত ল'ৰা-ছোৱালীবোৰে বৃত্তাকাৰে বহি প্ৰথম দুজনৰ এজনে আনজনৰ চকু দুহাতেৰে ঢাকি ৰাখে। তৃতীয়জনে গীত গাই গাই যিকোনো এটা গুটি নি সিহঁতৰ লগৰ আন এজনক দিয়ে। তাৰ পাছত চকু ঢাকি ৰখাজনক মুকলি কৰি দিয়া হয় আৰু সেই গুটিটো বিচাৰি উলিয়াব লাগে। সেই সময়ত গোৱা গীতকে গুটি চোৰ খেলৰ গীত বোলে। যেনে—

চাৰীৰ বুগী কাৰ হাতে গুগা
বলে দে ৰে ড'ম ৰাজাৰ দাৱা
ছিপাই গুটি পিপাই চোৰ
যাৰ হাতে গুটি আছে পালাবি অ' লু'ৰা
তুই কি হবি হাতী নে ঘড়া, ন ভয়সী
এ হাগৰু তৰ নানী গুড় দিছে কিয়া কিয়া
হাতী লিবি ন; ঘড়া লিবি
হামী হাতী লিব। ইত্যাদি

ভুডু খেলৰ গীত : এই খেলত ল'ৰা-ছোৱালীবিলাকে দুটা দলত বিভক্ত হৈ খেলা

দ্ৰষ্টব্য : গ্ৰন্থৰ 'টুচু পূজা'ৰ বৰ্ণনাৰ ছেদ

ঠাইৰ ঠিক মাজেৰে এডাল ৰেখা টানি পৃথক হৈ পৰে। তাৰ পিছত যিকোনো এটা দলত কোনো এজনে ৰেখাত সিফালৰ আনটো দলৰ ওচৰলৈ গৈ থাপ মাৰি কোনোবা এজনক চুই নিজৰ দলৰ মাজলৈ উলটি আহিব পাৰিলেই জয় হয়। এইদৰে নিজৰ দলৰ পৰা আনটো দললৈ খেদি যাওঁতে মুখেৰে গুণগুণাই গীত গাই যায়। সেই গীতকে এই খেলৰ নাম অনুসৰি ডুডু খেলাৰ গীত বোলে। যেনে—

(ক) ঢালকা পাটী বৃন্দাবন ঘড়ী বাজে টন টন
হৰিৰ কপাল ফুটা মাছ মাৰে গটাগট।

(খ) ওপৰে ৰং চং
তলে নাৰীসকল
জোড়া দিয়া জোড়া দিয়া
দিয়া দিয়া।

ইচিক মিচিক খেলৰ গীত ঃ এই খেলত গোটেইজাক ল'ৰা-ছোৱালীৰ মাজৰ এজনক 'ঘাইদাৰ' কৰি লোৱা হয়। আনবোৰৰ প্ৰত্যেকে হাত মেলি মাটিত বহি থাকে। ঘাইদাৰৰূপে নিৰ্দিষ্ট কৰা ল'ৰাজনে প্ৰতিখন হাতত গীত গাই গাই টুকুৰিয়াই যায়। এইদৰে যাওঁতে যিজনৰ হাতত টুকুৰিয়াওঁতে গীতটো শেষ হয় সেইখন হাততেই জোৰেৰে কেঁকোৰা চেপা দিয়ে। সেই খেলৰ নাম ইচিক-মিচিক আৰু তাত গোৱা গীতটোকে সেই খেলৰ নামেৰে ইচিকি-মিচিকি খেলৰ গীত বোলে। যেনে—

"ইচিক মিচিক দাঁত কিচ্ কিচ্
লহা লতী বেল পাত
বাড়ী আছে নিম গাছ,
নিম ঝল ঝল কৰে
সতা-সতীনেৰ বেটী লিত কিয়াই কৰে
খাঁকড়ি ন বুনীয়া।"

কাই-কুতোৱা খেলৰ গীত ঃ সৰু সৰু ল'ৰা-ছোৱালীবোৰে কান্দি কান্দি আমনি দি থাকিলে সিহঁতৰ হাঁহি তোলাই কান্দোন বন্ধ কৰিবলৈ কাষলতি, পেট আদিত অস্বাভাৱিকভাৱে ভাকুট কুটাই দিয়ে আৰু লগে লগে গীত কিছুমান গায়। ভাকুট কুটোৱাকে তেওঁলোকে 'কাই-কুতোৱা' বা কাইকুতি বুলি কয়। সেই হিচাপেই এই গীতক কাই কুতোৱা খেলৰ গীত বোলে। যেনে–

(ক) আজ বিলাইকে পাঁয়েছি
চটুক দাগ দিয়েছি
কাইকুত কাইকুত কাইকুত।

(খ) এৰাম দুৰাম তিনিক ছায়া

ঘাছ্ গবৰ ফক্‌চা
শিয়াল কাটা বাঘ নখটা
হাগে গোটা চেপটা।

২.৫ **অন্যান্য গীত ঃ** চাহ-মজদুৰসকলৰ মাজত এনে গীত কিছুমানৰ প্ৰচলন আছে যিবোৰ উপৰোক্ত তিনি শ্ৰেণীত ভাগ কৰিব নোৱাৰি। সেই গীতসমূহক এই শ্ৰেণীত লোৱা হৈছে। যেনে-- খাড়িয়া গীত, চাওতালী গাতা গীত, মৰৈ গীত, চহৰুল বা সৰজম বাহা গীত, মাঘীযাত্ৰা বা মাগে পৰবৰ গীত, ইত্যাদি।

৩.৫.১ **খাড়িয়া গীত ঃ** ধলভূম অঞ্চলৰ পৰা অসমৰ বাগিচাৰ মজদুৰৰূপে অহা খাড়িয়া জাতিৰ লোকসকলে অসমৰ পৰিবেশৰ মাজতো তেওঁলোকৰ নিজৰ পিতৃপুৰুষৰ অন্যান্য ভালেমান ৰীতি-নীতিৰ দৰে লোকগীতবোৰ বৰ্জন নকৰাকৈ ৰক্ষা কৰি আহিছে। অৱশ্যে বহুদিন হোৱা বাবে সম্প্ৰতি ভালেমান তেনে গীত লোপ পাইছে। এওঁলোকে হাবি-বননিৰ প্ৰাকৃতিক শোভা বৰ্ণোৱা এক শ্ৰেণীৰ গীত গায়। এই গীতসমূহেই খাড়িয়া গীত নামেৰে পৰিচিত। এই গীতৰ লগত নৃত্যও জড়িত হৈ আছে। ল'ৰা-ছোৱালীবোৰে খাড়িয়া গোৱাৰ লগে লগে হাত দাঙি দাঙি কঁকাল ঘূৰাই ঘূৰাই নাচে। এই গীতৰ আন এটা নাম হৈছে 'দৌৰা গীত'।

এই গীতৰ পটভূমি অৰণ্য। সুস্থ জীৱন দৰ্শনৰ আভাস এই গীতত পোৱা যায়। দুটা পংক্তিতেই এই গীত স্বয়ংসম্পূৰ্ণ। অৱশ্যে ইয়াৰ দুই-এটা ব্যতিক্ৰমো দেখা যায়। এই গীত সুৰ লগাই গায়। যেনে--

(ক) বন বন ঘূৰালি কষা কেঁদ খাওয়ালি
জল শোযে ৰে মাইৰি ঘৰ ঘূৰালি।

অৰ্থাৎ বনে বনে ঘূৰি বোকা আৰু কিবা খুৱালে, বন্ধু, ঘৰলৈ যাবলৈ বৰ মন গৈছে।

(খ) আসন বাক্‌ড়া বলি ৰে শাল বাকড়া
জামাই বলি চুমালি বুঢ়া লাকড়া।

অৰ্থাৎ আসন গছৰ ছাল নহয়, শাল গছৰ বাকলি; জোঁৱাই নহয়, যাক বৰণ কৰিবলৈ আহিছে তেওঁ এজন বুঢ়া বোবা।

(গ) ই বুদা উ বুদা হুল কি বুল লে
ভুৰকঁড়া তলে যে তপি হ'লে।

অৰ্থাৎ আঁতৰৰ পৰা উকি মাৰি মাৰি, শেষত ভুৰকুও গছৰ তলত লুকাই থাকিল।

২.৫.২ **চাওতালী পাতা গীত ঃ** অসমত বসবাস কৰা চাওতাল সম্প্ৰদায়ৰ চাহ-মজদুৰসকলৰ মাজত প্ৰকৃতিৰ সৌন্দৰ্যৰ আধাৰত ৰচিত এক শ্ৰেণীৰ গীত আছে। সেইবোৰৰ ৰচনাৰ মূল অৱলম্বন হ'ল অৰণ্য। সেইবোৰ গীতকে 'পাতাগীত' বোলে। পুৰুষ আৰু কন্যাৰ হৃদয়ৰ কথাও এই শ্ৰেণীৰ গীতত নানাভাৱে প্ৰকাশ কৰা দেখা

যায়। ইয়াৰ বিষয়বস্তুত আধ্যাত্মিকতা নাই. ই সহজ-সৰল তথা হোজা জীৱনৰ ঘনিষ্ঠ ৰচনা। নায়ক-নায়িকা পৰিচিত অৰণ্যৰ অধিবাসী। প্ৰেমৰ বৰ্ণনা, বিষাদ বেদনা আদিও এই গীতত বৰ্ণিত হৈছে। সহজ-সৰল ভাষাৰে প্ৰকাশ কৰা এই গীতবোৰ চাৰিটা পংক্তিতেই সম্পূৰ্ণ। যেনে—

(ক) হড়তপা কিনু
বেঙুলে হাতে ধৰিল,
জজসাই জৰজুৰি জজসাই কুলহিয়ে
বেঙুলে ৰে কিনু ছাড়ি ৰাখিল।

অৰ্থাৎ নিঃশব্দে প্ৰেম আহি নিঃশব্দে গুচি গ'ল, কেৱল স্মৃতিৰ বিন্দু কিছু থাকি গ'ল।

(খ) মীৰু মীৰু ডাকিতে
মীৰু দিদি পাওড়া কুৰুৰে
বাৰটি আকড়াৰে মীৰু দিদি
চিৰি বিৰি নাচি ধৰিল।

অৰ্থাৎ মীৰু দিদিক মীৰু মীৰুকৈ বিচাৰিছে। মীৰু দিদি পাওড়া পাহাৰলৈ গুচি গৈছে। বাৰবিধ নাচৰ আখৰাত মীৰুৱে চঞ্চল ভংগীত নাচিছে।

(গ) গাছ ভাৰি পাত ভাৰি
তুমাৰ মন ৰে ভাৰি
হাতেৰ শাঁকা ভাংগিয়া দিব
তুমাৰ মন বিড়িব।

অৰ্থাৎ গছৰ পাতে ভৰ দিছে, তোমাৰ মন অভিমানত ভৰি আছে। মই হাতৰ খাৰু ভাঙি তোমাৰ মন শান্ত কৰিম।

৩.৫.৩ মৰৈ গীত ঃ চাহ-মজদুৰসকলে আহাৰ মাহৰ কোনোবা এটা দিনত মৰৈ থানত 'চণ্ডীদেৱী' বা 'সাতবহিনী' দেৱীৰ পূজা কৰে। এই পূজা গাঁওবাসীক অপায়-অমংগলৰ পৰা, যেনে বসন্ত, খহু আদি সংক্ৰামক ব্যাধিৰ পৰা ৰক্ষা কৰিবলৈ কৰে। এই পূজাত এক প্ৰকাৰ স্তুতিবাচক গীত গায়। অসমীয়া লোকগীত 'আইনাম'ৰ লগত এই গীতৰ সাদৃশ্য আছে। এই স্তুতিসূচক গীতসমূহক তেওঁলোকে 'মৰৈগীত' বোলে, এই গীতৰে আন এটা নাম 'ৰাচ্‌নি গীত'। যেনে—

(ক) "কাঁহাৱা যে তহৰ জনমা দেৱী মাই
কাঁহৱা সে বাসা গ'
কাঁহা মায়া ঘৰে ঘৰে
লেলে উপনীত গ' মাই
জয় সাত বহিনী দেৱী মাই।"

(খ) "তুলসী কে পীড়িয়া মে
এক ঝুলা ঝুললে দুসৰা ঝুলা ঝুললে
ঝুলে ঝুলে।
দেৱী মাই হিয়াৰ জুৰাই গ'
ঝুলে ঝুলে।
হিলতে ঝুলতে দেৱী মাই
দাঁতৱা ঝালকি গেলাই
ঝুলে ঝুলে।
চণ্ডীমায়া বাঁহিয়া লাচকি গেলাই
ঝুলে ঝুলে।"

(গ) "জয় কালী মাই।
জয় শীতলা মাই।
পশ্চিমা মে তহৰ ঃ জনমা বুঢ়ী দেৱী
দক্ষিণা মে বাসা গ'
পূৰব দেশৰ ঘৰে ঘৰে
লেল উপনীত গ' মাই
জয় কালী মাই।
জয় শীতলা মাই।
জয় ভাওয়ানী মাই।" ইত্যাদি

৩.৫.৪ **সৰহুল বাহাগীত ঃ** বসন্ত উৎসৱ উপলক্ষে সাধাৰণতে চাওতাল আৰু মুণ্ডালী মজদুৰসকলে শালগছৰ ফুল, পলাশৰ ফুল আদি ফুলাৰ বতৰত অৰ্থাৎ ফাগুন মাহৰ দ'ল পূৰ্ণিমাৰ পিছৰ পৰাই এই উৎসৱ পালন কৰে। গাঁৱৰ সকলোৱে গোট খাই আলোচনা-বিলোচনা কৰি উৎসৱৰ এটা দিন ধাৰ্য কৰি লয়। এই উৎসৱ কেৱল চাওতালসকলৰে একান্ত উৎসৱ নহয়। অষ্ট্ৰিক গোষ্ঠীৰ সকলো লোকৰে এইটো এটা লেখত ল'বলগীয়া উৎসৱ। বৰ্তমান অসমত এই উৎসৱ লাহে লাহে লোপ পাই আহিবলৈ ধৰিছে। কেৱল শালগছৰ ফুল দিহে এই পূজা কৰা হয়। মহিলাসকলেও খোপাত শালগছৰ ফুল গুজি লয়। এই উৎসৱৰ লগত জড়িত গীতত পাহাৰ, হাবি-বননি আদিৰ কথাই বেছি। এই পূজা কেৱল দেউৰীৰ বাহিৰে অন্যই কৰিব নোৱাৰে। সেয়েহে গীতত দেউৰীৰ নামৰ উল্লেখ দেখা যায়। এই গীতসমূহ এনেধৰণৰ—

(ক) "শাইয়ু দোকো নিৰতাতৰিশি না পিড়ি
নড়াঃ দোকো দাল তাড়া সোণৰুম লেকা

সোণাৰুম চেতানাসতে দঃ আ দো জোৰো তানা
মাৰ্চি লেকান হাপানুন দো নিৰজা বোলায়না।"

অৰ্থাৎ খৰিবোৰ খেলিমেলিকৈ কাটিছে, ঘৰৰ চাল সোণৰ দৰে উজলাই তুলিছে। সোণৰ দৰে উজ্জ্বল চালৰ পৰা পানী পৰিছে আৰু সেই ঘৰৰ গিৰিহঁতনী উগ্ৰ খঙাল তিৰোতা।

(খ) "ৰাম গিৰিবুৰু চেতান ৰে মোড়ে মুকাজো জোজোলেনা
পুণ্ডিবুৰু সেৰেং লাতাৰ ৰে আপেঃ মুকা লামা জোলে না।
দলনাবু নেলেতু আঃ মোড়ে মুকা জোজো জোলে না।'

অৰ্থাৎ ৰামগিৰি পাহাৰৰ ওপৰত পাঁচহাত তেতেলী আৰু ধৱলগিৰি পাহাৰৰ কোণত তিনিহাত উৰহী লাগিছিল। ব'লা পাঁচহাত তেতেলী আৰু তিনিহাত উৰহী লগা চাই আহোঁগে।

(গ) "বুৰু চেতানৰে গোলে লেডা
তিৰিল তুকু সাইৰেম শিদুপ নেড়া তাড়াম
গাড়া লাতাৰ ৰে জাগাৰ লেণ্ডা
কাড়াসা চাটু মাইৰেম তাৰা ঃ ৰাপুট কেডাম।
মন কুড়ি মাইৰেম বিকুল জানা
তিৰিল তুকু মাইৰেম শিদু নেৰা তাড়াম
জুড়ি চি মাইৰেম শালা তানা
কাড়াসা চাটু মাইৰেম তাবা ঃ ৰাপটু তাড়া।"

অৰ্থাৎ, আমি পাহাৰৰ ওপৰত উঠিছিলো। এজনী ছোৱালীয়ে কেন্দু গছেৰে তৈয়াৰী গহনা তাত পুতি ৰাখিছিল। নদীৰ কাষত থিয় হৈ তাইৰ লগত কথা পাতিছিলো। তাই নদীলৈ পানী নিবলৈ আহিছিল, হঠাতে তাই কলহটো আচাৰ মাৰি ভাঙি পেলালে। হেৰা ছোৱালী, তোমাৰ ছাঁগে চিন্তা লাগিছে। কেন্দু গছৰ গহনাও মাটিত পুতি পেলালা। তোমাৰ জীৱন সংগী বাছি ল'লা নেকি? যাৰ কাৰণে তুমি মাটিৰ কলহটো আচাৰ মাৰি ভাঙি পেলালা।

৩.৫.৫ মাঘীযাত্ৰা বা মাগে পৰবৰ গীত ঃ মাঘী উৎসৱ খেতিৰ লগত সম্পৰ্ক থকা উৎসৱ। ইয়াৰ আন এটা নাম মাগে পৰব। ই আচলতে এটা সম্পূৰ্ণ কৃষি উৎসৱ। খেতিৰ ধান চপোৱাৰ সময়ত যেতিয়া পথাৰৰ পৰা সম্পূৰ্ণ কাটি অনা হয় তেতিয়া ওচৰ-পাঁজৰৰ কেইখনমান গাঁৱৰ গাঁওবাসীয়ে মাঘ মাহৰ শুক্ল-পক্ষৰ পূৰ্ণিমা তিথিত এই উৎসৱৰ আয়োজন কৰে। সাধাৰণতে খেতিপথাৰৰ ওচৰৰ কোনো এখন মুকলি ঠাইত এই উৎসৱ পালন কৰে। ফচল পোৱাৰ আনন্দ আৰু পৃথিৱীৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰাই এই উৎসৱৰ মূল উদ্দেশ্য। 'মুণ্ডা' গোষ্ঠীৰ লোকৰ মাজত

এই উৎসৱৰ প্ৰচলন সৰ্বাধিক। পূজাৰ শেষত নাচ-গান আৰম্ভ কৰে। এই নৃত্যৰ লগত গোৱা গীতকে মাঘীযাত্ৰাৰ গীত বোলে। কোনো কোনোৱে আকৌ তাকেই মাগে পৰবৰ গীত বুলিও কয়। এই গীতৰ লগত মাদল আদি বাদ্যও বজায়। এজনে গীত আৰম্ভ কৰি দিয়ে; তেতিয়া লগৰ আন সকলোবে সেই গীতহে গাবলৈ আৰম্ভ কৰে। নাচনীসকলে ভৰিত জুনুকা বান্ধি লয়। নাচনীসকলৰ মাজতো এজনীয়ে হাতত কৰতাল লৈ নাচ পৰিচালনা কৰে। এই গীতবোৰ আচলতে স্তুতিসূচক গীতৰ দৰে কৃষিৰ ফচল লোৱা বাবে কৃতজ্ঞতা প্ৰকাশ কৰি সেই ফচলৰ অধিষ্ঠাত্ৰীক বন্দনা কৰে। যেনে—

(ক) "মাগে দে বোংগায় মেঁয়না ফালনা
পুনভিনা মাদম্ চেতা নায়তে মাগে দ বোংগায মে
নায় তাইঞ্জ পুনভিনা সাদমচেতা লায়তে মাগে দ বোংগায সে।"

অৰ্থাৎ হেৰা গৃহস্থ (ফালনা) মাঘী পূজা কৰা। বগা ঘোঁৰাৰ ওপৰত উঠি মাঘী পূজা কৰোঁ।"

(খ) "আম দে নালাই অ্যাপটাম মো মেনাই
গাড়া তালা ডাণ্ডিকা নেকাম ছেমেৰ ছেজেৰেন
নায়তা ইন্জ্ঞ তালা ছেমৰন।"

অৰ্থাৎ হে প্ৰভু, তোমাক প্ৰণাম কৰিছো, হে প্ৰভু, তোমাৰ কোমল চৰণত কেৱল তোমাৰ নাম লৈয়ে প্ৰাৰ্থনা জনাইছো।

(গ) "নামা ঃ নতুম কেতে হে প্ৰভু জোয়াৰে আনন্জ্ঞ
যুগে যুগে ৰেম অৱতাৰ লেনাম
দুষ্টান কোম সংহাৰ কেনাম
নামা ঃ নুতুম কেতে প্ৰভুজ্ঞ জোয়াৰে তানন্জ্ঞ।"

অৰ্থাৎ হে প্ৰভু, যুগে যুগে তুমি অৱতাৰ ধৰিছা, পৃথিৱীৰ দুষ্টসকলক দমন কৰি পৃথিৱীক ৰক্ষা কৰিছা। সেয়েহে প্ৰভু, তোমাৰ কোমল চৰণত সেৱা কৰো।

চতুৰ্থ অধ্যায়

অসমীয়া গীতৰ লগত চাহ-মজদুৰৰ গীতৰ তুলনামূলক আলোচনা

৪.১ ভাৰতৰ বিভিন্ন ঠাইৰ পৰা অহা চাহ-মজদুৰসকলৰ লগত ঠাইৰ বৈশিষ্ট্যপূৰ্ণ লোক-বিশ্বাসৰ ওপৰত গঢ়ি উঠা পূজা-পাতল, উৎসৱ-পৰ্ব, গীত-পদ আদি লগত লৈ আহিলেও অসমত শতাধিক বছৰ অসমীয়া ভাষা-ভাষী লোকৰ লগত ঘনিষ্ঠভাৱে বসবাস কৰাৰ ফলত থলুৱা অসমীয়া সংস্কৃতিৰ লগত সেই মজদুৰসকল মিলি পৰিল। এইদৰে মিলি-জুলি থকাৰ ফলত অসমীয়া মাত-কথা, চাল-চলন, খাদ্যাদিৰ উপৰি আচাৰ-বিধি তথা পূজা-পাতল, উৎসৱ আদিৰ দ্বাৰা তেওঁলোক বহু পৰিমাণে প্ৰভাৱান্বিত হৈ পৰিছে। আনকি তেওঁলোকৰ গীত-মাত, বিবাহ আৰু উৎসৱৰ ক্ষেত্ৰতো তেনেকুৱা প্ৰভাৱে তেওঁলোকৰ নিজা বস্তুৰো মাত্ৰা হ্ৰাস কৰা দেখা যায়। উদাহৰণস্বৰূপে উল্লেখ কৰিব পাৰি—

"আসাম দেশেৰ বৈশাখ বিহু
কৰম পূজাৰ সমান ৰে
সৃষ্টিৰ কথা আছে গাঁথা
দুনোতে সমানৰে..."

ঝুমুৰ গীতত ভাহি অহা অসমৰ ব'হাগ বিহু আৰু কৰম পৰব দুয়োবিধ যে একেধৰণৰ আৰু দুয়োবিধেই কৃষিভিত্তিক সেই সূত্ৰেই এই দুয়োপ্ৰকাৰৰ গীততে সৃষ্টিৰ কথা গঁথা আছে। বিহু আৰু কৰম দুয়োটাই অতি মৰমৰ উৎসৱ আৰু সমাজত এই উৎসৱৰ উলহ-মালহ পৰ্যাপ্ত পৰিমাণৰ। সেই উৎসৱ নৃত্য আৰু গীতৰ দ্বাৰাও সমৃদ্ধ। উৎসৱ উপলক্ষে প্ৰচলিত গীতসমূহ অতি তাৎপৰ্যপূৰ্ণ। আটাইতকৈ মন কৰিবলগীয়া কথা হ'ল অসমীয়া বিহু আৰু মজদুৰৰ কৰমৰ গীতৰ মাজত থকা ভাবগত সাদৃশ্যৰ আধিক্য। দৰাচলতে সাদৃশ্যৰ পৰিমাণ সৰ্বাধিক সেই কাৰণে তাক মুখ্য আখ্যা দিলে বৈসাদৃশ্যক তথাকথিত গৌণ আখ্যা দিব পাৰি।

৪.১.১ অসমীয়া জাতীয় উৎসৱ 'বিহু' বছৰটোত সময়ৰ বৈশিষ্ট্যলৈ চাই তিনিবাৰ পালন কৰে। ব'হাগ মাহত পালন কৰা ব'হাগ বা ৰঙালী বিহু, কাতি মাহত পালন কৰা কাতিবিহু বা কঙালী বিহু আৰু মাঘ মাহত পালন কৰা হয় মাঘবিহু বা ভোগালী

বিহু। এই তিনিটা বিহুৰ লগত কৃষিৰ বিশেষ বিশেষ সময় যেনে— শুভাৰম্ভ, ভঁৰালৰ তলি উদং আৰু ভঁৰাললৈ কৃষি ফচলৰ আগমন এই তিনিটা সময়ত। ব'হাগ মাহটো অসমীয়া বৰ্ষ গণনা অনুসৰি বছৰৰ প্ৰথম মাহ। ঠিক সেইদৰে চাহ-মজদুৰসকলৰ মাজত নানা ধৰ্মৰ লোকৰ মাজত ভিন ভিন প্ৰকাৰৰ ভালেমান উৎসৱ-পৰ্ব থকা সত্ত্বেও তেওঁলোকে মহাপয়োভৰেৰে পালন কৰা 'কৰম পৰব' নামেৰে পৰিচিত উৎসৱটোহে উল্লেখযোগ্য। কাৰণ এই পৰবটো তেওঁলোকে সকলোৱে অতি শ্ৰদ্ধা-ভক্তিসহকাৰে অতি উলহ-মালহেৰে পালন কৰে। চাহ-মজদুৰসকলৰ পৰম্পৰাগত নিয়ম তথা সংস্কৃতি অনুসৰি বৰ্ষ গণনা অনুযায়ী কাতি মাহটো বছৰৰ শুভাৰম্ভৰ সময় বুলি ধৰে, আজিও বুঢ়া লোকসকলৰ মাজত বছৰ গণনাৰ সেই পৰম্পৰা ৰক্ষিত হৈ আহিছে; আৰু সেই হিচাপেই অসমীয়াৰ তিনি বিহুৰ দৰে 'কৰম' পৰব পালন কৰে। আঘোণ মাহৰ চতুৰ্দশী ব্ৰত বা ৰাসঝুমুৰ নামেৰে ভাদ মাহত শুক্লা একাদশী ব্ৰত বা জীতিয়া কৰম হিচাপে আৰু আহিনৰ বিজয়া দশমীৰ দিনাখন বুঢ়ীকৰম বা দশমী ব্ৰত হিচাপে পালন কৰে। অসমীয়াৰ ব'হাগ বিহু যিদৰে শ্ৰেষ্ঠ অৰ্থাৎ সবাতোকৈ ডাঙৰ বুলি বিবেচিত হয় চাহ-মজদুৰৰো একেদৰে ভাদ মাহত পালন কৰা 'জীতিয়া কৰম' অতি ডাঙৰ অৰ্থাৎ শ্ৰেষ্ঠৰূপে বিবেচিত হৈ আহিছে।

৪.১.২ এই উৎসৱৰ অংগস্বৰূপ বিহুগীত, নৃত্য আৰু ঝুমুৰ গীত-নৃত্য অসমীয়া আৰু চাহ-মজদুৰৰ লগত ওতপ্ৰোতভাৱে জড়িত। চ'ত মাহৰ আৰম্ভণিৰ পৰাই অসমীয়া বিহুমতলীয়া ডেকাৰ ঢোল-বাদনৰ শব্দ শুনিবলৈ পোৱাৰ দৰে শাওণ মাহৰ পৰাই মজদুৰৰ ঝুমুৰ গীতৰ কলি আৰু মাদলৰ শব্দ শুনিবলৈ পোৱা যায়।

৪.১.৩ সম্প্ৰতি অসমত ইমান বছৰ বসবাস কৰি অসমীয়াৰ বাপতি সাহোন হৈ থকা জাতীয় উৎসৱস্বৰূপ বিহুক চাহ-মজদুৰসকলে নিজৰ কৰি ল'বলৈ ধৰিছে। অসমীয়াৰ তিনিওটা বিহুকে চাহ-মজদুৰসকলে পালন কৰাও দেখা যায়। অৱশ্যে সেই বিহু পালনত তেওঁলোক ঠাই বিশেষে প্ৰত্যক্ষভাৱে আৰু কোনো ঠাইত পৰোক্ষভাৱে জড়িত হৈ পৰে। গাঁও অঞ্চলত প্ৰাক্তন চাহ-মজদুৰসকলে আমাৰ দৰেই ব'হাগ বিহুৰ আৰম্ভণিৰ দিনা গৰুক গা-পা ধুৱায়, পিঠা-পনা তৈয়াৰ কৰি আলহীক খুৱাই-বুৱাই শুশ্ৰূষা কৰে। বিহুতলীতো তেওঁলোকে অসমীয়া ডেকা-গাভৰুৰ লগত নৃত্য-গীতত লাগি-ভাগি সহযোগ কৰে। এইদৰে সাম্প্ৰতিক কালত তেওঁলোকৰ উঠিঅহা চাম ল'ৰা-ছোৱালীক একপ্ৰকাৰৰ অসমীয়া হৈয়েই পৰিছে বুলিলেও ভুল নহয় বুলি ধাৰণা হয়।

৪.১.৪ মাঘবিহুৰ আগদিনা চাহ-মজদুৰসকলৰ অন্য এক উৎসৱ টুচু পৰব পালন কৰে। অঞ্চলভেদে ঠায়ে ঠায়ে কোনো কোনো মজদুৰ লোকে মেজিঘৰ জ্বলোৱাও দেখা যায়।

৪.১.৫ কাতি বিহুৰ দিনাও খেতিপথাৰ থকা চাহ-মজদুৰসকলে নিজৰ নিজৰ পথাৰত চাকি জ্বলায়। বহুতে আকৌ তুলসীৰ গুৰিত চাকি-বন্তি দি সেৱা কৰে। অসমত থাকি অসমৰ সংস্কৃতি আঁকোৱালি ল'লেও তেওঁলোকে সুকীয়াকৈ পালন কৰা কৰম পৰবত গোৱা নানা ৰকমৰ গীত আৰু অসমীয়া বিহুগীতৰ মাজত একাধিক বিষয়ত যথেষ্ট মিল দেখা যায়।

৪.১.৬ বিহুগীত আৰু ঝুমুৰগীত এই দুয়োবিধ লোকগীতৰ সংবেদনশীলতা, উৎপত্তিৰ উৎস আৰু উদ্দেশ্য মূলতঃ একেটাই। আচলতে দৈনন্দিন জীৱন আৰু লোকধৰ্মৰ কথাহে আখ্যা দিব পাৰি। এই গীতসমূহ জীৱন সম্ভাৰেৰে উপচি পৰা। বিহুগীতৰ মাজত আখ্যান, কিম্বদন্তি, অতীতৰ নানা বিষয়ৰ সংকেত আৰু হাঁহি-বিদ্রূপৰ এই গীতসমূহ মুখৰ ৰচনা আৰু পুৰুষ পৰম্পৰা যুগ বাগৰি পৰিবৰ্ধিত আৰু পৰিসংশোধিত হৈ অহা বাবে পৰিবৰ্তনৰ লগে লগে ই নতুন ৰূপ লৈ আহিছে। মজদুৰৰ ল'ৰা-ছোৱালী আৰু অসমীয়া ল'ৰা-ছোৱালীয়ে বন্ধুত্বৰ এনাজৰীৰে বান্ধ খাই পৰিছে।

৪.১.৭ বিহুগীত/নৃত্য অষ্ট্ৰ-মংগোলীয় সংস্কৃতিৰ অৱদান বুলি কোৱা হয় যদিও বড়ো, কছাৰী আদি অন্য সংস্কৃতিৰ প্ৰভাৱো আছে। ঠিক সেইদৰে চাহ-মজদুৰৰ 'ঝুমুৰ' মূলতঃ আৰ্য হিন্দু সংস্কৃতি যদিও তাত মূল অষ্ট্ৰিক উৰ্বৰা বিশ্বাসৰ প্ৰভাৱ পৰা অনুভৱ হয়। কোল-মুণ্ডা গোষ্ঠীৰ লোক সৰহ হোৱাৰ কাৰণে তেওঁলোকৰ সংস্কৃতিৰ উপাদান শিপোৱাৰ লগতে 'ঝুমুৰ'ক তেওঁলোকেও আঁকোৱালি লৈছে।

৪.২ বিহুগীতৰ আৰম্ভণিতে সুকুমাৰ কলা, সংগীত আৰু বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতী, অন্যান্য দেৱ-দেৱী আৰু গাঁৱৰ বয়োবৃদ্ধ লোকসকলক প্ৰণাম জনোৱা হয়। ঠিক সেইদৰে মদনবলিয়া ঝুমুৰীয়া ডেকা-গাভৰুৱেও 'ঝুমুৰ' নাচৰ আৰম্ভণিতে সৰস্বতী দেৱী, অন্যান্য দেৱ-দেৱীক, সভাসদক প্ৰণাম কৰি অনুষ্ঠানত কোনো দায়-দোষ হ'লে ক্ষমা কৰিবলৈ অনুৰোধ কৰে। যেনে—

বিহুগীত ঃ "প্ৰথমে প্ৰণামো দেৱী সৰস্বতী
দ্বিতীয়তে প্ৰণামো হৰি
তৃতীয়তে প্ৰণামো গাঁৱৰ বুঢ়া মেথা
ধৰি যাওঁ নামৰে গুৰি।'

ঝুমুৰ গীত ঃ
"আখড়া বন্দনা কৰি সৰস্বতী মাইগ' বন্দি
আৰ বন্দি যত দেৱগণ (সভাগণ)
এক কলি ঝুমুৰ গাহিতে মৰ মন
ভুল হ'লে কৰিবে মাৰ্জন।"

৪.২.১ বিহুগীতত প্ৰেমৰ বৰ্ণনা অসীম। ঝুমুৰ গীততো তদ্ৰূপ নাহৰ, কপৌ আদি ফুল ফুলা দেখিলে বিহুবলিয়া ডেকা-গাভৰুৰ মন উগুল-থুগুল হোৱাৰ সম্ভেদ বিহুগীতত আছে। যেনে–

"কপৌ ফুল ফুলিলে নাহৰ ফুল ফুলিলে
ফুলিলে ভেবেলি লতা,
কৈনো কৈ থাকিলে ওৰকে নপৰে
ব'হাগৰ বিহুৰে কথা।"

৪.২.২ ভাদ মাহ সোমোৱাৰ লগে লগে ঝুমুৰীয়া ডেকা-গাভৰুৰো মন উগুল-থুগুল হয়। তাৰ আভাস ঝুমুৰ গীতত উল্লেখ আছে। যেনে–

"আৱল ভাদৰ মাস
লাগিল নৈহৰ আশ,
দিবা নিশি বেহুলা দেখাই
মৰি প্ৰাণ যায়।"

৪.২.৩ বিহুৱা ডেকাৰ বুকুৰ প্ৰেমৰ পোৰণি বিহুগীতৰ মাজেৰে নুমুবাব বিচৰাৰ দৰে ঝুমুৰীয়া ডেকায়ো ঝুমুৰ গীতৰ যোগেদি প্ৰেমৰ উষ্মা প্ৰাঞ্জলভাৱে বৰ্ণনা কৰে। যেনে—

বিহুগীত ঃ "বুকুৰে ভিতৰত পিৰীতিৰ জ্বলা জুই
কেনেকৈ সহি মই থাকো
তোমাৰে চিন্তাত মন মোৰ ব্যাকুল
নাখাই মই শুকায়ে মৰো।"

ঝুমুৰ গীত ঃ

"মনে জাগে প্ৰেমৰ জ্বালা
কত সহইবে ঘৰেৰ হালা,
পুইছ না পুইছ না গ'
কত সহইবে মনেৰ বেথা।"

৪.২.৪ প্ৰেমত হাবু-ডাবু খোৱা বিহুৱা ডেকাৰে প্ৰেয়সীয়ে মৰম ভৰাই থোৱা থুৰিওৱা তামোলখন দিবলৈ নাপায় ছাটি-ফুটি কৰাৰ দৰে ঝুমুৰীয়া গাভৰুৱেও পাণ-তামোলৰ টোপোলা প্ৰেমিকৰ ঘৰৰ চালত পুৱা-গধূলি মৰমৰ চিনস্বৰূপে সকলোৰে অলক্ষিতে দলিয়াই দি মৰম প্ৰকাশ কৰে। যেনে—

বিহুগীত ঃ "ওপৰেদি উৰিলে কৰচন কহুৱা
চাপৰি উৰিলে বগ,
ঠুৰিওৱা তামোলখনি কাটি বাছি থ'লো
দিবলৈ নাপালো লগ।"

ঝুমুৰ গীত ঃ

"সানজে সকালেৰ বেলা
কে মাৰেছ ছাইনে ঢেলা
ঢেলা নাহি গ' সেটা
পাণেৰ টোপোলা।"

৪.২.৫ প্ৰেয়সীৰ উঠন বুকু আৰু বেঁকা চাৱনিত আকৰ্ষিত হৈ বিহুৱা ডেকাৰ ৰাতি টোপনি নহাৰ দৰে ঝুমুৰীয়া ডেকায়ো উজাগৰে নিশা পাৰ কৰাৰ কথা গীতত প্ৰাঞ্জলভাৱে বৰ্ণনা কৰিছে। যেনে—

বিহুগীত ঃ "তোমাৰ যৌৱন জুৰি
এনেনো শুৱনি
মলয়া বতাহত লৰে,
তোমাৰে চাৱনিত
নাপাওঁ মই তৰ্ণি
মন মোৰ কেনেবা কৰে।"

ঝুমুৰ গীত ঃ

"আম গছে জাম দিদি
বুকে কেন ফলেহে,
বাঁকা চোখেৰ ঠাঁৰ দেখি
নিন্দ নাহি আৱে হে।"

৪.২.৬ প্ৰেমত জাতি-কুল নাই। ইয়াৰ ইংগিত বিহুগীত আৰু ঝুমুৰ গীত উভয়তে সুন্দৰভাৱে প্ৰকাশ হৈছে। যেনে—

বিহুগীত ঃ "তোমাৰ মনে গ'লে মোৰো মনে গ'লে
কি কৰিব জাতি কুলে।"

ঝুমুৰ গীত ঃ

"তই বল, বন্ধু বল, কেহ না হয় আপন,
কিবা হাড়ি কিবা ডম
পীৰিতে মজিল মন
বিনাচাৰে কৰিব আপন।"

৪.২.৭ ম'হৰ এঠা দৈৰ লগত বকুল বৰা ধানৰ চিৰা খাবলৈ আগত লৈ প্ৰেমিকাৰ কথা মনত পৰাৰ লগে লগে খাব নোৱাৰা হোৱাৰ বৰ্ণনা বিহুগীতত থকাৰ দৰে ঝুমুৰ গীততো তদ্ৰূপ বৰ্ণনাৰ উল্লেখ আছে। যেনে—

বিহুগীত ঃ "বকুল বৰাধানৰ চিৰা খুন্দিছিলো

ম'হৰে মখনা দৈ
খাবৰ বেলা তৌলৈ মনত পৰে
থাকো মই আগতে লৈ।"

ঝুমুৰ গীত ঃ

"আল ধানেৰ পাতলা চিৰা
গামছা বান্ধা দহি গ'
খাবাৰ বেলাই মনে পৰে
আমাৰ প্ৰাণেৰ সখি গ'।"

৪.২.৮ বিহুগীত আৰু বিহুনৃত্য যিদৰে যৌৱন উপচি পৰা ডেকা-গাভৰুৰ যৌনক্ষুধাৰ অন্যতম প্ৰকাশ সেইদৰে 'কৰম গীত' তথা ঝুমুৰগীত/নৃত্যও মজদুৰ ডেকা-ডেকেৰীৰ যৌৱনৰ ক্ষুধা-তৃষ্ণাৰেই অন্যতম ৰূপ। এনেকুৱা কিছুমান গীত আকৌ এই দুয়োবিধ উৎসৱৰ সময়ত গোৱা হয়। সেইবোৰ গীত শুনিলেও শ্ৰোতাৰ অন্তৰত যৌৱনৰ উন্মাৰ্দনা উথলি উঠে। তেনে গীতবোৰৰ ভাব আৰু ভাষা আৰু অন্তৰ্নিহিত সংস্কাৰ পিনৰ পৰাও বিশষ মন কৰিবলগীয়া। যেনে--

বিহুগীত ঃ "নাচনীৰ কাষলৈ যাবকে নোৱাৰি
গাত মোহিনী আছে,
নাহৰ চম্পা গোন্ধে দেহা মতলীয়া কৰে
মন উঠে মোৰ নাচি।"

ঝুমুৰ গীত ঃ

"কাকৰ বাড়ীমে হাৰদি ৰে ঝিঙাফুল
কাকৰ বাড়ীৰে গয়া,
লাল কুমল ফুল যেন গমকেলা।"

৪.২.৯ প্ৰেমিকে প্ৰেমিকাক চিৰকালৰ বাবে নিজৰ অতি আপোন সংগীৰূপে পাবলৈ বিচাৰে। তাৰ কাৰণে প্ৰয়োজন হ'লে বিহুৱা ডেকাই খেতিপথাৰত অতি কষ্টৰে, ৰে'লৰ লাইনত দিনে-নিশাই চাকৰি কৰি ধন ঘটিবলৈও সাজু। এইবিলাক কথাও বিহুগীতত সুন্দৰভাৱে প্ৰকাশ পাইছে। যেনে—

"ৰে'লৰ আলিৰ দুবৰি বন
হাড়ক মাটি কৰি
তেজক পানী কৰি
তোমালৈ ঘটিছো ধন।"

ঝুমুৰ গীততো অবিকল তেনেকুৱা বৰ্ণনাৰ চিত্ৰ অংকন কৰা দেখিবলৈ পোৱা যায়। কলঘৰত কপালৰ ঘাম মাটিত পেলাই ভীষণ কষ্ট কৰি কাম কৰি হ'লেও ধন

ঘটিবলৈ চেষ্টা কৰে। কাৰণ প্ৰেমিকাক চিৰদিনৰ বাবে জীৱন সংগিনীৰূপে পাবলৈ তেনেভাৱে হাড়ভগা শ্ৰম কৰিবলৈকো মজদুৰ ডেকা মানসিকভাৱে প্ৰস্তুত। যেনে—

"কল ঘৰেৰ কলেৰ কাম
বাবু ভায়া লিখে নাম।
কপালে ফুটিল ঘাম,
মনে ৰাখহে ৰসিকা চাম।"

৪.২.১০ অতীতত ডেকা-গাভৰুসকলে এই বিহু-নৃত্যগীত পৰিবেশন কৰিছিল কোনো এক নিৰ্জন ঠাইত বিশেষকৈ গছৰ তলত, নদী বা বিলৰ পাৰত আওহতীয়া চুকত। সেই ঠাইখিনিক কোৱা হৈছিল 'বিহুতলী'। ঠিক সেইদৰে কৰম পৰৱো মুকলি ঠাই, নদী বা বিলৰ পাৰ আদিত অনুষ্ঠিত হৈছিল আৰু সেই ঠাইখিনিক 'আখৰা' বুলি কৈছিল। বৰ্তমান দুয়োবিধ নৃত্য-গীত নদীৰ পাৰ, মুকলি ঠাইৰ পৰা আহি লাহে লাহে মঞ্চত উঠিছেহি।

৪.২.১১ বিহু আৰু কৰম এই দুয়োটা উৎসৱত যৌৱনসুলভ ডেকা আৰু গাভৰুৰ বিশেষ স্থান আছে। ভালদৰে পৰ্যবেক্ষণ কৰি চালে দেখা যায় যে গাভৰুসকলৰ ভূমিকা তাৎপৰ্যপূৰ্ণ, সেই গাভৰু বুলিলে বিবাহিতা আৰু অবিবাহিতা দুয়ো শ্ৰেণীয়েই তাত ভাগ ল'ব পাৰে। গাভৰুক বাদ দি দুয়োবিধ নৃত্য-গীতেই অন্তঃসাৰশূন্য হৈ পৰে। ঢোল, মাদলৰ ছেৱে ছেৱে নচা নাচনীজনীকেই বিহু-ঝুমুৰৰ সকলো কামতে বিশেষ প্ৰাধান্য দিয়া হয়। বিহুত ডেকাৰ ভূমিকাৰ তুলনাত গাভৰুৰ ভূমিকাক অধিক গুৰুত্বপূৰ্ণ যেন ধাৰণা হয়, আনহাতে কৰম পূজাৰ অনুষ্ঠানত ডেকাৰ তুলনাত গাভৰুৰ ভূমিকা যথেষ্ট বেছি, গাভৰু অবিহনে কোনোটো অনুষ্ঠানেই সম্ভৱ নহয়। এইক্ষেত্ৰত গাভৰুৰ স্থান কৰমত বিহুতকৈ অধিক গুৰুত্বপূৰ্ণ।

৩.২.১২ বিহুগীতবোৰত যিদৰে আমি অসমৰ সামাজিক, অৰ্থনৈতিক, প্ৰাকৃতিক পৰিবেশ, ৰাজনৈতিক বৰ্ণনা পাওঁ, ঠিক সেইদৰে ঝুমুৰ গীততো সামাজিক, অৰ্থনৈতিক, প্ৰাকৃতিক পৰিবেশ আদিৰ বৰ্ণনা পোৱা যায়। গীতত সমসাময়িক সামাজিক তথা ৰাজনৈতিক ঘটনা প্ৰবাহৰ বিবিধ ঘটনাৰ সম্ভেদ পোৱা যায়। আনকি সৌসিদিনা সংঘটিত চীন-ভাৰতৰ সংঘৰ্ষৰ বৰ্ণনাও এই দুয়োবিধ গীততে শুনিবলৈ পোৱা যায়। যেনে—

বিহুগীত ঃ পাহাৰলৈ যাবানে?
চীনাৰ যুদ্ধ চাবানে?
দেশৰ মাটি ৰাখিবলৈ
কেৰু মণি দিবানে? -

জুমুৰ গীত ঃ

"শুনৰে ভাৰত ভাই
চীনা কৰেত লড়াই
গৰজে উঠ ভাৰতবাসী
পাগুৰী হিলায়।"

৪.৩ বিহুগীত আৰু ঝুমুৰ গীতৰ উপৰি টুচুগীতৰ লগতো অসমীয়া বিহুগীতৰ সাদৃশ্য পৰিলক্ষিত হয়। পুহ আৰু মাঘ মাহৰ দোমাহিত অসমৰ অতি আদৰৰ ভোগালী বিহুৰ আচাৰ-অনুষ্ঠান অনুষ্ঠিত হয়। তাৰ আগদিনা অৰ্থাৎ উৰুকাৰ দিনা মেজিঘৰ সাজি তাত ডেকা-বুঢ়া সকলোৱে মিলি ভোজভাত খাই আনন্দ কৰে। এই মেজিবিহুৰ লগত অসমৰ চাহ-মজদুৰৰ কিছু লোকে ফাগুনৰ পূৰ্ণিমাত পালন কৰা 'হোলিকাদাহ' উৎসৱৰ সাদৃশ্য আছে। 'হোলিকাদাহ' উৎসৱত মেজিঘৰ স্থাপন কৰাৰ দৰে এডোখৰ নিৰিবিলি ঠাই ল'ৰা-বুঢ়া আটাইয়ে সমবেত হৈ এটা গাঁত খান্দে আৰু তাতে শিমলুৰ দাল পুতি পূজাৰ বেদি স্থাপন কৰে। অসমীয়া ডেকাল'ৰাইঁতে আমোদ কৰিবলৈ বুলি ওচৰ-চুবুৰীয়াৰ বাৰী-ঘৰৰ পৰা সাধাৰণতে গৃহস্থৰ অজ্ঞাতে কাঠ-বাঁহ আদি আনি জুই ফুৰায়। সেই একেদৰে মজদুৰসকলেও 'হোলিকাদাহ' কৰিবৰ কাৰণে লোকৰ বাৰীৰ পৰা গৃহস্থৰ অজ্ঞাতে কাঠ, বাঁহ গোটাই আনে। মেজিঘৰত জুই একুৰা জ্বলাই গাঁৱৰ ডেকা ল'ৰাহঁতে নৃত্য-গীত প্ৰদৰ্শন কৰি গোটেই ৰাতি উজাগৰে কটাই পুৱা মেজিত জুই দিয়ে, ঠিক তেনেকৈয়ে মজদুৰ ডেকাসকলেও 'হোলিকাৰ' মেজিৰ কাষত জুই ধৰি নাচ-গান কৰি নিশাটো অতিবাহিত কৰি পুৱা তাত জুই লগাই দিয়ে।

৪.৩.১ মাঘবিহুৰ আগদিনা অৰ্থাৎ উৰুকাৰ দিনা চাহ-মজদুৰসকলে 'টুচু পৰব' পালন কৰে। এইদিনাও তেওঁলোকৰ বুঢ়া-ডেকা সকলোৱে নানান অনুষ্ঠান তথা নৃত্য-গীতৰ মাজেদি নিশাটো পালন কৰে।

৪.৩.২ আমাৰ ডেকা-গাভৰুৱে ব'হাগ বিহুৰ এটা মুকলি পৰিবেশৰ মাজত বিহুগীতৰ জৰিয়তে মনৰ ভাব আদান-প্ৰদান কৰাৰ লগতে ব'হাগতে বিয়া পাতি অৰ্থাৎ পলুৱাই নিয়াৰ দৰে চাহ-মজদুৰ ডেকা-গাভৰুৱেও টুচু দেৱীক সাক্ষী কৰি বিভিন্ন গীতৰ মাধ্যমেৰে মনৰ ভাব আদান-প্ৰদান কৰাৰ লগতে যুগ্মজীৱনৰ পাতনি মেলিবলৈ চেষ্টা কৰাও দেখা যায়।

৪.৩.৩ মাঘবিহুত অসমীয়া ডেকাই 'কণী যুঁজ' পতাৰ দৰে চাহ-মজদুৰ ডেকা-বুঢ়াসকলেও কুকুৰাযুঁজ পাতি আনন্দ উপভোগ কৰে। 'কণীযুঁজ'ৰ বিশেষ তাৎপৰ্য আছে। 'কণী' প্ৰজননৰ চিন। এই কণীযুঁজৰ দ্বাৰা কৃষি কৰ্মৰ উৰ্বৰতাৰ কামনা কৰা হয়।

দ্ৰষ্টব্য ঃ এই গ্ৰন্থৰ তৃতীয় অধ্যায়

৪.৩.৪ টুচুগীতৰ লগত অসমীয়া আৰু কিছু লোকগীতৰ সাদৃশ্য মন কৰিবলগীয়া, বিশেষকৈ অসমীয়া আইনামৰ লগত টুচুগীতৰ সাদৃশ্য অতি স্পষ্ট। অৱশ্যে গীতৰ ভাব-ভাষা আৰু পৰিবেশন কৰা পদ্ধতি আদি পৰ্যবেক্ষণ কৰিলে অসমীয়া আইনামৰ স্তুতি বা বন্দনাৰ অনুকৰণত টুচুগীতৰ বন্দনা সৃষ্টি হোৱা বুলি অনুমান হয়। এনেকুৱা টুচুগীতবোৰ বেছি পুৰণি ৰচনা নহয়। যেনে–

আইনাম ঃ"তেল দিলো, শলিতা দিলো
স্বৰ্গত দিলো বন্তি হে
সন্ধ্যা কালে পূজা কৰো
তোমাৰ চৰণ হে।"

টুচু গীত ঃ"তেল দিলাম, শলিতা দিলাম
স্বৰ্গে দিলাম বাতি গ'
সকল দেৱতা সন্ধ্যা লেওমা
ঘৰেৰ কুলৱতী গ'।'

৪.৩.৫ আকৌ সমাজত বহু পৰিমাণে প্ৰচলিত পুৰণি আখ্যান কাহিনী আদিৰ কথা দৈনন্দিন জীৱনত অতি দকৈ শিপাই পৰা দেখা যায়। তেনে কথাৰ ভিতৰত ৰামায়ণ, মহাভাৰত বা বুৰঞ্জীয়ে ঢুকি পোৱা উল্লেখযোগ্য ঘটনাৰ কথা ক'ব পাৰি। সেই হিচাপেই ৰাম কাহিনী, সীতাৰ কৰুণ কাহিনী আদি গীতত উল্লেখ পোৱা যায়। অসমীয়া বিহুগীতত এইবোৰ কথাৰ উল্লেখ থকাৰ দৰে টুচুগীততো এক অতি অৰ্থৱহ কথা। যেনে—

বিহুগীত ঃ"তুলসীৰ তলে তলে
মৃগ পহু চৰে
তাক দেখি ৰামচন্দ্ৰই
শৰ ধনু ধৰে।"

টুচু গীত ঃ"বনেৰ আঙনাৰ মাজে
সনাৰ মৃগী যাই চলে
ধৰে দেহহে লক্ষ্মণ
মৃগী সনা যাই চলে।"

৪.৩.৬ আকৌ প্ৰেমিক-প্ৰেমিকা প্ৰেমজালত আবদ্ধ হোৱাৰ কথা দুয়োবিধ গীততে প্ৰকাশ পোৱা দেখা যায়। যেনে–

বিহুগীত ঃ"সজাতে বন্দী হ'ল সজাৰে মইনা
ডালত বন্দী হ'ল কুলি
প্ৰেমৰ জালতে চেনাই ধন বন্দী হ'ল

ওলাই যাক কিনো বুলি।"

টুচুগীত ঃ "কুইল গাছে কুহলিনীৰ বাসা
ডালিম গাছে কেৰ্কেটা,
হামাদেৰ টুচু ফান্দ আড়েছে
বাঝজে ৰাজাৰ বেটা।"

৪.৪ ব'হাগ বিহুৰ প্ৰথম দিনটো অসমীয়া লোকে গৰুবিহু হিচাপে পালন কৰে। গৰুক গা-পা ধুৱাই পিঠা-পনা খাবলৈ দি নতুন পঘাৰে গোহালিত বান্ধি সন্ধিয়া ধোঁৱা দি গৰুক পূজা কৰে। ঠিক তেনেদৰে চাহ-মজদুৰসকলেও কাতি মাহত পালন কৰা 'সাঁহৰাই' পৰবত গৰুক গা-পা ধুৱাই পিঠা-পনা খুৱাই ধূপ-ধূনা দি পূজা কৰে। দুয়োটা উৎসবৰে মূল উদ্দেশ্য একে। গৰুবিহুৰ দিনা গৰুৰ উন্নতি কামনা কৰি অসমীয়া লোকে দীঘলতী, মাখিয়তী পাত দি গৰুৰ গাত কোবাই কোবাই গোৱা গীতৰ লগত সাঁহৰাই গীতৰ ভাব একে। যেনে—

অসমীয়া গীত ঃ

"দীঘলতী দীঘল পাত
মাখি মাৰো জাক জাক,
মাৰ সৰু বাপেৰ সৰু
তই হবি বৰ বৰ গৰু।"

সাঁহৰাই গীত ঃ

"তই দৈয়া কৰবে ঈশ্বৰ মহাদেৱ গ'
বাঢ়ত ধৰাকে কিষা না গ'
কহ দৈয়া কৰবে শ্ৰীবিষ্ণু দেৱ গ'
বাঢ়ত বেগতি গো-প্ৰাণী গ'।

৪.৫ মনসা দেৱীক উদ্দেশ্য কৰি কোনো কোনো অঞ্চলৰ অসমীয়া লোকে মনসা পূজা কৰাৰ দৰে অসমৰ চাহ-মজদুৰসকলৰ কোনো কোনো সম্প্ৰদায়ৰ লোকে ভাদ মাহৰ শেষৰ দিনা নতুবা শাওণ মাহৰ নাগ-পঞ্চমী তিথিত 'মনসা' পূজা পাতে। মনসা পূজাৰ মূল উদ্দেশ্য হৈছে ভয়ত ভক্তি কৰা ধৰণৰ সাপ পূজাৰ বহিৰ্প্ৰকাশ। অসমীয়া মনসা কবি মনকৰ আৰু দুৰ্গাবৰৰ গীতৰ লগত চাহ-মজদুৰসকলে গোৱা মনসা গীতৰ যথেষ্ট সাদৃশ্য আছে। যেনে—

দুৰ্গাবৰৰ অসমীয়া মনসা গীত ঃ

"সোনেকাৰ উদাৰক লাগি অনিৰুদ্ধ গৈল
দশমায় গৰ্ভৰ সম্পূৰ্ণ যদি ভৈল।
অষ্টম নৱম যদি দিন নিবড়িল
নিশিভাগে সোনেকাৰ গৰ্ভ লৰিল।"

চাহ মজদুৰৰ মনসা গীত ঃ

"মৰি কি আনন্দ চম্পক নগৰে।
নীল লখীন্দৰ জন্ম সনেকা উদৰে।।
যবে সনেকাৰ গৰ্ভ পাঁচ মাস হৈল।
চান্দ সদাগৰে তবে বাণিজ্য চলিল।।'

৪.৫.১ চান্দ সদাগৰৰ লগত বিবাদ, পিতৃৰ কাৰণে পুত্ৰ লক্ষীন্দাৰৰ পদ্মা দেৱীৰ নৰ্দেশত কালীনাগৰ হাতত প্ৰাণনাশ আৰু বেউলাৰ সতীত্বৰ গুণত স্বামীৰ পুনৰ প্ৰাণলাভৰ যি কাহিনী এই গীতসমূহত বৰ্ণিত হৈছে তাৰ ভাষাৰ অলপ ইফাল-সিফাল হ'লেও ছন্দ, ভাব দুয়োবিধ মনসাগীতৰে একে।

৪.৬ চাহ মজদুৰসকলৰ মাজত প্ৰচলিত আন এক বিশেষ শ্ৰেণীৰ গীত আছে। সেইবোৰক তেওঁলোকে ঘেৰা বা খেৰা গীত আখ্যা দিয়ে। এই জাতীয় গীতবোৰ অসমীয়া ঈশ্বৰ ভাৱাপন্ন গীত, টোকাৰী গীত, দেহবিচাৰৰ গীত আদিৰ লগত সাদৃশ্য আছে। সন্ধ্যা সময়ত চাহ-মজদুৰসকলৰ বয়সীয়াসকলে এই গীত গায়। যেনে—

ঘেৰা গীত ঃ "কন পুৰীসে আৱত হে জী
কন পুৰীমে যায়েংগী
কিস্‌কা হ্যায় তুম নাতি পুতি
আৰ কিনকা হ্যায় তুম পুত্ৰ,
অযধ পুৰসে আৱত হে জী
জনক পুৰমে যায়েংগী
আৰ চান্দ সুৰুয যে নাতি-পুতি
দশৰথ কে পুত্ৰ।" ইত্যাদি

অসমীয়া দেহ বিচাৰৰ গীত ঃ

'বৈকুণ্ঠত আছিল দেৱাতৰ দামেকলা
আহিল ভাৰন্তত নামি
হে ৰাম ৰুই গ'ল এইনো দামেকলা
লক্ষ্মণে চপাই গ'লে মাটি।" ইত্যাদি

৪.৬.১ চাহ-মজদুৰৰ ঘেৰা গীতৰ ভাষাৰ মাজত নিভাঁজ অসমীয়া 'নাতি-পুতি' শব্দৰ ব্যৱহাৰ মন কৰিবলগীয়া। এই গীতৰ কলিৰ মাজত ৰামৰ কথা— 'দশৰথকে পুত্ৰ' কথাষাৰেৰে হাতী মাৰি ভুৰুকাত ভৰাই থোৱাৰ নিচিনাকৈ হৈছে।

৪.৭ অসমীয়া বিয়ানামৰ লগত চাহ-মজদুৰসকলৰ সাদী-গীতৰ যথেষ্ট মিল আছে। দুয়োবিধ গীত বিবাহক উপলক্ষ্য কৰি মুখে মুখে ৰচনা কৰি সুৰ লগাই গোৱা গীত। বিবাহৰ বিভিন্ন দিশ- জোৰোণ দিয়া (লগন বন্ধা), পানী তোলা (জল সহা),

গা-ধুওৱা, হোমৰ গুৰিত বহা, বিদায় দিয়া আদি উপলক্ষে গোৱা গীতসমূহৰ সাদৃশ্য মন কৰিবলগীয়া। দুয়োবিধতে দৰা-কইনাৰ নামত ৰাম-কৃষ্ণ, ৰাধা-ৰুক্মিণী, সীতা আদিৰ নামবোৰ যোগ দিয়া হয়। বিয়াৰ বিবিধ অনুষ্ঠানৰ লগত জড়িত গীতবোৰৰ ৰচনানীতি, আংগিক, উপমা, পটন্তৰ আদিৰ পিনৰ পৰা মন কৰিবলগীয়া। যেনে—

৪.৭.১ জোৰোণ দিয়া গীত ঃ

বিয়া নাম ঃ
"জোৰোণ পিন্ধাবলৈ
শাহু আই আহিছে
মুখত মিচিকিয়া হাঁহি।"

সাদী গীত ঃ
কে বঠে বৰেৰ মামা
লেহ ফুলে লগন ধৰায়
বৰেৰই মামা বলে
চিনিতে নাই পাৰি
চিনা দিব চিলুনেৰ দাগ।

পানীতোলা গীত ঃ
"পানী তুলিবলৈ আহিছে যশোদা
এই ঘাটে পানী শুকান হে ৰাম
যোৱাগৈ যশোদা লুইতৰ ঘাটলৈ
পানী উপচিয়েই আছে কি ৰাম।"

সাদী গীত ঃ
"জল সহিতে গেলি ৰাধা
জল নাহি মিলে
ৰাধা, জল নাহি মিলে
এথা কোথা জল পাবি ৰে ৰাধা
নেই ভোগদৈ তীৰে
এই নদী জল পাবি ৰে ৰাধা।"

৪.৭.৩ দৰা-কইনা নোওৱা গীত ঃ

বিয়া নাম ঃ
"মাহ-হালধিৰে নোওৱা-ধুওৱা
আমাৰে কইনা ক'লা হে
ঘঁহোতে ঘঁহোতে ঘাম সৰি পৰে
তেহে গাৰ ৰং উজলি উঠ হে..."

সাদী গীত ঃ
"তেল হলুদৰ খালা খালা
বালাৰ গায়ে দিব ৰে মাখায়,
মাখোতে মাখোতে ঘামে সৰবৰ গো
বালাৰ গায়ে দিহৰে ভলাই।"

৪.৭.৪ দৰা-আদৰা গীত ঃ

বিয়া নাম ঃ "আদৰি শাহু আই
সাদৰি নিব
হোমৰ গুৰি পালেই
কইনা দান দিব।"

সাদী গীত ঃ "বৰ আইল, বৰাও আইল
বৰেৰ ভাইও আইল না,
জল দি কৰি বসাই নি
বৰ হোমৰ গুৰি আইল।"

৪.৭.৫ জোঁৱাই বৰণৰ গীত ঃ

বিয়া নাম ঃ "হোমৰ গুৰিত আইদেউৰে
কৰিছে স্বামী বৰণ
ওপৰৰ পৰা দেৱগণে
কৰিছে ফুলৰে বৰ্ষণ।"

সাদী গীত ঃ "দেশ বুলি আলে প্ৰভু
মগৰ বুলি আলে
আস প্ৰভু লেহ কৰি
জল ৰাম তোমাৰ ঘাটৰ জল
ধনীৰ কেন মলিন বদন।"

৪.৭.৬ কইনা বিদায়ৰ গীত ঃ

বিয়া নাম ঃ বিদায় দিয়াৰ পৰত
কান্দিব নাপায়
আজিৰ পৰা আমাৰ আইদেউ
পৰৰ হৈয়ে যায়।

সাদী গীত ঃ শুন বলিহে গংগাজল
এই জীবনে আৰ দেখাদেখি নাই। ইত্যাদি

৪.৮ অসমৰ চাহ-মজদুৰসকলৰ নিচুকনি গীত বা ওমলা গীতৰ লগত অসমীয়া নিচুকনি গীতৰো সুন্দৰ মিল আছে। শিশু জীৱনৰ বিভিন্ন পৰম্পৰাৰ ধাৰা ঠাই আৰু সমাজভেদে বেলেগ বেলেগ হয় যদিও শিশুৰ মাত নুফুটা সময়লৈকে তাৰ স্বভাৱসুলভ দৃষ্টিভংগীৰে নানা সময়ত কন্দা-কটা কৰি আমনি দিলে কোলাত লৈ নিচুকাই, ফুচুলাই বা ভয় খুৱাই কেতবোৰ গীত গোৱা হয়। এনেকুৱা গীত যিকোনো সমাজৰে এক অপূৰ্ব সৃষ্টি। সেইবোৰ গীতৰ ভাব-ভাষাৰ স্বচ্ছতা আৰু পৰিবেশন ৰীতি

সাৰ্বজনীন। মজদুৰ সমাজ আৰু অসমীয়া সমাজ উভয়তে এনে গীতৰ বহু প্ৰচলন দেখা যায়। যেনে—

অসমীয়া ঃ "নাহিবি ঐ শিয়ালি ৰাতি
তোৰে কাণে কাটি
লগাই থম বাতি।"

বা

"আৰে কাণখোৱা আশে
সকলো শিশুৰে কাণ খাই খাই
আসয় তোমাৰ পাশে।"

চাহ্-মজদুৰ ঃ "আয়ৰে বগুিয়া শিয়াল
ঘৰ পিন্দাৰে থাকে
বাবুৰ মা জলকে তোলে
বাবুৰ কাণ কাটি।"

৪.৮.১ নিচুকনি গীত চাহ-মজদুৰৰেই হওক বা অসমীয়াই হওক শিশুৱে দৈনন্দিন জীৱনত বগলী, কল আদি পৰিচিত ফল-মূল বা অন্যান্য খাদ্য যেনে— গাখীৰ, মিঠাই, মুড়ি আদি খাবলৈ ভাল পায়। মাকে সেই বাবে কেঁচুৱাই কান্দি থাকিলে বা টোপনি নিয়াবলৈ সেই বস্তুবোৰ দিব বুলি প্ৰলোভন দি গীত গায়। যেনে—

অসমীয়া ঃ (ক) "আমাৰে মইনা শুব এ
বাৰীতে বগৰী ৰুব এ
বাৰীৰে বগৰী পকিব সৰিব
মইনাই বুটলি খাব।"

(খ) "আমাৰে মইনা শুব এ
দেউতাই আহোতে মিঠাই আনিব
শুই উঠি মইনাই
সেই মিঠাই খাব।"

চাহ-মজদুৰ ঃ (ক) "আৰ কান্দনা আৰ কান্দনা
মুড়ি ভাজি দিব
আবাৰ যদি কান্দ বাচা
তুলে আছাড় দিব।"

(খ) "আমাৰ বেটা ঘুমাইতে যাব
ঘুম উঠি বেটাই বগৰী খাবে।" ইত্যাদি

৪.৯ ওমলা গীততো দুয়োবিধৰে সাদৃশ্য আছে। বিভিন্ন খেলা-ধূলা কৰোতে চাহ-মজদুৰৰ ল'ৰা-ছোৱালীৰ নিচিনাকৈ অসমীয়া ল'ৰা-ছোৱালীয়েও বিবিধ গীত গায়। খেলভেদে গীতসমূহ পৃথক। যেনে—

৪.৯.১ আগুৰ খেলৰ গীত :

অসমীয়া : "ইমান ইমান পানী
ঘৰে ঘৰে ৰাণী
এই দাং মাৰো
নামাৰিবা ককাইদেউ।"

চাহ-মজদুৰ : "এত এত পানী
ঘৰ ঘৰাণী
চায়েৰ দাদা
ঘৰ ঘৰাণী পানী
এই দাং মাৰি
ঝাৰু মুঠা মাৰি।"

৪.৯.২ গুটি চোৰ খেলৰ গীত :

অসমীয়া : "অলৌ গুটি তলৌ গুটি
কচু গুটি ঘাই
যিটো হাতত গুটি আছে
সেইটো হাতত পাই।"

চাহ-মজদুৰ : "ছিপাই গুটি পিপাই চোৰ
যাৰ হাতে গুটি আছে
পালাবিআ, লুৰা।"

৪.৯.৩ ভাকুট কুতোৱা খেলৰ গীত :

অসমীয়া : "এক দুই তিনি চাৰি
ল'ৰা আছে শাৰী শাৰী
ঘাঁহ গোবৰ লিকটা
শিয়াল কাটা বাঘ নখ
হাগে গোটা চেপেটা।"

চাহ-মজদুৰ : "একম দুকম তিনিক ছাঁয়া
ঘাঁছ গবৰ ফক্চা
শিয়াল কাটা বাঘ নখটা
হাগে গোটা চেপ্‌টা।" ইত্যাদি

৪.১০ আইনাম আৰু ৰাচনি গীতৰ সাদৃশ্য ঃ

অসমীয়া সমাজত যিদৰে কাৰোবাৰ ঘৰত বসন্ত ওলালে বা অপায়-অমংগলৰ পৰা ৰক্ষা পাবলৈ গোপিনী-সবাহ পাতি 'আই' অৰ্থাৎ 'চণ্ডীদেৱী' বা 'সাত ভনী'ক স্তুতি কৰি গীত গায় ঠিক সেইদৰে চাহ-মজদুৰসকলেও অপায়-অমংগল, ৰোগ-ব্যাধিৰ পৰা মুক্তি পাবলৈ বছৰৰ যিকোনো এটা মাহত ওচৰৰ মাৰৈ থানত 'চণ্ডী দেৱী' বা 'সাত বাহিনী'ক পূজা কৰি গীত গায়। অৱশ্যে মজদুৰসকলৰ মাজত সচৰাচৰ আহাৰ মাহত এই অনুষ্ঠানৰ আয়োজন কৰা ৰীতি অধিক। এওঁলোকে এই অনুষ্ঠানত গোৱা গীতক 'ৰাচনি গীত' আৰু অসমীয়াত 'আইনাম' বোলে।

দুযোবিধ পূজাতে স্তুতিসূচক গীত গায় একে উদ্দেশেৰে। যেনে—

আইনাম ঃ (ক) "আই অহি সিঁচিলেহি
বকুল ফুলৰ বুতা
আমি মাতৃক নেদেখিলো
আমাৰ কপাল ফুটা।"

(খ) "উজায়ে আহিলে আইৰে সাতেভনী
কালিতে বান্ধিলে বাসা
প্ৰাণীৰ বিকল দেখি আই ভগৱতী
আপুনি লগাইছে ঘোষা।"

ৰাচনি গীত ঃ (ক) "এক ঝুলা ঝুলালে দুসৰা ঝুলা ঝুলালে
ঝুলে ঝুলে।
দেৱী মাই হিয়াঁৰা জুৰাই গ'
ঝুলে ঝুলে।"

(খ) "কাহাঁৱা সে তহৰ ঃ জনমা দেৱী মাই
কাহাঁৱা সে বাসা গ'
কাঁহা মায়া ঘৰে ঘৰে
লেলে উপনীত গ' মাই
জয় সাত বহিনী দেৱী মাই।"

৪.১০.১ আই ভগৱতীৰ বিবিধ ৰূপ মাহাত্ম্যৰ কথা অসমীয়া সমাজৰ দৰে চাহ-মজদুৰ সমাজেও বিশ্বাস কৰে। ৰাচনি গীতত 'আই'ৰ বিভিন্ন ৰূপৰ বৰ্ণনা আছে। যেনে— শীতলা, ভাওয়ানী, সাতবাহিনী, চণ্ডী-মায়া ইত্যাদি। অসমীয়া আইনামতো দেৱীৰ বিভিন্ন ৰূপৰ কল্পনা কৰা হৈছে। যেনে— শীতলা, ভগৱতী, ভৱানী, চামুণ্ডা গোসানী, সতী, সাতভনী ইত্যাদি। দুয়োবিধ গীততে এইদৰে বিভিন্ন নামকৰণেৰে দেৱীৰ বিভিন্ন ৰূপ কল্পনা কৰিলেও এয়া যে দুৰ্গাদেৱীৰ বিভিন্ন ৰূপ তাক বিশ্বাস কৰে।

পঞ্চম অধ্যায়

চাহ্-মজদুৰৰ গীতত সামাজিক চিত্ৰ

৫.১ ধৰ্ম, ঈশ্বৰ বিশ্বাস, ধৰ্মীয় ৰীতি-নীতি

অসমত বসবাস কৰা চাহ-মজদুৰসকলে পালন কৰা বিবিধ পূজা-পৰ্বসমূহৰ মাজেদি তেওঁলোকৰ ধৰ্ম, ঈশ্বৰ-বিশ্বাস আৰু সামাজিক আচাৰ-বিচাৰ সম্পৰ্কে ভালেমান কথাৰ সম্ভেদ পোৱা যায়। তেওঁলোকৰ সৰহভাগেই হিন্দু ধৰ্মাৱলম্বী লোক। অৱশ্যে মুছলমান আৰু খ্ৰীষ্টানধৰ্মী মজদুৰ লোকো কিছু আছে। যাইকৈ হিন্দু, মুছলমান আৰু খ্ৰীষ্টান এই তিনিটা ধৰ্মৰ মজদুৰ হ'লেও তেওঁলোক সকলোৰে ঈশ্বৰ-বিশ্বাস এটা স্বাভাৱিক কথা, ঈশ্বৰৰ ওপৰত সকলোৰে প্ৰগাঢ় শ্ৰদ্ধা আছে। এওঁলোকৰ মাজত স্কুল-কলেজৰ শিক্ষা-দীক্ষা প্ৰায়বিলাকৰ নাই কাৰণেই সম্ভৱতঃ তেওঁলোক বহু পৰিমাণে কুসংস্কাৰমত্ত আৰু অন্ধবিশ্বাসী। নিজৰ ভাগ্য আৰু ভগৱানৰ কৰুণাৰ দোহাই দি মজদুৰসকলে জীৱনৰ ভাল-বেয়া, সুখ-দুখ আদি স্বীকাৰ কৰি লয়। নিজ নিজ ধৰ্ম অনুসৰি সম্প্ৰদায়ভেদে কিছু উৎসৱ পালন কৰিলেও কিছুমান পৰব আকৌ সকলো ধৰ্মৰ লোকে পালন কৰে। তেনে পৰবৰ ভিতৰত 'কৰম পৰব' বিশেষ উল্লেখযোগ্য।

৫.১.১ 'শ্ৰীকৃষ্ণ' তেওঁলোকৰ উপাস্য দেৱতা। কৃষ্ণক অৱতাৰী পুৰুষ বুলি বিশ্বাস কৰে। ঝুমুৰগীত, টুচুগীত, সাঁহৰাই গীত, কাঠীনাচৰ গীত, ঘেৰাগীত আদিত শ্ৰীকৃষ্ণৰ বিবিধ কাৰ্যকলাপৰ বৰ্ণনা পোৱা যায়। যেনে—

"শ্ৰীকৃষ্ণ মুৰলী বাজায়ে
গকুলা-শ্ৰীবৃন্দাবনে,
সব গোপী নাচে হাত ধৰি
গকুলা শ্ৰীবৃন্দাবনে।" (ঝুমুৰ গীত)

ইয়াত শ্ৰীকৃষ্ণ আৰু গোপীৰ নাচ-গানৰ আনন্দমুখৰ এটা চিত্ৰ স্পষ্ট হৈ ওলাইছে। কৃষ্ণই বৃন্দাবনত গোপীসকলৰ লগত নাচ নচাৰ কথা ফুটি উঠিছে। এইদৰে শ্ৰীকৃষ্ণৰ এনেকুৱা লীলা-খেলাৰ নানা উল্লেখ অসমীয়া বহু গীতত প্ৰচুৰ পোৱা যায়। মজদুৰ গীততো বহু পোৱা যায়।

"আইল গোপীগণ
ধৰিব কেমন মন
ৰিদয় মাজে, বাজছে কাটেৰ বাঁশী
ৰাধে ৰাধে।" (ঝুমুৰ গীত)

শ্ৰীকৃষ্ণৰ বাঁহীৰ সুৰত গোপিনীসকল মতলীয়া হৈ পৰিছিল। ৰাধাই শ্ৰীকৃষ্ণৰ বাঁহীৰ সুৰত তেওঁকে সম্বোধন কৰি মাতিছে বুলি ভাবিছিল। ৰাধাৰ হৃদয় সেই বাঁহীৰ সুৰত অস্থিৰ হৈ পৰিছিল বাবে 'ৰাধে ৰাধে' বুলি তেওঁক কৃষ্ণই মতা যেন শুনি আকুল হৈ পৰিছিল।

"কৃষ্ণক দেখিতে উত্ৰাৱল হৈয়া বৰ
ধ্বনি নিৰীক্ষণে সৱে দিলেক লৱৰ।" (ঝুমুৰ গীত)

শ্ৰীকৃষ্ণৰ সাক্ষাতৰ কাৰণে গোপীসকল অতিশয় উত্ৰাৱল হৈ পৰিছিল। কৃষ্ণৰ বাঁহীৰ ধ্বনিক নিৰীক্ষণ কৰি সকলো তেওঁক লগ পোৱাৰ আশাত দৌৰ মাৰিছিল। কৃষ্ণপ্ৰেমত মতলীয়া গোপীৰ মনৰ উদ্বিগ্নতা আৰু অধীৰ আগ্ৰহৰ বৰ্ণনা ঝুমুৰ গীতত বিৰাজমান।

"ৰাধা কহে সখী সংগে
চল শ্যাম দৰশনে
বৃন্দাবনে বাঁশী বাজছে সঘনে
চল শ্যাম দৰশনে।" (ঝুমুৰ গীত)

শ্ৰীকৃষ্ণ ৰাসলীলা অভিলাষী। তেওঁ তাৰ বাবে বৃন্দাবনকে উত্তম ঠাই বুলি বাছি লৈছিল। তেওঁৰ বাঁহীৰ সুৰ শুনি ৰাধা আৰু গোপীসকলৰ মন-প্ৰাণ উতলা হৈ পৰিছিল। তেওঁলোকে যেন শ্ৰীকৃষ্ণৰ এটি সাক্ষাৎ পালেই শান্তি পাব। ঘৰত কোনোজনীয়ে আবদ্ধ হৈ থাকিব নোৱাৰিলে, ঘৰৰ সকলো কাম-বন কাটি কৰি বাহিৰলৈ ওলাই আহিল। শ্ৰীকৃষ্ণক দেখা পোৱাৰ আশাত ৰাধাই সখীয়েকহঁতক বৃন্দাবনলৈ যাবলৈ লগ ধৰিছে। কিয়নো কৃষ্ণই বৃন্দাবনত সঘনে বাঁহী বজাইছে। তেওঁলোক অস্থিৰ হৈ পৰিছে। এই কথা ঝুমুৰ গীতত অতি চমৎকাৰভাৱে প্ৰকাশ পাইছে। ইয়াৰ মাজতে পোৱা যায় মজদুৰসকলৰ কৃষ্ণভক্তিৰ পৰিচয়।

টুচু গীততো সেই ৰাধা-কৃষ্ণৰ বৰ্ণনা আছে। অৱশ্যে ইয়াত তেওঁলোকৰ উল্লেখ কম পৰিমাণেহে পোৱা যায়। ইয়াত কৃষ্ণ-ৰাধাক উদ্দেশ্য কৰি এইদৰে গাইছে—

"ৰাধা ৰাধা বলৰে সাধা
ৰাধা নামে বাঁসুৰী
শ্ৰীকান্ত ভনে বাঁশীৰ গানে
পাব ভবতাৰী।" (টুচু গীত)

শ্ৰীকৃষ্ণৰ বাঁহীৰ সুৰত কেৱল যেন 'ৰাধা ৰাধা' বুলিহে মাতি আছে। এয়া তেওঁলোকৰ বিশ্বাস। কৃষ্ণৰ বাঁহীত কেৱল ৰাধাৰ নাম শুনা কাৰণেই বাঁহীটো ৰাধাৰ নামতে উচৰ্গা কৰিছে। সেই বাঁহীৰ গানতে তেওঁলোকে অৱতাৰী পুৰুষ, সংসাৰৰ ত্ৰাণকৰ্তা শ্ৰীকৃষ্ণক বিচাৰি পায়। সেয়েহে আকুল হৈ পৰি কৃষ্ণক স্মৰণ কৰে।

দেৱালীৰ দিনা চাহ-মজদুৰসকলে পালন কৰে 'গো লক্ষ্মী'ৰ পূজা। সেই পূজাত তেওঁলোকে কিছুমান গীতো গায়। সেই গীতসমূহক 'কপিলা মংগল' বা 'সাঁহৰাই' গীত বোলে। এই গীতৰ মাজত অৱতাৰী পুৰুষ শ্ৰীকৃষ্ণৰ গুণানুকীৰ্তন বিদ্যমান। তেওঁলোকৰ এই গীতবোৰ আচলতে সেই কৃষ্ণৰে যশস্যা প্ৰধান।

"ধ্যানত নাপায় যাৰে যোগী ঋষি গণৰে বাবুহো
শোপকৃপে এতিন ভুৱন
সেই প্ৰভু নাৰায়ণ ভক্তেৰ কাৰণেহে
ইহ যেন নন্দেৰ নন্দন।" (সাঁহৰাই গীত)

'নাৰায়ণ' শ্ৰীকৃষ্ণৰে অন্য এটা নাম। ধৰ্মবিশ্বাসী মজদুৰৰ মনত নাৰায়ণ দেৱতা সৰ্বদা বিৰাজমান। যিজন নাৰায়ণক যোগী, ঋষিসকলে ধ্যানৰ বলতো লগ নাপায় আৰু সেইজনৰে কৃপাতেই এই জগত সৃষ্টি হৈছে। সেইহেন পুৰুষজনা আন কোনো নহয়, তেওঁ স্বয়ং ভগৱান। নাৰায়ণ দেৱতাই ভক্তৰ কাৰণেই নন্দৰ ঘৰলৈ গৈ তাত নন্দপুত্ৰৰূপে লীলা-খেলা আৰম্ভ কৰিছে। চাহ-মজদুৰসকলে সেই নাৰায়ণ বা কৃষ্ণক সেয়েহে উৎসৱ-পৰ্বৰ সকলো অনুষ্ঠানতে প্ৰাৰ্থনা জনায়।

"ব্ৰহ্মা বলে শুন শুন যত দেৱগণহে
বটে কি নবটে নাৰায়ণ
এখনি যাইব আমি সেই বৃন্দাবনহে
যতে ধেনু কৰিব হৰণ
....
....
"নিজ মায়া দেখাইয়া প্ৰভু সনাতনহে
বিশ্বৰূপ কৰেন ধাৰণ।।" (সাঁহৰাই গীত)

ব্ৰহ্মা যে সকলো সৃষ্টিৰে আদিমূল এই কথা মজদুৰসকলেও সম্পূৰ্ণৰূপে বিশ্বাস কৰে। ব্ৰহ্মাই শ্ৰীকৃষ্ণৰ লগত কৰা ধেমালিৰ কথাও মজদুৰসকলৰ গীতত আছে। শ্ৰীকৃষ্ণই বৃন্দাবনত গৰু চৰায়, গো-পালক নন্দৰ দুলাল কৃষ্ণ, গো-প্ৰতিপাল তেওঁৰ ধৰ্ম। তেওঁ গৰু চৰাবলৈ গৈ খেলত মতলীয়া হৈ থাকোতে ব্ৰহ্মাই গৰুবোৰ লুকুৱাই থয়। এই কথা অন্তৰ্যামী শ্ৰীকৃষ্ণই গম পায়। লগৰীয়া গৰখীয়াবোৰৰ ভয় দূৰ কৰিবলৈ তেওঁ সিহঁতক আশ্বাস দিয়ে। শেষত কৃষ্ণই নিজ মায়া প্ৰকাশ কৰি বিশ্বৰূপ ধাৰণ

কৰে। গীতত এই ধৰণৰ বৰ্ণনাই মজদুৰসকলৰ একান্ত শ্ৰীকৃষ্ণ ভক্তি তথা ঈশ্বৰৰ প্ৰতি থকা বিশ্বাসৰ আভাস দিয়ে। তেওঁলোকৰ গীতবোৰ সেইপিনৰ পৰা অতি মূল্যৱান সম্পদ।

ফাগুৱা উৎসৱ উপলক্ষে তেওঁলোকে একপ্ৰকাৰ নৃত্যানুষ্ঠানৰ আয়োজন কৰে। তাত যিবোৰ গীত গায় সেইবোৰ গীতকে কাঠীনাচৰ গীত বোলে। এই গীতসমূহৰ মাজতো মজদুৰসকলৰ শ্ৰীকৃষ্ণৰ প্ৰতি থকা ভক্তি তথা বিশ্বাসৰ আভাস পোৱা যায়।

"অ' ৰে কানু, বাজাও বেণু
চল গো যাইবে
বেণু নাবাজাইলে ধেনু যাইতে নাই চাইৰে
অ' ৰে কানু।" (কাঠীনাচৰ গীত)

কৃষ্ণৰ ল'ৰালি কালৰ খেলা-ধূলা, ভাল-বেয়া আদি সকলো কথা এই গীতৰ বৰ্ণনাত ফুটি উঠিছে। কৃষ্ণক লগৰীয়াসকলে 'কানু' বুলি সম্বোধন কৰিছিল। কৃষ্ণই লগৰীয়াসকলৰ লগত গৰু চৰাবলৈ যাওঁতে বাঁহী বজায়। সেয়েহে কৃষ্ণক লগৰীয়াসকলে গৰু চৰাবলৈ নানাভাৱে অনুৰোধ কৰে। আকৌ কৃষ্ণই বাঁহী নবজালে গৰুবোৰেও যাবলৈ ইচ্ছা নকৰে, সেই কথাও গীতত কোৱা হৈছে। মজদুৰসকলে ভগৱান শ্ৰীকৃষ্ণৰ বিভিন্ন ৰূপৰ কল্পনা কৰি গীতৰ মাজেৰে প্ৰকাশ কৰিছে। যেনে-

"অ' বাচা নিমাই ৰে
লাঠী খেল খেলৰে
শ্ৰীকৃষ্ণ বৃন্দাবনে
গোপী সাথে খেলৰে।" (কাঠীনাচৰ গীত)

শ্ৰীকৃষ্ণই গোপীৰ লগত ৰাসলীলা কৰাৰ কথাও কিছুমান গীতত শুনিবলৈ পোৱা যায়। শ্ৰীকৃষ্ণৰ ৰাসলীলাৰ নৃত্যৰ বৰ্ণনাৰ লগত মজদুৰসকলে নিজেই এই নৃত্যৰ সমিল-মিল ঘটাবলৈ যত্ন কৰা যেন লাগে। 'শ্ৰীকৃষ্ণ'ৰূপী ভগৱানৰ শিশুলীলা, ৰাসলীলা আদিৰ জীপাল বৰ্ণনা গীতত বিস্তৰভাৱে থকাৰ পৰাই অনুমান কৰিব পাৰি তেওঁলোকৰ কৃষ্ণ ভক্তিৰ কথা।

মজদুৰসকলৰ মাজত প্ৰচলিত 'ঘেৰা' গীতসমূহত জীৱনৰ আশা-আকাংক্ষা, পোৱা-নোপোৱাৰ বেদনা, ঈশ্বৰৰ প্ৰতি থকা অগাধ ভক্তি আদি সুন্দৰৰূপে ফুটি উঠিছে। এই গীতসমূহতো শ্ৰীকৃষ্ণৰ শিশুকালৰ বৰ্ণনা শুনিবলৈ পোৱা যায়।

"কৈসন হ্যায় হ্যায় হ' শ্ৰী-বৃন্দাবনে
কৈসন হ্যায় হ' বালকা কানহ্যায়া,
কনৰূপে দেখন যাইবাই হ' ৰামজী

ঝিলি মিলি কৰই হ' শ্ৰীবৃন্দাবন।" (ঘেৰা গীত)

ঘেৰাগীতৰ বেছিভাগতে কৃষ্ণৰ শিশুকালৰ বৰ্ণনাই অধিক। বৃন্দাবন শ্ৰীকৃষ্ণ অবিহনে উকা হৈ পৰে। কি ৰূপত কৃষ্ণই বৃন্দাবনলৈ আহি তাত জিলিকি থাকিবহি তাৰ কল্পনাও তেওঁলোকে কৰিছে। শ্ৰীকৃষ্ণৰ বিভিন্ন ৰূপৰ প্ৰচুৰ কল্পনাৰ উপৰি তেওঁৰ ঐশ্বৰিক মহিমাই মজদুৰসকলক যথেষ্ট আকৃষ্ট কৰিছিল। সেয়েহে তেওঁলোকৰ গীতৰ বেছিভাগতে শ্ৰীকৃষ্ণৰ স্থান অন্যতম অৱতাৰী পুৰুষসদৃশ।

৫.১.২ শ্ৰীকৃষ্ণক যিদৰে চাহ-মজদুৰসকলে অৱতাৰী পুৰুষৰূপে কল্পনা কৰে ঠিক সেইদৰে ৰামকো তেওঁলোকে স্বয়ং ভগৱানৰে স্বৰূপ বুলি বিনম্ৰভাৱে শ্ৰদ্ধা আৰু ভক্তি প্ৰদৰ্শন কৰে। 'ৰাম'ৰ বৰ্ণনাসূচক অনেক গীত তেওঁলোকৰ মাজত প্ৰচলিত। ঝমুৰগীত, টুচুগীত, বিয়ানাম আৰু ঘেৰাগীতৰ মাজত ৰামচন্দ্ৰৰ বৰ্ণনা দাঙি ধৰা অনেক গীত আছে। ৰামৰ বনবাস, সীতা-সয়ম্বৰ, সীতাহৰণত ৰামৰ বিষাদ আদি নানা কথাৰে এই গীতসমূহ সমৃদ্ধ।

"কৈকেয়ীয় সত্যে বন্দী
ৰাজা দশৰথে কান্দি
বনবাস দিছে ৰঘুবৰে
কাল সৰ্পিনীৰে কি ছিল ওৰ মনে
ভৰতকে ৰাজ্য দিয়ে
ৰামক দিলি বনে।" (ঝুমুৰ গীত)

ৰাজা দশৰথ কৈকেয়ীৰ ওচৰত পণবন্দী হৈ আছিল। যেতিয়া বৰপুত্ৰ ৰামক যুৱৰাজ পতাৰ কাৰণে আয়োজন কৰাৰ কথা কৈকেয়ীৰ দাসী মন্থৰাই গম পালে, তেতিয়া কৈকেয়ীক মন্থৰাই পৰামৰ্শ দিয়াত লাগিল। মন্থৰাই কৈকেয়ীক এই সময়তে পূৰ্বৰ পণ দুটা ৰজাক মনত পেলাই দিবলৈ ক'লে। কৈকেয়ীয়ে লগত ঘৰৰ পৰা দি পঠোৱা দাসীৰ কথা নুশুনিলে তেওঁ উভতি যাম বুলি ক'লে। কৈকেয়ী বিবুদ্ধিত পৰি ৰজাক বৰ দুটা খুজিলে। প্ৰথমটো হ'ল তেওঁৰ পুত্ৰ ভৰতক যুৱৰাজ পতা আৰু দ্বিতীয়টো ৰামক চৈধ্য বছৰ বনবাস দিয়া। এই কথা শুনি ৰজা দশৰথ কান্দি-কাতি অস্থিৰ হ'ল। তথাপি তেওঁ যিহেতু কৈকেয়ীৰ ওচৰত পণবন্দী হৈ আছিল গতিকে পূৰ্বচৰ্ত ৰক্ষা কৰি সেইমতে কাম কৰিলে। এইবোৰ কথাৰ বিস্তৰ সম্ভেদ দিয়ে গীতবোৰে। দৰাচলতে এই গীতবোৰৰ মাজত অসমীয়া মানুহৰ সামগ্ৰিক জীৱনৰ বহু কথাৰ, বহু তথ্যৰ সম্ভেদ পোৱা যায়।

"জনক নৃপবৰ কৰিলেন সয়ম্বৰ
জেন কি ভাংগিবে গণ্ডীবান,
তাৰ দিব জানকী দান,

শ্ৰীৰাম দেখিলেক গণ্ডীবান
একহাতে ভাংগিলে গণ্ডীবান।" (ঝুমুৰ গীত)

জনক ৰজাৰ জীয়ৰী 'সীতা'ৰ সয়ম্বৰৰ আয়োজন কৰি ৰজাই এটা চৰ্ত দিলে। সেই চৰ্ত অনুসৰি যিজন লোকে 'হৰধনু' ভাঙিব পাৰিব তেওঁকেই সীতাই পতি বৰণ কৰিব। মজদুৰসকলে সেই ধনুখনক গাণ্ডীবান আখ্যা দিছে। শ্ৰীৰামচন্দ্ৰই এখন হাতেৰেই গাণ্ডীবান ধনুখন উঠাই ভাঙিলে, অৰ্থাৎ গীতত শ্ৰীৰামচন্দ্ৰ যে ঐশ্বৰিক শক্তিসম্পন্ন ব্যক্তি তাকে বুজোৱা হৈছে। সাধাৰণ মানুহৰ পক্ষে সেই ধনু ভঙাতো দূৰৰে কথা দাঙিব পৰাটোৱেই আচৰিত কথা। কাৰণ বিশ্বাস অনুসৰি সেই ধনুখন অতিপাত গধুৰ। গতিকে অসাধ্য সাধন কৰা পুৰুষ ৰামচন্দ্ৰ মজদুৰসকলৰ কাৰণে দেৱতাৰ বাহিৰে অন্য একো নহয়। তেওঁলোকে শ্ৰীৰামচন্দ্ৰক ঈশ্বৰৰ অৱতাৰ যেন জ্ঞান কৰিছিল। এনেবিলাক দুৰ্লভ তথ্যৰ সন্ভেদ পোৱা সম্ভৱ বুলিয়েই এই লোকগীতসমূহ বিশেষ মনোযোগেৰে পঢ়া উচিত।

"অ' ৰামেৰ মা, অ' ৰামেৰ মা
দেখ গ' ৰামেৰ দুখ-দশা,
বস্ত্ৰ বিনে গাছেৰ বাকল
তেল বিনে মাথায় জঁটা।" (টুচু গীত)

দশৰথ ৰজাৰ বৰপুত্ৰ ৰামচন্দ্ৰই দেউতাকৰ কথা ৰাখিবলৈ চৈধ্য বছৰ বনবাস খাটিবলৈ গৈছিল। বনবাসত থকা কালছোৱাত ৰামচন্দ্ৰৰ অশেষ দুখ-কষ্ট খাবলগা হোৱাৰ কথা মজদুৰসকলৰ গীতত উল্লেখ আছে। যুৱৰাজ হৈয়ো ৰামচন্দ্ৰই ৰাজকীয় পোছাক-পৰিচ্ছদ ত্যাগ কৰি গছৰ বাকলি পিন্ধিব লগা, মূৰত তেল নঘঁহাৰ ফলত চুলিত জঁটা বন্ধাৰ কথা সেয়েহে গীতত উল্লেখ কৰিছে। যুৱৰাজ ৰামচন্দ্ৰৰ এনেধৰণৰ বৰ্ণনাসূচক গীতৰ মাজেদি মজদুৰসকলে তেওঁলোকৰ দুখ-বেজাৰহে প্ৰকাশ কৰিছে।

"অশোক বনে পাতেৰ ঘড়া
সীতা পাশা খেলেছে,
যোগীৰ বেশে ৰাৱণ আসে
সীতা হৰণ কৰেছে।" (টুচু গীত)

শ্ৰীৰামচন্দ্ৰৰ লগত বনলৈ ভায়েক লক্ষ্মণ আৰু পত্নী সীতাও গৈছিল। তেওঁলোক কিছুদিন অশোক বনত আছিল। তাত তেওঁলোক থাকিবৰ কাৰণে হাবিৰ গছ আৰু লতা আদিৰে থকা ঘৰ সাজি লৈছিল। সেই ঘৰতে সীতাই পাশাখেলাৰ কথা আৰু লংকাৰ ৰজা ৰাৱণ আহি ভিক্ষাৰী বেশ লৈ সীতাক হৰণ কৰাৰ কথা গীতত বৰ্ণনা কৰিছে।

চাহ্-মজদুৰসকলৰ মাজত প্ৰচলিত বিয়ানামসমূহৰ মাজতো ৰাম-সীতাৰ কাহিনীৰ উল্লেখ আছে।

"আসিল জনকৰাজ   কৰিতে মংগল কাব্য
স্বৰ্ণদান কৰিলে ব্ৰাহ্মণে
দেখিতে সীতাৰ মুখ   সকলেৰ কৌতুক
উলুধ্বনি দিল নাৰীগণে।"   (বিয়া নাম)

মজদুৰ সমাজত 'বিবাহ কাৰ্য'ক মাংগলিক অনুষ্ঠান হিচাপে গণ্য কৰে। গতিকে এনে মাংগলিক কাৰ্যৰ আচাৰ-অনুষ্ঠানত ভগৱানৰ নাম ল'লে মংগল হয় বুলি বিশ্বাস আছে। সেয়েহে সাধাৰণ লোকৰ বিবাহৰ লগত অৱতাৰী পুৰুষ 'ৰাম-সীতা'ৰ বিবাহৰ বৰ্ণনা দি তেওঁলোকে শান্তি লাভ কৰে। আৰু হয়তো ভাবে তেনেভাৱে বিয়ানাম গালে দৰা-কইনাৰ বিবাহিত জীৱন সমৃদ্ধিৰে উপচি পৰিব। এনেধৰণৰ গীত অসমীয়া বিয়া আদিতো গোৱা হয়। অসমীয়া বিয়ানামৰ লগত মজদুৰসকলৰ এনেধৰণৰ বিয়া-নামৰ সাদৃশ্য মন কৰিবলগীয়া।[১]

ঘেৰাগীতসমূহতো 'ৰাম'ক দেৱতা হিচাপে মজদুৰসকলে পূজা কৰাৰ কথা উল্লেখ আছে। এই গীতসমূহত ঈশ্বৰ বিশ্বাস অতি সুন্দৰভাৱে প্ৰকাশ পাইছে।

"ৰাজা ৰামচন্দ্ৰ চললই ৱিহায়ে
কিয়া সয়ে সাজাই আনা হাতী নে ঘড়ে।
ৰাম না ভজলে মানৱা মৰবে বাওঁৰাকে
ৰাজা চলে ডালি ডাল পালক লাগাই কে।" (ঘেৰা গীত)

ৰাজা ৰামচন্দ্ৰ বিয়ালৈ ওলাইছে। তেওঁক পঠিয়াবলৈ হাতী নে ঘোঁৰা সজাব। ৰামচন্দ্ৰক যদি মানুহে ভগৱানৰূপে ভাবি ভক্তি নকৰে, তেতিয়াহ'লে সেই মানুহ আওমৰণে মৰিব। এই কথা সত্য যে তেওঁলোকে অসংখ্য দেৱ-দেৱীৰ পূজা-পাতল কৰিলেও বিভিন্ন গীতত শ্ৰীকৃষ্ণ আৰু ৰামৰ বৰ্ণনাহে বেছি। ইয়াৰ পৰা বুজা যায় তেওঁলোকে ৰাম বা শ্ৰীকৃষ্ণক ভগৱানৰে অংশ বুলি গণ্য কৰিছিল। ৰামক পূজা নকৰা লোকৰ বোলে অকালতে বিয়োগ হয় এই কথাও তেওঁলোকে বিশ্বাস কৰে।

৫.১.৩ ৰামচন্দ্ৰ আৰু শ্ৰীকৃষ্ণৰ উপৰি কিছুমান গীতত হিন্দু ধৰ্মৰ অন্যান্য দেৱ-দেৱী যেনে— গণেশ, শিৱ, সৰস্বতী, মনসা আদিৰ উল্লেখ আছে। ইয়াৰ উপৰি মজদুৰসকলৰ কাল্পনিক দেৱী টুচু, মৰৈ আদিৰো উল্লেখ আছে।

৫.১.৪ চাহ্-মজদুৰসকলৰ ঝুমুৰ গীত, সাঁহৰাই গীত, মনসা গীত আদিত 'গণেশ' দেৱতাৰ বৰ্ণনা আছে। গণেশ দেৱতাক তেওঁলোকে গীতৰ মাজেৰে ভক্তি নিবেদন কৰিছে।

"জাৱা ন কাটি হ' মুচা
জা ন কাটি হ' ৰে
গণেশ দেৱতাৰ দায়া মুচা
কৰম ৰাজাৰ সেৱা।" (ঝুমুৰ গীত)

গণেশৰ বাহন 'নিগনি' (মুচা) বুলি এটা জনবিশ্বাস প্ৰচলিত আছে। মজদুৰসকলে 'কৰম পূজা' উপলক্ষে এটা টুকুৰীত নদীৰ বালি ভৰাই তাত বুট, মুগ, মাটিমাহ আদি সিঁচি থয়। সেই মুগ, বুট আদি যাতে নিগনিয়ে নষ্ট কৰি নেপেলায় তাৰ কাৰণে গণেশক কাকৃতি কৰে। এই কথা স্পষ্ট ৰূপত গীতত প্ৰকাশ পাইছে। তেওঁলোকৰ বিশ্বাস যে এই উদ্দেশেৰেই কৰম ৰজায়ো গণেশ দেৱতাক সেৱা জনায়।

"অহিৰে, প্ৰথমে বন্দনা কৰি
গণেশৰ চৰণৰে বাবুহো।" (সাঁহৰাই গীত)

চাহ-মজদুৰসকলে হিন্দু ধৰ্মৰ পূজা-পদ্ধতি অনুসৰিয়েই যিকোনো পূজা কৰাৰ সময়ত প্ৰথমতে গণেশ দেৱতাৰ উদ্দেশ্যে পূজা কৰে। সাঁহৰাই গীত 'গো-পূজা' উপলক্ষে গোৱা গীত। গো-দেৱতাক পূজা কৰোতে প্ৰথমতে গণেশ দেৱতাক পূজা কৰাৰ কথা গীতত ফুটি উঠিছে। তেওঁলোকে গণেশক পূজা কৰাৰ কথা গীতৰ দ্বাৰাই জানিব পাৰি।

"কৰ দয়া পদ ছায়া বিতৰই গণপতি
হৃদয় সৰজে উদি বিনাস ভৱ দুৰ্গতি
সৰ্বদেব অগ্রে পূজ্য সৰ্বেৰ কাৰণ
তুমিহ কৰহ দেব সৃষ্টিৰ পালন।" (মনসা গীত)

মনসা পূজাতো প্ৰথমে গণেশক পূজা কৰাৰ নিয়ম। গীতে সেই কথাৰে উল্লেখ কৰে। গণেশ দেৱতাৰ কৰুণা তথা দয়া অবিহনে সংসাৰৰ দুখ-দুৰ্গতিৰ হাত সাৰিব নোৱাৰি। গণেশ শ্ৰেষ্ঠ দেৱতা। তেৰেঁই সকলোকে পালন কৰে। সেয়েহে সকলোবিলাক দেৱতাৰ পূজাৰ আৰম্ভ কৰাৰ আগমুহূৰ্তত গণেশকহে পূজা কৰি ল'ব লাগে। মুঠতে মজদুৰসকলে গণেশকহে যে যিকোনো পূজাৰ শুভাৰম্ভৰ আগমুহূৰ্তত ভক্তিসহকাৰে পূজা কৰি লয় এই কথা তেওঁলোকৰ গীতত সুন্দৰভাৱে পোৱা যায়।

৫.১.৫ হিন্দুসকলৰ এজন প্ৰধান দেৱতা 'শিৱ'। সেই শিৱ বা মহাদেৱ মজদুৰসকলৰ মানতো শ্ৰেষ্ঠ দেৱতা। তেওঁলোকৰ ধৰ্মীয় আচাৰ-অনুষ্ঠান, পূজা-পাৰ্বণত 'শিৱ'ৰ স্থান উল্লেখনীয়। সেই বাবেই টুচুগীত আৰু মনসা গীতত মহিমামণ্ডিত 'শিৱ'ৰ সততে উল্লেখ পোৱা যায়। শিৱ তথা মহাদেৱৰ 'ধনু' জনক ৰজাই লাভ কৰিছিল। সেই ধনুভংগ কৰোতাজনে সীতাক বিয়া কৰাবলৈ পাব। সেই কথাকে ৰামায়ণত বিশ্বাসী মজদুৰৰ টুচুগীতত প্ৰকাশ কৰিছে। সেই হৰধনুকে গণ্ডীবান আখ্যা দিছে।

"শিৱেৰ মাথাই শিৱ চণ্ডীবান
টুচুৰ মাথাই গণ্ডীবান,
সে গণ্ডীবান যে ভাঙবে
অকে দিব সীতাদান।" (টুচুগীত)

মজদুৰসকলৰ কোনো কোনোৱে টুচুদেৱী'ক মহাদেৱৰ জীয়ৰী বুলি কল্পনা কৰে। টুচুগীতত শিৱৰ মূৰত চণ্ডীবান থকাৰ কথা উল্লেখ কৰিছে। শিৱ যে তেওঁলোকৰ নমস্য এই কথা মজদুৰসকলে স্বীকাৰ কৰে। গীততো তাৰ আভাস পোৱা যায়।

"সাৰাৎসাৰ পৰাৎপৰ পূৰ্ণ তেজোময়
শংকৰী তনয় পিতা দেৱ মৃত্যুঞ্জয়।" (মনসা গীত)

মনসা গীতৰ কেইবাটাও গীতত শিৱৰ উল্লেখ আছে। শিৱ তেজোময় আৰু মৃত্যুঞ্জয়। সেই শিৱৰে জীয়ৰী মনসা। মজদুৰসকলে শিৱক পূজ্য দেৱতাস্বৰূপে পূজা-অৰ্চনা কৰাৰ কথা মনসা গীতৰ পৰাও জানিব পাৰি। অৱশ্যে মনসা গীতত শিৱক অতি শ্ৰেষ্ঠ তেজোদীপ্ত দেৱতাৰূপী অভিহিত কৰাৰ কথাও উল্লেখ আছে।

৫.১.৬ মজদুৰসকলৰ ঝুমুৰগীত, টুচুগীত, কাঠীনাচৰ গীত আদিত সৰস্বতী দেৱীৰ মাহাত্ম্য প্ৰকাশ পাইছে। তেওঁলোকে হিন্দুধৰ্মৰ অন্যান্য দেৱ-দেৱীৰ দৰে কলাৰ অধিষ্ঠাত্ৰী সৰস্বতীকো আৰাধ্য দেৱীৰূপে পূজা-অৰ্চনা কৰাৰ কথা গীতত সুন্দৰভাৱে প্ৰকাশিত হৈছে। তেওঁৰ চৰণ বন্দনা কৰি গীত-পদ গায়। কিয়নো তেতিয়াহে গীত গাবলৈ কণ্ঠ, সুৰ সুললিত হয় বুলি তেওঁলোকৰ ধাৰণা। যদিও তেওঁলোকৰ পুথিগত শিক্ষা-দীক্ষা কম তথাপি এই গীত-পদসমূহ কণ্ঠত আহি স্থিতি ল'বৰ কাৰণে দেৱীক আৰাধনা কৰে।

"আইগ' মা সৰস্বতী
কণ্ঠে দে গ' মা ভৰ
তোমাৰ চৰণে আমৰা
খেলিব ঝুমুৰ।" (ঝুমুৰ গীত)

ঝুমুৰ গীতৰ আৰম্ভণি গীতটিত সৰস্বতীক আৰাধনা কৰে। সৰস্বতীক সেৱা কৰি অতি বিনীতভাৱে অনুনয় কৰে যাতে তেওঁলোকে ঝুমুৰ গীত গোৱাৰ সময়ত ক'তো অকণো খোকোজা নালাগে, ভুল-ভ্ৰান্তি নহয়। ঝুমুৰেই নহয় অন্যান্য গীত গোৱাৰ সময়তো মাতৃ সৰস্বতীৰ আশীৰ্বাদ নাপালে তেওঁলোকে গীত গাব নোৱাৰে বুলি ভাবে। সেয়েহে দেৱীৰ চৰণত কাতৰভাৱে মিনতি জনায়।

"জয় জয় বন্দি ৰাংগা চৰণ দুখানি
এস শতদল বাসিনি,
জোড় কৰে বন্দি তোৰে জয় মা বীণাপাণি

জানিনা মা, তোৰ মহিমা বর্ণিতে অল্পজানি।" (টুচুগীত)

সৰস্বতীৰ আন এটা নাম বীণাপাণি। মজদুৰসকলৰ বিশ্বাসমতে সৰস্বতীয়ে পদুম ফুলৰ ওপৰত বহি থাকে। সেই সৰস্বতী বা বীণাপাণিৰ চৰণযুগলত তেওঁলোকে ভক্তিসহকাৰে সেৱা কৰে। দেৱীৰ মহিমা অপাৰ। দেৱীক কৰুণাময়ী মাতৃৰূপে উল্লেখ কৰি তেওঁলোকে তেওঁৰ অপাৰ মহিমা বর্ণনা কৰিবলৈ অক্ষম বুলি কৈছে। তেওঁলোকে নিজকে অজ্ঞানী বুলি ভাবে। দৈনন্দিন জীৱনত জীৱিকাৰ কামতে তেওঁলোক ব্যস্ত। সেয়ে মহিমাময়ী আই মাতৃ সৰস্বতীৰ মহিমা কীর্তিৰ কথা বিশেষ নাজানে, যিকণ জানে সেয়া অতি সামান্য। এইদৰে সৰস্বতীক বন্দনা কৰি গোৱা গীতৰ পৰা সৰস্বতী দেবীৰ পূজা-অর্চনাৰ কথা জানিব পাৰি। মজদুৰসকলো বহু দেৱ-দেৱী বিশ্বাসী। কিয়নো তেওঁলোকৰ সৰহভাগৰে ধর্ম হিন্দু। আন ধর্মীয় মজদুৰসকলেও এনে উৎসৱত যোগদান কৰে আৰু নৃত্য-গীতত অংশ লয়। ধর্মৰ গোড়ামি নাই।

"আস মাগো সৰস্বতী
বস মাগো ৰথে,
আজ বলনা বলিতে হবে
বালকেৰ সাথে গো।" (কাঠীনাচৰ গীত)

সৰস্বতীক মজদুৰসকলে সকাতৰে অনুৰোধ কৰিছে যাতে স্বয়ং দেৱীয়ে আহি তেওঁলোকৰ লগত গীত গোৱাত সহায় কৰে, অর্থাৎ গীত গোৱাৰ আগতে সৰস্বতীয়ে যাতে তেওঁলোকক আশীর্বাদ দি এফেৰি সহায় কৰে তাৰ কাৰণে কৰপূতে নতশিৰে প্রার্থনা কৰে।

৫.১.৭ চাহ-মজদুৰসকলৰ মাজত প্রচলিত 'মনসা' পূজা এক উল্লেখযোগ্য অনুষ্ঠান। এই অনুষ্ঠানৰ উদ্দেশ্য সর্পৰ অধিষ্ঠাত্রী মনসা দেৱীৰ পূজা। তেওঁক সন্তুষ্ট কৰিব পাৰিলেহে সকলো বেমাৰ-আজাৰ, অপায়-অমংগলৰ পৰা তেওঁলোক ৰক্ষা পাব পাৰে। এইটো মজদুৰসকলৰ এটা বদ্ধমূল ধাৰণা। এই বিশ্বাসৰ বশৱর্তী হৈয়ে তেওঁলোকে বৰ ধুম-ধামেৰে মনসা পূজাৰ আয়োজন কৰে। মনসাক তুষ্ট কৰাই একমাত্র অভিলাষ।

"মাগো একটি ফুলেৰ লাগে এত অপমান
দেৱোৰে লাগায়ে দিব ফুলৰি বাগান,
মাকে আনতে যাবগো কিৰাই নদীৰ ফুল
গলাই দিব লাল গামছা চৰণে দিব ফুল।" (মনসা গীত)

মনসা পূজা উপলক্ষে মজদুৰসকলে তেওঁলোকৰ ঘৰ-দুৱাৰ, বেৰ আদি পিঠাগুড়ি গুলি ফুলজালি আঁকি সজাই তোলে। দুৱাৰমুখত আমপাতৰ মালা, ফুলৰ মালা আদি

আৰি দিয়ে। নানা ধৰণৰ ফুল আঁকি, আৰি দেৱীক স্বাগতম জনায়। মনসা পূজাতো ৰঙা, বগা, গুলপীয়া, হালধীয়া বিবিধ ৰঙৰ ফুল আৰু ৰঙা গামোচা দিয়া হয়। ধূপ-ধুনা জ্বলোৱাৰ লগতে বিধে বিধে প্ৰসাদো আগবঢ়ায়। এই পূজাৰ মূল উদ্দেশ্য হৈছে তেওঁলোকক যাতে সাপে একো অনিষ্ট নকৰে। মনসা দেৱী তেওঁলোকৰ ধৰ্মীয় বিশ্বাসৰ অন্তৰ্ভুক্ত এগৰাকী অতি শক্তিশালী দেৱী।

৫.১.৮ কৰম পূজাৰ দৰে টুচুপূজাও মজদুৰসকলৰ এটা লেখত ল'বলগীয়া পূজা। 'টুচু' আচলতে এগৰাকী কাল্পনিক দেৱীহে। এই পূজা পুহ আৰু মাঘ মাহৰ দোমাহিৰ দিনা অনুষ্ঠিত হয়। পূজাৰ কাৰণে দেৱীৰ কাল্পনিক মূৰ্তি স্থাপন কৰে। অথবা কাঠৰে ঘৰ এটা সাজি তাত নানা ৰঙৰ কাগজেৰে আবৰি তাৰ ভিতৰত টুচু আছে বুলি কল্পনা কৰি লয়। এই পূজাৰ গীতৰ দ্বাৰাই দেৱীৰ প্ৰতি থকা তেওঁলোকৰ ভক্তি-শ্ৰদ্ধাৰ কথা জানিব পাৰি।

টুচুক আনিতে যাব
চন্দন কাঠেৰ চৌড়লে,
যদি টুচু দয়া কৰে
ৰাখব সোণাৰ মন্দিৰে। (টুচু গীত)

টুচুদেৱী মজদুৰসকলৰ কাৰণে অতি সন্মানীয় তথা আদৰণীয়। তেওঁক পূজাৰ স্থলীলৈ চন্দন কাঠেৰে নিৰ্মিত দোলাত তেওঁলোকে উঠাই আনিব। যদি দেৱীয়ে দয়া কৰে তেতিয়া তেওঁলোকে দেৱীক সোণেৰে নিৰ্মিত মন্দিৰলৈ আনি তাত সযতনে প্ৰতিষ্ঠা কৰি ৰাখিব। মজদুৰসকলে সেয়েহে দেৱীৰ দয়া লাভ কৰিবলৈ তেওঁক নানাভাৱে পূজা-পাতল কৰে। টুচুদেৱীৰ দয়া অবিহনে তেওঁলোকৰ বিপদ-বিঘিনিৰ অন্ত নহয় বুলিও মজদুৰসকলৰ ধাৰণা। মজদুৰসকলে দেৱীক সোণৰ মন্দিৰত প্ৰতিষ্ঠা কৰিব, এয়া তেওঁলোকৰ অলীক কল্পনা। অভাৱী সংসাৰত সোণৰ মন্দিৰ সজাই তোলা কঠিন কাম। তথাপি দেৱী ইমান শক্তিশালী যে তেওঁ দয়া কৰিলে সেয়াও সম্ভৱ হ'ব বুলি বিশ্বাস কৰে।

"তেল দিলাম শলিতা দিলাম
স্বৰ্গে দিলাম বাতি গ',
টুচু দেৱী সইনঝা লেওমা
ঘৰেৰ কুলৱতী গ'।" (টুচুগীত)

সন্ধিয়া সময়ত দেৱীৰ উদ্দেশে ঘৰৰ জীয়ৰী-বোৱাৰীসকলে চাকি-বন্তি, ধূপ-ধুনা জ্বলাব লাগে। নহ'লে দেৱী অসন্তুষ্ট হয় বুলি তেওঁলোকৰ এটা সৰল বিশ্বাস আছে।

৫.১.৯ আহাৰ মাহত চাহ-মজদুৰ সমাজৰ হিন্দুধৰ্মী লোকসকলে মাঁৰে থানত মাঁৰে দেৱীৰ পূজা কৰে। মাঁৰৈক তেওঁলোকে 'মঁৰৈ' আখ্যা দিয়ে। এই পূজাৰ উদ্দেশ্য হৈছে

অপায়-অমংগলৰ পৰা ৰক্ষা পাবলৈ দেৱীক সন্তুষ্ট কৰা। মাৰৈ দেৱীও তেওঁলোকৰ এগৰাকী কাল্পনিক দেৱী। অসমীয়া সমাজত প্ৰচলিত 'আই ভগৱতী'ৰ লগত মাৰৈ দেৱীৰ সাদৃশ্য আছে। ভগৱতীৰ ভয়ংকৰী ৰূপৰ কাল্পনিক প্ৰতীক মাৰৈ দেৱী, মাৰি-মৰকৰ অধিষ্ঠাত্ৰী। মাৰৈ দেৱীৰ উদ্দেশে তেওঁলোকে যিবোৰ গীত গায় তাতো ধৰ্মীয় দৃষ্টি-ভংগীৰ লগতে নানা দেৱ-দেৱী তথা ঈশ্বৰ বিশ্বাস উজ্জ্বল হৈ উঠিছে।

"কাঁহৱা মে তহৰ ঃ জনমা দেৱী মাই
কাঁহৱা মে বাসা গ'
কাঁহা মায়া ঘৰে ঘৰে
লেল উপনীত গ' মাই
জয় মৰৈ দেৱী মাই।" (মৰৈ গীত)

দেৱীক উদ্দেশ্য কৰি এই গীতৰ যোগেদি ক'ব খুজিছে যে ক'ত দেৱীৰ জন্ম, ক'ত দেৱীয়ে বসবাস কৰে এইবোৰ কথা তেওঁলোকে একোকে নাজানে। দেৱীয়ে ঘৰে ঘৰে গৈ মায়া দেখুৱায়। সেয়েহে দেৱীক সন্তুষ্ট ৰখাৰ উদ্দেশেৰে এই পূজা-অৰ্চনা কৰে।

হিন্দুধৰ্মী চাহ-মজদুৰসকলে ঈশ্বৰৰ বিভিন্ন ৰূপ কল্পনা কৰি সেইমতে পূজা-অৰ্চনা কৰে। ঈশ্বৰৰ প্ৰতি থকা অগাধ বিশ্বাস তেওঁলোকৰ এই গীতবিলাকৰ মাজেৰে সুন্দৰ ৰূপে প্ৰকাশ পাইছে।

৫.২ ধৰ্মীয় ৰীতি-নীতি ঃ

চাহ-মজদুৰসকলৰ বিভিন্ন গীতত তেওঁলোকৰ ধৰ্মীয় ৰীতি-নীতিৰ উল্লেখ আছে। বিবিধ পূজা-পাৰ্বণ উপলক্ষেও ৰীতি-নীতিৰ প্ৰচলন আছে।

৫.২.১ 'কৰম' পূজা উপলক্ষে তেওঁলোকে আকৌ পালন কৰে অসংখ্য ৰীতি-নীতি। 'চিকামৰলীয়া' গছৰ ডালটোক 'কৰম দেৱতা' জ্ঞান কৰে।

"পাৱলাম ভাই ৰে কৰম গোঁসাই ৰে
মৰ ভায়া বাঢ়োক লাখ বৰিষৰে।" (ঝুমুৰ গীত)

কৰম দেৱতাক বিচাৰি ঘূৰি ফুৰি যেতিয়া 'চিকামৰলীয়া' (কৰম দেৱতা) গছডাল পায় তেতিয়া তেওঁলোকৰ আনন্দত সীমা নোহোৱা হয়। এই কৰম গছডাল কটাৰো কিছু বিশিষ্ট নিয়ম আছে। ল'ৰা-ছোৱালী সদলবলে গৈ ঢোল-মাদলৰ মংগল ধ্বনিৰ দ্বাৰাহে গছডাল কাটি আনে। গছডাল কাটি আনি ঘৰৰ চালত থৈ দিয়ে। মাটিত নহয়, কিয়নো সকলোৱে চুই-মেলি অপবিত্ৰ কৰিব পাৰে।

"আনৱ মা দধি মাটি
লেচৱ মা অংগনা
দধি মাটি লে গেল ধোৱাই।" (ঝুমুৰ গীত)

গছৰ ডালটো যি ঠাইত পুতি পূজা কৰিবলৈ ঠিক কৰে সেই ঠাইখিনি চাফ-চিকুণ কৰি বগা মাটিৰে মচি লয়। তেওঁলোকৰ বিশ্বাস বগা মাটিৰে (দধি মাটি) ঠাইখিনি মচি ল'লে ঠাইখিনি পবিত্ৰ হয় আৰু বেদী তথা পূজাৰ বাবে সূচল হয়।

'মুগ বুট ফুলি গেল
ফুল্লড়ী ল' ৰে
হামি শ্বশুৰে যাইব গ'
কৰমেৰ সেৱা কি ধনী ধনী।" (ঝুমুৰ গীত)

কৰম পূজাৰ কাৰণে ফুল ছিঙোতে গীত গাইহে ফুল ছিঙাৰ নিয়ম। ফুল ছিঙি থাকোতে কৰম দেৱতাক উদ্দেশ্য কৰি গীতৰ মাধ্যমেৰে কয় যে পূজাৰ সময় পাৰ হৈ গ'ল। কিয়নো পূজাৰ বাবে থোৱা মুগ, বুটৰ গজালি মেলিলে। সৰল বিশ্বাসৰ সৰলতাৰে আৰোপিত এই ভাব-ভংগীৰ মাজত মজদুৰ সমাজৰ কৰমভক্তি আৰু ঈশ্বৰৰ ওপৰত থকা প্ৰগাঢ় আস্থা চমৎকাৰভাৱে প্ৰকাশ পায়।

"দীপে দীপে বাইব দেলই
ৰচমেক বাতি
আইঝৰে কৰমক ৰাতি।" (ঝুমুৰ গীত)

কৰম পূজাৰ দিনা সন্ধ্যা সময়ৰ পৰাই পূজাৰ স্থলী চাকি-বন্তি জ্বলাই পোহৰ কৰি তোলাৰ নিয়ম। চাকি-বন্তিৰ লগতে পবিত্ৰ পৰিবেশ সৃষ্টিৰ বাবে ধূপ-ধূনাও জ্বলোৱা হয়। কৰম পূজাৰ চাকিৰ পোহৰত গোটেই অঞ্চলটো বহু পৰিমাণে আলোকিত কৰি তোলে। কিয়নো কৰমৰ ৰাতি আন্ধাৰ হৈ থাকিব নাপায়। আন্ধাৰত কৰমদেৱতা অসন্তুষ্ট হয়, তেওঁৰ শুভ দৃষ্টিৰ পৰা তেতিয়া বঞ্চিত হোৱাৰ শংকা।

"জাহু জাহ কৰম গোসাঁই
কাঁশ নদীৰ পাৰে ৰে
আৱত ভাদৰ মাস, আনসৰ ঘূৰাই
দেহো দেহো কৰম গোসাই
দেহো আশিষ ৰে।" (ঝুমুৰ গীত)

মজদুৰসকলৰ বিশ্বাস কৰম গোসাঁয়ে পূজা খাই কাশী নদীলৈ গুচি যায়। সেয়েহে কৰম গোসাঁইক পিছৰ অৰ্থাৎ আগৰ বছৰৰ ভাদ মাহত পুনৰ কাশী নদীৰ পাৰলৈ আহিবলৈ অনুৰোধ কৰে। কৰম গোসাঁয়ে যাবৰ সময়ত আশীৰ্বাদ দি নগ'লে ৰাইজৰ অমংগল হয় বুলি তেওঁলোকে ভাবে। সেয়েহে গোসাঁইক সকলোৱে মিলি কাকুতি জনায় তেওঁ যেন আশীৰ্বাদ দিহে যায়। কৰমৰ আশিস তেওঁলোকৰ একমাত্ৰ কামনা।

"চাঞ্জ হ'লে চাঞ্জ শলিতা
ফজিৰ হ'লে মাড়লি

এই কাজ কে কৰে মা
যাৰ ঘৰে ভগৱতী।" (টুচু গীত)

৫.২.২ চাহ-মজদুৰ পৰিয়ালত সন্ধ্যা সময়ত চাকি-বন্তি দিয়া নিয়ম। ৰাতিপুৱা সোনকালে উঠি ঘৰৰ জীয়াৰী-বোৱাৰীয়ে গোবৰ গুলি ঘৰৰ দুৱাৰমুখ, তুলসীভেটি, গোহালি ঘৰৰ সন্মুখভাগ, ভঁৰালৰ আগফালটো পৰিষ্কাৰকৈ মচাটো এটা নিত্যনৈমিত্তিক নিয়ম। ৰাতিপুৱা গোবৰৰ পানীৰে এইদৰে মচা প্ৰথাটোক তেওঁলোকে 'মড়লি' বোলে। এই নীতি-নিয়ম পালন কৰা লোকৰ ঘৰতহে ভগৱতীয়ে বসবাস কৰে বুলি তেওঁলোকে বিশ্বাস কৰে। সেইবাবে সকলোৱে গৃহৰ পবিত্ৰতা ৰক্ষাৰ প্ৰতি মনোযোগ দিয়াৰ উপৰি সন্ধিয়া পৰত চাকি-বন্তি জ্বলায়। মজদুৰৰ এই ঈশ্বৰ ভক্তি মন কৰিবলগীয়া।

"সন্ধ্যা দিহ বৌ তুমি
সন্ধ্যা কেন দিহ না।" (টুচু গীত)

চাহ-মজদুৰসকলৰ পৰিয়ালৰ সকলোৱে ৰাতিপুৱাই বাগিচাৰ কামলৈ ওলাই গৈ সন্ধ্যাহে ঘৰ সোমায়। সন্ধ্যা আহি ভাগৰত কেতিয়াবা নীতি-নিয়ম ৰক্ষা কৰি চাকি-বন্তি নজ্বলালে বা জ্বলোৱাত পলম কৰিলে ঘৰৰ লোকে অথবা ওচৰ-চুবুৰীয়াই জীয়ৰী-বোৱাৰীহঁতক মনত পেলাই দিয়ে। এই নিয়ম পালন কৰাটো এটা অপৰিহাৰ্য কথা।

৫.২.৩ মজদুৰসকলে গো-পূজা কৰি গো-জাতিৰ উন্নতি কামনা কৰে। গো-পূজা নকৰিলে বোলে গো-লক্ষ্মীয়ে ঘৰ এৰে। এই বিশ্বাসৰ কাৰণেই সাঁহৰাই পৰব পালন কৰি গৰুৰ পূজা কৰে। সেই কথা গীতত প্ৰকাশ পায়।

"জাগাকা প্ৰতিফলন দেৱ মা লছমী হ'
পাঁচ পুত্ৰ দশ ধেনু গাই হ'।" (সাঁহৰাই গীত)

মজদুৰসকলে গৰুক লক্ষ্মী জ্ঞান কৰে। সেয়েহে গো-জাতিৰ উন্নতি কামনা কৰা ৰীতি আজিও তেওঁলোকৰ মাজত বৰ্তি আছে। গৰুৰ পূজা-সেৱা কৰিলে পুত্ৰ সন্তান লাভ কৰে বুলিও বিশ্বাস কৰে।

"গাই আইল বাচুৰ আইল
আইল ৰে ভগৱতী,
একে একে সইনঝা লেওমা
ঘৰেৰ কুলৱতী গ'।" (টুচু গীত)

৫.৩ অসমৰ চাহ-বাগিচাসমূহত হিন্দু ধৰ্মাৱলম্বী মজদুৰৰ উপৰি মুছলিম আৰু খ্ৰীষ্টান ধৰ্মৰ লোকো আছে। এওঁলোকে সুকীয়া সুকীয়া নিয়মেৰে ভগৱান বিশ্বাস কৰে। ধৰ্ম অনুসৰি ঈশ্বৰৰ নামো বেলেগ। মুছলমানসকলে 'আল্লা' বা 'খোদা' আৰু

খ্ৰীষ্টানসকলে 'গড' বা 'যীচু'ক ভগৱান বুলি বিশ্বাস কৰে। মুছলিম ধৰ্মৰ উৎসৱ-পৰ্বসমূহত গীতৰ প্ৰচলন খুব কম। 'মহৰম' উপলক্ষে কেৱল হাছান-হুছেইনৰ কাহিনী বৰ্ণনা কৰে। যদিও গীতৰ প্ৰচলন নাই তথাপি এইটো ঠিক— তেওঁলোকো ধৰ্ম বিশ্বাসী, ঈশ্বৰ বিশ্বাসী।

৫.৩.১ খ্ৰীষ্টানধৰ্মী চাহ-মজদুৰসকলে তেওঁলোকৰ ধৰ্মীয় বৰদিন, গুড ফ্ৰাইডে, যীচুৰ মহাপ্ৰস্থান আদি পালন কৰে। এই উৎসৱৰ লগত জড়িত কিছু গীত আছে। প্ৰতিবিধ গীততে যীচুৰ বন্দনা শুনা যায়।

"যীচু, ফিৰে এলে
স্বৰ্গে আমৰা,
পাবো অনন্ত জীৱন।" (বৰদিনৰ গীত)

ভগৱানৰূপী যীচুৰ জন্মদিনত যীচুক আকৌ ঘূৰি আহিবলৈ অনুৰোধ জনায়। তেওঁ ঘূৰি আহিলে যেন তেওঁলোকে স্বৰ্গত বাস কৰা হেন পাব। যীচুৰ প্ৰতি থকা ভক্তিৰ ভাব গদ্‌গদ্।

"গাধৰ আগে পিছে
শ্ৰীযীচুৰ সৈনিক যায়
নিজ বস্ত্ৰ পথে পাতিয়ে
খেজুৰ পাতা উড়ায়।" (যীচুৰ মহাপ্ৰস্থানৰ গীত)

যীচুৰ সৈনিকসকল যীচু উঠি যোৱা গাধটোৰ আগে-পাছে যায়। যীচুৰ এই মহাপ্ৰস্থানৰ যাত্ৰাপথত ভক্তসকলে নিজৰ কাপোৰ পাৰি দিছিল। আৰু খেজুৰপাত জোকাৰি থাকে।

চাহ-মজদুৰসকল বিভিন্ন ধৰ্মাৱলম্বী লোক হ'লেও ভগৱানৰ প্ৰতি থকা বিশ্বাস সকলোৰে একে। ধৰ্মীয় গীত-পদ, নীতি-নিয়ম বেলেগ হ'লেও বিশ্বাস কিন্তু একেটাই।

৫.৪ ঘৰুৱা সাংসাৰিক জীৱন ঃ

একেখন ঘৰত মাক-বাপেক, ককায়েক-বৌৱেক, ভায়েক-ভনীয়েক সকলো থাকে। তেওঁলোকৰ মাজতো ছোৱালী ডাঙৰ হ'লে বিয়া দিয়াৰ নিয়ম আৰু ল'ৰা ডাঙৰ হ'লে একে জাতিৰ ছোৱালী বিয়া কৰাই ঘৰলৈ অনাৰ নিয়ম। ছোৱালী ডাঙৰ হৈ ঘৰত থাকিলে মাক-বাপেকৰ চিন্তা বাঢ়ে। বিভিন্ন গীতত এওঁলোকৰ সাংসাৰিক জীৱনৰ বিবিধ চিত্ৰ ফুটি উঠা দেখা যায়।

"কেহ বল কুইলী হ'
কেহ বল গৰী
কেহ বল ষোলহ শৃংগাৰী সজনী হ'
বাটে কৈচন মন মাৰি।" (টুচু গীত)

সাংসাৰিক জীৱনত পতি-পত্নীৰ মধুৰ সম্পৰ্কই সংসাৰ সুখৰ কৰে। কোনোবাই টান কথা কৈ স্ত্ৰী বা স্বামীক কষ্ট দিলে ইজনে সিজনক সান্ত্বনা দিয়ে। স্বামীৰ কাৰণে স্ত্ৰী কুৰূপা হ'লেও তেওঁৰ মনত সুন্দৰ হয়। কুৰূপা পত্নীক কোনোবাই হাঁহিলে তেতিয়া স্বামীয়ে সান্ত্বনা দিয়াৰ কথা গীতত শুনা গৈছে।

"নিচ কুলিতে যাও টুচু
ওপৰ কুলিতে যাওনা
নিচ কুলিতে জড়া সতিন
পাণ দিলে পাণ খাওনা।" (টুচুগীত)

মজদুৰসকলৰ মাজতো উচ্চ-নীচ, জাতি-ভেদ আছে। উচ্চ জাতিৰ লোকৰ লগত নীচ জাতিৰ লোকৰ সামাজিক সম্পৰ্ক থাকিলেও সাংসাৰিক সম্পৰ্ক নাথাকে।

উচ্চ জাতিৰ লোক নীচ জাতিৰ ঘৰলৈ যোৱা, খোৱা-বোৱা কৰাত বাধা-নিষেধ আছে। সেয়েহে টুচুগীতত উচ্চ-নীচ জাতিৰ উল্লেখ কৰাৰ লগতে অহা-যোৱা, খোৱা-বোৱাৰ নিষেধৰ উল্লেখো আছে।

"মাথা ঘঁসে ৰহিলাম বহে
আৰ আমাদেৰ কে আছে
মাই ৰহিল দূৰণ দেশে
মন জুৰাব কাৰ কাছে।" (টুচুগীত)

মাতৃহীনা সন্তানৰ কৰুণ চিত্ৰ টুচুগীতত ফুটি উঠিছে। মাকৰ অবিহনে সংসাৰত সন্তান অকলশৰীয়া হৈ পৰে। মূৰ ফণিওৱা, তেল ঘঁহা আদি কামবোৰ ছোৱালীয়ে সাধাৰণতে মাকৰ দ্বাৰা কৰোৱায়। মনৰ সুখ-দুখৰ কথা মাকৰ আগতে কয়। যেতিয়া অকালত মাকক হেৰুৱায় তেতিয়া ছোৱালীজনীৰ প্ৰতিখোজতে মাকলৈ মনত পৰি মনৰ দুখত ভাগি পৰে।

"আপনাৰ মাই হত
ধূলা ঝাড়ে কলে লিত
পৰেৰ মাই গ' (মাহীমা) কিবা জানে
ছাইলাৰি বেদনা গ'।" (ঝুমুৰ গীত)

এজন পুৰুষে দুই-তিনিবাৰ বিয়া কৰোৱা প্ৰথা মজদুৰ সমাজত প্ৰচলিত। এজনীৰ মৃত্যু হ'লে বা নহ'লেও তেওঁলোকে অন্য এজনীক বিয়া কৰাব পাৰে। 'মাহীমাক' সন্তানৰ কাৰণে অতি কৰুণ চিত্ৰ। মাহীমাকৰ বিচিত্ৰ ছবি তেওঁলোকৰ মাজতো বিদ্যমান। নিজৰ মাকৰ মৰমৰ লগত মাহীমাকৰ মৰমৰ তুলনা যে কোনোপধ্যে নহয় এই কথা গীতত প্ৰতিফলিত হৈছে।

"কত টাকা দিলেন বাপ
দিলেন বুঢ়া বৰে গ'
বুঢ়াৰ সংগে যাতে হবে
বাঁকুৰা চহৰে গ'।" (ঝুমুৰ গীত)

মজদুৰসকলৰ কাৰণেও ঘৰত আবিয়ৈ গাভৰু ছোৱালী থকাটো বিপজ্জনক কথা। সেয়েহে কেতিয়াবা উপায়বিহীন হৈ বুঢ়া দৰালৈকে গাভৰু জীয়েকক বিয়া দি দিয়ে। বুঢ়া দৰাৰ লগত গাভৰু ছোৱালীজনীয়ে ফুৰিবলৈ যাবলৈ লাজ কৰে। ছোৱালীজনীয়ে তেতিয়া মনে মনে দেউতাকক গালি পাৰে। এনে প্ৰথাৰ প্ৰচলনৰ কথা ঝুমুৰ গীতত ফুটি উঠিছে।

"পালাই আইল ভালেই কৰল'
আৰ যাতে দিবনা
কমৰ বান্ধে লড়াই কৰব'
বেহাই জামাই মানবনা।" (টুচুগীত)

কেতিয়াবা জীয়েকে শহুৰেকৰ ঘৰত অশান্তি ভুগি মাকৰ ঘৰলৈ পলাই গুচি আহে। বিয়া দিয়া ছোৱালীজনী ঘৰলৈ পলাই আহি মাক-বাপেকক তাইৰ দুখ-কষ্টৰ কথা কয়। তেতিয়া মাক-বাপেকে ছোৱালীক বুজাই-বঢ়াই শহুৰেকৰ ঘৰলৈ পঠোৱাৰ সলনি জোঁৱায়েক আৰু বিয়েয়েকৰ লগত যুঁজ কৰাৰ কথাহে কয়। গীতত প্ৰতিফলিত হোৱা এনে কথাৰ পৰা তেওঁলোকৰ সাংসাৰিক জীৱনৰ ছবি স্পষ্ট হয়।

"চাপাকাটি চখেৰ কাটি
সকাল হ'লে খল বাজে,
শ্বশুৰ ঘৰে যাবৰ বেলায়
এই সকল মনে পৰে।" (টুচুগীত)

বিয়াৰ পাছত ছোৱালী মানুহৰ মাকৰ ঘৰৰ পৰা শহুৰেকৰ ঘৰলৈ যোৱাটো সাংসাৰিক নিয়ম। যেতিয়া শহুৰেকৰ ঘৰলৈ যাবৰ হয় তেতিয়া জনমভূমিৰ স্মৃতিয়ে আগুৰি ধৰে।

"নদী পাৰ কৰি বিহা দেখি
পাঁচ সিকি পণ লেলি,
বুঝি দেখহে নুনী
দুনীয়া সংসাৰে
আৰ না সাজতে বাপেৰ বাৰী।" (ঝুমুৰ গীত)

উলিয়াই দিয়া ছোৱালীয়ে বিয়াৰ পাছত শহুৰেকৰ ঘৰহে গুৱনি কৰে বুলি সকলোৱে বিশ্বাস কৰে। উলিয়াই দিয়াৰ পাছত জীয়েক মাক-বাপেকৰ ঘৰত বেছিদিন থাকিলেহি

বুজাই-বড়াই শহুৰেকৰ ঘৰলৈ পঠাই দিয়ে। জীয়েকক বুজনি দিয়ে যে বিয়াৰ পাছত মাক-বাপেকৰ ঘৰ আৰু শুৱনি কৰিবলৈ নালাগে; এয়ে সংসাৰৰ নিয়ম। গীতত এই কথা স্পষ্ট।

"বেটি চলল শ্বশুৰাইৰ গ'
আজোকে দিন বেটি
বসি উঠি ৰহ গ'
কাইল সন্দেশা কৰি দেব গ'।" (ঝুমুৰ গীত)

চাহ-মজদুৰসকলৰ বিয়া দিয়া ছোৱালী মাকৰ ঘৰৰ পৰা শহুৰেকৰ ঘৰলৈ যাওঁতে পিঠা-পনা, শাক-পাচলি আদি পঠায়। কেতিয়াবা দিব নোৱাৰিলে জীয়েকক পিছদিনা যাবলৈ কয়। কাৰণ পিছদিনা কিবা-কিবি বনাই দিব। এয়াও সাংসাৰিক নিয়ম।

"ৰিমি ঝিমি পানী বৰষি গেল
ছাতা ধৰৱে দেৱৰা
এমন সুন্দৰ শাড়ী ভিজে গেল।" (টুচুগীত)

মজদুৰসকলৰ কোনো কোনো সম্প্ৰদায়ৰ মাজত বৌৱেকৰ লগত দেওৰেকৰ প্ৰেম-প্ৰীতি, বিয়াৰ প্ৰচলন আছে। কেতিয়াবা গিৰিয়েকৰ মৃত্যু হ'লে দেওৰেকৰ লগত বৌৱেকৰ বিয়া হ'ব পাৰে কিন্তু বৰজনাকৰ লগত বিয়া নহয়। বৌৱেক আৰু দেওৰেকৰ সম্পৰ্কৰ কথা গীতত ফুটি উঠিছে।

৫.৫ পোছাক-পৰিচ্ছদৰ বৰ্ণনা

চাহ-মজদুৰসকলৰ তিৰোতাসকলে সাধাৰণতে শাৰী, ব্লাউজ আৰু মতা মানুহসকলে ধুতী-কামিজ পিন্ধে। এই সাজ-পোছাকৰ বৰ্ণনা থকা বিভিন্ন গীত তেওঁলোকৰ মাজত প্ৰচলিত।

"বড় ঘড়েৰ বহু বেটী
বাবু ভায়া লেলৌ লুটী
উলটি পিন্ধিল লাল শাড়ী
দহৰি চলল 'ৰেল গাড়ী'।" (ঝুমুৰ গীত)

তেওঁলোকৰ সমাজৰ নাৰীসকলৰ মাজত 'ৰঙা শাৰী' বৰ জনপ্ৰিয়। সেয়েহে 'ৰঙাশাৰী'ৰ উল্লেখ থকা বহুতো গীত আছে।

"তুই পিন্ধিলি ধুতী জামা জোড়া
তুই মাৰলি পাগড়ী টেড়া।" (ঝুমুৰ গীত)

পুৰুষসকলে ধুতী-কামিজ পিন্ধে। অলপ অৱস্থাপন্ন মজদুৰসকলৰ পুৰুষে ধুতী-কামিজ পিন্ধাৰ লগতে মূৰত পাগুৰি মাৰে।

"মাৰ্কিন কাপড় মাৰ্কিন কাপড়

পিন্ধতে বড় সাধ গেল।" (টুচুগীত)

এসময়ত মজদুৰসকলৰ মাজত মাৰ্কিন কাপোৰৰ বৰ সমাদৰ আছিল। মাৰ্কিন কাপোৰ পিন্ধিবলৈ কৰা হাবিয়াসৰ কথা গীতত আছে।

"বাপেৰ ঘৰে শাড়ী দিল
ধাৰে ধাৰে ধাঁদকী ফুল,
শ্বশুৰ ঘৰেৰ লোকে বলে
গেল বৌয়েৰ জাতিকুল।" (ঝুমুৰ গীত)

তেওঁলোকৰ মাজত কোনোবা বোৱাৰীয়ে-যদি ডাঙৰ ফুল থকা শাৰী পিন্ধে তেতিয়া তেওঁৰ জাতি-কুল যায় বুলি ভাবে। কাৰণ— ৰঙাৰ বাহিৰে অন্য ৰঙৰ ফুলাম শাৰী পিন্ধা বোৱাৰীহঁতৰ বাধা।

"বজাৰসে আনলি ঝিলি মিলি
ৰেশমী শাড়ী
সেহ শাড়ী দি
ধনীকে ঘৰ সজাৱলী।" (ঝুমুৰ গীত)

মজদুৰসকলৰ প্ৰেমিকে প্ৰেমিকাক দিবলৈ বজাৰৰ পৰা ৰেশমৰ জিলমিলিয়া শাৰী অনাৰ কথা ঝুমুৰ গীতত শুনা যায। আজিকালি তেওঁলোকৰ মাজত ৰংচঙীয়া শাৰীৰ প্ৰচলন হ'বলৈ ধৰিছে।

৫.৬ আ-অলংকাৰ আৰু প্ৰসাধন সামগ্ৰী ঃ

চাহ-মজদুৰ সমাজত তিৰোতা মানুহে আ-অলংকাৰ পৰিধান কৰে। ওৰাং আৰু মুণ্ডা সম্প্ৰদায়ৰ মাজত পুৰুষসকলেও কাণত অলংকাৰ পিন্ধা দেখা যায়। মহিলাই সাধাৰণতে হাতত খাৰু, কাণত কাণফুল, নাকত নাকফুল, ডিঙিত মালা, ভৰিত নেপূৰ অলংকাৰ হিচাপে পিন্ধে।

"বেল গাছে ঠকৰা ঠকৰি
ভাঙ্ছে যুগল চুড়ি
ঘৰে যায় মাকে বলব
গিৰে গড়ে ভাঙেছি।" (টুচুগীত)

ছোৱালীহঁতে হাতত কাচৰ খাৰু পিন্ধে। খাৰু পিন্ধি খেলা-ধূলা কৰোতে নতুবা অন্য কিবা কাৰণত খাৰু ভাঙিলে ঘৰলৈ আহি মাকক ফাঁকি দিয়ে। খাৰুৰ প্ৰচলনৰ কথা গীতৰ দ্বাৰাও জানিব পাৰি।

**"ছিঃ ছিঃ লাজ লাগে না
চেপা নাকে লুলুক পিন্ধা
ছিঃ ছিঃ লাজ লাগে না।" (টুচুগীত)**

খৰা নাকত নাকফুল (লুলুক) পিন্ধিলে বেয়া দেখি। সেয়েহে কোনোবা খাৰী নাকীয়ে নাকফুল পিন্ধিলে মজদুৰ ডেকাইঁতে তেওঁলোকক জোকায়। নাকফুল তেওঁলোকৰ অন্যতম অলংকাৰ।

"বজাৰসে আনলি, কাণে কুণ্ডল
চৈক্ষে কাজল,
চৈক্ষে কাজল পিন্ধাৱলী
ধনী কে ঘৰ সজাৱলী।" (ঝুমুৰ গীত)

মজদুৰ ডেকাই তেওঁৰ প্ৰেয়সীক সজাবলৈ বজাৰৰ পৰা বিবিধ অলংকাৰ আৰু প্ৰসাধন সামগ্ৰী আনি দিয়ে। কাণত কুণ্ডল পিন্ধা, চকুত কাজল ঘঁহাৰ কথা গীতত উল্লেখ কৰিছে। সেই বস্তুসমূহৰ তেওঁলোকৰ মাজত নিশ্চয় সমাদৰ আছে। নহ'লে গীতত স্থান নাপালেহেঁতেন।

"তুই হামাৰ সৰু সিথা
তুই গলাৰ মালা গঁথা
তুই সখেৰ আইনা চিৰণী গো, হে ধনী।" (ঝুমুৰ গীত)

প্ৰেমিক-প্ৰেমিকাৰ সম্পৰ্কৰ কথা ডিঙিৰ মালা, আইনা-ফণিৰ লগত অংকন কৰিছে গীতত। ডিঙিত পিন্ধা মালা, মুখ চাবলৈ ব্যৱহাৰ কৰা আইনা আৰু মূৰ আঁচুৰিবলৈ ফণি ব্যৱহাৰ কৰাৰ কথাও গীতত শুনা যায়।

"হলুদ বনেৰ টুচু তুমি
হলুদ কেন মাখনা
শ্বাশুৰী ননদেৰ ঘৰে
হলুদ মাখা সাজেনা।" (টুচুগীত)

মহিলাসকলে প্ৰসাধন সামগ্ৰী হিচাপে হালধি ব্যৱহাৰ কৰিছিল। হালধি সানি বোৱাৰীসকল মানুহৰ আগলৈ ওলালে সন্মান হানি হয় বুলি ভাবে।

"বজাৰ যাব পইচা পাব
ফুল তেল কিনে দিব।" (ঝুমুৰ গীত)

মজদুৰসকলৰ ডেকা-গাভৰুসকলে মূৰত গোন্ধ থকা তেল ঘঁহে। পইচা থাকিলে বজাৰলৈ গৈ গোন্ধতেল কিনি আনে।

"মেয়েৰা সব কৰছে স্যাণ্ডল ব্যৱহাৰ
হাল ফ্যাসানেৰ নৰ-নাৰী,
ঘোমটা খুলে চশমা চোখে
হিমানী কৰে ব্যৱহাৰ।" (টুচুগীত)

বৰ্তমান মজদুৰসকলৰ মাজতো আধুনিকতাৰ চাপ পৰিছে। আগতে কেতিয়াও

ব্যৱহাৰ নকৰা বস্তু ব্যৱহাৰ কৰিবলৈ লৈছে। আগতে জীয়ৰী-বোৱাৰীয়ে মূৰত কাপোৰ লৈহে ফুৰিব পাৰিছিল। বৰ্তমান মূৰত কাপোৰ লোৱা দূৰৰে কথা চকুত ৰঙীণ চশমা ব্যৱহাৰ কৰিবলৈ লৈছে। তেওঁলোকে জোতা-চেণ্ডেল ব্যৱহাৰ কৰা দূৰৈৰ কথা দেখা পোৱাও আচৰিত কথা আছিল। বৰ্তমান তেওঁলোকেও ভৰিত জোতা-চেণ্ডেল পিন্ধিবলৈ লৈছে।

৫.৭ শাক-পাচলি ঃ

অসমত বসবাস কৰা চাহ-মজদুৰসকলৰ কোনো কোনো বাগিচাত থাকিবলৈ দিয়া ঘৰৰ বাৰীতে শাক-পাচলি, কল আদি ৰোৱে। বাগিচাৰ কাম শেষ কৰি আহি ঘৰৰ বাৰীত শাক-পাচলি আদিৰ খেতি কৰে। এই শাক-পাচলি, কলগছ ৰোৱা আদিৰ কথা গীতত শুনা যায়।

"আলু ৰুইলাম শাৰী শাৰী
কলা ৰুইলাম দুই বাড়ী,
ভাল কৰে কাটবে কলা
কাইল যাব বেটীৰ বাৰী।" (টুচু গীত)

আলু শাৰী শাৰীকৈ ৰোৱে আৰু বাৰীৰ কাষে কাষে সম্পূৰ্ণকৈ কল ৰোৱে। সেই কলৰ ঠোকা কাটি ঘৰত খোৱাৰ উপৰিও বিয়া দিয়া জীয়েকৰ ঘৰলৈও পঠায়।

"শাগ তুলেছে লাতা পাতা
মাছ ধৰেছে গেঁতাৰে।" (টুচু গীত)

বাৰীত ৰোৱা শাক তুলি আনি ৰান্ধি-বাঢ়ি খায়। শাক ৰোৱা আৰু তাৰ পৰা বুটলি অনা গীতত উল্লেখ আছে। গতিকে তেওঁলোকে যে শাকৰ খেতিও কৰে সেই কথা জানিব পাৰি।

"বাড়ীৰ নামে তামোলৰ বন
কোকিল ডাকে ঘনে ঘন।
"বাড়ীৰ নামে কলগছ
কাঁচা কলা পাৰ না
পাকলে কল সবাই খাব
কাক বাৰণ কৰব না।" (টুচু গীত)

বাৰীত কলগছ ৰোৱাৰ উপৰিও সুবিধা পালে তামোল গছো ৰোৱে। কেঁচা কল পাৰি আনি খালে তেওঁলোকে বেয়া পায়। যিহেতু কল পকিলে সকলোকে দি মেলিয়েই খাব। পকা কল খোৱাত বাধা নাই।

"ঝিংগা ফুলেৰ সংগে হাঁসিব খেলিব
ছাঁপা ফুলেৰ সংগে যাব এই ভাই সজনী।" (ঝুমুৰ গীত)

চাহ-মজদুৰসকলৰ পূজা-পৰ্ব কিছুমানত জিকা দৰকাৰ হয়। জিকা খেতি কৰে আৰু জিকা তেওঁলোকৰ প্ৰিয় পাচলি। জিকা ফুলৰ কথা গীতত উল্লেখ থকাৰ লগতে কৰম পূজাৰ নিয়মকৰণত জিকাৰ প্ৰচলন থকাৰ কথাও জনা যায়।

৫.৮ মদ, ভাং, তামোল-পাণ ঃ

অসমৰ চাহ-মজদুৰসকলৰ মাজত বিবিধ জাতি-জনজাতিৰ লোক আছে। এই লোকৰ কিছু সম্প্ৰদায়ৰ মাজত মদ-ভাঙৰ প্ৰচলন আছে। অৱশ্যে বেছিখিনিয়েই মদ-ভাং খোৱা দেখা যায়। দিনটো হাড়ভগা পৰিশ্ৰম কৰি আহি ঘৰত বনোৱা মদ খাই দিনটোৰ ভাগৰ পলুৱায়। মদক তেওঁলোকে 'লাওপানী' বোলে। যদি সম্ভৱ হয় মদৰ লগত খাবলৈ আঞ্জাৰো ব্যৱস্থা কৰে। তামোল-পাণৰো প্ৰচলন তেওঁলোকৰ মাজত আছে।

"মদ ভেলাই পানী পানী
চাখনাকে টানাটানি
মদ বিনে ৰহিতে নাপাৰি
ফাটা দশা যতন কৰি।" (ঝুমুৰ গীত)

মদ বনাওঁতে যদি পনীয়া কৰে সেই মদ খাবলৈ সোৱাদ নহয়। মদ অবিহনে তেওঁলোক থাকিব নোৱাৰে। সেয়েহে ঝুমুৰ গীততো মদৰ উল্লেখ আছে।

"এক ছিলিম তামাক খাও
এটাই হচ্ছে বৰ সন্মান,
এক বাটি হাড়িয়া খাও
এটাই হ'ল বৰ আনন্দ।"

বেছিভাগ চাহ-মজদুৰেই আলহী আহিলে মদ, ভাং খুৱাব পাৰিলে সন্মান ৰক্ষা হয় বুলি ভাবে। কাৰোবাক মদ, ভাং খুৱাই তেওঁলোকে আনন্দ পায়।

"তকে দিব লাওপানী
মই খাব মিঠা পানী
লাওপানী লাগেৰে মইয়া
মধু নিশা লাগেৰে।" (দম্‌কচ্ গীত)

মজদুৰসকলৰ কাৰণে লাওপানীৰ সোৱাদ অতি মিঠা। লাওপানী নাখালে ৰাতিটো ভালদৰে পাৰ কৰিব নোৱাৰে। লাওপানী খাই নিচা লাগিলে নিশাটো মধুৰ হৈ পৰে।

চাহ-মজদুৰসকলৰ মাজত তামোল-পাণৰো সুকীয়া স্থান আছে। আলহী আপ্যায়ন, মুহুদি হিচাপে ব্যৱহাৰ কৰাৰ উপৰি প্ৰেমিক-প্ৰেমিকাই মৰমৰ চিনস্বৰূপে তামোল-পাণ যাচে।

"কাহাকে পাকল পাণ
কাহাকে চূণাৰে
বড়ি মিঠা লাগে দেওৰা
পাকল পাণৰে।
ৰাঁচীকে পাকল পাণ
মেদেনী পুৰেক চূণাৰে
বড়ি মিঠা লাগে দেওৰা
পাকল পাণ ৰে।" (ঝুমুৰ গীত)

পকা পাণৰ লগত তামোল খাবলৈ বৰ সোৱাদ। তেওঁলোকৰ মাজত ৰাঁচীৰ পকা পাণ আৰু মেদেনীপুৰৰ চূণৰ এক বিশেষ সমাদৰ আছে। সেয়েহে ঝুমুৰ গীততো ৰাঁচীৰ পাণ আৰু মেদেনীপুৰৰ চূণৰ লগত তামোল খাই পোৱা সোৱাদৰ উল্লেখ কৰিছে।

পাণ-তামোল চান্দি কমল
আমাৰ অটাৰে আছে উৰমাল
বলে আমাৰ মুহটা দিছোতে লাল
পাণ-তামোল চান্দি কমল।" (ঝুমুৰ গীত)

হাঁচতিত তামোল-পাণ বান্ধি লৈ ফুৰাটো তেওঁলোকৰ নিয়ম। কেতিয়াবা হাঁচতিৰ পৰা তামোল এখন অন্যক দি তৃপ্তি পায়। মুহুদি হিচাপে তামোল-পাণ ব্যৱহাৰ কৰাৰ লগতে কাৰোবাক ফুচুলাবলৈয়ো তামোল-পাণ দিয়ে।

"আৰ দুদিন থাক জামাই
খাতে দিব পাকা পাণ
বসতে দিব শীতল পাটি
নীলমণিতে সাথে পথাব।" (টুচু গীত)

জোঁৱায়েক শহুৰেকৰ ঘৰলৈ আহিলে জোঁৱায়েকক দুদিনমান ৰাখিবলৈ তেওঁলোকে ইচ্ছা কৰে। জোঁৱায়েকৰ মন ভুলাবলৈ খাবলৈ পকা পাণ দিয়াৰ কথা কয়। ইয়াৰ পৰাই বুজিব পাৰি তেওঁলোকৰ মাজত পাণৰ প্ৰচলন কিমান বেছি।

"আমাৰ টুচু পাণ খাইয়াছে
পিক ফেলেছে সড়কে,
উহাৰ টুচু হেংলা মাগী
পিক কুড়ায়ে খায়েছে।" (টুচু গীত)

মজদুৰসকলৰ মাজত তামোল-পাণে যথেষ্ট প্ৰভাৱ পেলাইছে। নহ'লেনো তেওঁলোকৰ আৰাধ্য দেৱী টুচুয়েও তামোল-পাণ খাই পিক পেলোৱা, পিক গিলি

দিয়াৰ কথা কল্পনা কৰে ঃ

"সানজে সকালেৰ বেলা
কে মাৰছে ছাইনে ঢেলা
ঢেলা নাহি গ'
সেটা পাণৰ টোপোলা।" (টুচুগীত)

প্ৰেমৰ চিনস্বৰূপে প্ৰেমিক-প্ৰেমিকাই তামোল-পাণ যচাৰ কথা গীতে বহন কৰে। সন্ধ্যা সময়ত প্ৰেমিকাক লগ ধৰিব নোৱাৰি প্ৰেমিকে তামোল-পাণৰ টোপোলা বান্ধি মনে মনে ঘৰলৈ দলিয়াই দিয়ে।

"এক খিলি পাণ দিয়ে
আশা দিয়ে ৰাখলে,
আৰৈ বুলি হে শ্যাম
নাহি আৱলে।" (ঝুমুৰ গীত)

ডেকা-গাভৰুৱে তামোল-পাণ দি প্ৰেম নিবেদন কৰাৰ কথাও গীতত শুনা যায়। কোনোবা ডেকাই কেতিযাবা এখন খিলিপাণ (থুৰিওৱা তামোল) দি গাভৰুৰ খবৰ নাৰাখিলে, গাভৰু ডেকাৰ বাবে আশাৰে বাট চাই থাকে।

৫.৯ জীৱিকাৰ উল্লেখ - অৰ্থনৈতিক পৰিবেশ ঃ

চাহ-মজদুৰসকল অতি সৰলচিতীয়া লোক। জীৱিকাৰ কাৰণে ঠিকাদাৰ আৰু চৰ্দাৰসকলৰ মিঠা আৰু মিছা কথাত ভোল গৈ অশেষ কষ্ট ভোগ কৰিব লগা হৈছিল। অসমলৈ বহু টকা ঘটাৰ সপোন দেখি আহিছিল।

"বিহাৰ ৰহি যে খান
নাহি জানি আসামেৰ হাল-জাল
আসাম দেশে গছে ফুলে সোণা
ফাঁকি দিয়ে অনাইলে আসাম।" (ঝুমুৰ গীত)

এই লোকসকলে অসমলৈ অহাৰ আগতে অসমৰ বিষয়ে একো নাজানিছিল। ঠিকাদাৰে অসমৰ চাহ-গছত সোণ লাগে বুলি কোৱা কথাত পতিয়ন গৈছিল। পেটৰ ক্ষুধা নিবাৰণ কৰাৰ লগতে বহু টকা ঘটাৰ সপোন দেখি অসমলৈ আহিছিল। অসমলৈ আহোতে বাটত পোৱা কষ্ট, ইয়াত আহি থকা-মেলাৰ উপৰি খোৱা-বোৱাৰ কষ্টত তেওঁলোকৰ ভুল ভাগিল।

"দি যে ডিপুৰ ঘৰে
কতনা যতন কৰে
কাগজে লেখালে নাম
কুলি চলিল আসাম।" (ঝুমুৰ গীত)

বাগিচাত কাম কৰিবলৈ চৰ্দাৰ, ঠিকাদাৰসকলে মজদুৰসকলক তেওঁলোকৰ নিজৰ ঠাইৰ পৰা আনি অসমৰ জাহাজঘাটৰ কাষত, বাগানৰ হাবি-জংঘলৰ মাজত কিছুমান ডিপো* পাতি ৰাখিছিলহি। তাত তেওঁলোকক কাগজ-পত্ৰ কিছুমানত চহী কৰাই লৈছিল।

"আসাম দেশেৰ চাহ্‌পাতা
পানী বলি বৰ মিঠা
লে সখি, চল যাব বাগানে
তলৰ পাতা আনন্দমনে।" (ঝুমুৰ গীত)

মজদুৰসকলে অশেষ কষ্ট খায়ো বাগিচাত মনপুতি কাম কৰিবলৈ ধৰে। তেওঁলোকে চাহ্‌পাতৰ লগত অতি নিবিড় সম্পৰ্ক স্থাপন কৰি ল'লে। অসমৰ মাটিকে আপোন কৰি ল'লে। অতি সৰলচিতীয়া এই অনাখৰী মানুহখিনিয়ে বাগানত আনন্দ মনেৰে কাম কৰি কাল কটায়, তথাপি কিন্তু তেওঁলোকৰ অভাৱৰ অন্ত নপৰে, সকলো বিষয়তে দুৰৱস্থাৰ সন্মুখীন হয়।

"এক পইচাৰ পুঠিমাছ
কেএণ্ৰা গোলাৰ তেলৰে
বাবুৰ বাপে চাইখে দেখে
আৰ মাংগে ঝৰ ৰে।" (টুচুগীত)

তেওঁলোকে দৰমহা হিচাপে যিকেইটা টকা পায় তাৰে তেওঁলোকৰ কেৱল খোৱা-পিন্ধাৰ জোৰাকে মাৰিব নোৱাৰে। আন অভাৱ কেনেকৈ দূৰ কৰিব, সেয়েহে বজাৰৰ পৰা বহু সময়ত বেয়া বস্তুকে কিনিবলগীয়া হয়। মাছৰ নামত গেলা-পচা যিকেইটা সস্তীয়া মাছ তাকেই কিনি আনে আৰু সেই অনুপযুক্ত খাদ্যক পৰম তৃপ্তিৰে খায়। মনৰ খেদ, জীৱিকাৰ এই দুখলগা অৱস্থাৰ কথা সততে মনৰ পৰ্দাত জিলিকি থাকে আৰু গীত-মাতত সেইবোৰেই প্ৰকাশ পায়।

মজদুৰসকলৰ বিভিন্ন গীত-পদৰ দ্বাৰা তেওঁলোকৰ আৰ্থিক অৱস্থাৰ কথা সুন্দৰৰূপে ফুটি উঠিছে। ৰাতিপুৱা শুই উঠাৰ পৰা তেওঁলোকৰ এটাই চিন্তা, কিদৰে বাগিচাৰ কাম কৰি দুপইচা পাব পাৰে। সন্ধ্যা ঘৰলৈ ঘূৰি আহি শান্তিৰে খাই-বৈ শুবলৈ নাপায়। কিয়নো সকলো বস্তুৰে তেওঁলোকৰ অভাৱ।

(ক) "ছুট মাটি চালি ঘৰ
পানী গিৰে জৰ জৰ,
নাচনীকে নিয়ে গেল চৰে
নাজানিল ভাই ঘুমেৰ ঘৰে।" (টুচুগীত)

(খ) "ছুটীৰ পৰে ঘৰে যায়
ঘৰে কিছু খাইতে নাই
পাচী নিয়ে দৌড়ানি
কেয়াঁ গোলাৰ গুদাম হে
ফাঁকি দিয়ে আনলি আসাম।" (টুচুগীত)

বাগিচাত তেওঁলোকক কৰ্তৃপক্ষই পৰিয়ালসহ থাকিবলৈ কোনো ভালঘৰ বা আবাসৰ ব্যৱস্থা কৰি দিয়া নাছিল। সৰু সৰু ঠেক পৰিসৰৰ চালিঘৰ সাজি তেওঁলোকক থাকিব দিছিল। সেই চালিঘৰৰ অৱস্থাও একেবাৰে শোচনীয়। বৰষুণ দিলেই সেই ঘৰবোৰ উৰুখিব ধৰে। বাহিৰ-ভিতৰত পানী একাকাৰ হৈ পৰে। দিনটো পৰিশ্ৰম কৰি ভাগৰে-জুগৰে আহি ঘৰত যেতিয়া খাদ্য বুলিবলৈ একোকে নাপায়, তেতিয়া তেওঁলোক পুনৰ বাগানত থকা দুষ্ট ব্যৱসায়ী, মাৰোৱাৰীৰ দোকানলৈ দৌৰ মাৰে। উদ্দেশ্য চাউল, দাইল অনা। হাতত পইচা-কড়ি নাথাকিলেও এনে দোকানৰ পৰা ধাৰ কৰি বস্তু আনি আকৌ নতুন বিপদ চপাই লয়। দুৰ্দশাৰ ওপৰত আকৌ দুৰ্দশা।

মজদুৰসকলে একেটা ঘৰতে পৰিয়ালৰ সকলোৱে বসবাস কৰে। মাজে মাজে তেওঁলোকৰ দ্বন্দ্ব-খৰিয়াল লাগে; হ'লেও একেলগে ককায়েক-বৌৱেক, মাক-বাপেক, ভায়েক-ভনীয়েক সকলোৱে একেলগে থাকে। এইদৰে যৌথ পৰিয়ালৰ সমিল-মিলৰ পৰিবেশত বসবাস কৰাটো তেওঁলোকৰ ৰীতি। অৱশ্যে বাগিচাৰ পৰিবেশেও এইদৰে থাকিবলৈ বাধ্য কৰায়।

"শাগ তুলকে লতা পতা
মাছ ধৰেকে গেৰ্তাৰে
ননদ ভৌজায়ে দেখা দেখি
কাৰ কেমন খসাঁৰে।" (টুচুগীত)

ঘৰৰ যাৱতীয় কাম কৰি বাগিচাত কাম কৰিবলৈ বৌৱেক-ননদেক একেলগে যায়। যিদিনা বাগিচাৰ কামৰ পৰা আজৰি পায় সেইদিনা ঘৰৰ জীয়াৰী-বোৱাৰী মিলি শাক তুলিবলৈ, মাছ ধৰিবলৈও যায়। মাছ ধৰাত তেওঁলোকৰ মাজত প্ৰতিযোগিতা চলে কোনে কিমান মাছ ধৰিব পাৰে। শাক-পাত বুটলি, মাছ ধৰি-মেলি আনি সংসাৰৰ অভাৱ পূৰাইছিল।

"একটা খড়ি ঠাকাৰ ঠুকুৰ
দুইটা খড়ি ধোঙা,
তিনটি খড়ি ঠেকাই দিলে
ঘুনা বুঢ়া নিৰ্জন।" (টুচুগীত)

মজদুৰসকলৰ ঘৰুৱা জীৱনো পৰোক্ষভাৱে পৰিচালিত হয় বাগিচাৰ মালিকৰ

দ্বাৰা। খোৱা-বোৱা, ৰন্ধা-বঢ়া সকলোতে বাধা-নিষেধ মানি চলিব লাগে। খাবৰ বাবে মাহটোৰ নিৰ্দিষ্ট জোখত চাউল-আটা দিয়ে। ৰান্ধিবলৈ খৰিও বছৰটোৰ কাৰণে জুখি দিয়ে। সেই খৰিৰে তেওঁলোকক নোজোৰে। কাৰণ ঠাণ্ডা দিনত ঠাণ্ডা নিবাৰণ কৰিবলৈ কাপোৰ নথকাত খৰিকে জ্বলাই ঠাণ্ডা দূৰ কৰে। সেয়ে ৰন্ধা-বঢ়াত যিমান পাৰে সিমান খৰি কমকৈ খৰচ কৰিবলৈ যত্ন কৰে। এই কথাৰ বৰ্ণনাও গীতত আছে।

(ক) "চট মট ছাঁছ কড়
চা-পানী গৰম কড়।
খায়ে দায়ে যাব ৰে কামজাৰী
ঠিকা কাম বৰ দিগদাৰী।"

(খ) "চাউল ভুঞ্জা চাহ-পানী
খাইয়ে যাব কামজাৰী,
চাউল ভুঞ্জাই ৰাখিল পৰাণ।" (টুচুগীত)

ৰাতিপুৱা পৰিয়ালৰ সকলো কাম কৰিবলৈ ওলাই যাবৰ সময়ত লৰালৰি লাগে। সেয়েহে সোনকালে ফিকা চাহ-পানী কৰি চাউল ভজাৰ লগত খাই-বৈ সকলো ঠিকাদাৰৰ কাম কৰিবলৈ ওলাই যায়। খোৱা-বোৱাৰ অভাৱৰ কথা গীতৰ দ্বাৰা সুস্পষ্ট।

"তোহো দয়া কৰবে ঈচৰ মহাদেৱ গ'
বাঢ়ত ঘৰকে শান্তি কিষাণ গ'।" (সাঁহৰাই গীত)

মজদুৰসকলৰ দীনতাৰ কাৰণে ঘৰত অশান্তিৰ সৃষ্টি হয়। সেয়েহে তেওঁলোকে ভগৱানক প্ৰাৰ্থনা কৰে যাতে তেওঁ দয়া কৰি ঘৰত শান্তি দিয়ে। এমুঠি শান্তিৰে খাবলৈ নাপায়, এখন ভাল কাপোৰ পিন্ধিবলৈ নাপায়। সেয়েহে ভগৱানক কাকুতি কৰে যাতে তেওঁ তেওঁলোকক কৃপা কৰি দীনতা দূৰ কৰি শান্তি আনি দিয়ে।

"চাল দেখি ধানেৰ সমান
ভূচাই দিয়ে খঁচা আটা হে।" (টুচগীত)

বাগিচাৰ কৰ্তৃপক্ষই ৰেচন হিচাপে দিয়া আটা, চাউলেৰে তেওঁলোকৰ সপ্তাহটো চলা টান হৈ পৰে। ৰেচনত দিয়া আটা ভূচাৰে পৰিপূৰ্ণ আৰু চাউলত চাউল-ধান সমান হৈ থাকে। তেওঁলোকৰ খোৱা-বোৱাৰ অভাৱ তথা শোচনীয় অৱস্থাৰ কথা গীতত শুনা যায়।

"একটা ছিল বুঢ়া গৰু
তাকে হেৰাইলি
হায়, হায় তাকে হেৰাইলি
চট ভাইৰে তাস খেলে সকল ডুবালি।" (টুচু গীত)

কোনো কোনো মজদুৰে বাগিচাৰ মাটিতে খেতিও কৰিছিল। তাৰ কাৰণে গৰু কিনিছিল। সেই গৰুৰো এটা ভায়েকে জুৱা খেলিবৰ কাৰণে হেৰুৱালে তেওঁলোকৰ মনৰ অৱস্থা অতি শোচনীয় হয়। অভাৱে জুৰুলা কৰা সংসাৰত অখমালি কৰিলে খং উঠা স্বাভাৱিক।

"পহ্না খেতে গেলি হামৰা
ঘুমাইছিল থৈলাতে।
আধা ৰাইতে ঘুম ভাঙেছে
খাই মাৰেছে উড়িসে।" (টুচুগীত)

মজদুৰসকলৰ শুবলৈ এখন বিছনাও নাথাকে। ঘৰলৈ আলহী আহিলে মাটিতে থৈলা পাৰি মাটিতে শুবলৈ দিয়ে। তাতো শান্তিৰে শুব নোৱাৰে উৰহৰ কামোৰ খায়।

"ধান কাটি গো নাড়া কাটি
নাড়ে কাটে ঘৰ বান্ধি,
সেহ ঘৰে পানী গিৰে
বসে সাৰা ৰাইত ৰে।" (টুচুগীত)

বাগিচাৰ কামৰ পৰা অৱসৰ পোৱাৰ পাছত তেওঁলোকক বাগিচাত থাকিবলৈ নিদিয়ে। সেয়েহে তেওঁলোকে বাগিচাৰ কাষতে কৰ্তৃপক্ষই দিয়া মাটিত ঘৰ বান্ধি লয়। ধানৰ নৰা কাটি সেই নৰাৰে ঘৰৰ চাল চায়। নৰাৰে চালি দিয়া ঘৰত পানী পৰে। ফলত বৰষুণৰ বতৰত শুব নোৱাৰি বহি থাকে।

"কৰবৰি খায়ে মৰি গ' খায়ে মৰি
আন গ' ছুৰী দেব গ' কপাল ছিৰে
কি লিখিছে গ' ভগৱানে।" (ঝুমুৰ গীত)

অসমলৈ টকা ঘটিবলৈ আহি অভাৱ-অনাটনে জুৰুলা কৰাত তেওঁলোক হতাশাত ভাগি পৰিছিল। সেয়েহে কিবা খাই নহ'লে অন্য উপায়ে আত্মহত্যা কৰাৰ কথা ভাবিছিল। ছুৰীৰে কপাল ফুটাই ভাগ্য চাব বিচাৰিছিল।

"কি বলব মাসি পিসি
কি বলব গ' দুখেৰ কথা,
কাঁচা বাঁশে ঘুণ লাগেছে,
তেম্‌নি হামাদেৰ দুখ-দুৰ্দশা।" (টুচু গীত)

মজদুৰসকলৰ অভাৱ-অনাটন, দুখ-দুৰ্দশাৰ কথা কাকনো ক'ব আৰু ক'লেই বা কোনে শুনিব। কেঁচা বাঁহত ঘুণে ধৰিলে যি অৱস্থা হয় ঠিক তেনেকুৱাই তেওঁলোকৰ অৱস্থা। সেয়েহে মনৰ এই বেজাৰ গীতৰ দ্বাৰাই প্ৰকাশ কৰিছে।

"প্ৰথম পহিলেৰ ফুট পাতা

উঠে ভগে ডগৰে
চিঙৰ আনন্দ মনে
হায় ৰে আমাৰ ভায়াৰে।" (ঝুমুৰ গীত)

বাগিচাত কাম কৰা মজদুৰসকল চাহগছৰ লগত নিবিড়ভাৱে জড়িত। তেওঁলোকে এটি কলি দুটি পাত যেতিয়া জিলিকি উঠে মনত আনন্দ পায়। আনন্দ মনেৰে সেই পাতবোৰ ছিঙি যায়। যিমান পাত ছিঙিব পাৰিব সিমানেই তেওঁলোকৰ লাভ।

"বাগান বাগান চাহেৰ বাগান
কণ বাগানে ফুল ফুটে,
ফুল ফুটিল ফুল তুলনা
চাহাব, বাবু ফাইন কৰে।" (টুচুগীত)

বাগানৰ চাহপাত ছিঙি আনন্দ পোৱা মজদুৰসকলে চাহপাতৰ ফুল দেখি আচৰিত হয়। আৰু সেই ফুল ফুলা বাগানৰ এটা ফুল ছিঙিবলৈও তেওঁলোকৰ সাহ নাই। কিয়নো ফুল ছিঙিলে কিজানি চাহাব আৰু বাবুসকলে শাস্তি দিয়ে।

"বাগান ভিতৰে জোক
লিৰাম লিৰিম কৰে,
কোৰ মৰা ছালাক ছিলাক
পাত তোলা ডগে জা হায়ৰে
ফাঁকি দিয়ে আনলি আসাম।" (ঝুমুৰ গীত)

মজদুৰসকলে বাগিচাৰ সকলো ধৰণৰ কাম-কাজ কৰিব লগা হৈছিল। পৰিয়ালৰ ডাঙৰ-সৰু সকলোৱে বেলেগে বিবিধ কাম কৰিছিল। বাগিচাৰ ভিতৰত জোক, মহ-ডাঁহ আদি অনবৰতে থাকে। তাৰ মাজেদিয়েই তেওঁলোকে কোৰমৰা, পাততোলা আদি কামবোৰ কৰি যায়। পাত তোলাত কষ্ট নাপালেও কোৰমাৰি কষ্ট পাইছিল। সেয়েহে গীতত এনেধৰণৰ কথাই স্থান পাইছে।

"চৰ্দাৰ বোলে কাম কাম
বাবু বলে ধৰে আন
চাহাব বলে নিবো পিঠেৰ চাম
ফাঁকি দিয়ে আনলি আসাম।" (ঝুমুৰ গীত)

ইমান কষ্টদায়ক কামবোৰো সময়মতে কৰি যাব নোৱাৰিলে মহৰীৰ গালি, চাহাবৰ লাঠিৰ কোব খাব লগা হৈছিল। সেয়েহে ক্ষোভত তেওঁলোকে চৰ্দাৰক মনে মনে গালি পাৰে।

"আমৰা যত নৰ-নাৰী
চা-বাগানে কাম কৰি

বুকে-পিঠে ধৈৰ্য ধৰি
কাম কৰি যায়,
এমন দুখেৰ কথা
সহ্ন না যায়
দয়া কৰ প্ৰভু আনাৰে।" (ঝুমুৰ গীত)

সকলো যন্ত্ৰণা সহ্য কৰি মজদুৰসকলে নীৰৱে কাম কৰি যায়। নহ'লে তেওঁলোক খাবলৈ-পিন্ধিবলৈ নাপায় মৰিব। তেওঁলোকে ইমান দুখ-কষ্ট সহ্য কৰি ভগৱানৰ পৰাই কৰুণা বিচাৰে।

"নানা মৰলেক নদীৰ মাজে
বাবা মৰলেক ঘৰে,
বেটাক দিল পুলিচ আনাই
ভাগাই যাবৰ দোষে।" (ঝুমুৰ গীত)

মজদুৰসকলে ইমান যন্ত্ৰণা সহ্য কৰিবলগীয়া হয় যে তাৰ সীমা নাই। কোনোবাই যন্ত্ৰণা সহ্য কৰিব নোৱাৰি পলাই যাবলৈ বিচাৰিলেও পুলিচ লগাই ধৰি আনে। গতিকে তেওঁলোকে চাৰিওদিশ অন্ধকাৰেই দেখে।

"কি বলিচ দুখেৰ কথা
অন্তৰে ৰয়ছে ব্যথা
ফঁকুৰি ফঁকুৰি কান্দিতে নাপাৰি
মোৰে কান্দি এৰা।" (ঝুমুৰ গীত)

তেওঁলোকৰ দুখ-যন্ত্ৰণাৰ অন্ত নাই। সকলো সহ্য কৰি হ'লেও বাগিচাত কাম কৰি যায়। মনে মনে কান্দি কান্দি শেষত ভাগৰি পৰিল। কন্দা-কটা সেয়েহে বাদ দি তেনেদৰেই জীৱন নিৰ্বাহ কৰি যায়।

"দেশ গেল জমিন গেল
তাইত হাম্‌ৰা ভাবি না
মানুষ যে গোলাম হলি
মনস্তাপে মৰি গ'।" (ঝুমুৰ গীত)

নিজৰ দেশত থাকোতে মজদুৰসকল স্বাধীন আছিল। অসমৰ বাগিচাত কাম কৰিবলৈ আহি নিজৰ দেশ, জ্ঞাতি-কুটুম, পৰিয়াল সকলোকে হেৰুৱাব লগা হ'ল। এই সকলোবোৰ হেৰুৱায়ো তেওঁলোকে ইমান কষ্ট পোৱা নাছিল, যিমান কষ্ট পাইছে মানুহৰ গোলাম হৈ। মনৰ দুখৰ কথা সেয়েহে গীতত ফুটি উঠিছে।

গোলাম খাটিতে নৰ
বিচাৰ কৰি হৰি হৰ

অন্তকালে পন্থ ভুলি গেল
কাহে বিধি নৰ জনম দেশ। (টুচুগীত)

জীৱিকাৰ কাৰণে মানুহৰ গোলাম হৈ তেওঁলোকৰ অনুতাপ হয়। সকলো ভগৱানৰ ওপৰতে এৰি দি তেওঁকে বিচাৰ কৰিবলৈ দিছে। টকাৰ লোভত পৰি নিজৰ দেশ, মাটি এৰি থৈ অনুশোচনাত দগ্ধ হৈ পৰিছে।

"ছাড়িব ছাড়িব আসাম দেশ গ'
ই দেশে থাকিতে হামাৰ
নাহি গ' বাসনা
চল দাদা চল পালাই যাব।" (টুচুগীত)

অশেষ কষ্ট খাই মানুহৰ গোলাম হ'বলগা হোৱাত তেওঁলোকৰ টকা ঘটাৰ হাবিয়াস নোহোৱা হয়। শেষত অসম দেশত থকাৰ হেঁপাহ মৰহি যায়। নিজৰ দেশলৈ পলাই হ'লেও যাবলৈ আকুল হৈ পৰে।

চাহাবৰ চক্ৰান্তত তেওঁলোক নিজৰ দেশলৈ উভতি যাব নোৱাৰিলে। শেষত অসমৰ চাহ-বাগিচাকে নিজৰ সকলো বুলি ভাবি সকলো কষ্ট কৰি হ'লেও আপোন কৰি লয়। বৰ্তমান তেওঁলোক অসমৰ স্থায়ী বাসিন্দা হৈ অসমক নিজ মাতৃভূমিৰূপে গ্ৰহণ কৰি লৈছে।

৫.৯ প্ৰেমৰ স্থান ঃ

চাহ-মজদুৰসকলৰ বিবিধ উৎসৱ-পৰ্বত বিবিধ গীত গায়। প্ৰায়বোৰ গীততে প্ৰেমৰ বৰ্ণনা আছে। মজদুৰসকলে প্ৰেমিকাক সজনী, ধনী, প্ৰিয়া আদিৰে সম্বোধন কৰে। প্ৰেমিকক সয়া, সজনা আদিৰে উল্লেখ কৰে।

তেওঁলোকে পালন কৰা 'কৰম পৰব' কৃষি উৎসৱ। অৰ্থাৎ উৰ্বৰা শক্তিৰ উৎসৱ। তাৰ লগত জড়িত গীতসমূহত, টুচু পূজাৰ গীতসমূহত প্ৰেমৰ বৰ্ণনা থকা গীত অধিক।

"বনে বনে যাৱলি
বনফুল তৰালি
সেহফুল বেনী সূতাই গাঁথলি
ধনীকে ঘৰ সজাৱলী।" (ঝুমুৰ গীত)

যৌৱনমত্ত প্ৰেম পাগল মজদুৰ ডেকাইঁতে মনৰ মানুহজনীৰ কাৰণে বনৰীয়া নানা ৰঙৰ ফুল ছিঙে। সেই ফুলেৰে মালা গাঁথি প্ৰেমিকাৰ বেনীত আৰি দি সজাই তৃপ্তি পায়।

"বজাৰসে আনলি
ঝিলিমিলি ৰেশমী শাড়ী

কাণে কুণ্ডল
চৈক্ষে কাজল পিন্ধাবলী।" (ঝুমুৰ গীত)

প্ৰেমিকাক নানা ৰূপত সজাই তুলিবলৈ মজদুৰ ডেকাই চেষ্টা কৰে। বজাৰৰ পৰা জিকমিকাই থকা ৰেচমৰ শাড়ী, কাণৰ বাবে কাণফুল আৰু চকুত ঘঁহিবলৈ কাজল আনি দিয়ে। এইদৰে নানা প্ৰকাৰে প্ৰেমিকাক সজাই তোলে। প্ৰত্যেক ডেকাই তেওঁৰ প্ৰেমিকাক সুন্দৰ ৰূপত চাবলৈ বিচাৰে।

"চান্দ কৰে জিকিৰ মিকিৰ
সূৰুয কৰে আল'
কণ শ্যালাই গাঁইথেছে
বিণী সূতাৰ মালা গ'।" (ঝুমুৰ গীত)

প্ৰেমিকাক প্ৰেমিকে খোপাত দিয়া মালাধাৰৰ বাবে আনে ঈৰ্ষা কৰে। সেয়েহে সেই ডেকাক ইতিকিং কৰি ঝুমুৰ গীত গোৱা দেখা যায়।

"আম গছে হিলনী
তেতুল গছে ঝুলনী,
হিলিতে হিলিতে সখী সজনী
হাতে দিব জগ মোহিনী।" (ঝুমুৰ গীত)

কৰম পৰবৰ দিনা ডেকা-গাভৰুসকলে ঝুমুৰ নৃত্য-গীত প্ৰদৰ্শন কৰে। সেই নৃত্য-গীত কৰি থকা সময়ত প্ৰেমিকাক বেছিকৈ নাচি থকা প্ৰেমিকে সহ্য কৰিব নোৱাৰাৰ কথাও গীতৰ দ্বাৰাই প্ৰকাশ কৰে।

"আষাড় শ্ৰাৱণ গেল
ভাদ পূৰ্ণিমা ভেল
গণি গণি ৰে সঁয়া,
দিন চলি যায়
দিন গেলে ৰে সঁয়া
পিছে পসতায়।" (ঝুমুৰ গীত)

আহাৰ-শাওণ মাহ যিদৰে খেতি কৰাৰ উপযুক্ত সময়, ঠিক সেইদৰে ডেকা কালেই প্ৰেম-পীৰিতি কৰাৰ উপযুক্ত সময়। যৌৱনকাল বা ডেকাকাল উকলি যোৱাৰ পাছত আৰু মানুহৰ মনলৈ প্ৰেম নাহে। সেয়েহে মজদুৰ ডেকাই প্ৰেয়সীৰ উদ্দেশে এনেধৰণৰ ইংগিত দিয়ে।

"আম গাছে আমে কলি
পিঁপেড় গাছে টিক্ লি,
ছ'ড়াৰ হাথে লাল ৰুমাল

ছ'ড়িকে ভুলালি।" (ঝুমুৰ গীত)

মজদুৰসকলৰ মাজত 'ৰঙা ৰুমাল' প্ৰেমৰ প্ৰতীক। প্ৰেমিকে প্ৰেমিকাৰ মন জয় কৰিবলৈ হাতত ৰঙা ৰুমাল লৈ ফুৰে।

"আম গাছেৰ আম দিদি
বুকে কেন' ফলেলে
বাঁকা চাইখেৰ ঠাৰ দেখি
নিন্দ নাহি আৱহে।" (ঝুমুৰ গীত)

পাৰ ভাঙি যোৱা যৌৱনৰ আমেজ ভৰা উন্নত বুকুৰ অধিকাৰিণী মজদুৰ যুৱতীৰ হিয়াত প্ৰেম জাগে। কোনোবা ডেকাৰ চকুৰ বেঁকা চাৱনিত যুৱতীৰ ৰাতিৰ টোপনি হেৰাই যায়। এই কথাও গীতৰ মাজেদিয়েই জানিব পাৰি।

"কন' ফুলে হাঁসিব, কন' ফুলে খেলিব
কন' ফুলেৰ সংগে যাব ভাই সজনী।" (ঝুমুৰ গীত)

চাহ-মজদুৰ ডেকাই গাভৰুসকলক ফুলৰ লগত তুলনা কৰে। বহুতো গাভৰুক ডেকাই জীৱনত লগ পায়। তাৰে কোনজনী গাভৰুক প্ৰেম নিবেদন কৰিলে সেই প্ৰেম সফল হ'ব সেই কথা চিন্তা কৰাৰ কথাও গীতত শুনা যায়।

"তুমি নাযাওঁ বনে হে প্ৰিয়ে
তুমি নাযাওঁ বনে
বনেৰ মাজে কিবা হ'বে
জানিব কেমনে।" (ঝুমুৰ গীত)

প্ৰেমিকে যিদৰে প্ৰেমিকাৰ কাৰণে চিন্তা কৰে প্ৰেমিকায়ো প্ৰেমিকৰ বাবে চিন্তা কৰে। মজদুৰ প্ৰেমিক চিকাৰলৈ যাবলৈ ওলালে প্ৰেমিকাৰ মনত উদয় হোৱা ভয়-সংশয়ৰ কথাও গীতত ফুটি উঠিছে।

"পহিলা পীৰিতি কালে, ভুলাইলি নানা ছলে
সুখ-দুখ সকল পাসোৰালে।
মধুৰ বচনে প্ৰাণ ভুলালে
দিবল নিশিগো প্ৰাণ কান্দালে
এবে বন্ধুহে কেনে ডাগা দিলে।" (ঝুমুৰ গীত)

মজদুৰ ডেকাই কেতিয়াবা এজনীক ত্যাগ কৰি অন্য এজনীৰ লগত প্ৰেম কৰে। তেনে ক্ষেত্ৰত প্ৰথম প্ৰেমিকাগৰাকীৰ মনৰ অৱস্থা কেনে হ'ব পাৰে গীতত বৰ্ণনা কৰিছে। প্ৰেম নিবেদন কৰিবৰ সময়ত মিঠা মিঠা কথা কৈ মন-প্ৰাণ হৰি নিছিল। পাছত প্ৰেমক নেওচা দি প্ৰেমিকাক কলংকিত কৰিলে। এয়া প্ৰেম কৰা মজদুৰ ডেকা-গাভৰুৰ কথা।

(ক) "মাতা-পিতা দূৰ গেল
দাসী-প্যাসী প্যাৰি ভেল
অহিৰে নৰজন্ম বিধি কাহে দেল।" (ঝুমুৰ গীত)

(খ) "কিবা হাড়ি কিবা ডম
পীৰিতি মজিল মন
জাত-কুলে কৰিছে বাৰণ
মিছাই সখী কৰিছ ৰদন
ভাবিলে কি হইব এখন।" (ঝুমুৰ গীত)

প্ৰেমত মাক-দেউতাক, বংশ-পৰিয়াল, জাত-পাত সকলো তুচ্চ হৈ পৰে। পাছত যদি এইবোৰে মিলনত বাধা দিয়ে তেতিয়া কান্দি-কাটি নিজকে ধিক্কাৰ দিয়ে।

"সংগে সাথে বুললি, সংগে সাথে খেললি
সংগে সাথেহে প্ৰিয়া, পালঙেক শুতলি
এবে প্ৰিয়া ৰিচৈড় গেলি
হায় মৰ নিন্দ নাহি আৱে
মনে পড়ে গ' মৰ পহিলা পীৰিতি।" (ঝুমুৰ গীত)

মজদুৰসকলৰ মাজত দুবাৰ-তিনিবাৰ বিয়া হোৱাৰ নিয়ম প্ৰচলিত। প্ৰথমবাৰ প্ৰেম কৰি বিয়া কৰাই একেলগে থকাৰ পাছত কিবা কাৰণত প্ৰেমিকাই অন্য এজনলৈ প্ৰেমিকাক এৰি গুচি যোৱাও দেখা যায়। তেতিয়া দুয়াজনকে প্ৰথম পীৰিতিয়ে আমনি কৰে। এই কথা গীতত সুস্পষ্ট।

"শুখনা বাঁসেৰ বাশী
বাজে ঝঞ ঝকাৰে
ঘৰে না ঠহৰে মন
কি হইল জঞ্জালৰে।" (ঝুমুৰ গীত)

প্ৰেমিকা ঘৰত কাম-বন কৰি ব্যস্ত থকাৰ সময়ত দূৰৈত যদি প্ৰেমিকৰ মাত শুনে তেতিয়া ঘৰত মন নবহা হয়। প্ৰিয়ৰ মিলনত আকুল হৈ পৰে। ঘৰৰ জঞ্জাল এৰাব নোৱাৰি ছটফটাই থাকে।

(ক) "কালীয়া কালীয়া বলে
দিনে-ৰাইতে ঝুৰে মৰি,
আইজ কালা ৰইল' কাৰ ঘৰে
পাণৰ ছিতকা লাইগেল চাদৰে।" (ঝুমুৰ গীত)

(খ) "তুমি তৰু আমি লতা
বান্ধিয়ে ৰাখিব এথা,

মাত দেখি কোথায় যাবে,
আমাকে ছাড়িয়ে হে।" (ঝুমুৰ গীত)

মজদুৰ প্ৰেমিক-প্ৰেমিকাই ইজনে আনজনক এৰি এক মুহূৰ্তৰ বাবেও থাকিব নোৱাৰে। ইজন সিজনৰ লগত তৰু-লতাৰ দৰে বান্ধ খাই থাকে। তেনে অৱস্থাত কেতিয়াবা প্ৰেমিকাই প্ৰেমিকক বহুদিন লগ নাপালে মনত সন্দেহৰ ভাব ওপজে। এই ধৰণৰ প্ৰেমৰ বৰ্ণনাও গীতত শুনা যায়।

"হাতে হাতে পাণ দিতে
দেখিল সংসাৰ লোকে
কিবা দোষ ছাড়িল আমাৰে
একা পাইলে বলিব তোমাৰে।" (ঝুমুৰ গীত)

যেতিয়া প্ৰেমিক-প্ৰেমিকাৰ কিবা কাৰণত এৰাএৰি হয় তেতিয়া প্ৰেমিক বা প্ৰেমিকাই নিজকে দোষী বুলি ভাবে। মনৰ আক্ষেপ কাক জনাব। নিজৰ কি দোষৰ বাবেনো এৰা এৰি হৈছে, প্ৰেমিক-প্ৰেমিকাক নিৰলে অকলে পালে সোধাৰ কথাও গীতৰ দ্বাৰা প্ৰকাশ পাইছে।

"কাঁসি ফুল ফুটি গেল
আশা মৰ লাগি গেল
কৰেৰে আৱত ভায়া মৰ সাজন।" (ঝুমুৰ গীত)

আকৌ যদি কোনোবা প্ৰেমিকে প্ৰেমিকাক এৰি থৈ অন্য ক'ৰবালৈ গুচি যায় তেতিয়া প্ৰেমিকাৰ অৱস্থা চাবলগীয়া হয়। মনৰ আশা— কিজানি প্ৰেমিক ঘূৰি আহে। সেয়েহে আশাৰে বাট চাই থাকে।

(ক) "চাল চিড়া কুটলি ছড়ি
পলাই যাব বল ৰে
শেষ ৰাইতে তুই ধৰা খালি
কাল ছড়া হাতেৰে।" (টুচুগীত)

(খ) "ছড়ি যাবি কোথায়
টানে আনে মাৰ বলে
চেন্দেল জোতা খোলে
ছড়ি যাবি কোথায়।" (টুচুগীত)

প্ৰেমিক-প্ৰেমিকাই ঘৰৰ বা সমাজৰ বাধাৰ কাৰণে ৰাতি পলাই গৈ বিয়া হোৱাৰ কথা ভাবে। এইদৰে পলাই যাবলৈ ঘৰৰ পৰা ওলাই আহোতে কেতিয়াবা ধৰা পৰি যায়। এইদৰে ধৰা পৰাৰ পাছত সকলোৰে পৰা জোতা-চেন্দেলৰ কোব খাব লগা হয়।

"এল এল কাল ছুড়ি
তৰল' ঝাড়ী ৰূপ দেখি
তৰ ৰূপকে উঁইয়ে খাবেক
জহাল ঝৰে ঘুমাবি।" (টুচুগীত)

কোনোবা গাভৰুৱে যদি কোনো ডেকাৰ প্ৰেম প্ৰত্যাখ্যান কৰে তেতিয়া ডেকাৰ মনত প্ৰতিশোধৰ ভাব জাগি উঠে। খঙৰ কোবত গাভৰুক যিকোনো কথাৰে গালি পাৰে।

"আল ধানেৰ পাতলা ছিড়া
গামছা বান্ধা দহি গ'
খাবাৰ বেলায় মনে পড়ে
হামাৰ প্ৰাণেৰ প্ৰিয় গ'।" (টুচুগীত)

প্ৰেমিকাই কোনো উৎসৱ-পৰ্বত কোমল ধানৰ চিৰা আৰু খমা বন্ধা দৈ দি জলপান খাবলৈ লৈ প্ৰেমিকলৈ মনত পৰি খাব নোৱাৰা হোৱাৰ কথাও গীতত ফুটি উঠিছে।

"বহনই দিল চৰু সাখা
দিদিৰ হইল মুখ বাঁকা
বহনই আইল বলে দিব
দিদিৰ সতীন হ'ব না।" (টুচুগীত)

মজদুৰসকলৰ মাজত ভিনিহিয়েকে খুলশালীয়েকক বিয়া কৰাব বা প্ৰেম কৰিব পাৰে। ভিনিহিয়েকে বায়েকৰ অজ্ঞাতে খুলশালীয়েকক খাৰু-মণি আনি দিয়ে। গিৰিয়েক-ভনীয়েকৰ প্ৰেমৰ অৱস্থা দেখি বায়েকৰ অন্তৰ ক'লা হৈ যায়। ভনীয়েকক বায়েকে দেখিব নোৱাৰা হয়। ভনীয়েকে বায়েকৰ সতিনীয়েক হ'বলৈ নিবিচাৰে। এইবোৰ কথাও গীতত ফুটি উঠিছে।

"মহক ভোৰগে
বাহা খুৎ চেতনাৰে
মশং এন সেম
জাংগা লাতাৰ।" (চাওতালী গীত)

গোপনে প্ৰেম কৰি পাছমুহূৰ্ততে বিবেক দংশন হোৱাৰ কথাও গীতত শুনা যায়। মনৰ আৱেগত ভুল কৰি পাছত অনুশোচনা হয়।

চাহ-মজদুৰসকলৰ গীত-পদসমূহৰ মাজত এইদৰে বিবিধ চিত্ৰৰ সমাবেশ ঘটা দেখা যায়।

ষষ্ঠ অধ্যায়

৬.০ চাহ মজদুৰৰ গীতৰ ভাষা

অসমৰ চাহ বাগিচাত কাম কৰিবলৈ ভাৰতৰ নানা অঞ্চলৰ পৰা যিকোনো লোকক মজদুৰ হিচাপে অনা হৈছিল; সেইবোৰৰ ভিতৰত দক্ষিণ ভাৰত আৰু উৰিষ্যাৰ বহুতো অনুন্নত জাতি-উপজাতিৰ লোকেই আছিল প্ৰধান। সেই মজদুৰসকল নানা ভাষা-ভাষী আছিল বাবে তেওঁলোকৰ মাজত ভাষা লৈ এটা সমস্যাৰ সৃষ্টি হৈছিল। বহুদিনলৈকে এওঁলোকৰ অতি মুষ্টিমেয় নিজৰ সম্প্ৰদায়ৰ বাহিৰৰ ইজনে সিজনৰ মাত-কথা বুজিবলৈ বৰ কষ্ট কৰিবলগীয়া হৈছিল। কিয়নো বাগিচাত তেওঁলোকক সানমিহলি কৰি ৰখা হৈছিল; সম্প্ৰদায় অনুসৰি একেলগে থাকিবলৈ দিয়া নহৈছিল। তেওঁলোকে কোৱা বিভিন্ন ভাষা-উপভাষাবোৰৰ ভিতৰত মুণ্ডাৰী, চাঠালী, গণ্ডি, উৰিয়া, ওৰাং, তেলুগু, কানাৰী, নেপালী, কাণ্ড, সাদ্‌ৰি বা সাদানী, খাৰিয়া আৰু বঙালী আদিয়েই আছিল প্ৰধান। তেওঁলোকক প্ৰশাসনীয় সা-সুবিধালৈ চাই বাগিচাৰ কৰ্তৃপক্ষই একেলগে থাকিবলৈ নিদিছিল, প্ৰতিটো সম্প্ৰদায়ৰ লোকবিলাকক ক্ষুদ্ৰ ক্ষুদ্ৰ গোটত ভাগ কৰি তেনে বহু বিভক্ত গোটৰ মাজত ৰাখিছিল। ফলত পৃথক পৃথকভাৱে থকাৰ এই ব্যৱস্থাত তেওঁলোকৰ অন্যান্য অসুবিধাতকৈ ভাষাৰ বাবে যথেষ্ট অসুবিধা ভোগ কৰিছিল। ফলত নিজৰ ভাষা কোৱা লোকৰ সংখ্যা তেনেই তাকৰ হৈ পৰিছিল আৰু অন্য ভাষা-ভাষী লোকৰ লগত এটা ঘনিষ্ঠ সম্পৰ্ক গঢ়িবলৈ বাধ্য হৈছিল। এইদৰে বহুতৰে নিজৰ ভাষা ক্ৰমশঃ লুপ্ত হৈ আহিব ধৰিছিল। আনহাতে থলুৱা অসমীয়া ভাষা-ভাষী মানুহৰ সামাজিক পৰিবেশৰ মাজত তেওঁলোকে মিলিবলৈ বাধ্য হৈছিল। চাহ বাগিচাৰ এটা কৰ্মমুখৰ পৰিস্থিতিত এই ভিন্ ভিন ভাষা কোৱা মজদুৰসকলৰ বাগিচাৰ দাঁতিকাষৰীয়া ঠাইত থকা স্থানীয় অসমীয়া মানুহৰ লগত দিন গৈ অহাৰ লগে লগে এটা প্ৰীতিৰ ভাব গঢ়ি উঠিব ধৰিছিল। এইদৰে থলুৱা কথিত অসমীয়া ভাষাৰ লগতো সম্পৰ্ক গঢ়ি উঠিছিল। সাংস্কৃতিক আদি অন্যান্য দিশৰ দৰে ভাষাৰ ক্ষেত্ৰতো এইদৰে মজদুৰসকলৰ মুখৰ মাত-কথাত অসমীয়া ভাষাৰ বহু উপাদান সোমাই পৰিছিল। নিতান্ত স্বাভাৱিক অৱস্থাত তেওঁলোকৰ নিজৰ মাত-কথাত এইদৰে অসমীয়া ভাষাৰ উপাদান সোমাই পৰিছিল আৰু একে সময়তে নিজৰ মূল ভাষাৰ প্ৰসাৰৰ গতি ক্ৰমান্বয়ে ৰুদ্ধ হৈ আহিল। এইদৰে তেওঁলোকৰ দৈনন্দিন জীৱনৰ মুখৰ

মাত-কথাই এটা নতুন ৰূপ লোৱাৰ উপক্রম হৈছিল; সময়ৰ সোঁতত সেই কথিত ভাষা অসমীয়া আৰু নিজৰ আদিভাষা এই দুটা উৎসৰৰ উপাদানেৰে সান-মিহলি হৈ পৰিছিল। ব্যাকৰণগত দিশৰ উপৰি শব্দ-সম্ভাৰৰ ক্ষেত্রতো সেই উপাদানৰ মাত্রা প্রচুৰ।

এনেকৈয়ে চাহ মজদুৰসকলৰ দৈনন্দিন ভাষাই এটা নতুন ৰূপ ল'ব ধৰিছিল। তেতিয়া তেওঁলোকৰ কোনো কোনো অঞ্চলত ঘাইকৈ 'সাদানী ভাষী' মজদুৰপ্রধান বাগিচাত এই নতুনকৈ গঢ় লৈ উঠিব ধৰা ভাষাটোক 'সাদানী' আৰু অন্যান্য সকলো ঠাইতে এই ভাষাক এই মজদুৰসকলেই 'বাগানীয়া' ভাষা বুলি নামকৰণ কৰিবলৈ প্রয়াস পাইছিল। দৰাচলতে অসমৰ চাহ মজদুৰসকলৰ মাজত বর্তমান সামাজিকভাৱে যিটো কথিত ভাষাৰ প্রচলন আছে সেইটোৰ জঁকাটো 'অসমীয়া'। বহুধাবিভক্ত মজদুৰৰ নানা ৰকমৰ কথিত ভাষাৰ ধ্বনিগত, ৰূপগত উপাদানবোৰ অন্য ভাষাৰ। ভাষাতাত্ত্বিক দিশৰ পৰা বিচাৰ-বিশ্লেষণ কৰিলে স্পষ্ট হৈ ওলাই পৰে যে এইটো যেন অন্য ভাষা-ভাষী তথা অনা-অসমীয়া ভাষীৰ মুখত ঠন ধৰি উঠা অসমীয়া ভাষাৰে এটা কথিত ৰূপ। সেই কথিত ভাষাটোত অন্যভাষীসকলৰ নিজৰ ভাষাৰ কিছু কিছু উপাদানো সোমাই পৰিছে। গতিকে এইটো ভাষা অসমীয়া ভাষাৰে অন্য এটা ৰূপ বোলা যাব পাৰে। অসমত সিঁচৰতি হৈ থকা প্রায় সাতশৰো অধিক বাগিচাৰ চাহ-মজদুৰসকলৰ মাত-কথা গীত-পদসমূহ অধ্যয়ন কৰি দেখা গৈছে যে বর্তমান প্রচলিত সৰহখিনি পদৰেই ভাষা এই বাগানীয়া ভাষা। অৱশ্যে কিছু কিছু মাত-কথা বিশেষকৈ সাধু, পটন্তৰ, সাঁথৰ আৰু গীত-পদ আদি সেই মজদুৰৰ অন্যান্য গোষ্ঠীৰ লোকৰ মাজত উৰিয়া, মুণ্ডাৰী, ওৰাং, সাওতালী, সাদানি বা সাদ্‌ৰি ভাষাতো প্রচিলত হৈ আছে। কিন্তু তেনে গীত-পদৰ সংখ্যা অত্যন্ত সীমিত। সৰহসংখ্যক গীতৰে ভাষা বাগানীয়া।

চাহ-মজদুৰৰ গীত-পদ আদিৰ ভাষা সম্পৰ্কীয় আলোচনাত এই বাগানীয়াৰ ভাষাতাত্ত্বিক দিশটোৰহে বিশ্লেষণ ওলাই পৰিব। শোণিতপুৰ জিলাৰ চাহ বাগিচাসমূহত বসবাস কৰা চাহ-মজদুৰসকল বহুকাল ধৰি অসমীয়া লোকৰ সংস্পর্শত থকাত মান্য অসমীয়াৰ কথিত ভাষাৰ উপৰি নামনি অসমৰ কথিত অসমীয়া অর্থাৎ 'কামৰূপী'ৰো প্রভাৱ পৰিছে। গতিকে বাগানীয়া ভাষাৰ অধ্যয়নত মান্য অসমীয়া আৰু কামৰূপী উপভাষা উভয়ে ভুমুকি মৰাটো স্বাভাৱিক।

৬.১ বাগানীয়া ভাষাৰ ধ্বনিতত্ত্ব :

৬.১.১ স্বৰ ধ্বনি : বাগানীয়া ভাষাত স্বৰধ্বনিৰ সংখ্যা আঠটা। এই স্বৰধ্বনিকেইটা হৈছে— ই, এ এ', আ, অ, অ', ও, উ। জিভাৰ অংশ তথা উচ্চাৰিত স্থান, উচ্চাৰণত জিভাৰ উচ্চতা আৰু ওঁঠৰ আকৃতি অনুসৰি বাগানীয়া উপভাষাৰ বিশিষ্ট স্বৰধ্বনিসমূহ তলত দিয়াৰ দৰে অতি সহজে বুজিব পৰাকৈ দেখুৱাব পাৰি।



৬.১.২ স্বৰধ্বনিৰ তালিকা ঃ

জিভাৰ অৱস্থান তথা অংশ অনুসৰি		সম্মুখ	কেন্দ্ৰীয়	পশ্চ
ওঁঠ দুটাৰ অৱস্থান অনুসৰি		বিকৃত		সংবৃত
জিভাৰ	উচ্চ	ই		উ
	উচ্চ মধ্য	এ		ও
উচ্চতা	উচ্চ নিম্ন	এ’		অ’
অনুসৰি	নিম্ন মধ্য			অ
	নিম্ন		আ	

৬.১.৩ বিশিষ্ট স্বৰধ্বনিৰ উদাহৰণ ঃ

বিশিষ্ট স্বৰধ্বনি	উদাহৰণ
/ই/	ইল্‌চা, ‘ইলিচ’
/এ/	এৰি ‘গেৰোৱা’
/এ’/	এ’থু ‘আঠু’
/আ/	আম্‌ৰা ‘অমৰা’
/অ/	অঝা ‘ওজা’
/অ’/	চ’ক্‌ৰা ‘ল’ৰা’
/ও/	ওচা ‘ওখ’
/উ/	উখুন ‘ওকণি’

বিশিষ্ট স্বৰধ্বনিসমূহৰ ধ্বনিতাত্ত্বিক বৰ্ণনা ঃ

বিশষ্ট স্বৰ	ধ্বনিতাত্ত্বিক বৰ্ণনা
/ই/	উচ্চ, সন্মুখ, বিবৃত স্বৰ
/এ/	উচ্চ-মধ্য, সন্মুখ বিবৃত স্বৰ
/এ’/	উচ্চ নিম্ন, সন্মুখ বিবৃত স্বৰ
/আ/	নিম্ন-কেন্দ্ৰীয় বিবৃত স্বৰ
/অ/	নিম্ন মধ্য, পশ্চ সংবৃত স্বৰ

/ও/ উচ্চ মধ্য, পশ্চ সংবৃত স্বৰ
/উ/ উচ্চ, পশ্চ সংবৃত স্বৰ

৬.১.৪ শব্দৰ সকলো স্থানতে বিশিষ্ট স্বৰধ্বনিসমূহৰ প্ৰয়োগ আছে। শব্দৰ আদি, মধ্য, অন্ত্য তিনিও ঠাইতে প্ৰয়োগ হোৱা দেখুৱাই তলত উল্লেখ কৰা হ'ল।

বিশিষ্ট স্বৰ	**আদি প্ৰয়োগ**	**মধ্য প্ৰয়োগ**	**অন্ত্য প্ৰয়োগ**
/ই/	ইল্‌চা 'ইলিচ'	ৰাইত 'ৰাতি'	পখ্‌ৰি 'পুখুৰী'
/এ/	এৰি 'গেৰোৱা	তেল	থিনে 'ঠাই'
/এ'/	এ'থু 'আঁঠু'	ধে'নুক 'ধনু	....
/আ/	আম্‌ৰা 'অমৰা'	ধান	কলা 'কল'
/অ/	অঝা 'ওজা'	মন	আল 'আৰৈ'
/ও/	ওচা 'ওখ	কওন 'কোন'	আলো 'পোহৰ'
/উ/	উখুন 'ওকণি'	নেহুল 'নেউল'	খামালু 'কাঠ-আলু'

এই ভাষাত দ্বি-স্বৰধ্বনিৰ প্ৰয়োগ বেছি। যেনে—

/আই/ আইৰ 'আৰি', একলাই 'অকলশৰে'
/উআ/ ডাকুৱা 'ডাকোৱাল'
/অই/ কইল্‌জা 'কলিজা' ইত্যাদি।

৫.১.৫ **বিশিষ্ট ব্যঞ্জন ধ্বনি ঃ** বাগানীয়া উপ-ভাষাত বিশিষ্ট ব্যঞ্জন ধ্বনিৰ সংখ্যা সাতাইশটা। সেয়া হৈছে—

/প/	/গ/
/ফ/	/ঘ/
/ব/	/চ/
/ভ/	/ছ/
	/জ/
/ত/	/ঝ/
/থ/	/ম/
/দ/	/ন/
/ধ/	/ঙ/
/ট/	/ৰ/
/ঠ/	/ল/
/ড/	
/ঢ/	
/ক/	/স/
/খ/	/হ/

বাগানীয়া উপ-ভাষাত ট, ঠ, ড আৰু ঝ ধ্বনিও বিশিষ্ট ধ্বনি।

৬.১.৬ ব্যঞ্জন ধ্বনিৰ তালিকা ঃ

উচ্চাৰণৰ স্থান অনুযায়ী		ওষ্ঠ্য		দন্ত্য		দন্তমূলীয়		মূৰ্ধণ্য		দন্তমূলীয় তালব্য		কণ্ঠ্য		কণ্ঠনালীয়	
ধ্বনি গুণ অনুযায়ী উচ্চাৰণৰ ধৰণ অনুযায়ী		অঘোষ	ঘোষ	অঘোষ	ঘোষ	অঘোষ	ঘোষ	অঘোষ	ঘোষ	অঘোষ	ঘোষ	অঘোষ	ঘোষ	অঘোষ	ঘোষ
স্পৰ্শ	অল্পপ্ৰাণ	প	ব			ত	দ	ট	ড			ক	গ		
	মহাপ্ৰাণ	ফ	ভ			থ	ধ	ঠ	ঢ			খ	ঘ		
স্পৃষ্ট	অল্পপ্ৰাণ									চ	জ				
	মহাপ্ৰাণ									ছ	ঝ				
নাসিক্য					ম		ন						ঙ		
পাৰ্শ্বিক							ল								
কম্পিত							ৰ								
উষ্ম						স									হ

৬.১.৭ বিশিষ্ট ব্যঞ্জন ধ্বনিসমূহো শব্দৰ আদি, মধ্য আৰু অন্ত্য এই তিনিও স্থানত প্ৰয়োগ হয়। তলত উদাহৰণসহ দেখুৱা হ'ল ঃ

বিশিষ্ট ধ্বনি	আদি প্ৰয়োগ	মধ্য প্ৰয়োগ	অন্ত্য প্ৰয়োগ
/প/	পখ্ৰি 'পুখুৰী'	চিপতা 'কৃপন'	হলপ্ 'ছাঁচ'
/ফ/	ফুল	কলফুল 'কলডিল'	লাফ 'জাঁপ'
/ব/	ব'থি	গবৰ 'গোবৰ'	পৰব
/ভ/	ভাখ্ৰি 'ভঁৰাল'	লভিয়া 'লুভীয়া'	জিভ 'জিভা'
/ত/	তেঙৰা 'শিঙৰা	গতিআ 'আলহী'	ৰাইত 'ৰাতি'
/থ/	থুক 'থু'	পাথাৰ 'পথাৰ'	মাথ 'মূৰ'
/দ/	দাও 'দা'	বাদ্লি 'বাদুলী'	কাদা 'বোকা'
/ধ/	ধান	বেধুম 'বেছিকৈ'	পাইলধা 'মদাৰ'
/ট/	টাকা 'টকা	খট্ৰা 'খুতুৰা'	ডান্টি 'ঠাৰি'
/ঠ/	ঠগ	কাঁঠাল 'কঠাল'	কাঠ
/ড/	ডিম	.....	আত্জা
/ঢ/	ঢোলক 'ঢাক'	.....	......
/ক/	কানা 'কণা'	বকলি 'বগলী'	জঁক 'জোক'
/খ/	খাল	পাখুৰ 'চৰাই'	চখু 'চকু'
/গ/	গাছ 'গছ'	ছাগল 'ছাগলী'	মোগৰ
/ঘ/	ঘৰ	....	বাঘ
/চ/	চাল 'চাউল'	তেলচাটি 'পঁইতাচোঁৰা'	মাচ
/ছ/	ছিআঁৰি 'শৰ'	কেছুআ 'কেচুৱা'	খিৰ্চা 'ফেন্থ'
/জ/	জঁক 'জোক	বজৰ 'বজাৰ'	ভিজ 'তিতা'
/ঝ/	ঝল 'জোল'	....	অঝা 'ওজা'
/ম/	মৈ	জামুন 'জামু'	মামা 'কাম'
/ন/	নিম	সন্জা 'সন্ধ্যা'	কান
/ঙ/	....	ধুঙ্গা 'ধোৱা'	বেঙ
/ৰ/	ৰাজা	গৰম	ঘৰ
/ল/	লাউ	মাইলতা 'শলিতা'	ঝল 'জোল'
/স/	সনা 'সোণ	স্বসুৰ 'শহুৰ'	ঘাস 'ঘাঁহ'
/হ/	হৰত্কি 'শিলিখা'	বিহান 'পুৱা'	লহা 'লাহী'

৬.১.৮ বাগানীয়া উপ-ভাষাত ব্যঞ্জনৰ যথেষ্টসংখ্যক সংযুক্ত ৰূপৰ প্ৰয়োগ হয়। সাধাৰণতে শব্দৰ মধ্যস্থানত দুটা ধ্বনিৰ সংযুক্ত ৰূপ হোৱা শব্দ বেছি দেখা যায়। যেনে—

/প্ তা/	চেপতা 'চেপেতা'
/ব্ ৰ/	লেব্ৰা 'বাওঁহতীয়া'
/ক্ ল/	টিক্লি, ইত্যাদি

৬.২ বাগানীয়া উপ-ভাষাৰ ৰূপতত্ত্ব ঃ

ভাষাৰ প্ৰকৃতিবোৰৰ বিশ্লেষণ আৰু সেইবোৰৰ সহায়ত শব্দৰ গঠন আৰু ৰূপ-বৈশিষ্ট্য সাধনৰ উপাদান আদিৰ বিষয়ে কৰা আলোচনাই হ'ল ৰূপতত্ত্ব। বাগানীয়া উপ-ভাষাৰ ৰূপতাত্ত্বিক আলোচনাত বিশেষ্য তথা নাম-পদ আৰু তাৰ বচন, কাৰক বিভক্তি, লিংগ, পুৰুষ আদি বিষয়বোৰ প্ৰথমতে বিচাৰ-বিশ্লেষণৰ দৰকাৰ।

৬.২.১ **বিশেষ্য ঃ** বাগানীয়া উপ-ভাষাৰ বিশেষ্য শব্দ দুই প্ৰকাৰৰ ঃ স্বৰান্ত আৰু ব্যঞ্জনান্ত। আটাইবোৰ বিশিষ্ট ধ্বনি বিশেষ্যৰ শেষত ব্যৱহাৰ হোৱা বিশিষ্ট স্বৰধ্বনি।

৬.২.২ **বচন ঃ** বাগানীয়া উপভাষাত বহুবচন বুজাবলৈ মান্য অসমীয়াৰ দৰে দুই বুজোৱা সংখ্যাবাচক শব্দৰ লগত নিৰ্দিষ্টতাবাচক প্ৰত্যয় যোগ হয়। যেনে— ছোকৰা 'ল'ৰা' – দুই ঝন ছোকৰা 'দুজন ল'ৰা'। বহুবচন বুজাবলৈ বাগানীয়া উপ-ভাষাত প্ৰয়োগ হোৱা প্ৰত্যয়বোৰ কামৰূপী উপ-ভাষাৰ সৈতে প্ৰায় একে। কেৱল 'দে' প্ৰত্যয়টোৰ ঠাইত কামৰূপী উপ-ভাষাত 'খেৰ' হৈছে। সেই প্ৰত্যয়বোৰ তলত দিয়া হ'ল—

গিলা/গুলা ঃ প্ৰাণী বা অপ্ৰাণীবাচক শব্দৰ লগত এই প্ৰত্যয় যোগ হয়। যেনে—

একবচন	**বহুবচন**
মানুস 'মানুহ'	মানুসগিলা 'মানুহবোৰ'
পাখি 'চৰাই'	পাখিগুলা 'চৰাইবোৰ'

কেতিয়াবা অন্যান্য শব্দৰূপৰ পাছতো এই প্ৰত্যয় যোগ হয়। যেনে—

একবচন	**বহুবচন**
পানী	পানীগিলা/পানীগুলা/'পানীবোৰ'
বেমাৰ	বেমাৰগিলা/বেমাৰগুলা/'বেমাৰবোৰ'

-ৰা ঃ পুৰুষবাচক সৰ্বনাম শব্দত এই প্ৰত্যয় যোগ হয়। যেনে—

একবচন	**বহুবচন**
তই/তহ়	তৰা 'তইঁত'
ওই	ওৰা 'ইহঁত'

-ঝাক ঃ প্ৰাণীবাচক শব্দত এই প্ৰত্যয় যোগ হয়। যেনে—

একবচন	**বহুবচন**
গৰু	গৰুঝাক 'গৰুজাক'
এক ঝাক পাখি	'এজাক চৰাই'

-দেৰ ঃ পুৰুষবাচক সৰ্বনাম শব্দত এই প্ৰত্যয় যোগ হয়। যেনে—

বহুবচন

হামাদেৰ 'আমাৰ

তাদেৰ 'তহঁতৰ' ইত্যাদি

-চব ঃ সৰ্বনাম শব্দত এই প্ৰত্যয় যোগ হয়। যেনে—

বহুবচন

ওই চব 'এইবোৰ'

-চবে ঃ বিশেষ্য শব্দৰ মান্যাৰ্থত এই প্ৰত্যয় যোগ হয়। যেনে—

বহুবচন

বাবু চবে 'বাবুসকলে'

মাষ্টৰ চবে 'শিক্ষকসকলে' ইত্যাদি

৬.২.৩ **লিংগ ঃ** বাগানীয়া উপভাষাত অসমীয়া ভাষাৰ দৰে কেৱল প্ৰাণীবাচক শব্দৰহে লিংগভেদ আছে। এই ভাষাতো লিংগ দুবিধ। পুংলিংগ আৰু স্ত্ৰী ভংগ। লিংগভেদ বুজাবলৈ বাগানীয়া ভাষাত তিনিটা উপায় অৱলম্বন কৰা হয়।

(ক) পুৰুষ আৰু স্ত্ৰী বুজোৱা মুক্ত আৰু যুক্ত ৰূপৰ দ্বাৰা।

(খ) ভিন ভিন শব্দ ব্যৱহাৰৰ দ্বাৰা।

(গ) স্ত্ৰী বুজোৱা প্ৰত্যয়ৰ দ্বাৰা।

(ক) পুৰুষ আৰু স্ত্ৰী বুজোৱা মুক্ত আৰু যুক্ত ৰূপ ঃ

বাগানীয়া উপ-ভাষাত মতা আৰু মাইকী শব্দ দুটাৰে মানুহৰ ক্ষেত্ৰত পুংলিংগ আৰু স্ত্ৰীলিংগ বুজোৱা হয়। অন্যক্ষেত্ৰত মূল শব্দৰ আগত 'মতা' বা 'ছাড়া' আৰু 'মাইকী' শব্দ ব্যৱহাৰ কৰি লিংগ নিৰ্দেশ কৰা হয়। যেনে—

পুংলিংগ	**স্ত্ৰীলিংগ**
মতা হাস 'মতা হাঁহ'	মাইকী হাস 'মাইকী হাঁহ'
ছাড়া মুৰ্গী 'মতা কুকুৰা'	মাইকী মুৰ্গী 'মাইকী কুকুৰা'

(খ) ভিন্ ভিন্ শব্দৰ ব্যৱহাৰত লিংগ নিৰ্দেশ ঃ

পুংলিংগ	**স্ত্ৰীলিংগ**
পাঠা	পাঠি
স্বসুৰ 'শহুৰ'	স্বাইস 'শাহু'

	জামাই 'জোঁৱাই'	বেটি 'জী'

(গ) 'স্ত্রী' বুজোৱা প্রত্যয়বোৰেই হ'ল— -ই (ঈ), -ইন্, -ন।

প্রত্যয়	পুংলিংগ	স্ত্রীলিংগ
'-ই'ঃ	বেটা 'ল'ৰা	বেটী 'ছোৱালী'
	বাৰা 'ককা'	বোৰি 'আইতা'
	কাণা 'কণা'	কাণি 'কাণী' ইত্যাদি
-'ইন্' ঃ	কমাৰ	কমাৰিন্
	মাষ্টৰ	মাষ্টৰিন্
	ডাক্তাৰ	ডাক্তাৰিন্, ইত্যাদি
-'ন' ঃ	নাতি	নাতিন 'নাতিনী'
	সম্ধি 'বিয়ৈ'	সমধিন্, 'বিয়নী', ইত্যাদি

বাগানীয়া উপ-ভাষাত পুৰুষ আৰু স্ত্রী বুজোৱা সুকীয়া সুকীয়া কিছুমান শব্দৰ দ্বাৰাও লিংগ নির্দেশ কৰা হয়। যেনে—

পুৰুষবাচক শব্দ	বেধুআ 'জহৰা'
	ডাণ্ডুআ 'বৰলা'
	ভাতাৰ 'উপপতি'
	ৰাঢ়া 'স্ত্রীহীন পুৰুষ'
স্ত্রীবাচক শব্দ	ৰাখ্নি 'ৰক্ষিতা'
	ধাই
	ডাইনী, ইত্যাদি।

৬.২.৪ কাৰক আৰু শব্দ বিভক্তি ঃ

অসমীয়া ভাষাৰ দৰে বাগানীয়াতো কাৰক ছটা।

কর্তা কাৰক,

কর্ম কাৰক,

কৰণ কাৰক,

অপাদান কাৰক আৰু

অধিকৰণ কাৰক।

অসমীয়া ভাষাত শব্দ বিভক্তি ছবিধ ঃ প্রথমা, দ্বিতীয়া, তৃতীয়া, চতুর্থী, ষষ্ঠী আৰু সপ্তমী। পঞ্চমী বিভক্তি 'পৰা' আচলতে ষষ্ঠী বিভক্তিযুক্ত শব্দত পৰসর্গ/অনুসর্গ ৰূপেহে ব্যৱহৃত হৈ অপাদান কাৰক সূচায়। আনহাতে কামৰূপী উপ-ভাষাত শব্দবিভক্তি পাঁচবিধ। মান্য অসমীয়াৰ চতুর্থী বিভক্তি কামৰূপী উপ-ভাষাত নাই।

বাগানীয়া ভাষাত শব্দবিভক্তি আকৌ মাত্র চাৰিবিধ। সেয়া হৈছে–

দ্বিতীয়া	কে
তৃতীয়া	সে
ষষ্ঠী	কেৰ
সপ্তমী	মে।

বাগানীয়া উপ-ভাষাত এই বিভক্তিবোৰ কাৰক অনুসৰি তলত দেখুওৱা দৰে ব্যৱহাৰ হয়।

কৰ্তাকাৰকত শূন্য বিভক্তি অৰ্থাৎ কোনো বিভক্তি যোগ নহয়। যেনে—

ৰাম ভাত খাইৰিহ 'ৰামে ভাত খাইছে'

কৰ্মকাৰকত দ্বিতীয়া বিভক্তি 'কে' ব্যৱহাৰ হয়। যেনে—

ছোক্ৰাকে মাতলি ল'ৰাটোক মাতিছো

কৰণকাৰকত তৃতীয়া বিভক্তি 'সে' যোগ হয়। যেনে—

ছোক্ৰাসে সাথে 'লৰাটোৰ সৈতে'

নিমিত্ত কাৰকত ষষ্ঠী বিভক্তি 'কেৰ' যোগ হয়। যেনে—

ছোক্ৰাকেৰ সাথে 'ল'ৰাটোৰ সৈতে'

অপাদান কাৰকত 'খিন' পৰসৰ্গৰ পাছত তৃতীয়া বিভক্তি 'সে' যোগ হয়। যেনে—

ছোকাৰ খিনসে 'ল'ৰাটোৰ পৰা'

সম্বন্ধ পদত ষষ্ঠী বিভক্তি 'কেৰ' যোগ হয়। যেনে—

অই ছোক্ৰা কেৰ 'ঐ ল'ৰাবোৰ'

অধিকৰণ কাৰকত সপ্তমী বিভক্তি 'মে' যোগ হয়। যেনে—

ছোক্ৰাগিলা মে 'ল'ৰাবোৰত'

কেতিয়াবা কেতিয়াবা সপ্তমী বিভক্তি যোগ হোৱাৰ আগতে 'গিলা', 'খিন' পৰসৰ্গও যোগ হয়।

৬.২.৫ নিৰ্দিষ্টতাবাচক প্ৰত্যয় ঃ

বিশেষ্য, বিশেষণ, সংখ্যাবাচক শব্দ আৰু কিছুমান সৰ্বনাম শব্দৰ প্ৰকৃতি নিৰ্দিষ্টকৈ বুজাবলৈ কিছুমান প্ৰত্যয় যোগ হয়। সেইবোৰ প্ৰত্যয়েই নিৰ্দিষ্টতাবাচক প্ৰত্যয়। মান্য অসমীয়া আৰু কামৰূপী উপ-ভাষাৰ দৰে বাগানীয়া উপ-ভাষাতো নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ প্ৰয়োগ দেখা যায়। এই প্ৰত্যয়বোৰ এনেধৰণৰ—

-টা ঃ	আগুনটা 'জুইকুৰা'
-টুক্ৰা ঃ	পানটুক্ৰা 'পাণটুকুৰা'
-ছেনি ঃ	কলাছেনি 'কলআখি'
-খান্তি ঃ	কলাখান্তি 'কলঠোক'

চাপ্‌ৰা/চেপ্‌ৰা ঃ মাটি চাপ্‌ৰা/মাটি চেপ্‌ৰা 'মাটি চপৰা'

-ঘৰ ঃ মানুস ঘৰ 'মানুহ ঘৰ'

-ঝপা ঃ ফুলঝপা 'ফুলজোপা' ইত্যাদি।

৬.২.৬ পুৰুষবাচক নিৰ্দিষ্টতাবাচক প্ৰত্যয় ঃ

বাগানীয়া উপ-ভাষাত পুৰুষবাচক নিৰ্দিষ্টতাবাচক প্ৰত্যয় অসমীয়া ভাষাৰ দৰে প্ৰয়োগ নহয় যদিও ইয়াৰ কিছু মিল দেখা যায়। যেনে—

	বাগানীয়া	অসমীয়া
প্ৰথম পুৰুষ ঃ	মৰ মা	মোৰ মা
দ্বিতীয় পুৰুষ ঃ (তুচ্ছাৰ্থ)	তৰ মা	তোৰ মা
তৃতীয় পুৰুষ ঃ	ওৱাৰ মা	তাৰ মাক

৬.২.৭ সৰ্বনাম ঃ

বাগানীয়া উপ-ভাষাৰ সৰ্বনামৰ বিবিধ ৰূপবোৰ তিৰ্যক ৰূপেৰে সৈতে তলত উল্লেখ কৰা হ'ল—

(ক) পুৰুষবাচক সৰ্বনাম ঃ

পুৰুষ	একবচন	তিৰ্যক ৰূপ	বহু বচন	তিৰ্যক ৰূপ
১ম পুঃ	মোই	মো/ম'	হামৰা/হামাদেৰ	হামাৰ/হামাদেৰ
২য় পুঃ (তুচ্ছ)	তুই/তই	ত	তাৰা/তাদেৰ	তৰা/তদেৰ
৩য় পুঃ	ও	অ'	অৰা/অদেৰ	অৰা/অদেৰ

(খ) নিশ্চয়বাচক সৰ্বনাম ঃ

নিকটৱৰ্তী ঃ

	একবচন	তিৰ্যক ৰূপ	বহু বচন	তিৰ্যক ৰূপ
তুচ্ছ (পুং+স্ত্ৰী)	ই	—	ইদেৰ/এদেৰ	—
মান্য	ই-টা	ঐ	ই-গিলা	এইগিলা
			এ'ই-গিলা	আ
			অৰা/অদেৰ	অদেৰ

দূৰৱৰ্তী ঃ

	একবচন	তিৰ্যক ৰূপ	বহু বচন	তিৰ্যক ৰূপ
তুচ্ছ (পুং+স্ত্ৰী)	ও	অ', ত'	ত' দেৰ	তদেৰ
মান্য	অ'ই-টা	–	অ'ই-গিলা	অ'ই গিলা
	অ'ই যে	–	অ'ই ঝুলগিলা	অ'ই ঝুলগিলা

(গ) সম্বন্ধবাচক সৰ্বনাম ঃ

	একবচন	তিৰ্যক ৰূপ	বহু বচন	তিৰ্যক ৰূপ
তুচ্চ (পুং+স্ত্ৰী)	জে	জা	জে-গিলা জে-সবে	জে'গিলা জে সবে
মান্য	জন	–	জন-গিলা জে-গিলা	জনগিলা জেগিলা

(ঘ) প্ৰশ্নবাচক সৰ্বনাম ঃ

	একবচন	তিৰ্যক ৰূপ	বহু বচন	তিৰ্যক ৰূপ
তুচ্চ (পুং+স্ত্ৰী)	কে	কা	কে গিলা কে-সবে কণ-কণ	কে-গিলা কে-সবে কে-সবে

(ঙ) নিজবাচক সৰ্বনাম ঃ

	একবচন	তিৰ্যক ৰূপ	বহু বচন	তিৰ্যক ৰূপ
তুচ্চ (পুং+স্ত্ৰী)	নিজ্	নিজ	নিজেকেৰ	নিজেকেৰে

(চ) সমষ্টিবাচক সৰ্বনাম ঃ

	একবচন	তিৰ্যক ৰূপ	বহু বচন	তিৰ্যক ৰূপ
তুচ্চ (পুং+স্ত্ৰী)	চব	–	চব'গিলা	চবগিলা
মান্য	চবে	–	চবে গিলা	চবেগিলা

৬.২.৮ বাগানীয়া উপ-ভাষাত প্ৰয়োগ হোৱা বিশেষ উল্লেখযোগ্য কিছুমান বিশেষণ শব্দ ঃ

বাগানীয়া	কামৰূপী
অকড়া 'অকৰা'	অক্‌ৰা
অছতাজ 'ওস্তাদ'	অছ্‌তাদ
আচা 'আশা'	–
পইলা 'পহিলা'	– ইত্যাদি

৬.২.৯ সংখ্যাবাচক শব্দ ঃ

যিবোৰ শব্দৰ পাছত বচন আৰু লিংগবাচক প্ৰত্যয় যোগ নহয় কিন্তু শব্দবিভক্তি আৰু নিৰ্দিষ্টতাবাচক প্ৰত্যয় যোগ হয় সেইবোৰেই সংখ্যাবাচক।[১]

মান্য অসমীয়া ভাষাৰ দৰে বাগানীয়া উপ-ভাষাৰ সংখ্যাবাচক শব্দবোৰ দুই প্ৰকাৰৰ—

(ক) সংখ্যাবাচক বিশেষ্য শব্দ আৰু

(খ) সংখ্যাবাচক বিশেষণ শব্দ

সংখ্যাবাচক বিশেষ্য শব্দ হ'ল–

এক	দুই	তিনি
ছাৰ	পাঁচ	ছয়
সাত	আঠ	নয়
দচ্	এঘাৰ	বাৰহ ... ইত্যাদি

সংখ্যাবাচক বিশেষণ শব্দকেইটা হ'ল—

পহিলা	'প্ৰথম'	
দুস্ৰা	'দ্বিতীয়'	
পৰ্সু	'পৰহি'	
নৰ্সু	'চ'খা'	ইত্যাদি

৬.২.১০ ক্ৰিয়া আৰু ক্ৰিয়া বিভক্তি ঃ

মান্য অসমীয়া বা কামৰূপী উপ-ভাষাৰ দৰে বাগানীয়া উপ-ভাষাত ক্ৰিয়াৰ ভাব দুটা– নিৰ্দেশক ভাব আৰু অনুজ্ঞা ভাব। এই ভাষাত ক্ৰিয়াৰ কাল পাঁচোটা—

বৰ্তমান কাল
ভূত কাল
ভৱিষ্যৎ কাল
পূৰ্ণ বৰ্তমান কাল আৰু
পূৰ্ণ ভূত কাল।

ক্ৰিয়াৰ মূল বস্তুৱেই হ'ল ধাতু। বাগানীয়াত এই ধাতু ঘাইকৈ দুবিধ ঃ মুখ্য আৰু গৌণ।

(অ) মুখ্য ধাতু ঃ বুন 'সিঁচ'
বল 'ক'
বাত 'পিহ'
কুঁদ 'দৌড়' ইত্যাদি

(আ) গৌণ ধাতু চাৰি প্ৰকাৰৰ—

(ক) পাঁচনি ধাতু ঃ বাগানীয়া ভাষাত 'আই' প্ৰত্যয় যোগ কৰি পাঁচনি ধাতু গঠন কৰা হয়। যেনে–

পঢ়-আ+ই = পঢ়াই 'পঢ়ুৱাওঁ'
ঘুম্ন-আ+ই = ঘুমাই 'শোৱাওঁ' ইত্যাদি

(খ) নামধাতু ঃ এই ধাতু গঠনত 'আ' প্ৰত্যয় যোগ হয়। যেনে

উজড়-আ = উজড়া 'বখলিওৱা'
ছড়-আ ছড়া = ছড় 'ছটিওৱা' ইত্যাদি

(গ) ধ্বন্যাত্মক ধাতু ঃ গদ্ গদ্, ফাৰ্-ফাৰ্

গুন্দৰ্-গুন্দৰ্, মে-মে, ৰা-ৰা ইত্যাদি

(ঘ) সংযুক্ত ধাতু ঃ অসমাপিকা ক্ৰিয়াৰূপ আৰু ভৱিষ্যৎ কালৰ তৃতীয় পুৰুষৰ ক্ৰিয়া ৰূপৰ পাছত মুখ্য ধাতুৰ ব্যৱহাৰত সংযুক্ত ধাতু গঠিত হয়। বাগানীয়া উপ-ভাষাৰ সংযুক্ত ধাতুবোৰ এনেধৰণৰ—

বইঅ — ৰ

বইলকে — দেখ

আঁঠ — গাঢ়

মানা — কৰ্

দেখকে — যা ইত্যাদি

৬.২.১১ বাগানীয়া উপ-ভাষাৰ সকলো পুৰুষ আৰু ভাবৰ দৃষ্টান্ত স্বৰূপে /খা- ধাতুৰ ৰূপবোৰ তলত দেখুওৱা হ'ল ঃ

আ-কাৰান্ত 'খা' ধাতু

বৰ্তমান কাল ঃ (নিৰ্দেশক ভাব) ঃ

প্ৰথম পুৰুষ ঃ মোই খাইল 'মই খালো'

দ্বিতীয় পুৰুষ ঃ তুই খা 'তই খা'

তৃতীয় পুৰুষ ঃ ও খাইল 'সি খালে'

বৰ্তমান কাল ঃ (অনুজ্ঞা ভাব) ঃ

দ্বিতীয় পুৰুষ ঃ তুই খা 'তই খা'

তৃতীয় পুৰুষ ঃ ও খাইল 'সি খালে'

ভূত কাল ঃ

প্ৰথম পুৰুষ ঃ মোই খালি 'মই খালো'

দ্বিতীয় পুৰুষ ঃ তুই খালে 'তই খালি'

তৃতীয় পুৰুষ ঃ ও খালেক 'সি খালে'

ভৱিষ্যৎ কাল ঃ

প্ৰথম পুৰুষ ঃ মোই খাব 'মই খাম'

দ্বিতীয় পুৰুষ ঃ তুই খাবে 'তই খাবি'

তৃতীয় পুৰুষ ঃ ও খাবেক 'সি খাব'

পূৰ্ণ বৰ্তমান কাল ঃ

প্ৰথম পুৰুষ ঃ মোই খাছি/খাথি 'মই খাইছো'

দ্বিতীয় পুৰুষ ঃ তুই খাছিছ 'তই খাইছ'

তৃতীয় পুৰুষ ঃ ও খাছে/খাথে 'সি খাইছে'

পূৰ্ণ ভূত কাল ঃ

প্ৰথম পুৰুষ ঃ মোই খাইৰহি 'মই খাইছিলো'

দ্বিতীয় পুৰুষ ঃ তুই খাইৰহিস 'তই খাইছিলি'

তৃতীয় পুৰুষ ঃ ও খাইৰহে-খাইৰেহে 'সি খাইছিল'

৬.২.১২ ক্ৰিয়াৰ নাস্তৰ্থক ৰূপ ঃ

বাগানীয়া উপ-ভাষাত ক্ৰিয়া শব্দৰ আগত নহয় অৰ্থসূচক 'নাই' শব্দৰ প্ৰয়োগৰ দ্বাৰা ক্ৰিয়াৰ নাস্তি অৰ্থাৎ 'নহয়' অৰ্থ প্ৰকাশ কৰা হয়। এইক্ষেত্ৰত ধাতুত থকা স্বৰধ্বনি অনুসৰি 'নাই' প্ৰত্যয়ৰ কোনো পৰিবৰ্তন নহয়। যেনে—

নাই যাব 'নাযাওঁ'

নাই খাব 'নাখাওঁ'

নাই মৰে এ 'নমৰে' ইত্যাদি

৬.২.১৩ ক্ৰিয়া বিশেষণ ঃ

বাগানীয়া উপ-ভাষাত থকা ক্ৰিয়া বিশেষণ তলত দিয়া দৰে তিনি প্ৰকাৰৰ—

(ক) কালবাচক ক্ৰিয়া বিশেষণ ঃ

এখন 'এতিয়া'

তখন 'তেতিয়া'

তখনে 'তেতিয়াই' ইত্যাদি

(খ) স্থানবাচক ক্ৰিয়াবিশেষণ ঃ

এ়ইথিনে 'ইয়াত'

অ'ইথিনে 'তাত'

এক জাগাত 'এঠাইত' ইত্যাদি

(গ) লক্ষণবাচক ক্ৰিয়াবিশেষণ ঃ

এইৰকম 'এনেকৈ'

অহে ৰকম 'এইদৰে'

একলাই 'অকলে' ইত্যাদি

৬.২.১৪ অব্যয় ঃ

বাগানীয়া উপ-ভাষাত অব্যয় শব্দবোৰ দুই প্ৰকাৰৰ—

(ক) পৰসৰ্গ আৰু

(খ) বিবিধ বিষয়ক অব্যয়।

পৰসৰ্গসমূহ আকৌ দুটা ভাগত বিভক্ত ঃ

(i) বিশেষ্যবাচক পৰসৰ্গ

(ii) ক্ৰিয়াবাচক পৰসৰ্গ।

(i) বিশেষ্যবাচক পৰসৰ্গ ঃ

কে 'কৈ'

জনে 'কাৰণে'

বাহ্ৰে 'বাহিৰে'

সংগে 'লগত' ইত্যাদি

(ii) ক্রিয়াবাচক পৰসৰ্গ ঃ

ত' 'চোন'

জানি 'জানো'

জে 'দেখোন' ইত্যাদি

(খ) বিবিধ বিষয়ক অব্যয় ঃ

বিবিধ বিষয়ক অব্যয়সমূহ ছয় ভাগত বিভক্ত—

(i) সংযোজক অব্যয়

(ii) পৃথকবোধক অব্যয়

(iii) সন্দেহবোধক অব্যয়

(iv) ভাববোধক অব্যয়

(v) সম্বোধনবোধক অব্যয়

(vi) সমিধানবোধক অব্যয়

(i) সংযোজক অব্যয় ঃ

আৰ 'আৰু

তাহলে 'তেনেহ'লে'

(ii) পৃথকবোধক অব্যয় ঃ কিন্তু, নাহলে, 'নহ'লে' ইত্যাদি

(iii) সন্দেহবোধক অব্যয় ঃ জুদি 'যদি', ন/নু 'নে' ইত্যাদি

(iv) ভাববোধক অব্যয় ঃ ইচ্, 'ইস', উস্, আহ্, ছি-ছি, ৰাম-ৰাম, হাই 'হায়' ইত্যাদি

(v) সম্বোধনবোধক অব্যয় ঃ অই/ওই, 'ঐ', হে।

(vi) সমিধানবোধক অব্যয় ঃ হা/হ/হঁ 'হয়', হবেক 'হ'ব', না-হই 'নহ'ব' ইত্যাদি

৬.৩ শব্দ গঠন ঃ বাগানীয়া উপ-ভাষাতো মান্য অসমীয়া আৰু কামৰূপী উপ-ভাষাৰ দৰে ধাতু বা প্রতিপাদিকৰ আগত বা পাছত বিভিন্ন প্রত্যয় যোগত নানাৰকমৰ শব্দ গঠিত হয়। শব্দৰ আগত ব্যৱহাৰ হোৱা প্রত্যয়বোৰকে পূর্ব প্রত্যয় আৰু শব্দৰ পাছত ব্যৱহাৰ হোৱা প্রত্যয়বোৰকে পৰপ্রত্যয় বোলে। আকৌ ধাতুৰ পাছত ব্যৱহাৰ হোৱা প্রত্যয়ক কৃৎপ্রত্যয় আৰু প্রাতিপাদিকৰ পাছত ব্যৱহাৰ হোৱা প্রত্যয়ক তদ্ধিত প্রত্যয় বোলে।

৬.৩.১ কৃতপ্ৰত্যয়ৰ উদাহৰণ ঃ

-আৰি ঃ পূজ-আৰি = পূজাৰী

-না ঃ বাজ্-না = বাজ্না ইত্যাদি

৬.৩.২ তদ্ধিত প্ৰত্যয়ৰ উদাহৰণ ঃ

-ইন ঃ কামাৰ-ইন = কামাৰিন 'কমাৰিণী'

-উআ ঃ ধাৰ-উআ = ধাৰুআ 'ধৰুৱা' ইত্যাদি

৬.৩.৩ শব্দ সম্ভাৰ ঃ

অসমীয়া ভাষাৰ দৰে বাগানীয়া উপ-ভাষাত থকা শব্দবোৰ দুই প্ৰকাৰৰ— সংস্কৃতজাত আৰু অসংস্কৃতজাত। সৰহভাগেই অসমীয়া ভাষাৰ শব্দ। অৱশ্যে মজদুৰসকলৰ নিজ নিজ ভাষাৰ পৰা আহৰিত শব্দও ভালেমানৰ প্ৰয়োগ আছে। সেইবোৰ শব্দতো বিভক্তি, প্ৰত্যয় আদি অসমীয়াৰ দৰে যোগ হয়। আকৌ ভাৰতীয় অন্যান্য ভাষাৰ পৰা আহৰিত শব্দও বাগানীয়াত কিছু কিছু পোৱা যায়। সকলো আহৰিত শব্দ দুটা ৰূপত পোৱা যায়— অবিকৃত ৰূপ আৰু বিকৃত ৰূপ।

অবিকৃত ৰূপজাত শব্দ হ'ল—

অঁঠ – 'ওঠ'

অঝা – 'ওজা'

আমাস – 'অমাৱস্যা'

আঁইচ – 'মাছৰ বাকলি'

আন্দা – 'কণী'

আঙ্চি – 'হাকোটা'

আইজ – 'আজি' ইত্যাদি

বিকৃত ৰূপজাত শব্দ হ'ল—

ডিম – 'ডিম'

পুজাৰি – 'পুজাৰি'

ফুল – 'ফুল'

নেপুৰ – 'নুপুৰ', ইত্যাদি

৬.৪ বাক্য গঠন ঃ

অসমীয়া মান্য ভাষাৰ দৰে বাগানীয়া উপ-ভাষাৰো বাক্য গঠন পদ্ধতি একে। এই ভাষাতো ক্ৰিয়াযুক্ত বাক্য আৰু ক্ৰিয়াবিহীন বাক্য দুই ধৰণৰ পোৱা যায়। যেনে—

৬.৪.১ ক্ৰিয়াযুক্ত বাক্য ঃ মুই খাচ্ছি 'মই খাওঁ'

মুই ভাত খাচ্ছি 'মই ভাত খাওঁ

মুই গৰম ভাত নাই খাব 'মই গৰম ভাত নাখাওঁ'

ক্রিয়াবিহীন বাক্য ঃ এইটো বহী 'এইখন বহী'

এইটা ওৰ বহী 'এইখন তাৰ বহী'

মৰ নাম হৰিধন 'মোৰ নাম হৰিধন'

৬.৪.২ ভাবৰ পিনৰ পৰা বাক্যক কিছুমান ভাগত ভগাব পাৰি। যেনে—

(ক) বর্ণনাত্মক – ওৰা পঢ়ছে 'সিহঁতে পঢ়িছে'

(খ) নিষেধাত্মক – ওৰা নাই পঢ়ছি 'সিহঁতে পঢ়া নাই'

(গ) আজ্ঞাসূচক – তই পঢ় 'তই পঢ়'

(ঘ) প্রশ্নসূচক – তোৰা পঢ়ছি না? 'তহঁতে পঢ়িছনে?'

(ঙ) বিস্ময়সূচক – কি মুই নাই খাইছি 'কি মই খোৱা নাই'

(চ) সন্দেহসূচক – তোৰা পঢ়বি নেকি? 'সিহঁতে পঢ়িছে হ'বলা'

৬.৪.৩ গঠন পদ্ধতিৰ পিনৰ পৰা বাক্যবোৰক তিনিটা ভাগত ভগাব পাৰি।

(১) সৰল বাক্য, (২) মিশ্র বাক্য আৰু (৩) সংযুক্ত বাক্য।

(১) সৰল বাক্য ঃ মানুষ মৰলে 'মানুহ মৰে'

মৰ নাম সীতা 'মোৰ নাম সীতা'

(২) মিশ্র বাক্য ঃ আম্‌ৰা ভাত খাচ্ছে আৰ অৰা ৰুটী খাচ্ছে

'আমি ভাত খাওঁ আৰু সিহঁতে ৰুটী খায়'

(৩) সংযুক্ত বাক্য ঃ অ(ও) বহুত সুবিধা পাৰহে কিন্তু অ(ও) ভাল নাই

হ'লে সি যথেষ্ট, সুবিধা পাইছিল কিন্তু সি ভাল নহ'ল

৬.৪.৪ **খণ্ডবাক্য আৰু জতুৱা খণ্ডবাক্য ঃ**

জোকবোৰ টিয়ল টিয়ল কৰিছে 'জোকবোৰে লী লীয়াই আছে'

অণ্ডাৰ মায়েৰ খন্দাই থাকা 'চুকৰ ভেকুলী'

অহৰ দেখা পহৰ দেখা 'বোন্দাপৰ দিয়া'

আঁকুৰে বিনাশ 'জীয়াতে বাৰী'

আমাসেৰ মচাল 'কণাৰ লাখুটি'

পানী খোৱা পখৰীয়ে পদ্দ ফুল ফুটা 'পানী খোৱা পুখুৰীত পদুম ফুলা' ইত্যাদি।

সপ্তম অধ্যায়

চাহ-মজদুৰৰ গীত-পদৰ সাহিত্যিক সৌন্দৰ্য

লোকগীত অনাখৰী লোকে অন্তৰৰ গভীৰতম ঠাইৰ পৰা অনুভূতিৰ পৰশেৰে মুখে মুখে ৰচনা কৰা মৌখিক গীত। সেই কাৰণে এই গীতবোৰৰ প্ৰতিটোৱে জনগণৰ একোটা কালৰ একোটাহঁত উজ্জ্বল প্ৰতিচ্ছবি। দেশভেদে লোকগীতৰ বিষয়বস্তু, সুৰ আদি পৃথক পৃথক হ'লেও দৰাচলতে সেই দেশৰ অনাখৰী গ্ৰাম্য অঞ্চলৰ লোকৰ মনৰ ভাবধাৰা আৰু জীৱনপ্ৰবাহৰ স্বৰূপটোৱে গীতত ৰূপায়িত হয়। মুকলি মন আৰু মুক্ত পৰিবেশ লোকগীত সৃষ্টিৰ অনুকূল আহিলাস্বৰূপ। কৃষিপ্ৰধান দেশকে সাধাৰণতে লোকগীতৰ লীলাভূমি বুলি কোৱা হয। কৃষকসকলে হাড়ভগা পৰিশ্ৰমৰ ভাগৰ আঁতৰাবলৈ গৈ জিৰণি সময়ত মুখে মুখে গীত ৰচনা কৰি আপোনভোলা সুৰত আওৰায়। সেইবোৰ গীতকে আকৌ বহু সময়ত কোনো কোনো উৎসৱ-অনুষ্ঠানত গোৱাও দেখা যায়। সেই কাৰণেই লোকগীতৰ সাধকসকলে ক'ব খোজে লোকগীত সামগ্ৰিকভাৱেই শ্ৰমজীৱনৰ আৰু শ্ৰম কামনাৰ সংগীত।[১]

লোকগীতৰ কোনো পৰম্পৰাগত নিৰ্দিষ্ট ৰাগ-ৰাগিনী নাই, আনকি সুনিৰ্ধাৰিত তাল-মানো নাই। সিমানেই নহয়, ধ্ৰুপদী সংগীতৰ দৰে লোকগীতত সাধাৰণতে কোনোধৰণৰ গুৰু-শিষ্যৰ স্থানো নাই। ধ্ৰুপদী সংগীতৰ লগত যিদৰে ইয়াৰ সাদৃশ্য নাই তেনেদৰে আধুনিক সংগীতৰ লগতো ইয়াৰ সাদৃশ্য নাই। লোক..ীত যিজনে পৰিবেশন কৰে সেইজনে আকৌ বহু সময়ত থিতাতে সেই গীত ৰচনাও কৰে, মুখে মুখে ৰচিত হৈ মুখে মুখে প্ৰচলিত হোৱাৰ লগতে মুখ বাগৰি সম্প্ৰসাৰিত হৈ পৰে।[২] পৰম্পৰাগতভাৱে মানুহৰ মুখতেই জীয়াই থাকে বাবেই ই লোকগীত।

লোকগীতবিলাক হৈছে একোখন সমাজৰ সমাজ ব্যৱস্থাৰ অলিখিত ইতিহাস। লোকগীতৰ ধাৰা সদায় প্ৰবহমানভাৱে যুগ পৰম্পৰাৰ চানেকী ৰাখি যুগৰ আৰু কালৰ লগত আগবাঢ়ি যায়। এইদৰে আগবাঢ়ি যাওঁতে গীতবিলাকে সময় অনুযায়ী বিবিধ যুগৰ ঘটনাক্ৰম, জীৱন আলেখ্য তথা সামাজিক ভাবধাৰা গ্ৰহণ কৰি আহিছে। সেয়ে চাহ-মজদুৰৰ গীতসমূহৰ মাজতো তেওঁলোকৰ সমাজ-ব্যৱস্থাৰ পৰিচয় নিহিত আছে। সেই গীতত অতীতৰ পৰা আজিলৈকে সমাজৰ সকলো আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি, চিন্তা-চৰ্চা আদি বহু তথ্যৰ প্ৰকাশ ঘটিছে। মজদুৰ জীৱনৰ অতি মৰমৰ, হৃদয়ৰ এক আনুভূতিক চেতনাৰ মহান প্ৰকাশ আৰু একক চিন্তাৰ ঐকান্তিক সুৰ নিমজ্জিত চাহ-

মজদুৰৰ লোকগীতসমূহ। মজদুৰ ডেকা-গাভৰুৰ জীৱনৰ স্বতন্ত্ৰ কাব্যিক ভাষা আৰু সৰল ভংগীমাৰে এই গীতবোৰে ব্যক্ত কৰে ভাব-অনুভূতিৰ প্ৰাচুৰ্য। এই গীতবোৰ হৈছে দৈনন্দিন জীৱনৰ কল্পনা-বাস্তৱৰ সহমিলনত উদ্ৰেক হোৱা জীৱন-চেতনাৰ অপূৰ্ব প্ৰকাশ।

সকলো দেশতেই লোকগীতৰ প্ৰচলন আছে। অসমলৈ কাম কৰিবলৈ অহা ভাৰতৰ বিভিন্ন দেশৰ পৰা নানা ৰকমৰ ভালেমান সম্প্ৰদায়ৰ চাহ-মজদুৰৰ প্ৰত্যেকৰে নিজস্ব লোকগীত আছে। এওঁলোকৰ এই গীতসমূহৰ মূল বৈশিষ্ট্য হ'ল ভাব-অনুভূতি আৰু ভাষাৰ ৰচনা-প্ৰণালীৰ সৰলতা। অন্যান্য লোকগীতৰ দৰে চাহ-মজদুৰৰ লোকগীতসমূহতো ৰচয়িতাৰ নামৰ ক'তো উল্লেখ নাথাকে। ৰচনা কাল সম্বন্ধেও নিশ্চিত সময়ৰ কথা কোৱা টান। তথাপি ভাষা, উপমা, পটভূমি, চিত্ৰকল্প বা প্ৰতীক আদিৰ পৰা অনুমান কৰিব পাৰি যে সেইবোৰৰ সৰহভাগেই অসমত ৰচিত, সেইবাবেই অসমৰ নানান ছবি তাত পোৱা যায়। অৱশ্যে আগতে ৰচিত গীততো পৰৱৰ্তী কালত অসমৰ কিছু প্ৰভাৱ পৰিব পাৰে।

চাহ-মজদুৰৰ গীত-পদসমূহৰ সাহিত্যিক বা কাব্যিক সৌন্দৰ্য বিচাৰ কৰিবলৈ গৈ ক'ব পাৰি এই দুয়োদিশৰ পৰাও এই গীতবোৰৰ মূল্য অধিক। এই গীত-পদবোৰত জনকবিৰ বিভিন্ন ভাব-অনুভূতি সহজ-সৰল ভাষাত স্বতঃস্ফূৰ্তভাৱে প্ৰকাশ পাইছে। ইয়াত কৰুণ সুৰৰ লগতে আনন্দ-কোলাহলৰ কিছু কিছু হৰ্ষোৎফুল্ল চিত্ৰৰো সমাবেশ ঘটিছে। তেওঁলোকৰ জীৱনৰ এশ এবুৰি দুখৰ মাজতহে এই গীতবোৰৰ জন্ম হৈছে। আৰামদায়ক জীৱনৰ চিত্ৰ গীতসমূহত ফুটি উঠা নাই। বিয়াগীতৰ আনন্দ বেছি সময় স্থায়ী নহয়। কৰমগীত, সাঁহৰাই গীত, টুচু গীত আদিত ভগৱানৰ প্ৰতি থকা অগাধ বিশ্বাস আৰু অকপট ভক্তি ভাব প্ৰকাশ পালেও তাৰ মাজতো কৰুণ সুৰৰ প্ৰতিধ্বনি হৈছে।

চাহ-মজদুৰৰ গীতসমূহত বিভিন্ন চিত্ৰ প্ৰতিফলিত হৈছে। প্ৰেমৰ বিবিধ চিত্ৰ, অৰ্থনৈতিক অৱস্থা, দীনতা, প্ৰাকৃতিক চিত্ৰ আদিৰ প্ৰকাশ ঘটিছে।

চাহ-মজদুৰৰ গীত-পদত বিবিধ চিত্ৰৰ সমাবেশ ঘটাৰ উপৰি ইয়াৰ ৰচনা-ৰীতিও যথেষ্ট সৰল। মৌখিক গীত হোৱাৰ কাৰণে বেছিভাগ গীতেই অন্ত্যানুপ্ৰাস অলংকাৰৰে সমৃদ্ধ। তদুপৰি এই গীত-পদসমূহ উপমা, ৰূপক আদিৰে সৌন্দৰ্যশালী। এই গীতৰ ৰচকসকলে উপমাৰ ভিতৰেদি একোটি অনুভূতি প্ৰকাশ কৰাত বৰ পটু। এই উপমাবোৰে অনুভূতিৰ সৰলতাত কোনো ঠাইত অকণো আঘাত কৰা অনুভৱ নহয়। প্ৰেম বিষয়ক গীতসমূহত উপমা অলংকাৰৰ সহায়েৰে প্ৰেমৰ তীব্ৰ আকৰ্ষণৰ কথা বৰ সুন্দৰকৈ প্ৰকাশ কৰিছে। যেনে—

(ক) "আষাঢ় শ্ৰাৱন মাসে
বক্‌লি পিয়াসে মৰে,
কনচিকা কুঁৱা কোড় দেল
প্ৰেমৰ জাল ভেটনা ভেল।"

(খ) "শিশিৰে কি ফুটে ফুল
বিনা বৰিষনে,
বচনে কি মানে মন
বিনা দৰিষনে।"

(গ) "তৰ ফটো দেখি দেখি
মকে যে নিশা লাগে,
এতনা বেইমান ৰাতি
নিন্দ নাহি আৱে।"

(ঘ) "তুমি তৰু আমি লতা
বান্ধিয়ে ৰাখিব এথা,
যাও দেখি কোথা যাবে
আমাকে ছাড়িয়ে হে।"

উপমাৰ দৰে অনুপ্ৰাস, অন্ত্যানুপ্ৰাস, বৃত্তানুপ্ৰাস, ছেকানুপ্ৰাস আদি অলংকাৰৰ প্ৰয়োগো ঘটিছে।

অন্ত্যানুপ্ৰাস অলংকাৰ প্ৰয়োগ হোৱা ঝুমুৰ গীত বহু পোৱা যায়। যেনে—

(ক) কাল সৰ্পিনীৰে কি ছিল তৰ মনে
ভৰতকে ৰাজ্য দিয়ে
ৰামকে দিলি বনে।

(খ) হাতে হাতে ভিক্ষা দিতে
সীতাকে তুলিল ৰথে।
ৰথ চলিল শূন্য পথে
সীতা কান্দে ৰঘুনাথ বলে।।

(গ) শক্তিশেলে পড়েছে লইখন
কি বলিবৰে ভাই তোমাৰ বচন।
আসিয়ে সোণাৰ লংকা হাৰাইলি জীৱন।।
ভাইৰে লইখন
বেথায় আকুল প্ৰাণ নাৰহে জীৱন।।

(ঘ) চিটিটা দিয়ে দিব।
বাঁশীটা নিয়ে নিব।।
বাচুৰকে খেদায়ে দিব বনে।
একা কৃষ্ণ কি কৰিব ৰণে।।

(ঙ) কাগজে লিখিল নাম।
কুলি চলিল আসাম।।

হে নিষ্ঠুৰ ঢাম।
ফাঁকি দিয়ে আনলি আচাম।।

(চ) আপন ঘৰে খাব দাব,
পৰেৰ কথা নাশুনিব।
গামচা বিছায়ে ভাত খাব,
চল চুগা বিদেশে যাব।।

উপৰোক্ত গীতকেইটাৰ প্ৰথমটো গীতত শেষৰ ব্যঞ্জন 'ন'ৰ মিল ঘটিছে, লগতে আগৰ আৰু পাছৰ স্বৰৰ সাম্যতা ৰক্ষা পৰিছে। দ্বিতীয়টোত শেষৰ ব্যঞ্জনৰ আগৰ আৰু পাছৰ স্বৰৰ সাম্যতাৰ লগতে 'খ' অন্ত্যব্যঞ্জনৰ মিল দেখা যায়, তৃতীয়টো গীতত শেষৰ ব্যঞ্জনৰ আগৰ আৰু পাছৰ স্বৰৰ সমতা ৰক্ষা হৈছে, চতুৰ্থটোত 'ব' অন্ত্য ব্যঞ্জনৰ মিল আৰু শেষৰ ব্যঞ্জনৰ আগৰ আৰু পাছৰ স্বৰৰ সমতা ৰক্ষা হৈছে। ঠিক সেইদৰে পঞ্চম আৰু ষষ্ঠ গীত দুটাতো ক্ৰমান্বয়ে অন্ত্যব্যঞ্জন 'ম' আৰু 'ব' ধ্বনিৰ মিল লগতে অন্ত্যব্যঞ্জনৰ আগৰ আৰু পাছৰ স্বৰৰ সমতা ৰক্ষা হৈছে।

'অনুপ্ৰাস' অলংকাৰৰ সুপ্ৰয়োগ নঘটিলেও আংশিকভাৱে ব্যৱহাৰ হোৱা বহুতো গীত দেখা যায়। যেনে—

(ক) মহাৰাণী কোম্পানী ইনজিনে টাটাটানি
গাড় বাবু দিল আঁখি ঠাৰি,
কেমনে উঠিব ৰেল গাড়ী।

(খ) বড় ঘৰৰ বহু বেটী,
বাবু ভায়া লেলে লুটি।।
উলটি পিন্ধিল লীল শাড়ী।
দহৰিছে ঘন ৰেল গাড়ী।।

(গ) মাই ঘুমাইল বাপ ঘুমাইল চেলা ঘুমাইল
চেন৷ ঘুমা সুমা গ' – ৰান্ধব বেচাতী
ত্ৰানাগো নাৰে নাৰে -- ত্ৰানাগো নাৰে নাৰে
ত্ৰানা না না নাৰে। ইত্যাদি

অনুপ্ৰাস অলংকাৰ হ'বলৈ হ'লে, শুনিবলৈ শুৱলা হোৱাকৈ সদৃশ ব্যঞ্জনৰ ওচৰা-উচৰিভাৱে বিন্যাস হ'ব লাগে। উপৰোক্ত গীত তিনিটাৰ প্ৰথমটোত 'ন' ধ্বনি, দ্বিতীয়টোত 'ল' ধ্বনি আৰু তৃতীয়টো গীতত 'ন' ধ্বনি ওচৰা-উচৰিকৈ বহি শুনিবলৈ শুৱলা কৰি তুলিছে।

চাহ-মজদুৰৰ বিবিধ গীতত 'ছেকানুপ্ৰাস' অলংকাৰৰো প্ৰয়োগ ঘটা দেখা যায়। একোটা ক্ৰমত সংযুক্ত বা বিযুক্তভাৱেই হওক দুবাৰ ধ্বনিত হ'লে অৰ্থাৎ এবাৰ পুনৰাবৃত্ত হ'লে ছেকানুপ্ৰাস অলংকাৰ হয়।

(ক) কৈকেয়ীৰ সত্যে বন্দী।
ৰাজা দশৰথে কান্দি।।

(খ) কাঁসি ফুল ফুটি গেল।
আশা মৰ লাগি গেল।।

এই দুয়োটা উদাহৰণৰ প্ৰথমটোত সংযুক্তভাৱে 'ন' আৰু 'দ'ৰ দুবাৰ ধ্বনিত হৈছে অর্থাৎ পুনৰাবৃত্ত হৈছে। দ্বিতীয়টোত বিযুক্তভাৱে থকা 'গে' আৰু 'ল' ধ্বনিৰ পুনৰাবৃত্ত হৈছে।

ৰসৰ অনুকুল গুণ অনুসাৰে সদৃশ বর্ণৰ বিন্যাসেই বৃত্তানুপ্ৰাস অলংকাৰ। এক বা অনেক বর্ণৰ দুবাৰ বা ততোধিকবাৰ আবৃত হ'লে বৃত্তানুপ্ৰাস অলংকাৰ হয়। ঝুমুৰ গীতত এই বৃত্তানুপ্ৰাস অলংকাৰৰ ব্যৱহাৰ মন কৰিবলগীয়া। যেনে—

(ক) হাঁৰ লিলি হাঁসলি দিলি
তবু না সাজে ৰে

(খ) কাল কাল বল না ৰে
কাল জলে যাইগ' না। ইত্যাদি

এই দুয়োটা উদাহৰণতে 'ল' ধ্বনি তিনি-চাৰিবাৰ আবৃত্ত হৈছে অর্থাৎ 'ল' ধ্বনিৰ পুনৰাবৃত্তি ঘটিছে।

চাহ-মজদুৰৰ গীতসমূহত উপৰোক্ত অলংকাৰসমূহৰ প্ৰয়োগ ঘটা দেখা যায়। বাকী পুনৰোক্তবদাভাস, যমক, শ্লেষ আদি শব্দালংকাৰৰ ব্যৱহাৰ ঘটা দেখা নাযায়। অর্থালংকাৰৰ ভিতৰত কেৱল 'উপমা' অলংকাৰৰহে ব্যৱহাৰ দেখা গৈছে।

চাহ-মজদুৰৰ গীতসমূহত অলংকাৰৰ লগে লগে ছন্দৰ প্ৰয়োগো মন কৰিবলগীয়া। গীতসমূহ বিশ্লেষণ কৰি দেখা গৈছে ছবিছন্দ, পদছন্দ, দুলড়ী ছন্দৰ প্ৰাচুর্য বেছি। যেনে—

ছবিছন্দৰ উদাহৰণ ঃ

(ক) প্ৰথমে বন্দনা কৰি / গণেশ চৰণৰে বাবুহো
দ্বিতীয়তে লক্ষ্মী নাৰায়ণ
তৃতীয়ে বন্দনা কৰি / দুর্গা শশী পাণিহে
চতুর্থতে ব্ৰহ্মাহুতাশন।। (সাঁহৰাই গীত)

(খ) যাৰ কৃপাবলে কুল / সমানৰে বাবুহো
পৃথিৱী ধৰিল বিষধৰ,
যাহাৰ কৃপায় স্বৰ্গে / ৰাজা পুৰুলৰ হোত (সাঁহৰাই গীত)

(গ) গগনে উঠিল বেলা / ক'ত নিন্দা ক'ত খেলা
হায় ৰে হায় সখি হায়ৰে। (ঝুমুৰ গীত)

দুলড়ী ছন্দ প্ৰয়োগৰ উদাহৰণ ঃ

(ক) কুঞ্জ বনেৰ / কুঞ্জ লতা
ফুল ফুটে ঝাপা ঝাপা।
একটি ফুলেই / বসেল ভ্ৰমৰ

সব ফুলে কৰে আশা।। (ঝুমুৰ গীত)

(খ) ধান কাটি গো / নাড়া কাটি গো
নাড়ে কাটে ঘৰ বান্ধি,
সেই ঘৰে মোৰ / পানী গিৰে গো
বসে সাৰা ৰাইত কান্দি।। (টুচুগীত)

(গ) চল টুসু চল / খেলতে যাব গ'
ৰাণী গঞ্জেৰ বটতলা,
খেলতে খেলতে / দেশে আসব গ'
কয়লা খাদে জলতলা।। (টুচুগীত)

পদ ছন্দৰ ব্যৱহাৰ হোৱা গীতৰ উদাহৰণ ঃ

(ক) হায় কি বিপদ ঘোৰ / চাঁদেৰ হৈল ৰে।
কদলী কাননে আসি / গোপন ৰয় ৰে।।
দেশে দেশে নানা বাটে / কৰিয়া ভ্ৰমণ।
চম্পাই নগৰে সাধু / দিল দৰশন।। (মনসা গীত)

(খ) বড়ই দুৰন্ত চাঁদ / মনসা না মানে।
মনসা উপায় চিন্তে / আপনাৰ মনে।।
চম্পক নগৰে বাস / চাঁদ সদাগৰ
জাতিতে গন্ধ বণিক / পূজয়ে শংকৰ।। (মনসা গীত)

ঝুমুৰ গীত দুই এটাত 'চুটি দুলড়ী ছন্দ'ৰ ব্যৱহাৰ হোৱা দেখা যায়। এই ছন্দত প্ৰতিশাৰীত চাৰি আখৰীয়া দুভাগ আৰু ছয় আখৰীয়া এভাগ থাকে। যেনে–

(ক) শিশিৰে কি / ফুটে ফুল / বিনা বৰিষনে।
বচনে কি / মানে মন / বিনা দৰিষনে।। (ঝুমুৰ গীত)

(খ) ৰিমি ঝিমি / ৰিমি ঝিমি / পানী বৰষী গেল।
ছাতা ধৰ / ৰে দেওৰা / শাড়ী ভিজি গেল।। ইত্যাদি

প্ৰত্যেকটো মনসা গীত একোটি ঘোষাৰে আৰম্ভ হয়। তাৰ পিছত বৰ্ণনাত্মক অংশ দুলড়ী বা পদছন্দত ৰচিত হৈছে। যেনে—

(ক) ধুয়া ঃ কৰ দয়া পদ ছায়া বিতৰই গণতি।
হৃদয় সৰজে উদি বিনাশ ভব দুৰ্গতি।
নমঃ নমঃ নমোঃ দেবী গৌৰীৰ নন্দন,
একদন্ত লম্বোদৰ মুষিক বাহন
স্থূলাকাৰ শোভাকাৰ চতুৰ্ভুজ ধৰা,
অংগে শোভা ৰক্তাম্বৰ সৰ্ব বিঘ্ন হৰা।
সাৰাৎসাৰ পৰাৎপৰ পূৰ্ণ তোজোময়,

শংকৰী তনয় পিতা দেৱ মৃত্যুঞ্জয়।
সৰ্বদেব অগ্রে পূজ্য সর্বেৰ কাৰণ,
তুমিহ কৰহ দেৱ সৃষ্টিৰ পালন।
জল স্থল কানন পৰ্বত ৰবি শশী,
অনন্ত পাতাল সন্ধ্যা আৰ দিবা নিশি।
সকলেৰ বিঘ্ন দেৱ কৰ বিনাশন,
ৰোগ শোক পীড়া কৰ স্বগুণে হৰণ। ইত্যাদি

চাহ্-মজদুৰৰ গীতৰ গঠন-ৰীতি একেবাৰেই সহজ-সৰল। সৰহসংখ্যক গীত চাৰিশাৰী বা একোটি স্তৱকৰ মাজতেই সম্পূর্ণ ভাবৰ সামঞ্জস্য থাকিলেও, মনসা গীতৰ বাহিৰে বাকীবোৰ গীতৰ প্রতিটো স্তৱকতে স্বতন্ত্রতা লক্ষ্য কৰা যায়। যেনে— ঝুমুৰগীত, টুচুগীত। সেয়েহে এনে গীতত স্তৱকৰ ক্রম বৰকৈ দেখা নাযায়। যেনে—

(ক) জিঙা ফুলে ধৱল কলি
সভে কৰে ভালা ভালি।
কড়িৰে সময় বিতি গেল
যৌৱনে পিয়া দাগা দেল।। (ঝুমুৰ গীত)

(খ) ভাদকে একাদশী
কৰমা গড়াবে সখি
সভে গপীন গাৱত ঝুমৰি
খেলত ভাই নন্দহৰি। (ঝুমুৰ গীত)

(গ) কদম গাছে উঠলে টুসু
কাঁচা কদম পাৰ না
পাকলে কদম সবাই খাব
কাক বাৰণ কৰব না। (টুচু গীত)

(ঘ) এল এল কাল ছুঁড়ী
তদেৰ বৰ ৰূপ দেখি
ওদেৰ ৰূপকে উঁইয়ে খাবেক
জংঘল ঝাৰে ঘুমাবি। (টুচু গীত)

ছন্দ বা সুৰৰ লয় ৰাখিবৰ কাৰণে স্থানবিশেষে মূল ভাবৰ লগত সংগতি থকা বা সম্বন্ধ নথকা একোফাকি পদ ব্যৱহাৰ কৰা গীতবোৰত দেখা যায়। যেনে—

(ক) জলকে যাব জলকে যাব
যে ঘাটে সৰু বালি,
হামদেৰ টুসুকে বিহা দিব
যাৰ ঘৰে সনাৰ ঝাৰু। (টুচু গীত)

(খ) বাড়ী নামে তামোলৰ বন
কোকিলৰ ডাঁকে ঘশে ঘন,
দেখ দেখ্‌ৰে সন্ধ্যাৰ তাৰা
আমাৰ টুসু ডাঁকে ৰে। (টুচু গীত)

এই গীত দুটাৰ প্ৰথম দুশাৰী নিৰৰ্থক, তলৰ দুশাৰীহে বিষয়ব্যঞ্জক।

চাহ-মজদুৰৰ গীতসমূহৰ ভাষা বিশ্লেষণ কৰিলে শব্দচয়নৰ বিশেষত্ব চকুত পৰে। গীতত ব্যৱহাৰ কৰা ভাষাত বিবিধ ভাষাৰ শব্দৰ প্ৰয়োগ দেখা যায়। বাগানীয়া ভাষা, অসমীয়া ভাষা, হিন্দী ভাষা, ইংৰাজী ভাষা, বাংলা ভাষা আৰু দুই-এটা পাচী ভাষাৰ শব্দৰো প্ৰয়োগ ঘটা দেখা যায়।

বাগানীয়া ভাষাৰ শব্দ প্ৰয়োগেই বেছি। যেনে— 'এদিকে, ওদিকে, যেমন, বাঁকা, সিতা, ধুকা, আসেছে, লেগতে, বক্‌লি, সইনঝা, আহ্‌লা, ঠেওনা, ছাড়াই, ভেশে, চৌড়লে, কুলৱতী, বিহা, কেৰ্কেটা, ছড়া, ছড়ী, ঝাড় ইত্যাদি।

অসমীয়া ভাষাৰ শব্দৰ প্ৰয়োগো মন কৰিবলগীয়া। যেনে— প্ৰলয়, আলোকিত, সৰ্বশক্তিমান, খেড়কুটা, গুৱা, একমুঠি, অজ্ঞানী, সুমতি, বাতি, আশা, আঁঠুভৰি, বন্দনা, প্ৰভাত, পুৱা, উত্ৰাৱল ইত্যাদি।

এওঁলোকৰ গীতত হিন্দী ভাষাৰ শব্দৰো ব্যৱহাৰ হৈছে। যেনে— বেইমান, ভায়া, লাল, নিন্দ, মুচা, পগৰী, পিয়া, চান্দ, সাথী, আখ, বাদল, যায়েংগী, তুম, হ্যায়, সাদী, আসমান ইত্যাদি।

ইংৰাজী ভাষাৰ গাৰ্ড, ইন্‌জিন, কোম্পানী আদি শব্দ চাহ-মজদুৰৰ গীতত সোমাই পৰিছে।

বাংলা ভাষাৰ শব্দৰ প্ৰয়োগো যথেষ্ট। যেনে— জল, যাবে, গেল, ঘুম, কালকে যাব, দেখে আসব, কেমন নদীয়া পাৰ হ'ব, সনাৰ থালি, বড়, পাখি ইত্যাদি।

পাচী ভাষাৰ দুই-এটা শব্দও এওঁলোকৰ গীতৰ মাজত সোমোৱা দেখা যায়। যেনে-- চাহাব, চকী, মেজ ইত্যাদি।

চাহ-মজদুৰৰ বিভিন্ন গীতসমূহৰ কাব্যিক সৌন্দৰ্য অতুলনীয়। গভীৰ উপলব্ধি, ভাব প্ৰকাশৰ আন্তৰিকতা, অপৰূপ মানস চিত্ৰৰ প্ৰয়োগ, ভাষাৰ সৰলতা অথচ ধ্বনিধৰ্মিতাৰ প্ৰয়োগৰ কাৰণে ইয়াৰ সাৰ্বজনীনতা অসীম।

কাব্যিক সৌন্দৰ্যৰ উপৰি সাংগিতিক মূল্যও অধিক। প্ৰত্যেকবিধ গীতৰ সুকীয়া সুৰ আৰু সেই সুৰৰ অন্তৰ পৰশা মূৰ্চ্ছনা কেৱল দুই-এক উপলব্ধিৰ কাৰণে নহয়। সেই বাবেই এই গীতসমূহ সমাজৰ সমূহীয়া বা উমৈহতীয়া সম্পদ। ইয়াত সংগীতৰ বৈচিত্ৰ্য কম হ'লেও এই গীতৰ সংগীতে আঁচনি কৰি লোৱা মতে সাৰ্থকভাৱে সাধন কৰে।

গীতবিলাকত প্ৰয়োগ কৰিবলগীয়া তালবিলাকৰ নাম নাই। কেৱল লয়ৰ আধাৰত গীতৰ ঢং নিৰ্ভৰ কৰা হয়। কিছুমান ঝুমুৰ গীতত 'খেমতা' নামৰ তাল ব্যৱহাৰ হোৱা দেখা যায়।

ঝুমুৰ গীতসমূহত দিন আৰু ৰাতিৰ বিভিন্ন প্ৰহৰ অনুযায়ী সুৰৰ বিচিত্ৰতা দেখা যায়।

(১) ৰাতিপুৱাৰ সুৰ বা ভিন্‌সৰিয়া।

(২) সন্ধ্যা সময়ৰ সুৰ বা পহেল সন্ধ্যা।

(৩) মাজৰাতিৰ সুৰ বা আধাৰাতিয়া।

এই মাজৰাতিৰ সুৰৰ আকৌ দুটা ভাগ আছে— (ক) ৰাতি ১২টাৰ পৰা দুটা বজা পৰ্যন্ত এটা সুৰ আৰু (খ) দুটা বজাৰ পৰা তিনিটা বজা পৰ্যন্ত অন্য এটা সুৰ।

বাকী অন্যান্য গীতসমূহত সুৰৰ এইদৰে ভাগ কৰিব নোৱাৰি। ভিন্‌সৰিয়া সুৰৰ চাওতালসকলৰ ঝুমুৰ গীতৰ এটি সুন্দৰ চিত্ৰকাব্য হৈছে—

"ঠটি পাকইড় নুহৰলা ভাৰি
মোয় তো জানোঁ গোই।
ছয়লা চড় লয় পাকইড় খায়
মোয় তো কা জানো গোই।।
এক ফাঁকা ফাঁকল, দুসাইসৰ্ ফাঁকা ফাঁকল্,
মোয় তো কা জানো গোই।
ছয়লা গিৰলিয়ঁ আনচিত মোয় তো কা জানো গোই।
লালুসে ৰাণীবেটি আচড়া সে পাইন,
মোয় তো কা জানোঁ গোই।
এক ছিছ্নি দিছে দুসাইৰ ছিছ্নি ছিছিবি,
মোয়ঁ তো কা জানোঁ গোই।
ছয়লা, উঠলয়ঁ, ৰামে ৰাম, মোয়ঁ তো কা জানোঁ।"

অৰ্থাৎ "গছৰ কোমল ডালত বহি চৰায়ে যিদৰে ঠোঁটেৰে ফল খায় ঠিক সেইদৰে এটা ল'ৰাই গছত উঠি মুঠামুঠে ফল খাইছিল। হঠাৎ গছ ভাগি মাটিত ল'ৰাটো পৰিল। তাই দেখে, ইমান সময় গছৰ তলত যিজনী ছোৱালী বৈ আছিল তাই ভয়ত কিবা হৈ গৈছে। দৌৰি আহি সখীয়েকক কৈছে যে— এতিয়া কি হ'ব? মোৰ কি দোষ, মই একো নাজানো। সখীয়েকে তাইক তাইৰ আঁচল তিয়াই পানী আনি ল'ৰাটোৰ চকু-মুখত ছটিয়াই দিবলৈ ক'লে। অকণমান পানী ছটিয়াওঁতেই ল'ৰাটো উঠি বহিল।'

ইয়াত এজনী সৰু ছোৱালীৰ ভয় বা উৎকণ্ঠাতে গীতটি শেষ হৈ যোৱা নাই। গায়কে ইংগিত দিবলৈ গৈছে যে উদ্ধত যৌৱনৰ কিশোৰীৰ প্ৰতি তৰুণৰ স্বাভাৱিক আকৰ্ষণৰ কথা। চৰায়ে ফল-ঠোঁটেৰে খোৱা দৃশ্যটিয়ে যৌৱন-সম্ভোগ অভিলাষৰ ৰূপক হিচাপেও ব্যৱহৃত হ'ব পাৰে।

দমকচ্ গীতসমূহ লিৰিকৰ পৰ্যায়ৰ গীত, লগতে ব্যক্তিকেন্দ্ৰিক হৈয়ো ই সাৰ্বজনীন। ইয়াতো প্ৰতীক, সংকেত, চিত্ৰ আদিৰ স্বচ্ছন্দ ব্যৱহাৰ দেখা যায়। যেনে—

(ক) "একে জাগা জনম পালি
বাড়লি যনে তনে
জিতিয়া পতইয়া লেখে
ভেলি ছিতি ছান।
আয় গেলয়ঁ অনিধুকা
গিৰ গেলয়ঁ খেৰকুটা
জিতিয়া পতইয়া লেখে
ভেলি ছিতি ছান।

(খ) যাই ক্ষণো দেখলোঁ
শুখল্ নদীৰে,
ফিৰে ক্ষণে হেৰি দইয়া
দুনো নদী ভৰল।

তৰল গীতটিত সৰল সংকেত, প্ৰতীক আৰু ৰূপক হিচাপে 'নদী'ৰ ব্যৱহাৰ হৈছে। সংকেত নাজানিলে অৰ্থ বুজা টান। যাবৰ সময়ত দেখিলো নদীখন শুকাই গৈছে— ঘূৰি আহি দেখিলো হায় পানীৰে নদীখনৰ দুইপাৰ উপচি পৰিছে। অৰ্থাৎ যেতিয়া প্ৰবাসলৈ গৈছিল তেতিয়া কন্যাজনী নাবালিকা হৈ আছিল, প্ৰবাসৰ পৰা ঘূৰি আহি দেখিলে নাবালিকা কন্যা যৌৱনমতী হৈ দেহ-মন উজ্জ্বল হৈ পৰিছে।

অসমৰ চাহ-মজদুৰসকলৰ গীত-পদসমূহৰ বৈচিত্ৰ্য, বিস্তাৰ আৰু গভীৰতা অপৰিসীম। বেছিভাগ গীতেই সমবেত কণ্ঠত গায়। নৃত্যৰ সহায়ত গীতসমূহ পৰিবেশিত হয়। কাঠীনাচৰ গীত, দমকচ্ গীত আদি দুটামান গীতহে একক কণ্ঠত গোৱা হয়। গীতসমূহ গাওঁতে মাদল, ঢাক, ঢোল, বাঁহী, তাল আদি বাদ্যযন্ত্ৰৰ ব্যৱহাৰ কৰে। কেতিয়াবা কেতিয়াবা বাদ্যৰ কোবত (শব্দত) গীতসমূহ ভালদৰে বুজাই নাযায়। কেৱল সুৰ, তাল আৰু লয়হে বুজিব পাৰি। মৌখিক গীত হোৱাৰ কাৰণে ঠাইভেদে উচ্চাৰণৰ তাৰতম্য দেখা যায়।

চাহ-মজদুৰৰ গীত-পদসমূহ সহজ-সৰল যদিও মাজে মাজে দুই-এটা গীত দুৰ্বোধ্য নোহোৱা নহয়। বেছিভাগ গীততে দুখৰ সুৰ শুনিবলৈ পোৱা যায়। এই গীতসমূহৰ মূল তেওঁলোকৰ আদিম বাসস্থান হ'লেও অসমলৈ আহি তাৰ ৰূপৰ কিছু পৰিবৰ্তন ঘটিছে। পেটৰ তাড়নাত হাড়ভগা পৰিশ্ৰম কৰাৰ ফলত আপোনা-আপুনি ওলাই আহে কৰুণ সুৰ। যেনে—

(ক) "ছাড়িব আসাম দেশ গ'
ই দেশে থাকিতে হামাৰ
নাহি গ' বাসনা
টুসু ধন আমাৰ

চল টুসু পলাই যাব বিদেশে।" (টুচুগীত)

(খ) "তৰ মনা বসি গেল
মৰ মনা বসি গেল
সজানীৰে চলে আইলি আসাম।
তৰা মনা বসি গেল
সজানীৰে, চাউলভুন্‌জা খাই ৰাখলি [illegible]।" (দমকচ্ গীত)

(গ) "চৰ্দাৰ বলে কাম কাম
বাবু বলে ধৰে আন
চাহাব বলে লব পিঠিৰ ছাল,
অ' বিদেশী চাম
ফাঁকি দিয়ে আনলি আসাম।" (ঝুমুৰ গীত)

চাহ-মজদুৰৰ গীত-পদসমূহৰ সৰল ভাষা, সৰল বিশ্বাস আৰু অলৌকিকতাৰ প্ৰভাৱে সকলোকে আকৃষ্ট কৰে। গীতবোৰৰ ছন্দ, অলংকাৰ, ভাব আৰু ভাষা শৃংখলিত নহ'লেও সাৱলীল আৰু উন্মুক্ত। ই চহা প্ৰাণৰ মুক্ত প্ৰকাশ আৰু আদিম আৰু মৌলিক ভাব-আৱেগৰ অকৃত্ৰিম প্ৰকাশ। এই গীতবোৰৰ বৰ্ণনাৰ সৰলতা, ভাবৰ অকৃত্ৰিমতা, আৱেগ-প্ৰৱণতা, ৰচনাৰ গঢ়, উপমা, অনুপ্ৰাস আদি অলংকাৰ, পদ, ছবি, দুলড়ী ছন্দৰ প্ৰয়োগৰ লগতে সুৰ-লয়ে ইয়াৰ সাহিত্যিক সৌন্দৰ্য বৃদ্ধি কৰিছে।

অষ্টম অধ্যায়

সামৰণি

এই অধ্যয়নত চাহ-মজদুৰসকলৰ গীত-পদৰ বিস্তৃত আলোচনা, চাহ-মজদুৰসকলৰ সামাজিক আৰু অৰ্থনৈতিক ব্যৱস্থা, উৎসৱ-পৰ্ব আদিৰ বিষয়ে সমাজ বিজ্ঞানৰ দৃষ্টিভংগীৰে বিচাৰ-বিশ্লেষণ কৰিবলৈ যত্ন কৰা হৈছে। অসমৰ চাহ-মজদুৰসকলৰ এই গীত-পদসমূহৰ ভাব-ভাষা, উপমা-ৰূপক পটন্তৰৰ মাজত অসমীয়া গীত-পদৰ লগত সম্পৰ্ক আছে। ভাৰতৰ বিভিন্ন অঞ্চলৰ পৰা বাগিচাৰ শ্ৰমিকৰূপে অহা এই লোকসকলৰ গীত-পদৰ সংমিশ্ৰণত সৃষ্টি হোৱা গীতসমূহৰ অধ্যয়ন কৰিবলৈ যত্নৰ ত্ৰুটি কৰা নাই।

অসমৰ মুঠ জনসংখ্যাৰ প্ৰায় এক তৃতীয়াংশ লোকেই হ'ল চাহ-মজদুৰ। আজিৰ পৰা প্ৰায় ডেৰশ বছৰৰ আগতে অসমৰ মাটিত চাহ উদ্যোগ গঢ়িবলৈ এইচাম মানুহক ভাৰতৰ বিভিন্ন প্ৰদেশৰ পৰা তেতিয়াৰ ব্ৰিটিছ চৰকাৰে অসমলৈ আনিছিল। অসমলৈ আহি একো একোটা মজদুৰ লাইনত তেওঁলোকক সম্প্ৰদায় আৰু ভাষাভেদে সান-মিহলিকৈ একেলগে বসবাস কৰিবলৈ দিয়াৰ ফলত তেওঁলোকৰ মাজত এই সমন্বয় গঢ়ি উঠিল। চাহ-মজদুৰসকলৰ সংস্কৃতিৰ একক অস্তিত্ব নাই, ই মূলতঃ তেওঁলোকৰ মাজত থকা বিভিন্ন সম্প্ৰদায়ৰ ভিন ভিন সাংস্কৃতিক উপাদানৰে এক সমষ্টিগত ৰূপ।

কলা-কৃষ্টি আৰু জীৱন-যাপনৰ শুদ্ধ প্ৰকাশেই সংস্কৃতি। সমাজক কেন্দ্ৰ কৰিয়েই সংস্কৃতিৰ উৎপত্তি আৰু বিকাশ। চাহ-মজদুৰসকলৰ মাজত বৰ্তমান দুই শ্ৰেণীৰ লোক আছে ঃ প্ৰাক্তন চাহ-মজদুৰ আৰু নিয়মীয়া নিযুক্তিৰ চাহ-মজদুৰসকলৰ প্ৰাক্তন চাহ-মজদুৰসকলে বাগিচাৰ এলেকাৰ বাহিৰত পতিত মাটিত ঘৰ-বাৰীৰে বস্তি পাতি বসবাস কৰে। তেওঁলোক থকা ঘৰবোৰ বাঁহ-বেতৰ বিবিধ আচবাব সজা কামৰ উপৰি দিনহাজিৰা কৰে। আনফালেদি চাহ-মজদুৰসকলে বাগিচাৰ কৰ্তৃপক্ষই সজাই দিয়া মজদুৰ লাইনৰ ঘৰবোৰত বসবাস কৰি বাগিচাৰ কামতে মনপুতি লাগি উপাৰ্জন কৰে। খোৱা-বোৱাত পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ অভাৱৰ ফলত নানান ধৰণৰ ৰোগৰ দ্বাৰা এওঁলোক প্ৰায়েই আক্ৰান্ত হয়। শিক্ষাৰ অনগ্ৰসৰতাৰ কাৰণে টকা-পইচাৰ সদ্ব্যৱহাৰ কৰিবও নাজানে। যিমানেই উপাৰ্জন নকৰক তেওঁলোকক খাবলৈ নাটে। সদায় অভাৱৰ মাজতে দিন কটায়। সীমিত পৰিয়ালৰ কথা চিন্তা নকৰাৰ ফলতো সাংসাৰিক জীৱন দুৰ্বিষহ হৈ পৰে, ল'ৰা-ছোৱালীক শিক্ষা-দীক্ষা দিবও নোৱাৰে।

চাহ-মজদুৰসকল কুসংস্কাৰ আৰু পৰম্পৰাগত অন্ধবিশ্বাস লৈয়ে ব্যস্ত। ডাক্তৰ,

কাৰিকৰতকৈ মন্ত্ৰাদিৰে ভৰা জৰা-ফুকা, আসুৰিক বেজ-ওজাক সামাজিক জীৱনত বেছি গুৰুত্ব দিয়ে। এইবিলাকেও মজদুৰসকলৰ উন্নতিৰ পথ ৰুদ্ধ কৰি ৰাখিছে।

চাহ-মজদুৰ সমাজত জীৱিকাৰ বাবে নাৰী আৰু পুৰুষে সমানে কাম কৰাৰ লগতে ঘৰুৱা কাম-কাজতো সমানে সমানে ভাগ লয়। সংস্কৃতিৰ ধাৰক আৰু বাহক হিচাপে তেওঁলোকৰ সমাজত নাৰীয়েই প্ৰধান ভূমিকা লয়। চাহ-মজদুৰ মহিলাসকল অৱশ্যে সৌন্দৰ্যপ্ৰিয়। এওঁলোকে ডিঙি, হাত, ভৰি, কপাল আদি শৰীৰৰ অংগ-প্ৰত্যংগত বিধে 'খদনা' লয়। বেজীৰে খুঁচি খুঁচি ফুল, নানা ধৰণৰ চিত্ৰ আঁকি লোৱা প্ৰথাই হ'ল 'খদনা'। তেওঁলোকৰ আ-অলংকাৰৰ বৈশিষ্ট্যও মন কৰিবলগীয়া। ভৰিত পিন্ধে 'পেওঁৰ পেট্ৰি', হাতত খাৰুৰ লগত 'হাৰাইয়া', খাৰুৰ একেবাৰে শেষত পিন্ধে 'পিছুৱা', এই হাৰাইয়া আৰু পিছুৱা আচলতে একেধৰণৰ খাৰুৱেই। বাহুত পিন্ধে নাংমাৰি, বাজু, ভৰি আৰু হাতৰ আঙুলিত আঙঠি পিন্ধে। আকৌ ডিঙিত পিন্ধা অলংকাৰ হ'ল ছিক্কি, চন্দ্ৰহাৰ, ভৰিত পিন্ধে পইৰী তথা পায়েল পইৰী আৰু কঁকালত পিন্ধে কমৰ পট্টি। তদুপৰি আৰু বহু ৰকমৰ অলংকাৰ চাহ-মজদুৰ নাৰীয়ে ব্যৱহাৰ কৰা দেখা যায়। কোনো কোনো সম্প্ৰদায়ৰ পুৰুষে কাণ বিন্ধাই কাণত 'কন্‌চি' পিন্ধে। আজিকালি অৱশ্যে তেওঁলোকে এইবিলাক অলংকাৰৰ কিছুমান পিন্ধিবলৈ এৰি দিছে। তাৰ ঠাইত নতুন নতুন অলংকাৰৰ ব্যৱহাৰ সোমাই পৰিছে।

চাহ-মজদুৰসকলৰ সংস্কৃতিৰ সুকীয়া বৈশিষ্ট্য চকুত পৰে। সংস্কৃতি হ'ল থূলমূলভাৱে এটা সম্প্ৰদায় বা জাতিৰ জীৱনধাৰাৰ সামগ্ৰিক ৰূপ। চাহ-মজদুৰসকল বিদ্যা-বুদ্ধিৰ ক্ষেত্ৰত নিৰক্ষৰেই হওক বা সাক্ষৰেই হওক অধিকাংশই কেৱল বাগিচাৰ কামত নিজৰ পাৰ্গতালি দেখুৱাবলৈ সুবিধা পায়। আজিকালি অৱশ্যে উঠি অহা কিছুসংখ্যক চাহ-মজদুৰ ল'ৰা-ছোৱালীয়ে স্কুল-কলেজৰ আধুনিক শিক্ষা গ্ৰহণ কৰি শিক্ষিত হৈ ৰাজনীতি, কাৰিকৰী বিদ্যা, চিকিৎসাবিদ্যা আদি নানা দিশত নিজস্ব বিদ্যা-বুদ্ধি তথা কৃতিত্বৰ পৰিচয় দিবলৈ সক্ষম হোৱা দেখিবলৈ পোৱা যায়। ইয়াৰ লগে লগে তেওঁলোকৰ জীৱন নিৰ্বাহৰ পদ্ধতিতো আধুনিক নগৰীয়া সংস্কৃতিৰ বিস্তৰ প্ৰভাৱ পৰিছে।

শিল্পকলাৰ ক্ষেত্ৰত তেওঁলোকৰ পৈতৃক বৃত্তিসমূহৰ ভিতৰত কমাৰ, কঁহাৰ, তাঁতি আদি বৃত্তিধাৰী শিল্পীসকলে নিজস্ব বৃত্তি পুনৰ জীৱিত ৰখাৰ চেষ্টা কৰিছে।

মদ্যপান চাহ-মজদুৰ সমাজৰ স্বভাৱগত এটা ৰীতি, কিন্তু ই বৰ্তমান তেওঁলোকৰ সমাজত এটা ভয়াৱহ ব্যাধিৰূপে দেখা দিছে। সমগ্ৰ জীৱন-নিৰ্বাহৰ প্ৰক্ৰিয়াটো এই মাদক দ্ৰব্য ব্যৱহাৰৰ কাৰণেই পংগু হৈ পৰা দেখা যায়। অৱশ্যে সাম্প্ৰতিক কালত কিছু পৰিমাণে ই হ্ৰাস পাইছে। যদিও আগৰচাম মজদুৰৰ মাজত এতিয়াও মদ্যপানৰ মাত্ৰাধিক্য সততে চকুত পৰে।

চাহ-মজদুৰসকলে বাগিচাৰ কামৰ মাজতো নৃত্য-গীত পৰিবেশন কৰি আনন্দ লাভ কৰে। হিন্দুসকলৰ মতে বাৰটা মাহত তেৰটা উৎসৱ পালন কৰি তেওঁলোকৰ সংস্কৃতি

জীয়াই ৰাখিছে। তেওঁলোকে সকলো পৰবত ভিন্ ভিন্ নৃত্য-গীত পৰিবেশন কৰে। ঝুমুৰগীত, টুচুগীত, সাহৰাই গীত আদিৰ লগত নৃত্যও পৰিবেশন কৰে। এই নৃত্য-গীতৰ এটা সুকীয়া মৰ্যাদা আছে। সময়ৰ লগে লগে আধুনিক সভ্যতাৰ পৰশত তেওঁলোকৰ নিজৰেই কিছু কিছু উৎসব-পৰ্ব লোপ পোৱাৰ পথত। একেদৰে সেই উৎসব-পৰ্বসমূহৰ লগত জড়িত ভালেমান গীত-মাতো পাহৰণিৰ গৰ্ভত লীন যাব ধৰিছে। এয়া যিমানদূৰ সম্ভৱ ব্যস্ততা আৰু আধুনিকতাৰ প্ৰভাৱৰে ফল। তেওঁলোকৰ গীতসমূহৰ লগত অসমীয়া বিহুগীতৰ কলি, হিন্দী চিনেমাৰ গীতৰ কলি সুমুৱাই এক নতুন ৰূপ দিছে।

অসমলৈ আহি চাহ-মজদুৰসকলে ভাষাৰ ক্ষেত্ৰত প্ৰথমতে যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছিল। কিয়নো ভাৰতৰ বিভিন্ন ঠাইৰ পৰা অহা লোকসকলৰ ভাষা পৃথক পৃথক আছিল। এই ভিন্নধৰ্মীবাদ, ভাষা-ভাষী লোকসকল যেতিয়া বাগিচাৰ একোটা লাইনত ওচৰা-উচৰিকৈ থাকিবলগা হ'ল, তেতিয়া তেওঁলোকে মনৰ ভাব আদান-প্ৰদান কৰাত প্ৰথমে অসুবিধা পাইছিল যদিও পিছলৈ কিন্তু তেওঁলোকৰ মাজত এটা নতুন ভাষাই গঢ় লৈ উঠিল আৰু সেই ভাষাটোৰ জৰিয়তে তেওঁলোকে মনৰ ভাব বিনিময় কৰিবলৈ সক্ষম হৈছিল। সেই ভাষাটোকে তেওঁলোকে 'বাগানীয়া ভাষা'ৰূপে চিনাকি দিয়ে। এই ভাষাত অসমীয়া, হিন্দুস্থানী আৰু মজদুৰসকলৰ নিজ নিজ ভাষাৰ শব্দাদি নানান উপাদানৰ এক মধুৰ সংমিশ্ৰণ ঘটে। এই বাগানীয়া ভাষাৰ সুন্দৰ প্ৰয়োগ কেৱল দৈনন্দিন জীৱনৰ মাত-কথাতে আবদ্ধ নাছিল। অন্যান্যসকলৰ বহুতৰে গীততো সোমাই পৰিছে।

অসমৰ লোক-সাহিত্য অধ্যয়নৰ ক্ষেত্ৰত চাহ-মজদুৰৰ লোক-সাহিত্য অধ্যয়ন অপৰিহাৰ্য। কিয়নো ডেৰশ বছৰ অসমৰ মাটিত বসবাস কৰি অসমীয়া জনগোষ্ঠীৰ অন্তৰ্ভুক্ত হৈ পৰা এই বৃহৎ জনগোষ্ঠীৰ লোক-সাহিত্য অসমীয়া লোক-সাহিত্যৰ অন্তৰ্ভুক্ত। অসমীয়া সংস্কৃতি, ভাষা, সাহিত্য সকলো দিশতেই এওঁলোকৰ অৱদান যথেষ্ট। গতিকে সংস্কৃতিৰ অন্তৰ্গত লোক-সাহিত্যৰে এটা বিভাগ এই গীতসমূহ। সেইবোৰ অধ্যয়ন কৰিবলৈ গৈ দেখা গৈছে যে চাহ-মজদুৰৰ লোকগীতসমূহৰ ভঁৰাল সঁচাকৈয়ে চহকী। এই গীতসমূহৰ সংৰক্ষণ কৰাটো অতি প্ৰয়োজনীয় কথা। এই গীতসমূহে অসমীয়া লোকগীতৰ ভঁৰাল নিশ্চয় চহকী কৰিব। কেতিয়াবা আকৌ এনে একোটা ধাৰণা ওপজে যে কালৰ বুকুত এই মূল্যবান গীত-মাতসমূহ হেৰাই যাব। তেতিয়া সঁচাকৈয়ে অসমীয়া লোক-সাহিত্যৰ অপূৰণীয় ক্ষতি হ'ব বুলিব পাৰি।

চাহ-মজদুৰসকলৰ গীত-পদসমূহ অধ্যয়ন কৰা প্ৰসংগত অসমৰ চাহ-বাগিচাসমূহত ক্ষেত্ৰ অধ্যয়নৰ সময়ত এটা কথা স্পষ্ট হৈ উঠিছিল যে তেওঁলোকৰ পুৰণাচাম

লোকেহে গীত-পদসমূহৰ বিষয়ে কিছু কথা ক'ব পাৰিছে। নতুনচাম তেনেই নগণ্য দুই-একৰ বাহিৰে সৰহসংখ্যকেই সাধাৰণ দুই-তিনিটা গীতৰ কথাহে ক'ব পাৰে। সম্ভৱতঃ আধুনিক শিক্ষা-দীক্ষা আদিৰ প্ৰভাৱৰ ফল।

চাহ্-মজদুৰসকলৰ গীত-পদসমূহ সঁচাকৈয়ে বৰ আমোদজনক। প্ৰায়বিলাক উৎসৱৰ লগতে গীতৰ প্ৰচলন আছে। সেই প্ৰতিটো গীতৰে সুৰ সুকীয়া ধৰণৰ। গীতসমূহত তেওঁলোকৰ সামাজিক ৰীতি-নীতি, প্ৰেম-প্ৰীতি, হৰ্ষ-বিষাদ আদি সুন্দৰৰূপে ফুটি উঠিছে। এই গীতসমূহৰ সাহিত্যিক মূল্যও সৰ্বাধিক। এই গীত-মাতসমূহে অসমীয়া লোকগীতৰ ভঁৰাল চহকী কৰাৰ লগতে এক বৈশিষ্ট্যপূৰ্ণ সৌন্দৰ্যও দান কৰিছে বুলিব পাৰি। ভাব-ভাষাৰ লগতে পদবোৰৰ ৰচনা-ৰীতিৰ মাজতো ভালেখিনি বৈচিত্ৰ্য চকুত পৰে।

অসমৰ জনগোষ্ঠীৰ অন্তৰ্ভুক্ত এই চাহ্-মজদুৰসকলৰ সংস্কৃতিয়ে অসমীয়া সংস্কৃতিৰ মাজত বৈচিত্ৰ্যৰ সৃষ্টি কৰিছে। তেওঁলোকৰ সংস্কৃতি সম্পৰ্কে অধ্যয়ন কৰাৰ লগে লগে তাৰ সংস্পৰ্শত অসমীয়া সংস্কৃতিলৈ কি বিশেষ অৰিহণা আগবঢ়াইছে তাৰো বিচাৰ-বিশ্লেষণৰ প্ৰয়োজন। সংস্কৃতিৰ এটা বিশেষ দিশ লোকগীতসমূহৰ অধ্যয়নত স্পষ্ট হৈ পৰা কথাটো হ'ল মজদুৰৰ লোকগীতৰ প্ৰাচুৰ্য, ভাবগত সৌন্দৰ্য আৰু সামাজিক জীৱনৰ ভাল-মন্দ দিশৰ কলাসুলভ প্ৰকাশ। অৱশ্যে তেওঁলোকৰ ভালেমান গীত বৰ্তমান লুপ্তপ্ৰায়। তেনে গীতো কেইটামান অতি বৃদ্ধলোকৰ পৰা পোৱা গৈছে।

এই গীতসমূহৰ সাহিত্যিক মূল্য, ভাষাৰ মূল্যৰ লগতে সাংগীতিক মূল্যও অসীম। এই লোকগীতসমূহে অসমীয়া লোকগীতৰ ভঁৰাল সমৃদ্ধ কৰিছে। পৰ্বত-ভৈয়াম, জনজাতি-অজনজাতি, চাহ্-মজদুৰৰূপী ভাৰতৰ বিভিন্ন প্ৰান্তীয় লোকৰ দ্বাৰা গঢ় লৈ উঠা সমন্বয়ৰ অসমীয়া জাতি আৰু সংস্কৃতিৰ বৰপেড়াত চাহ্-মজদুৰৰ অৱদান অনস্বীকাৰ্য। সাধাৰণ দৃষ্টিত মজদুৰসকল অনাখৰী দিনমজুৰি কৰি জীৱন উপভোগ কৰা অতি সাধাৰণ মানুহ। সেই সাধাৰণ শ্ৰেণীৰ মানুহৰ সৃষ্টি লোকগীতসমূহৰ মাজতেই কিন্তু লুকাই আছে সাহিত্য জগতৰ বহু অসাধাৰণ সম্পদ। সেই সম্পদৰ উদ্ধাৰৰ বাবে চাহ্-মজদুৰৰ মাজত অ'ত-ত'ত মুখ-বাগৰি বৰ্তি থকা গীতৰাজিৰ সংগ্ৰহ আৰু সংকলন কৰাটো অত্যন্ত দৰকাৰ। তাতেই নিহিত আছে এই লোকগীতৰ ব্যাপক অধ্যয়নৰ সুফল।

☆☆☆☆

সাংকেতিক গ্ৰন্থ

(১) বেণুধৰ শৰ্মা — 'অসমীয়া চাহৰ আঁতিগুৰি'
আৱাহন ১৮৬০ শক চ'ত, পৃঃ ১১

(২) সুশীল কুৰ্মী — 'চাহ-বাগিচাৰ কথা' ১৯৮১ চন, পৃঃ ৫

(৩) ছাৰ এডোৱাৰ্ড গেইট — অসম বুৰঞ্জী, অনুবাদ ঃ চেনেহী বেগম, ১৯৯১ চন, পৃঃ ৩০৯

(৪) টি ব'ৰ্ডৰ গণনা — ১৯৯১-৯২ চন।

(৫) H. K. Barpujari — Assam in the days of Company 1826-1858, : 1963, p. 229

(৬) R. Chattopadhyaya — Social perspective of labour legislation in India, 1859-1932, Applied to Tea-plan tation : 1967, p.22

(৭) Special Report on the working of Act-I of 1882 in the province of Assam during the year 1886-89, p.88

(৮) Sir Percival Griffiths:'The History of the Indian Tea Industry : 1967, p. 292

(৯) A. Guha — Planter Raj to Swaraj : 1977, p. 18

(১০) D. Ganguli — Slavery in British Dominion, p. 2

(১১) পুনশ্চ-9, .88

(১২) Assam Govt Statistics : 1991, p. 80

(১৩) হেমাংগ বিশ্বাস — লোক-সংগীত সমীক্ষা বাংলা ও আসাম ঃ বাংলা-১৩৮৫ চন পৃঃ ৫৯

(১৪) Encyclopedia Britanica : Vol-IV : 1985, p.862